অসমীয়া সাহিত্যৰ
পৰমাচাৰ্য্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী

শ্ৰীবেণুধৰ শৰ্ম্মা

LIBRARY.
GAUHATI.

১৮৯৩ শক

অসম সাহিত্য-সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট-১

Asamiya Sahityar Paramacharjya Pandit Hemchandra Goswami, a biography of late Hemchandra Goswami (1872-1928) written by Sri Benudhar Sharma, Suwagpur, Gauhati and published by Sri Jatindranath Goswami, M.A.B.T., General Secretary, Asam Sahitya Sabha, Jorhat-1, Assam 1972 Price Rs 6·00

প্ৰকাশক :

শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, এম-এ, বি-টি

প্ৰধান সম্পাদক

অসম সাহিত্য-সভা

যোৰহাট-১

প্ৰথম প্ৰকাশ : ৮ জানুৱাৰী ১৯৭২ চন।

মূল্য ৬·০০

ছপাশাল :

বোধক।

গুৱাহাটী-১

প্ৰধান সম্পাদকৰ পাতনি

অসম সাহিত্য সভাই ১৯৭২ চনৰ ৮ জানুৱাৰীত পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ জন্ম-শতবাৰ্ষিকী পালন কৰিবলৈ সিদ্ধান্ত কৰে। এই উপলক্ষে সভাই পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ সমুদায় ৰচনা প্ৰবীণ সাহিত্যিক শ্ৰীবেণুধৰ শৰ্ম্মাৰ দ্বাৰা সঙ্কলন আৰু সম্পাদনা কৰাই আৰু জীৱনী এখন লিখোৱাই প্ৰকাশ কৰিবলৈ স্থিৰ কৰে। শ্ৰীশৰ্ম্মাদেৱে অশেষ শ্ৰম কৰি ৰচনাৱলী যুগুত কৰে, আৰু পণ্ডিত গোস্বামীৰ এখন জীৱনীখন লিখি দিয়ে। কিন্তু জীৱনীখনৰ সামৰণি অধ্যায়টো লিখি শেষ হোৱাৰ পূৰ্ব্বে তেখেতৰ চকুৰ বিকাৰ হয় আৰু চিকিৎসাৰ বাবে হস্পিটেললৈ যায়।

শ্ৰীশৰ্ম্মাদেৱে ৰচনা কৰা অসমীয়া সাহিত্যৰ পৰমাচাৰ্য্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী জীৱনীখন ৰাইজলৈ আগবঢ়োৱা হ'ল।

এই জীৱনীখনৰ আৰ্হি-কাকত আদি চোৱাৰ বাবে অধ্যাপক শ্ৰীঅজিতকুমাৰ শৰ্ম্মাক ধন্যবাদ জনালোঁ। প্ৰেষক ছপাশালৰ শ্ৰীবদন চন্দ্ৰ বৰুৱা ডাঙৰীয়াই পুথিখন কমসময়ৰ ভিতৰতে মুদ্ৰনৰ কাম সমাধা কৰি দিয়াৰ বাবে আমাৰ ধন্যবাদৰ পাত্ৰ।

চন্দ্ৰকান্ত সন্দিকৈ ভৱন	শ্ৰীযতীন্দ্ৰনাথ গোস্বামী
যোৰহাট-১	প্ৰধান সম্পাদক,
৮।১।৭২	অসম সাহিত্য-সভা

—নিবেদন—

অসম সাহিত্য-সভাৰ অনুৰোধ মতে পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱৰ জীৱনী সঙ্কলন আৰু তেখেতৰ ৰচনাসমূহৰ সংগ্ৰহ এটি সম্পাদন কৰি তেখেতৰ জন্ম শতবাৰ্ষিকী উপলক্ষে ৰাইজলৈ আগবঢ়োৱা হল। এই কামত লাগি থাকোঁতেই চকুৰ পীড়াইও বাধা জন্মালে। তথাপি শক্তি অনুসৰি এই কাম ফেৰি যিমান পাৰি নিখুঁত কৰিবলৈ চেষ্টা কৰিছোঁ। পণ্ডিত গোস্বামীদেৱৰ স্মৃতিতৰ্পণৰ ফলত অসমীয়া ভাষা-সাহিত্যলৈ ৰাইজৰ শ্ৰদ্ধা বাঢ়িব, আমাৰ সেয়ে মাথোন আশা।

উজানগপুৰ
গুৱাহাটী—৮
৮।১।১৯৭২

শ্ৰীবেণুধৰ শৰ্ম্মা

সূচী

অধ্যায়		পৃষ্ঠা
১।	হেমচন্দ্ৰ গোস্বামী	১
২।	জন্মস্থান ঢেঁকীয়াল	৫
৩।	জন্মভেঁটি	৮
৪।	ইংৰাজী শিক্ষা	১৪
৫।	নগাওঁ-হাইস্কুলত	১৮
৬।	কলিকতা যাত্ৰা	২৫
৭।	অসমীয়া ভাষাৰ বুৰঞ্জীমূলক প্ৰথম ৰচনা	২৯
৮।	"জোনাকী"ৰ জীৱন্ধৰী মণি	৩৩
৯।	গেইটৰ বুৰঞ্জী-সমলীয়া	৪৯
১০।	বুৰঞ্জী-অনুসন্ধানত	৫৩
১১।	"হেমকোষ" উদ্ধাৰত হেমচন্দ্ৰ	৫৯
১২।	বি-এ শ্ৰেণীত অসমীয়া প্ৰচলন	৬১
১৩।	গোৱালপাৰাত অসমীয়া ভাষা প্ৰচলনৰ মূলত	৬৭
১৪।	সাংবাদিক আৰু সাংবাদিকতাৰ পৃষ্ঠপোষক	৭৫
১৫।	কামৰূপ অনুসন্ধান সমিতিত	৮০
১৬।	গোস্বামীৰ ভাষা	৯৫
১৭।	ৰচিত আৰু সম্পাদিত গ্ৰন্থ	৯৭
১৮।	কথা গীতা	১০৬
১৯।	গোস্বামীৰ শাৰীৰিক অৱয়ৱ	১১২
২০।	হেমচন্দ্ৰৰ গ্ৰন্থাগাৰ	১২৪
২১।	সাহিত্য-সভাৰ সভাপতি	১২৯
২২।	ব্যৱস্থাপক সভালৈ প্ৰাৰ্থী	১৩০
২৩।	জোকৰ মুখত চূণ দিওঁতা	১৩১
২৪।	গান্ধী দৰ্শনত নিৰ্ভীকতা	১৩৩
২৫।	মহাত্মা গান্ধীৰ ভুল ভাঙৰণ	১৩৪

২৬।	ৰসিকতা আৰু উপস্থিত বুদ্ধি	...	...	১৩৮
২৭।	সঙ্গীতানুৰাগিতা ...	...	...	১৪১
২৮।	হেমচন্দ্ৰ গোস্বামীৰ মৃত্যুত শোকোচ্ছ্বাস	...	...	১৪৫
২৯।	জোৰণী ...	...	...	১৬১
৩০।	হেমচন্দ্ৰ গোস্বামী সম্পৰ্কে প্ৰকাশিত			
	টোকা-পুথি-প্ৰবন্ধাদি	...	...	১৬২
	শ্ৰীগোৱাঙ্গদেৱৰ বংশাৱলী	...	...	১৬৫

জাতিতত্ত্ব গবেষণাত



হেমচন্দ্র গোস্বামী

১৯০৫

হেমচন্দ্ৰ গোস্বামী

"ডাঙৰ মানুহজন"

১৯২৮ চনৰ ২ মে তাৰিখে, দুপৰীয়া এখাৰমান বজাত ঢক ফুটিল—হেম গোসাঁই ঢুকাল। গুৱাহাটী নগৰত উস্‌খিস্ লাগিল। উজান বজাৰ জঁয় পৰিল। স্কুল-কাছাৰী বন্ধ হল। অফিছ ছুটী হল। আত্মীয়-স্বজনেৰে গোসাঁইৰ চৌহ ভৰি পৰিলহি। ছাত্র-কৰ্ম্মচাৰীও ঠাহ খালেহি। বাট-পদূলি, চৌতাল-ঘৰ মানুহৰ নিদানে বিৰ-দিও বাট নোপোৱা হল। কমিছনাৰ বেন্টিঙ্ চাহাবো আহি টুপী সোলোকাই মৌন ভাবে মৃতকৰ প্রতি শ্রদ্ধা জনাইছে। সকলোটি নিৰ্ব্বাক নিস্পন্দ—কাৰো মুখত মাত নাই; বিষাদে সকলোৰে মন ওন্দোলাই থৈছে।

এজ্‌লাচৰ কাগজ-পত্র এজ্‌লাচতে এৰি, এনেতে কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ ডাঙৰীয়া ওলালহি উধাতু খাই। দেখিলে—হেম গোসাঁই সঁচা-কৈয়ে পৰি আছে অনন্ত শয়নত—চৌপাশে বেৰি আছে শোকাকুল পৰি-য়াল-পৰিজনে। মৃত দেহৰ বুকুত শালগ্রাম, শিতানৰ মূৰত তুলসী গছ।

শোকাবেগৰ উচ্ছাসত কৰ্ম্মবীৰে শোকার্ত্ত জনতালৈ চাই হুমুনিয়াহ কাঢ়িলে,

"আজি আমাৰ ডাঙৰ মানুহজন গল!"

"ডাঙৰ মানুহ এজন গল" বুলি নোলাই কৰ্ম্মবীৰৰ মুখত, একেজন মাত্র বুজোৱা "ডাঙৰ মানুহজন গ'ল" বুলি ফট্ কৰে কিয় ওলাল?

ওলাল, এই বাবেই যে:—

১। "অস্ত্র-শস্ত্র সবে জড়, কোনোবাই চেতন দিলে হে দিয়া। ধোঁৱা-চাঙত গাপ লাগি থকা সাঁচিপতীয়া বুৰঞ্জীৰ কথাও তেনে—চেতন দিওঁতা নহলে কেতিয়াও জীৱন্ত হৈ নুঠে। হেমচন্দ্ৰ গোস্বা-মীয়েই জীৱন দিলে এলাজুকলীয়া বুৰঞ্জী পাতত আৰু দিলে কেতিয়া? —নৱ-জাগৰণৰ ঘুমটি-ঘূৰণত অসমীয়া মানুহ উকমুকাই আছিল যেতিয়া।

অসমীয়া সাহিত্যৰ পৰমাচাৰ্য্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী

২। "তেজ ধুলে উঠে, মজহ ধুলে মুটে"—আপোনাৰ বৈ-বজহন্তকৈ আন কোনো আপোন নহয়—এই ফাঁকি বুৰঞ্জী কাপীকো আমাৰ কাণত জুনজুনাই শুনাই গল—হেমচন্দ্ৰ গোস্বামীয়ে।

৩। (চাৰ) এডোৱাৰ্ড গেইটে যি অসমৰ বুৰঞ্জী প্ৰণয়ন কৰি অসমৰ 'বিষম' কথা জগতক জনালে সেই বুৰঞ্জীৰ প্ৰধান সহকাৰী আছিল কোন?—হেমচন্দ্ৰ গোস্বামী।

৪। "অসমীয়া সাহিত্যৰ বৰ্ণনামূলক পুথিৰ তালিকা" আৰু "অসমীয়া সাহিত্যৰ চানেকি"—এই দুখন গ্ৰন্থ নহয় যেনিবা বশিষ্ঠ মুনিৰ কামধেনু গাই হে, যাৰ ওহাৰ চুঁচি অসমীয়া সাহিত্যৰ গৱেষকসকলে পুৰণি সাহিত্যৰ গাখীৰ খীৰাই ভাতৰ লগত খোৱা পানী যেনকৈ পি খাই থাকিব পাৰে। এনে অপূৰ্ব্ব, সন্দেহপূৰ্ণ, গাভী-গ্ৰন্থ দুখন সঙ্কলন আৰু সম্পাদন কৰিব পাৰিছি? একমাত্ৰ আজীৱন সাহিত্য-সাধক হেমচন্দ্ৰ গোস্বামীয়ে হে—যাৰ আছিল জাতীয় গৌৰৱৰ প্ৰতি কেৱলীয়া নিষ্ঠা, জুটিয়াৰ নোলোৱাকৈ লেলেতীয়া পৰিশ্ৰম কৰিব পৰা শক্তি আৰু আঁকোৰগোজাকো যোৰাব পৰা বৃহস্পতি সদৃশ বুদ্ধি কৌশল।

৫। কলিকতাৰ অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ আৰু 'জোনাকী' কাকতৰ চন্দন-চ'ৰাত বহি, হাতীপটিৰ তৰাৰূপে তিৰবিৰাই তিৰ-বিৰাই যিসকলে নৱ-অভ্যুত্থান যুগৰ জোনাক সিচিছিল, সেই সকলৰ ভিতৰতে টলবলাই আছিল ধ্ৰুৱতৰাৰ দৰে তিনিটি তৰা। তাৰে এটি আছিল হেমচন্দ্ৰ গোস্বামী—'জোনাকী'ৰ জীৱন্ধৰী মণি হৈ।

৬। ইংৰাজী চনেট-কবিতাৰ আৰ্হিৰে চতুৰ্দ্দশপদী বা চৈধ্যফাঁকীয়া কবিতা লেখি অসমীয়া ভাষাত "চনেট" উলিয়া'লে পোনপ্ৰথমেই হেমচন্দ্ৰ গোস্বামীয়ে।

৭। অসমীয়া ভাষা-সাহিত্যৰ ধাৰাবাহিক বুৰঞ্জী সজাটি জয়ে জয়ে থিয়কৈ দিলে হেমচন্দ্ৰ গোস্বামীয়ে।

৮। "অৰুণে"ই আমাৰ লৰা-ছোৱালীৰ নিমিত্তে প্ৰথম মাহেকীয়া আলোচনী কাকত। সেই কাকতৰ প্ৰতিষ্ঠাপক আৰু সম্পাদকো আছিল গোসাঁই হেমচন্দ্ৰয়েই।

৯। সংস্কৃতৰপৰা উদ্ধাৰ কৰিলে বৰুৱা হেমচন্দ্ৰৰ "হেমকোষ" অভিধান খন গোস্বামী হেমচন্দ্ৰই—জীৱনৰ সংসৰ্গৰহ দি।

১০। সেই পৰাকী অসমীয়া ভাষাৰ ওজাৰ সোণালি স্মৃতিটিও পাহৰণিৰ মৈদামত সোমাবলৈ নিদিয়াকৈ উজলাই ৰাখিলে হেমচন্দ্ৰ গোস্বামীয়ে হে—গৰ্ডনে সৈতে যুটীয়াকৈ।

১১। কলিকতা বিশ্ববিদ্যালয়ৰ বি-এ শ্ৰেণীত অসমীয়া ভাষাই পাঠ্য ৰূপে অন্তৰ্ভুক্তি পোৱাটোতো চিনেটৰ সদস্য কটন কলেজৰ অধ্যক্ষ এফ্ ডব্লিউ চুডমাৰ্চনৰ মাই "মুখপাত্ৰ" আছিল হেমচন্দ্ৰ গোস্বামী।

১২। মহানুভৱ চাৰ আশুতোষ মুখোপাধ্যায়ে "অসমীয়া সাহিত্যৰ চানেকি"-খন দেখিয়েই কলিকতা বিশ্ববিদ্যালয়ৰ এম-এ শ্ৰেণীত অসমীয়া ভাষাকো স্থান নিদিয়া হলে স্বাধীনোত্তৰ যুগত অসমীয়া ভাষাই ভাৰতৰ সাংবিধানিক ভাষাৰ শাৰীত সমানে বহিবলৈ দাঁতে-ওঁঠে যুঁজিব লাগিলহেতেন। সেই যুঁজৰ সম্ভাৱনাও বহুত দিনৰ আগেয়েই নিবৃত্তি কৰি গ'ল হেমচন্দ্ৰ গোস্বামীয়ে।

১৩। "অসমীয়া সাহিত্যৰ চানেকি"—নিচিনা জয়-দৌল-পুথি এখনি ভিতৰতে ভেঁকুৰিলেহেতেন, যদি ধৰ্ম্মপ্ৰাণ মৃদুভাষী গোস্বামী হেমচন্দ্ৰই সততেই "মোহমুদগৰ" স্তোত্ৰ পঢ়ি, ব্যাখ্যা কৰি শুনাই লক্ষ্মীপতি—"সাউদকোঁৱৰ" বদান্য পুৰুষ ভোলানাথ বৰুৱাৰপৰা সেই পুথি প্ৰকাশাৰ্থে দহ হেজাৰকৈ টকা পাব নোৱাৰিলেহেতেন।

১৪। "কোনে গঢ়িছিলে ই শিল ভুৰবি
কাৰে নো ই কীৰ্ত্তিচিন
কাৰে বা আখৰ কোনে কাটিছিল
ক'ত বা হ'ল সি জগত লীন ?

বুলি যি কবিয়ে বিলাপ কৰি চকুপানী টুকিছিল, সেই কবিক নিচুকাইছিল হেমচন্দ্ৰ গোস্বামীয়ে—চিকুটি-বাঁকুহি ধূলি-মাকটি গুচাই, কটা শিলৰ ওপৰত কটা আখৰ উদ্ধাৰ কৰি।

১৫। চিজলীয়ে নিয়া-দৰে বঙ্গভাষীসকলে আমাৰ বুকুৰপৰা গোৱালপাৰাখন থাপ মাৰি নিবৰ সময়ত বৃহন্নলাৰ দৰে যুঁজ কৰিছিল হেমচন্দ্ৰ

গোস্বামীয়ে—যাৰ আটোপ-টঙালত অসমীয়া গোৱালপাৰা অসমীয়া হৈয়ে থাকিব পাৰিলে।

১৬। অসমৰ ইংৰাজ ৰৰফুকন কৰ্ণেল পি, আৰ, টি গৰ্ডনৰ অধীনত থকা ছখন জিলাৰ প্ৰশাসনীয় চেৰেকী ঘুৰাইছিল "ৰৰফুকন"ৰ স'জাতী স্বৰূপে থাকি হেমচন্দ্ৰ গোস্বামীয়ে।

১৭। "গোস'াই, ইউ হেভ্ গিভোন মি এ ভেৰী টল অৰ্ডাৰ টু একজিকিউট্"—গোস'াই, আপুনি মোক কামটো সম্পাদন কৰিবলৈ আকাশলঙ্ঘী হুকুম দিলে।"—এই আশা-নিৰাশা ভৰা প্ৰতিক্ৰিয়াটো গৰ্ডন চাহাবে হেমচন্দ্ৰক দিছিল তেতিয়া, যেতিয়া পাচৰজনে আগৰজনক খাটিছিল পদ্মনাথ বৰুৱাক সাহিত্যিক পেঞ্চন দিবলৈ। বৃটিছ-পাৰ্লিয়েমেণ্টলৈকে হাঁকুটী লগাই গৰ্ডনে পেঞ্চন দিয়া কামটো সম্পাদন কৰিলে মুখহৰিব নোৱৰা স'জাতী স্বৰূপ হেমচন্দ্ৰ গোস্বামীৰ কথাত লাগিহে।

১৮। ঊনৈশ শতিকাৰ শেষতো এনেকুৱা একোজন জগদ্বিখ্যাত মহাপুৰুষ আছিল, যি অপহৃতা-অসুৰা লেখকৰ হাত-বাগৰা পুথি পঢ়িয়েই ভাবি লৈছিল—অসমীয়া মানুহবোৰ কোল-ভীল-পিণ্ডাৰী-লগৰ; আৰু ধাৰণা কৰিছিল যে অসম দেশখন জঙ্ঘলী-বৰ্ব্বৰৰ দেশ।
"অসম দেশ যে জঙ্ঘলীৰ দেশ নহয়" আৰু অসমীয়া মানুহো যে পিণ্ডাৰী-লগৰ নহয় বৰং ই প্ৰাচীন ঐতিহ্যেৰে ভৰপূৰ সুসভ্য মানুহৰহে দেশ—এই মাৰাত্মক বদ্ধমূল ভ্ৰম ধাৰণাটো সংশোধন কৰাইছিল, বৃটিছ গৱৰ্ণমেণ্টৰ সহযোগী উচ্চপদস্থ বিষয়া পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে হে।

১৯। মৃতভাষা সংস্কৃতক সঞ্জীৱিত কৰিবলৈ নলবাৰীত যি সংস্কৃত-সভা আৰু সংস্কৃত টোল প্ৰতিষ্ঠিত হ'ল, সিও সংস্কৃত-অনুৰক্ত হেমচন্দ্ৰ গোস্বামীৰ চৰ্কাৰৰ ওচৰত কৰা অবিৰাম অনুৰোধ—উপৰোধ আৰু অশেষ যত্নৰেই ফল।

২০। অসম সাহিত্য সভাখনৰ গজলীয়া অৱস্থাতে ৰব পৰা লাগিছিল। সভাখন প্ৰতিষ্ঠিত হ'ল যদিও, কোনেও তালৈ উভতিকে নোচোৱা

হ'ল। অসমীয়া সাহিত্যৰ যে সভা এখন আছে, তাৰে ভু-ভটং, অইন ঠাইৰহে নালাগে, সভাৰ অফিচ থকা ঠাইৰ মানুহেই লবলৈ এলাহ কৰে। সাহিত্য সভাৰ হৃৎপিণ্ড স্বৰূপ সম্পাদক শৰৎ চন্দ্ৰ গোস্বামীয়ে দুহেজাৰমান চিঠি দিও, কাৰোপৰা সম্বিধান এটিও নোপোৱা হ'ল। সম্পাদকৰ মোৰ হেৰাল। এনেতে উত্থানকৰ্তা হেমচন্দ্ৰ গোস্বামীয়ে গোস্বামী শৰৎ চন্দ্ৰক মোৰ পোৱাই দিলে। তেখেতৰ স্বপ্ৰণোদিত চেষ্টাৰ বলতে মাহাৰা সত্ৰাধিকাৰ "ৰাধানাথ গোস্বামী"ৰপৰা নগদ দুহেজাৰ টকা পোৱা হ'ল। সম্পাদকে থাউনি পালে। সেই টকাৰ বলতেই সাহিত্য সভাখন ঠন ধৰি উঠিল। গোৰাং সত্ৰৰ গোস্বামী নোহোৱা হলে, বোধকৰোঁ সভাৰ পয়া সহজে নেলাগিলহেতেন।

জন্মস্থান ঢেঁকীয়াল

এনে ডাঙৰ মানুহজনৰে জন্ম হৈছিল শিৱসাগৰ জিলাৰ গোলাঘাট মহকুমাৰ ওপৰ দৈয়াঙৰ অন্তৰ্গত ঢেঁকীয়ালৰ গোৰাং সত্ৰত।

ইয়াৰ দক্ষিণে লাট-লগা বছা-পথাৰ; পূবে ঊৰ্দ্ধঋষিৰ আশ্ৰম দেৰগাওঁ বা দেৱৰ গ্ৰাম আৰু দোল; পচিমে নামদৈয়াং, উত্তৰে দিহিং। কাষৰে পাঁজৰে মৰঙ্গী খোৱা গোহাঁই থকা টোপোলাঘাট, শীতল নেঘেৰী, বহুচলা গাওঁ, কচাৰীহাট আৰু লোশলীয়া গাওঁ, হামদৈ খাত, দিলশিৰী বা কাক-ডোঙা নৈৰ পাৰৰ শীতলীয়াল পথাৰ প্ৰভৃতি "শংস্য-মংস্যে অনুপাম" আৰু শিল্প-থলীৰে ভৰা "লখিমী উঁড়াল।"

উঁড়ালৰ লগতে সাঙোৰ খাই আছিল বণীয়া-কাকতীৰ পদ্মপতি ঘৰ; গুজৰাটৰপৰা নাৰায়ণপুৰলৈ অনোৱা আগমৰ ঘৰ; ভটীয়া বৰবৰাৰ ঘৰ; মহাৰাষ্ট্ৰৰপৰা অহা শুকুলী (শুক্লা) ঠাকুৰৰ ঘৰ, দেৱৰ গাঁৱৰ দ'লত উঠিৰ পৰা একাচেকা গণকৰ ঘৰ, ন-গোসাঁইৰ ঘৰ, মুকলিমুৰীয়া গোসাঁইৰ ঘৰ, নাভাৰপৰা অহা নেভেৰীয়াৰ ঘৰ; উৰিষ্যাৰপৰা অহা কন্দলীৰ ঘৰ—এই-বিলাকক মুখ্য কৰি ভালেমান বংশ-পৰিয়ালৰ এখন বৃহৎ সমাজ—যি অসম স্বতন্ত্ৰ হৈ থকা দিনত জ্ঞান-বিদ্যা, ধৰ্ম্ম-সাহিত্য, নৃত্য-গীত, আধ্যা-

ত্মিক চিন্তাৰ চৰ্চা-অনুশীলন কৰি ঢেঁকীয়ালৰ আউনিটোক সৰস্বতী কুণ্ডতেই পৰিণত কৈ থৈছিল।

মুঠতে, সামৰিক-অসামৰিক, লৌকিক-পাৰমাৰ্থিক, নীতি-ধৰ্ম্ম সকলোৰে আদৰ্শৰ স্থল আছিল ওপৰদৈয়াং-নামদৈয়াং—বৰ্ত্তমান শীতলীয়াল অঞ্চলটো। ইয়াৰ একপ্ৰকাৰ সোঁ-মাজতে ঢেঁকীয়াল বা ঢেঁকীয়াল শয়েকৰ গাওঁখন। গাওঁ বুলি ঠেকাই ধৰিলেও, ঢেকীয়াল শয়েকৰ শ-শ পাইকে দেশ জয় অভিযানত প্ৰাণ আহুতি দি অসমৰ সীমা যেনেকৈ বহলালে, তালৈ চালে ইয়াক এখনি গাওঁ বুলিব নোৱাৰি—ৰণসম্ভাৰ যোগোৱা আৰু ৰণচালি দি থকা বহুত চুবুৰিৰে গঠিত এখনি জাইগীৰ বা চহৰ বুলিহে কব পাৰি।

অসমীয়া বুলি তেজে-মঙ্গহে, হাড়ে-ছিমজুৱে একে হৈ থকা এনেখন গাৱঁতে অৱস্থিত গৌৰাং সত্ৰ। হেমচন্দ্ৰ গোস্বামীৰ পূৰ্ব্বপুৰুষ যিজনাৰ দিনত সত্ৰ প্ৰতিষ্ঠিত হয়, সেই জনাৰ আদি পুৰুষ গৌৰাঙ্গদেৱৰ নামেৰেই সত্ৰৰ নাম দিয়া হল।

গৌৰাঙ্গদেৱ

কাশ্যপ গোত্ৰীয় গৌৰাঙ্গদেৱ আছিল কান্যকুব্জাগত যজুৰ্ব্বেদীয় সংস্কৃতজ্ঞ বিদগ্ধ পণ্ডিত ব্ৰাহ্মণ। তেওঁ আহিছিল কামৰূপৰ কামাখ্যা-পৰশুকুণ্ড আদি তীৰ্থ দৰ্শন কৰিবলৈ। কিন্তু পুণ্য ক্ষেত্ৰসমূহ দৰ্শন কৰি তেওঁ আৰু স্বদেশলৈ উভতি যাবলৈ মন নকৰিলে, দিহিঙৰ পাৰত (আজিকালি ব্ৰহ্মপুত্ৰ) লেতেৰী নৈৰ দাঁতিতে থাকি গ'ল। ইয়াতে ছাত্ৰশাল পাতি কিছুদিন থাকিল। তাৰ পিচত, সেই ঠাইৰে (মাজুলী) এডোখৰ ঠাইলৈ উঠি গল—যাক, পাচত মানুহে "গৌৰাঙ্গৰ ঝাৰ" বুলি কৈছিল। সেই সময়তে প্ৰভু দেৱ দামোদৰৰ আজ্ঞা শিৰত লৈ বৈষ্ণৱধৰ্ম্ম প্ৰচাৰাৰ্থে শ্ৰীশ্ৰী বংশী গোপালদেৱে সৌৰাগুৰি আদি ঠায়ে ঠায়ে সত্ৰ পাতি ফুৰিছিল। সংস্কৃতত পণ্ডিত বুলি শুনি দেৱগোপালে তেওঁক কোনোবা এখন সত্ৰত ভাগৱত পাঠ কৰিবলৈ নিযুক্ত কৰিলে। কিন্তু সেই কামত তেওঁ সৰহ দিন থাকিবলৈ নেপালে। দেশ-হিত্ৰাটত ক'ৰবাত লুকাই থাকিল। পাচে, আউনীআঁটি সত্ৰত প্ৰভু নিৰঞ্জনদেৱ প্ৰতিষ্ঠিত হওঁত, গৌৰাঙ্গদেৱ তালৈকে আহুত হল। তাত বহুবছৰ থকাৰ পিচতেই গৌৰাঙ্গদেৱৰ অন্তকাল

হেমচন্দ্ৰৰ মাতৃদেৱী



ঘনকান্তী দেৱী

জন্ম ১৭৬৫ শক

মৃত্যুঃ-১৮৪৯

জন্মঃ-১৮৭২ চন

মৃত্যু ঃ-১৯২৮ চন

বৰ পুত্ৰ – হেমচন্দ্ৰ

ৰায় চাহাব

জগৎ চন্দ্ৰ

জন্ম-ঃ-১৮৭৪ চন

মৃত্যু ঃ-১৯৪৬ চন

হেমচন্দ্ৰৰ ওপজা ভেঁটি

ওপজা ভেঁটিলৈ সোমোৱা বাট



গৌৰাং সত্ৰৰ পদুম পুখুৰী

পৰিল। পুতেক শাৰঙ্গৰ আৰু নাতিয়েক ৰাম কানায়ো সত্ৰৰ আলমতে ছদ্মবেশ থাকিল।

গৌৰাং সত্ৰ প্ৰতিষ্ঠা

ইতি সময়তে, শ্ৰীশ্ৰীহৰিদেৱ গোস্বামী আউনী অঁাটিত সত্ৰাধিকাৰ অধিষ্ঠিত হয়। তেওঁতেই মহাৰাজ ৰুদ্ৰসিংহই শৰণ লৈ হিন্দু ধৰ্ম্ম গ্ৰহণ কৰে। এই জনা স্বৰ্গদেৱৰ দিনত অসমৰ পয়োভৰা আগতকৈ বহুত বাঢ়িল। মোমাইতামুলী বৰবৰুৱাই পাতি থৈ যোৱা ওপৰদৈয়াং নাম-দৈয়াঙৰ ফালে থকা উজনিৰপৰা নি বহুউৱা আগৰ মানুহখিনি প্ৰায়েই অভকতীয়া হৈ আছিল। স্বৰ্গদেৱৰ সন্মতি লৈ ৰাজগুৰু আউনীআটি সত্ৰাধিকাৰে ৰামকানুক গোস্বামী নিৰ্ম্মালি দি আউণীআটিৰ প্ৰতিভূ-স্বৰূপে সেই লুটিত বৈষ্ণৱ ধৰ্ম্মৰ বন্তি জলাবলৈ আজ্ঞা কৰিলে, আৰু গুৰুৰ আজ্ঞানুসৰি ৰজায়ো ঢেঁকীয়াল শয়েকৰ মাজতে ঢোলৰ মাত শুনালৈকে যিমান মাটি হয় সিমান মাটি ধৰ্ম্মোত্তৰ কৰি দি শিলৰ খুটি মৰাই সত্ৰ পতাই দিয়ালে। ৰামকানুৱে শালগ্ৰাম বিগ্ৰহ সহ কুলদেৱতা শ্যামৰায় মূৰ্ত্তি আৰু ভাগৱত প্ৰতিষ্ঠা কৰি আদি পুৰুষৰ নামানুসৰি সত্ৰৰ নাম দিলে শ্ৰীশ্ৰীগৌৰাং সত্ৰ। সেই দিন অৱধি সত্ৰৰ নাম গৌৰাং সত্ৰ বুলি প্ৰজ্বলিত হল। শ্ৰীশ্ৰীৰাম-কানুৱেই শ্ৰীশ্ৰীগৌৰাং সত্ৰৰ প্ৰথম অধিকাৰ গোস্বামী।

একালত, গৌৰাংসত্ৰ "যাৱৎ ঢেঁকীয়াল তাৱৎ" আছিল যদিও, ঢেঁকীয়ালৰ বাহিৰবো সকলো ধৰ্ম্ম সম্প্ৰদায়ৰ মানুহেই সত্ৰখনক ভক্তি কৰিছিল আৰু এতিয়াও কৰে। তেতিয়া ইয়াৰ শিষ্য ঢেঁকীয়াল হৈ নেলাগে, বহা-দৈয়াং অঞ্চলো জুৰি আছিল। সত্ৰৰ প্ৰতি মানুহৰ এনে এটা বিশ্বাস আছিল যে গাৱঁত মাৰি-মৰক হলেই ৰাইজে সত্ৰলৈ টোপোলা বান্ধে।

গৌৰাং সত্ৰৰ শ্যামৰায় মূৰ্ত্তি

এনেকুৱা এটা প্ৰবাদো শুনিবলৈ পোৱা যায়, বোলে এবাৰ সত্ৰৰ নামঘৰৰপৰা শ্যামৰায় মূৰ্ত্তিখন অন্তৰ্দ্ধান হল, বা কোনোবাই নিলে। ছদিনৰ মূৰত শাহৰণিৰ পৰা আহি এজন মুছলমানে তামোল-পাণ এশৰাই লৈ গোসাঁইক জনালেহি তেওঁ বোলে যোৱা ৰাতি সমাজিকত দেখিছে,

ওচৰবে বামুণ মানুহ এজনে মূৰ্ত্তিখন নি তেওঁৰ ঘৰৰ পাচফালৰ পুখুৰী-টোত পেলাই থৈছে। পল ফুৰুকি বোৱাই চোৱালত ঠায়ে-ঠিকে সেই পুখুৰীতে মূৰ্ত্তিখন ওলাই পৰিল। এনেকুৱা আচৰিত-আচৰিত মায়া দেখি মুছলমান কেইঘৰিয়েও গাৰ্ঁত আই ওলালে বা গৰু-গাই হেৰালে সত্ৰলৈ শুকান বস্তুৰ টোপোলা একোটা আগ বঢ়াইছিল।

পিতৃদেৱেক ডম্বৰুধৰ আৰু হেমচন্দ্ৰৰ জন্ম

ৰামকান্ত্ৰ বা ৰাম কাণাইৰ তিনি পুৰুষৰ পাচত ডম্বৰুধৰ গোস্বামীৰ জন্ম। এওঁ দুবাৰ বিয়া কৰায়। প্ৰথম বাৰৰ কণ্যাটী শান্তি কৰাই নৌ-আনোতেই অপুষ্পিতা অৱস্থাতে মাকৰ ঘৰতে মৃত্যু হয়। দ্বিতীয় বাৰ কৰায় দেৰগাৱঁৰ বাণেশ্বৰ বৰুৱাৰ ঘৰৰ দুহিতা উষা দেৱী আৰু মহুবাৰ দুৰ-বীয়া বৰুৱাৰ ঘৰৰ তোলন বৰুৱাৰ বৰ জীয়েক ঘনকান্তী দেৱীক। ঘন-কান্তীৰ কি দুৰ্ব্বাসনা, লৰা-ছোৱালী হয় আৰু কেঁচুৱাতে মৰি মৰি থাকে। কেইটিমান সন্তান হোৱাৰ পাচত তেওঁ বন্ধ্যা হল বুলি ভয়েই হৈছিল। পাচে, অনেক শান্তি স্বস্ত্যয়ন যাগ-যজ্ঞ কৰাৰ ফলত যেনিবা সেই ভয় কৰা বন্ধ্যাদোষ গুচিল আৰু ১৭৯৩ শকৰ ২৯ পুহ সোমবাৰে (ইং ১৮৭২ চন) কৃষ্ণা ত্ৰয়োদশী তিথিত এটি পুত্ৰ-সন্তান জন্মিল। সেই টিয়েই হেমচন্দ্ৰ গোস্বামী।

জন্মভেঁটি

যিটো ভেঁটিত হেমচন্দ্ৰ উপজিছিল, সেইটো ভেঁটিত লৰা-ছোৱালী নুঠে বুলি আৰু তাত ওপজা লৰাক মৰকুঁচীয়াই পায় বুলি হেমচন্দ্ৰ ওপ-জাৰ পাচতে নিচেই ওচৰতে আন এঠাইত ন-ভেঁটি বন্ধাই ন-কৈ ঘৰবাৰী কৰালে আৰু তালৈকে ঘৰে ঘৰোৱাই উঠি আহিল। এই ভেঁটিতো ডম্বৰুধৰ ঘনকান্তীৰ বিষ্ট নথণ্ডিল। ইয়াতো দুটি লৰা ক্ৰমান্বয়ে হৈ-হৈ মৰি থাকিল। সদৌ শেষত এটি পুত্ৰ আৰু এটি কন্যা জন্ম হল। বিধা-তাৰ কৃপাত দুয়োটি জীয়াই থাকিল। তাৰে পুত্ৰটি হৈছে জগৎচন্দ্ৰ গোস্বামী আৰু নুমলীয়াটি হৈছে সৰু বা খগেশ্বৰী দেৱী।

পুত্ৰ-কন্যা-পৰিবাৰ-পৰিজনেৰে সুখৰ সংসাৰ এখন পতাৰ পাচত, প্ৰৌঢ়াৱস্থা হলেই ধৰ্ম্মভাৱাপন্ন হিন্দু মাত্ৰেই গয়া গঙ্গালৈ গৈ উপনি আৰু

উৰ্দ্ধগামী সকলৰ পিণ্ড দিয়েগে। ধৰ্ম্মপ্ৰাণ ডম্বৰুধৰ বা ডম্বু গোসাঁয়েও বয়স থাকোতেই এই ফেৰা সৎকাৰ্য্য কৰাৰ অভিপ্ৰায়ে ঘৰখনৰ সকলোটিকে বংশৰে খুড়াদেৱেকৰ হাতত গতাই দি ১৮০৪ শকৰ মাঘত ভাটীলৈ যাত্ৰা কৰিলে। গয়াদি ঠাইত পিণ্ড দান কৰি তীৰ্থশ্ৰেষ্ঠ কাশীধামলৈ গল। তাতে সেই শকৰ ২৫ ফাগুন শিৱ চতুৰ্দ্দশী তিথিত (শিৱৰাত্ৰিৰ দিনা) নিশা প্ৰথম দুই প্ৰহৰ শিৱপূজা কৰি থাকোঁতেই তৃতীয় প্ৰহৰত ডম্বৰুধৰ গোস্বামীৰ আত্মাটি ডম্বৰুধাৰী শিৱৰ লোকলৈ গতি কৰিলে।

তেওঁ প্ৰয়াণ হোৱা নিদাৰুণ বাতৰিটি ৯ দিনৰ মূৰতহে ঢেঁকীয়াল পাইছেহি। "ডম্বু গোসাঁই"ৰ আকস্মিক আৰু অকাল প্ৰয়াণত সকলো ম্ৰিয়মান হল। ১০।১১ বছৰীয়া পুতেক হেমচন্দ্ৰৰ হতুৱাই আদ্যশ্ৰাদ্ধাদি সম্পন্ন কৰোৱা হ'ল। বৃষোৎসৰ্গও কৰা হৈছিল।

১২।১৩ খন গাৱঁৰ ৰাইজে বড়া-পৰুৱা দি, হেমাৰ ভাবে শ্ৰাদ্ধৰ দ্ৰব্য-সম্ভাৰ গোটাই, গায়ন-বায়ন গাই, নাম-কীৰ্ত্তন কৰি, ৰাতিলৈ মহাপয়োভৰেৰে সবাহ-ভাৱনা পাতি সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ "ডম্বু গোসাঁই" স্বৰ্গগত আত্মাটিৰ সদগতি কামনা কৰিলে।

বিয়া কৰোৱাৰ পূৰ্ব্বে ডম্বু গোসাঁয়ে গড়কাপ্তানী বিভাগত মাহে ১৫৲ টকা দৰ্ম্মহাপোৱা কাম এটা কৰিছিল। বিয়াৰ পাচত, সেই কাম এৰি পেলালে। দিগ্তীৰাম ৰাজখোৱা (দা-ধৰাৰ) বুলি নাবালক লৰা এটিৰ নামত চৰকাৰে দক্ষিণ হেঙ্গেৰা মৌজাটো দি থৈছিল। মৌজা চলাব পৰা উপযুক্ত মানুহ নোপোৱাত উক্ত গোস্বামীকে সেই কামৰ ভাৰ দিয়া হল। সেই কালত নাবালক মৌজাদাৰৰ হে নেলাগে, ভাল-ভাল শিক্ষিত চহকী মৌজাদাৰেও নিয়মমতে খাজনা সাধি আনি খাজনা-গেৰাজত জমা দিব নোৱাৰে। ডম্বৰুধৰে কিন্তু দক্ষিণ হেঙ্গেৰাৰ এটা কিস্তীৰ খাজনাও বাকী পৰি থাকিবলৈ নিদিছিল। দিগ্তীৰাম সাবালক হলত তেওঁৰ প্ৰতি সন্তুষ্ট হৈ জামিন নোলোৱাকৈয়ে তেওঁক (গোসাঁইক) চৰ্কাৰে" মৌজাৰ মৌজাদাৰ পাতি দিলে।

ভাটীলৈ যোৱাৰ আগলৈকে মৌজাটো ডম্বু গোসাঁয়েই ভোগ কৰি আছিল। তেতিয়াই তেওঁ ঢেঁকীয়ালৰ ঘৰৰপৰা ওলাৰ সোমাব পৰাকৈ

পথাৰৰ মাজেদি অঁকা আলিটো বজিয়া এগছ বৰডাই লৈছিল। সেইটিয়েই আহল বহল হৈ এটি বাজহুৱা ভাঙৰ আলি হলগৈ।

আদি-শিক্ষা

ঢেঁকীয়ালত ভেটিয়া পঢ়াশালি নাছিল।

ঢেঁকীয়ালৰ পঢ়াশালিত মানুহবো পঢ়াশুনালৈ বৰ ধাউতি নাছিল। হেমচন্দ্ৰক বিদ্যাশিক্ষা দিবৰ নিমিত্তে পিতাদেৱোক দেৰগাওঁৰ পৰা থানুৰাম শৰ্ম্মা নামে ব্ৰাহ্মণ এজনক তনাই ঘৰতে ৰাখে আৰু তেওঁৰ হতুৱায়েই বিদ্যাৰম্ভ কৰোৱাই হেমচন্দ্ৰৰ হাতত ফলিপুথি দিয়ে। পোনেই শিকোৱা ক-খ কিতাপটো আছিল দীনবন্ধু তৰ্কালঙ্কাৰৰ "শিশুবোধ"। সেই কিতাপত থকা

"পাখীসব, কৰে ৰব, ৰাতি পুহাইল
কাননে কুসুম কলি সকলি ফুটিল"—

কথা দুশাৰী গোসাঁয়ে বহুত দিনলৈকে মাতি শুনাইছিল।

মাহচেৰেকৰ মূৰত ডম্বু গোসাঁয়ে আলিমূৰত পঢ়াশালি এটা পাতি দিয়ে আৰু তাতে থানুৰামক পণ্ডিত পাতি লৰাক পঢ়ুৱাবলৈ লগায়। আছকাল পাই থানুৰাম ঘৰলৈ গুচি গলত, ডম্বু গোসাঁইৰ খুড়াকৰ পুতেক ভায়েক উমেশ্বৰ গোস্বামীয়ে ঘণশ্যাম শৰ্ম্মাক আনি পণ্ডিত পাতে। সেই দুয়োজন পণ্ডিতেই হেমগোসাঁইৰ আদি শিক্ষা গুৰু। তেওঁবিলাকেই কি ঘৰত, কি পঢ়াশালিত। পঢ়ুৱাই, গোসাঁইৰ খুটিয়াই খুটিয়াই "ৰত্নমালা" ব্যাকৰণ পঢ়িব পৰা কৰিলে, "অমৰ কোষ" খনো মুখস্থ কৰালে। সাধাৰণ টোলৰ যি সংস্কৃত শিক্ষা সেই শিক্ষা অলপ বুজন হলত, গোসাঁয়ে পঢ়াশালীয় অৱস্থাতে মুখে মুখে লাভ কৰিছিল আজিকালিৰ দৰে সেই কালত কাগজ ওলোৱা নাছিল যি বা ওলোইছিল, তাকো ব্যৱহাৰ কৰা হৈছিল, সাঁচিপাতৰ দৰে, আটকীয়াকৈ। আগৰ দিনত শিমলুতুলা ধুনি যেন এঠা লগাই একোখিলা একোখিলা পাত কৰা হৈছিল তাকে মানুহে তুলাপাত বুলিছিল। সেইদেখি, কাগজ ওলালত কাগজকো তুলাপাত বোলা হল। বিদ্যাৰম্ভৰ সময়ত গোসাঁয়ে কাঠৰ ফলিত এডাৰেৰে হে আখৰ লিখিবলগীয়া হৈছিল। ভীমৰলৰ বুঢ়া পাতৰ পিষ্টি মোহাৰি লৈ, তাৰ সিৰলুৱে সিৰলুৱে ঘৰত আখৰ লিখি পঢ়াশালিলৈ নিছিল। আজি কালি

নিজৰি কাপ ওলোৱা দিনত কোনেও ভাবিবকে নোৱাৰে যে হেম গোসাঁয়ে বাঁহৰ বা খাগৰিৰ কাপেৰে, মৈলামত (দোৱাত) ঘৰতে কৰা চিঞাহী ভৰাই লৈ আখৰ-পানী লিখিছিল। সেই বিধ, চিঞাহীক বুলিছিল মহী। লেখাৰ সঁজুলি প্ৰথমতে ওলাল কাপ-কাঠি বাঁহৰ চুঙা; তাৰ পিচত কাপ মৈলাম আৰু দোৱাত কলম। আজি কালি হল ফাউনটেন পেন—ডট্ পেন্ আদি। গতিকে হেমচন্দ্ৰ গোস্বামীয়ে ব্যৱহাৰ কৰা সঁজুলি আজিৰ দিনত নাজ্ঞত-নাভূত। তথাপি, সেই বাঁহৰ কাপেৰেই কলাপাতত সংযোগী আখৰ লিখিব পৰা হল আৰু পঢ়িব জনাও হল। কলপাতত লিখিবলৈ অভ্যাস কৰা বাবে গোসাঁইৰ আখৰবোৰ বৰ ধুনীয়া আৰু ঠগলগা হল।

লিখিবলৈ হাত আহিলত, হেমচন্দ্ৰক গধূলি-গধূলি মাটি-চাকিৰ পোহৰতে কীৰ্ত্তন-ৰামায়ণ পঢ়িবলৈ লগোৱা হল। মুখে মুখে শিৱস্তোত্ৰ, গঙ্গাস্তোত্ৰ, বিষ্ণুস্তৱ, "মধুদানৱ দানৱ দেৱ ৱৰং" টোটয় আওঁৰাবলৈ শিকোৱা হল। জিতাক্ষৰী হলত, পুৰণি সাঁচিপতীয়া পুথিও নকল কৰিবলৈ লগোৱা হল। ৰাতি পুৱালেই পূজা সেৱা কৰিবলৈ, হাতত কঁকি লৈ ফুল-তুলসী-ও ছিঙি আনিবগৈ লাগিছিল। এইবোৰ কৰি ফলি পুথি লৈ, গা ধুই, ভাত পানী খাই পঢ়াশালিলৈ গৈছিল। বাহী গাই একো বস্তুকে খাব নোৱাৰিছিল। পঢ়াশালিৰপৰা আহিও কাপোৰ কানি সোলোকাই বায়ণ্ডে ডাঁৰত থব লাগিছিল। এইবোৰ নীতি-নিয়ম পালিও পঢ়া-শুনা কৰাত গোসাঁই বৰ চোকা আছিল। পাঠশালাৰ পণ্ডিতেও বৰ ভাল পাইছিল।

ঢেঁকীয়াল পাঠশালাত ছাত্ৰ আছিল আঙুলীৰ মূৰত লেখিব পৰা। লেখাপঢ়া শিকিলে লৰা "বাবু" হব বুলি, বাপেক হঁতে পঢ়াশালিলৈ লৰা নপঠিয়াইছিল। যি কেইটা আহিছিল, সিহঁতো ধুৰন্ধৰ; পণ্ডিতে মাৰিব বুলি পিঠিত ঢকুৱা বান্ধি আহিছিল।

গোস্বামী দেৱৰ 'ডায়েৰী'ৰ পৰা আমোদজনক কথা দু'কাঁকিমান তুলি দিয়া হল,—তেওঁ পঢ়া বিদ্যালয়ত কেনেকুৱা পণ্ডিতৰ চকুত ধুলি মাৰিব পৰা আৰু ঢোটোকে বোটো কৰিব পৰা সিঁয়ান লৰা আছিল, তাৰে উমানটো লবলৈ:—

"গোলাঘাট এৰি যোৱাৰ পাচত, গোলাঘাটৰ মহকুমাধিপতি শ্ৰীযুত গঙ্গা গোবিন্দ ফুকন চাহাব আহক এদিন আমাৰ সাত্ৰলৈ। আলি-কানতে পঢ়াশালিটো দেখি ফুকন চাহাব থপ্ কৰে ঘৰৰ ভিতৰলৈ সোমাই গল,

বহিবলৈ একো নাই। পিতাদেয়ে শুনি ঘৰৰপৰা এখন চকী অনাই দিয়ালে। চাহাবে মোক মৌখিক অঙ্ক এটা সুধিলে। মই উপৰাই উত্তৰটো দিলোঁ। উত্তৰটো শুদ্ধ পাই ফুকন চাহাবে পিঠিত চপৰিয়াই শলাগিলে আৰু মোক ৰূপ এটকা 'বকৃচিছ' দিলে। মোৰ লগৰ জালিৰামক যোগ অঙ্ক এটা দিলে। সি কৰিব নোৱাৰিলে।

পিতাদেৱক তাতে লগ পাই কথাবতৰা হৈ, ফুকন চাহাব গুচি গ'ল। পণ্ডিতে জালিৰামক ধৰি উধাই-মুধাই কোবালে। সি পাচে, কাটিকুটাকে নকৰিলে। পাচত কাপোৰ গুচাই চায় দেখোন, সি পিঠিত চকুৱা বান্ধি আহিছে।

"জালিৰামহঁতে গোট খাই গাওঁত উলিয়াই দিলেগৈ বোলে গোসাঁই লৰা হেমৰ জাত গ'ল। আজি খৃষ্টান চাহাব এটা আহিছিল আমাৰ পঢ়াশালি চাবলৈ। গোসাঁই লৰাক পিঠিত চপৰিয়ালে। পৰাচিত হবলৈ ৰূপ এটকাও দিলে।"

কথা গৈ ডাঙৰেই হলগৈ। গাওঁত ওলাল বোলে মোক খৃষ্টান চাহাবে জাত মাৰিলে। আমাৰ ঘৰত মেল বহিল। লৰাকিটাক মাতি আনি খপি-খপি সোধাত উৰহী গছৰ ওৰটো ওলাই পৰিল। তেহে ৰাইজ মনে মনে আছে আৰু মইও পৰাচিত হবলগীয়া নহল।*

সেইবোৰ বাৰু যি-কি নহওক, এই ঢেঁকীয়াল পাঠশালাৰপৰাই নিম্ন প্ৰাইমেৰী পৰীক্ষাত উঠি মাহে ৩৲ টকাকৈ জলপানী পাই গোলাঘাট মহকুমাৰ একেখন মাথোন ইংৰাজী পঢ়িব পৰা উইলিয়ামচন মাইনৰ স্কুলত গোসাঁয়ে নাম লগায়গৈ। তাত তিনিবছৰ পঢ়ি হাইস্কুললৈ যাবলগীয়া হোৱাত শিৱসাগৰ হাইস্কুলত নাম লগাবলৈ গ'ল। ৰংপুৰলৈ (শিৱসাগৰলৈ) যাওঁতে হেমাৰভাৰে খোৱাবস্তু লাদি ৰান্ধনি লৰা এটাৰ সৈতে হাতীত উঠি গৈছিল আৰু তিনিদিনৰ মূৰত সেইখিনি পাইছিলগৈ। পেহাদেৱেক সোমেশ্বৰ শৰ্ম্মা বৰুৱা তহছীলদাৰৰ ঘৰতে থাকি হাইস্কুলত ভৰ্ত্তি হ'ল। তহছীলদাৰৰ জাককৰা মানুহৰ ঘৰত খোৱা-বোৱাত কষ্ট পাই স্কুল এৰি ঘৰ সোমালহি।

গোস্বামীদেৱৰ ঘৰৰ ওচৰতে ইংৰাজী জনা মানুহ আছিল মূঠেই

---

* হেমচন্দ্ৰৰ গোস্বামীৰ কটা ডায়েৰীৰ এপাতত—১৮৮৩ চনত লেখা।

এজন, নাম দিতীৰাম হাজৰীকা।* এওঁৰ দেউতাক চৰমনাথ ডাবোগা প্ৰথমতে আলিমহৰী আছিল আৰু গড়কাপ্তানী বিভাগত থাকি দিখৌ-মুখৰপৰা বলিয়াঘাটেদি শিৱসাগৰলৈ ডাক অনা-নিয়া কৰিব পৰাকৈ বৰআলিটো চোঙাইছিল। চিপাহী বিদ্রোহৰ সময়ত চৰমনাথে চৰ্কাৰক ভালেমান কামত সহায় কৰা আপাহতে পুতেকহঁতক শিৱসাগৰ হাইস্কুলত বিনা মাচুলে পঢ়িবলৈ অনুমতি পাইছিল। ঘৰত মাটিবাৰী ধনবস্তু অপাৰ; চৰ্কাৰী কামলৈ হেঁপা নেমেলি ঘৰতে অময়া সুখত থাকে। এওঁৰেই এতিয়া হেম গোসাঁইক ঘৰতে ইংৰাজী পঢ়ুৱাবলৈ ললে।

এবছৰ কি ডেৰবছৰমান হাজৰীকাৰ ওচৰতে পঢ়ি-শুনি আছে। বিধৱা মাকৰ ইচ্ছা—লৰাটোক যেনেতেনেমতে উচ্চ শিক্ষা দিয়াব লাগে। কিন্তু দিয়ে কেনেকৈ? কেউপিনে নিৰাশ্ৰয়। অৱশেষত তেওঁৰ ভনী-জোঁৱায়েক নগাৱঁৰ বাপুৰাম শৰ্ম্মা পেস্কাৰৰ তালৈকে পঠিয়াটো ঠিক কৰিলে। পেস্কাৰ আগৰ গোলাঘাটৰ মানুহ, ডম্বু গোসাঁইৰ লগত ভাল পৰিচয়ো আছিল, তদুপৰি তেওঁ শালপতিয়েক। তাত থাকিলে লৰাই কেতিয়াও দুখ নাপায়। এইবোৰ সাতেসোতৰে ভাবিচিন্তি পুতেকক পঠিয়াই দিলে নগাৱঁলৈ— নগাওঁ হাইস্কুলতে ইংৰাজী শিক্ষা লাভ কৰক বুলি,—নাৱেৰে।

* শ্ৰীপ্ৰেমধৰ ৰাজখোৱাৰ "হেমচন্দ্ৰ গোস্বামী,"

ইংৰাজী শিক্ষা

নগাওঁ হাইস্কুলত

সেই অনুসাৰেই হেমচন্দ্ৰ নগাওঁ পালেগৈ আৰু ১৮৮৩ চনত নগাওঁ হাইস্কুলৰ পঞ্চম শ্ৰেণীত নাম লগাই ১৮৮৮ চনৰ এণ্ট্ৰেঞ্চ পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। শেষ পৰীক্ষা দিবগৈ লাগিছিল গুৱাহাটীত। নগাৱঁত যেনেকৈ গোলাঘাটৰে বাপুৰাম পেস্কাৰৰ ঘৰত থাকি এণ্ট্ৰেঞ্চ শ্ৰেণীলৈকে পঢ়িছিল, গুৱাহাটীতো তেনেকৈ ঢেকীয়ালৰ ওচৰৰে মিছামৰা মৌজাৰ দা-ধৰা গাৱঁৰ বাপুৰাম শৰ্ম্মা মুক্তিয়াৰৰ (আজিকালিৰ পঞ্চৱতী আশ্ৰমৰ) ঘৰতে থাকি এণ্ট্ৰেঞ্চ পৰীক্ষা দিছিল। সেই পৰীক্ষা দিবলৈ আহিয়েই হেমচন্দ্ৰ বিবাহৰ সূত্ৰত বান্ধ খাব লগীয়া হ'ল।

বিবাহ

গুৱাহাটী উজানবজাৰৰ মজিন্দাৰ শিলৰ ওচৰত ব্ৰহ্মপুত্ৰৰ দাঁতিতে অসম ৰজাৰ ৰাসায়নিক চিকিৎসক গৰ্গ গোত্ৰীয় শূলপাণি বৰভণ্ডাৰ বৰুৱাৰ আজোনাতি কেশৱচন্দ্ৰ (কেশী বৰুৱা) বৰুৱাৰ ঘৰ। সেই কালত গুৱাহাটীত ৰসেন্দ্ৰ বৰুৱাৰ ঘৰৰ মান প্ৰতাপী পৰিয়াল বৰ কমেই আছিল। কেশৱ বৰুৱাৰ দেউতাক ৰবিচন্দ্ৰ তহছিলদাৰ, ভায়েক আৰ, চি, বেঞ্জামিন (ৰাধিক চন্দ্ৰ বৰুৱা), উদয় বৰুৱা, 'এডভকেট অব আসাম'ৰ সম্পাদক মথুৰামোহন বৰুৱা, দুৰ্গানাথ (দুৰ্গাবৰুৱা) বৰুৱা—সকলোৱেই শূলপাণি বৰুৱা বংশৰ 'একো একোজন উজ্জ্বল পুৰুষ। ৰাধিকাৰ সলনি "ৰাধিক", কবি বৰুৱা উপাধিটো "বেঞ্জামিন" বুলি সলাই ৰাধিকা চন্দ্ৰ বৰুৱাই দক্ষিণ ভাৰতত "আৰ-চি বেঞ্জামিন" নাম লৈ, কাঠৰ ব্যৱসায়ত বহুত ধন উপাৰ্জ্জন কৰিছিল। বেঞ্জামিনক সকলোৱে কোনোবা ইউৰপীয় সদাগৰ বুলি হে ভাবিছিল—অসমীয়া বুলি ভবাটো স্বপ্নৰো অগোচৰ।

এনে প্ৰতিপত্তিশালী আৰু সুপ্ৰসিদ্ধ বংশপৰিয়ালৰ কেশৱ বৰুৱা ভাণ্ডাৰীয়াৰ দ্বিতীয় আৰু নুমলীয়া কন্যা ৰামা সুন্দৰীক তেতিয়া বিয়া দিবৰ হৈছে। সুপাত্ৰ নেপালে শূল পাণি ভঁড়ালী বৰুৱাৰ ঘৰৰ ছোৱালী ঘ'তে

ভতে দিব নোৱাৰি। বাপুৰাম মুক্তিয়াৰৰ ঘৰত থাকি এণ্ট্ৰেঞ্চ পৰীক্ষা দিবলৈ অহা লৰাটিয়েই স্বভাৱে-চৰিত্ৰই বংশ ঐতিহ্যই, ভঁড়ালী বৰুৱাৰ কণ্যাৰ লগত যোৰ হ'ব বুলি তেওঁলৈকে মুক্তিয়াৰৰ যোগেদি ৰামাসুন্দৰীক যচা হ'ল। কিন্তু অভিভাবক খুড়াদেৱেকৰ সম্মতি বিনে বিবাহ হ'ব নোৱাৰে বুলি গোস্বামীয়ে খাটাংকৈ কৈ দিয়াত, কেশৱ বৰুৱা বিমোৰত পৰিল। কাৰণ, বিষয়া আৰু গোসাঁই মহন্তৰ ভিতৰত বৈবাহিক সম্বন্ধ ঘটোৱা বৰ টান। তথাপি, বৰুৱাই সাতবন কাটি কৰি, সাতোটা চিন্তা মূৰত লৈ জাহাজেৰে গৈ উমেশ্বৰ গোস্বামী মৌজাদাৰক বোকাখাতৰ ঘৰতে ধৰিলেগৈ। সকলো কথা বতৰা হোৱাৰ পাচত, গুৱাহাটীতে বৰ সমাৰোহেৰে হেমচন্দ্ৰ গোস্বামীৰ বিয়া হৈ গল। তেতিয়া ৰামাসুন্দৰীৰ বয়স ১২ বছৰ ৮ মাহ। ৰামাসুন্দৰীৰ জন্ম ১২ আহিন ১৭৯৭ শক। বিয়াৰ মাহ বহাগ ১৮১০ শক।

কলিকতাৰ প্ৰেচিডেঞ্চি কলেজত

পৰীক্ষাত উত্তীৰ্ণ হৈয়েই তেওঁ চৰ্কাৰৰপৰা ২০্ টকীয়া বৃত্তি পাই কলিকতা প্ৰেচিডেঞ্চি কলেজত, এফ, এ শ্ৰেণীত নাম লগায়গৈ। পঢ়িবলগীয়া বিষয় আছিল অঙ্ক, পদাৰ্থ বিজ্ঞান, বুৰঞ্জী আৰু সংস্কৃত। তাৰ উপৰিও বাহিৰত পঢিবলৈ লৈছিল ইটালীয়ান আৰু ফৰাচী ভাষা। কলেজত লোৱা বিষয় কিটা তেওঁৰ মনোমত নাছিল যদিও, ১৮৯০ চনত এফ এ টো পাচ কৰিলে। তাৰ পিচত কেইবাৰো বি-এ পৰীক্ষা দিলে, কিন্তু এবাৰো কৃতকাৰ্য্য হ'ব নোৱাৰিলে। ১৮৯৪ চনত, বাধ্য হৈ কলিকতা এৰি আহিব লগীয়া হ'ল। বি এ পঢ়োতে আইনৰ শ্ৰেণীতো পাঠ লৈছিল। সিও গ্ৰেজুৱেট হোৱাৰ আশা পূৰণ নোহোৱাদি অপূৰ্ণ হৈয়ে থাকিল। কলেজৰ শিক্ষাত অকৃত-কাম হোৱাৰ কাৰণ হ'ল, ১৮৮৮ চনত কলেজত নাম লগোৱাৰপৰা ১৮৯৩ চনৰ গোটেই বছৰটোলৈকে অভাউসা সভা আৰু "জোনাকী"ৰ নিমিত্তে একনিষ্ঠভাৱে কাম কৰা।

সোণাৰাম স্কুলৰ হেডমাষ্টৰ

'১৪ চনত গুৱাহাটীলৈ আহি তেওঁৰেই আগেয়ে পাতি থৈ যোৱা ইংৰাজী স্কুলটোৰ হেড্‌মাষ্টৰ হয়হি। গোসাঁইৰ আগেয়ে চন্দ্ৰমোহন গোস্বামী তাৰ হেডমাষ্টৰ আছিল। স্কুলৰ স্বত্বাধিকাৰী আৰু স্কুল চলোৱাৰ আদেশ নিৰ্দ্দেশকাৰী সোণাৰাম মেধি মুক্তিয়াৰেৰেসৈতে কিবা কথাত মত নিমিলাত গোসাঁয়ে সেই কাম ইস্তফা দিয়ে।

তাৰ পিচত এড্‌ৱাৰ্ড গেইটৰ বাছনিত পৰাত তেওঁ চব ডেপুটী কলেক্টৰৰ কাম পায় আৰু দোপত দোপে উঠি ই এ চি হয়গৈ আৰু ১৯২৬ চনৰ ফেব্ৰুৱাৰী মাহত মাহে ৩৭৫, টকা পেঞ্চনেৰেসৈতে সেই কামৰপৰা অৱসৰ লয়। এই খিনিতে গোস্বামীদেৱৰ ৩১ বছৰীয়া উচ্চপদস্থ বিষয়-ববীয়াজীৱনৰ ওৰ পৰে।

৩১ বছৰীয়া চাকৰি জীৱনৰ বছৰ-পঞ্জী

২।১২।১৮৯৫ : আসাম চিভিল চেক্ৰেটেৰিয়েটত প্ৰবেচনৰ ৰূপে চৰ্কাৰী কামত প্ৰথম প্ৰবেশ।

১০।৫।১৮৯৯ : ডিব্ৰুগড়ত চব ডেপুটী কলেকটৰ।

১৯০১ : কামৰূপ জিলাৰ বৰমা তহছীলত এচিষ্টেণ্ট চেটেলমেণ্ট অফিচাৰ।

১৯০২—০৩ : গুৱাহাটীত।

২।৫।১৯০৫ : ই, এ, চি পদলৈ উন্নীত আৰু তেজপুৰত নিযুক্ত।

৩০।১০।১৯০৯ : গুৱাহাটীত ডেপুটী মেজিষ্ট্ৰেট। আৰু আসাম উপত্যকাৰ কমিছনাৰৰ পাৰ্চনেল এচিষ্টেণ্ট।

৯।৪।১৩ : নগাৱঁত ই, এ, চি।

২।৮।১৯১৫ : কামৰূপ জিলাৰ গুৱাহাটীত ডেপুটী মেজিষ্ট্ৰেট, কমিছনাৰৰ পাৰ্চনেল এচিষ্টেণ্ট আৰু পুথি অনুসন্ধানত নিযুক্ত বিশেষ বিষয়া।

১৪।১০।১৯২২ : যোৰহাটত ই, এ, চি

২০।৬।১৯২৩ : সেই হাকিমী পদতে থাকে মাসে লৈকে

২১।২।১৯২৫ : গুৱাহাটীতে পুনৰ একষ্ট্ৰা এচিষ্টেণ্ট কমিছনাৰ।

ফেব্ৰুৱাৰী, ১৯২৬ : কামৰপৰা অৱসৰ।

৩১ বছৰীয়া চাকৰি জীৱনৰ বহুৰ-পঞ্জী

১৯২৬ চনৰ নৱেম্বৰ মাহত গোলাঘাট সমষ্টিৰপৰা আসাম ব্যৱস্থাপক সভালৈ নিৰ্বাচন যুদ্ধত প্ৰবৃত্ত হৈছিল ; কিন্তু জয়লাভ নহল।

সেই চনৰপৰা হেমচন্দ্ৰৰ দিন মন্দ হৈ আহিবলৈ ধৰিলে। এফালে জেঠাৰীয়ে ভেখেতৰ আকস্মিক দুৰ্ঘটনা, মাতৃবিয়োগৰ সন্তাপ, পুত্ৰবিয়োগৰ সন্তাপ আৰু শাৰীৰিক ব্যাধিয়ে গোসাঁইক জুৰুলা কৰিলে। সেই শোক-ব্যাধিৰ সন্তাপতে জৰ্জ্জৰিত হৈ ১৯২৮ চনৰ ২ মে তাৰিখে পৰমাচাৰ্য্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী তত্ত্বভূষণদেৱে অকালতে ইহ সংসাৰৰ পৰা বিদায় ললে।

নগাওঁ—হাইস্কুলত

নগাৱেঁই আছিল আজীৱন সাহিত্য-সাধক হেমচন্দ্ৰ গোস্বামীৰ মাতৃভাষা অনুৰাগৰ কঠীয়াতলী।

নগাওঁ-হাইস্কুলত নাম লগাওঁতে গোস্বামীৰ বয়স ১২ বছৰমান হব। তেতিয়াই তেওঁ বাপুৰাম পেস্কাৰলৈ অহা বঙলা কাকত 'অৰুণোদই' আদি কাকতবোৰ বৰ হেঁপাহেৰে পঢ়িছিল। পেস্কাৰৰ জোঁৱায়েক (পাচত) ৰত্নেশ্বৰ মহন্ত গোসাঁইতকৈ বয়সে ডাঙৰ আৰু দুশ্ৰেণীমান ওপৰত পঢ়া। তথাপি দুয়ো নলে-গলে লগা বন্ধু। মহন্ত কবি আৰু অসমীয়া ভাষাৰ একনিষ্ঠ সেৱক। বুৰঞ্জীত তেওঁৰ বৰ ৰাপ। ওচৰতে পদ্মাৱতী দেৱী ফুকননীৰো ঘৰ। তেখেতৰ পুতেক, গোসাঁইতকৈ জ্যেষ্ঠ প্ৰসন্নও এওঁবিলাক দুজনৰ লগৰীয়া। চিকৰী বাবু বা ঘনশ্যাম বেজবৰুৱাৰ পুতেক গিৰীশচন্দ্ৰও ওচৰচুবুৰীয়া সহপাঠী বন্ধু। মোহাদেৱকৰ ঘৰত এইবিলাক বন্ধু-বান্ধৱেৰে, ৰোমালি-ধুমুলা কৰি ঢেঁকীয়ালৰ ঘৰতকৈও গোসাই বৰ সুখেৰে আছিল। বয়স ভাটী দিলতো তেখেতে মোহাদেৱেকৰ মৰম-চেনেহৰ কথা প্ৰায়েই আৰু-তাৰু কৈছিল। স্কুলৰ হেড্‌মাষ্টৰ আছিল হাৰাধন দাস। অন্যান্য শিক্ষকৰ ভিতৰত নাম কৰলগীয়া শিক্ষক আছিল ধৰ্ম্মেশ্বৰ গোস্বামী। অসমীয়া লৰা কোনেও হাৰাধন বাবুক চকুপাৰি দেখিব নোৱাৰিছিল। কাৰণ, তেওঁ সদায় ঘৰত "বাৰেমছলা" দিয়া আঞ্জাৰে ভাত খায় আৰু খাই উঠি 'মিষ্টি' ভোজনো কৰে, তথাপি ক্লাচত উগাৰেহি—অসমীয়া মানুহে তেল খাব নাজানে, ঘিঁউ চিনি নেপায় বুলি। খায় "মিষ্টি" আৰু মুখত ৫লোয় ভেকেটাভেকেট গোন্ধৰ অসমীয়া নিন্দা।

গিৰীশচন্দ্ৰই এদিন হেডমাষ্টৰক এসেকা দিবলৈ বুধি এটা পাঙিলে :— দুটামান "ক্লাচফ্ৰেণ্ড" লৈ হেডমাষ্টৰক ইস্কুললৈ আহোঁতে খাপ দি ধৰিব লাগে আৰু তেতিয়াই ভালকৈ এশিকনি দিব লাগে। হেডমাষ্টৰে কথা-বাৰৰ কেনেবাকৈ ফুট পালে। বেজবৰুৱাৰ ষড়যন্ত্ৰ কণতে গেলিল। এইবাৰ গিৰীশে চালে, হেম হোলগোজ লৰা, তাৰ হতুৱায়েই হেডমাষ্টৰক

বসুধাবন্ধু গুণাভিৰামৰ সান্নিধ্যত



ৰত্নেশ্বৰ মহন্ত



গুণাভিৰাম বৰুৱা



হেমচন্দ্ৰ গোস্বামী

অপমানটো দিয়াও—এই বুলি তেওঁ গোসাঁইক কলেগৈ, "তোমাক কথা এটা শিকাই দিওঁ, কব পাৰিবা নে ? হেডমাষ্টৰে ক্লাছত আমাৰ বৰ্ণনাম গাবলৈ ধৰিলেই তুমি এই কথাষাৰ কৈ দিবা——"

হাৰাধন বাবু আছি তেওঁৰ "কটিন" মতে ক'বলৈ ধৰিলে, "আসামী ভাষা কি একটা ভাষা। একটা খিচিৰী বাংলা। আসামীৰাও জঙ্গলী......" এনেতে বেজবৰুৱাই (গিৰীশে) টিপ্‌মাৰি দিলে, গোসাঁইৰ কাণে চাই। গোসাঁয়ে টপৰাই কৈ পেলালে, "থক, থক, চাৰ আপোনাসকল লো কি ? কলগুটি খোৱা...হে।"

স্বভাৱ-চৰিত্ৰ বেয়া বুলি সেইদিনাই হাৰাধন বাবুৱে গিৰীশেসৈতে তিনিটা লৰাকে ৰষ্টিকেট কৰিলে (নাম কাটিলে)। গিৰীশক এবছৰলৈ, ই দুটাক ছমাহ—ছমাহলৈ আক লোকৰ উচটনিত পৰিল বুলি জানি সত্তশিষ্ট হেম গোসাঁইক তিনিমাহলৈ। ইতিমধ্যে হেডমাষ্টৰক লেখালেখি কৰি স্থানান্তৰ কৰা হল।* 'ৰষ্টিকেট' হৈছিল যদিও, বুধিটো চোকা থকা বাবে গোসাঁই 'প্ৰমোচন' নোপোৱাকৈ নেথাকিল। প্ৰমোচনো পালে, প্ৰথম বিভাগত এণ্ট্ৰেন্সত, উত্তীৰ্ণ হৈ ২০৲ টকীয়া বৃত্তি লৈ নগাওঁ এৰি কলিকতা পালেগৈ। তেতিয়াৰপৰা গোসাঁয়ে ডায়েৰীত এবছৰলৈকে দৈনিক লেখিছিল—"কুটবুধীয়া বন্ধুৰ লগ নলবা।"

নগাওঁৰ সাহিত্যিক পৰিৱেশ

তেতিয়া অহৰ্নিশি নগঞা বাইজৰ চিন্তা আছিল বঙলা-ভূত খেদি কেনেকৈ মাতৃভাষাটোক গা-টঙোৱা কৰিব পাৰি। চিন্তাৰ ঢৌ ইস্কুলীয়া ছাত্ৰৰ মনতো খলখলাই আছিল। ইয়াৰে চিন পোৱা গৈছিল গিৰীশ বেজবৰুৱাইতৰ অভিসন্ধিত।

খলখলনিটোৰ গুৰিত আছিল বসুধাবন্ধু গুণাভিৰাম বৰুৱা। যিসকল নগঞা সাহিত্যিকে তেখেতক মাজত লৈ মাতৃভাষা সেৱা কৰি অসমীয়া সাহিত্যৰ বুৰঞ্জীত এখনি সুকীয়া থাপনা পাতিলে, সেইসকলৰ

* প্ৰসন্ন ফুকনে এই "ৰষ্টিকেট"—সম্পৰ্কে বৰ দীঘলীয়া চিঠি এখন দি গোসাঁইক সাৱধান কৰি দিছিল—নগাওঁৰ অমুক-তমুকৰ ঘৰৰ লৰাৰ লগত সঙ্গ নকৰিবলৈ। ৰ. শ.

তিতৰত আছিল :—দাৰ্শনিক পণ্ডিত ব্ৰহ্মানন্দ গোস্বামী ; 'সীতাহৰণ কাব্য', "চিন্তা তৰঙ্গিনী' আৰু "কবিতামালা" ৰচয়িতা ভোলানাথ দাস ; 'কবিতাহাৰ' কবিতা, "দ্ৰৌপদী হৰণ", "জয়দ্ৰথ বধ", "গোপলীলা" নাট, "দাবো বৃত্তান্ত", "মানব দিন", "মোৱামৰীয়া বিদ্ৰোহ", "ভুলাৰাম সেনাপতি আদি কবিতা-নাট-বুৰঞ্জীমূলক প্ৰবন্ধলেখোঁতা আৰু "জয়মতী কুঁৱৰী বা লাজি পলাপালি" শিৰোনামাৰে জয়ে-জয়ে জয়মতী উপাখ্যানটো উদ্ধাৰ কৰোঁতা ৰত্নেশ্বৰ মহন্ত ; "পদ্যমালা", 'শিক্ষাসাৰ' আদিৰ মুকলীমুৰীয়া চিন্তাশীল লেখক পদ্মহাস গোস্বামী ; "বঙাল-বঙালনী" নাটক আৰু "ব্যৱস্থা পুথি" প্ৰণেতা কদ্ৰাম বৰদলৈ ; "ভাৰত বুৰঞ্জী" আৰু "ব্যাকৰণ" লেখোঁতা ধৰ্মেশ্বৰ গোস্বামী ; অদ্বিতীয় কবিতাৰ পুথি "উজুপাঠ" আৰু "গণিতাঙ্কুৰৰ প্ৰণেতা বলদেৱ মহন্ত, "অসমীয়া ব্যাকৰণ" লেখক মহদানন্দ ভট্টাচাৰ্য্য ; "মৌৰ" সম্পাদক বলিনাৰায়ণ বৰা ; প্ৰবন্ধ লেখক নৰনাথ মহন্ত ; "ভ্ৰমৰ" নাট লেখোতাৰ এজন বতুধৰ বৰুৱা আৰু সাহিত্যানুৰাগী, পাঠ্যপুথি ৰচা সমিতিৰ সভ্য চন্দ্ৰহাস ভূঞা ;—এই আটাইৰে উপৰিও আছিল আনন্দৰাম ঢেকীয়াল ফুকনৰ কন্যা নন্দীশ্বৰ ফুকনৰ ভাৰ্য্যা "সুধৰ্ম্মাৰ উপাখ্যান" লেখিকা পদ্মাৱতী দেবী ফুকননী।

এইসকল সাহিত্যিক স্পৰ্শমণিৰ সংযোগত টিপচি গোসাঁইৰ গজলীয়া মন গকগু হৈ উৰিবলৈ ধৰিলে। ঢেকীয়াল, গোলাঘাট, ৰংপুৰত চেমনীয়াতে দেখি-শুনি টিপি-টিপি বান্ধি থোৱা সুৰাগী কথাৰ টুপলিটি নগাওঁ পাই মেলখাই আছিল। গুণৰ সাগৰ গুণাভিৰামৰ স্নেহাশীৰ্ব্বাদ লাভ কৰিলে ; ৰত্নেশ্বৰ মহন্তৰ অকৃত্ৰিম বন্ধুতাই কাব্যিক উৎসাহ দিলে ; ছাত্ৰ সমাজত যে কথাই নাই, যাক ভাল মানুহ বোলে, সেইসকলৰ মানতো হেম গোসাঁই হৈ উঠিল ৰব আতোলতোলৰ পাত্ৰ। গোসাঁই প্ৰায়ে গুণাভিৰামৰ ঘৰলৈ যায়, পাদুৰী চাহাবৰ তালৈ যায় আৰু ব্ৰহ্ম সমাজৰ প্ৰাৰ্থনা সভালৈও যায়। যেনিয়ে যায় তেনিয়ে ভাষা-সাহিত্যৰ বিষয়ে কথা-বাৰ্ত্তা হৈ থকা পৰিবেশ এটা দেখিবলৈ পায়। সেই পৰিবেশত কাপ খাই লাগি ধৰিবলৈ হেমচন্দ্ৰ সৰহদিন ৰ'ব লগীয়া নহল। অনতিপলমেই তেওঁৰ সাহিত্যিক প্ৰতিভা দেখুৱাবলৈ হেগে আহি আপোনা-আপুনি ধৰা দিলেহি।

সাহিত্যৰ পাহি মেল খাব নগাৰতে

১৮৮৫ চনত, "সাহিত্য, বিজ্ঞান আৰু শিল্পবিষয়ক মাসিক পত্ৰ" এখন "শ্ৰীগুণাভিৰাম বৰুৱা কৰ্ত্তৃক" সম্পাদিত আৰু শ্ৰীবৈকুণ্ঠ নাথ দত্তৰ দ্বাৰাৰ প্ৰকাশিত" হৈ নগাৱঁৰপৰা প্ৰচাৰিত হয়। কাকতখনৰ মূলমন্ত্ৰ আছিল—"ন চ জ্ঞানাং পৰং বলম্।" "অৰুনোদই"ৰ পিচত এইখন "মাসিক পত্ৰয়ে"ই আছিল অসমীয়া ভাষাৰ অন্যতম আলোচনী কাকত। অৱশ্যে, "অৰুনোদই"ৰ উদ্দেশ্যতকৈ, ইয়াৰ উদ্দেশ্য বেলেগ আছিল।

পঞ্চম শ্ৰেণীত পঢ়োতেই তেওঁ "কেতি" নামে সঁচায়-মিছায় অকণমানি ৰচনা এখন লেখি থৈছিল, তাতে, উৎসাহ দিবৰ নিমিত্তে গুণাভিৰামে "আসাম বন্ধু"ৰ ১ম ভাগ, ২য় সংখ্যাত প্ৰকাশ কৰে। গোসাঁইৰ বয়স তেতিয়া ১৩ বছৰত সোমাইছিল। এইটোৱেই তেওঁৰ ছপা হোৱা প্ৰথম সাহিত্যৰ অৰিহণা। প্ৰবন্ধটো আছিল:—অসম দেশৰ খেতিৰ দুৰৱস্থা; তাৰ প্ৰথম কাৰণ হ'ল—খেতিয়কৰ শিক্ষা নাই, দ্বিতীয় হ'ল প্ৰায় লোকৰেই খেতিলৈ আওহেলা আৰু খেতিক বৰ হেয় চকুৰে চোৱা। খেতি পথাৰৰ লগত বেপাৰ-বাণিজ্যৰ ঘনিষ্ঠ সম্বন্ধ। খেতি কৰি উৎপন্ন কৰা বস্তু, বেপাৰত লগাব নোৱাৰিলে, দেশৰ মানুহ কেতিয়াও চহকী হব নোৱাৰে।

ৰচনা বা প্ৰবন্ধটোৰ ভাষা যেনেকুৱাই নহক লাগে, তাত লৰামতীয়া লেখকজনৰ দেশৰ হকে চিন্তা কৰা ভাব এটা ফটফটীয়াকৈ ওলাই আছে। ৰচনাখনৰ বৰ্ণবিন্যাস আজিকালি কিম্ভূতকিমাকাৰ যেন লাগিব। শিৰোনামাটোও আছিল "খেতি"ৰ সলনি বঙলাৰে হেপাহঁচা উচ্চাৰণৰ "কেতি।" গোস্বামীৰ এয়ে প্ৰথম প্ৰকাশিত গদ্য-ৰচনা।

লব্ধপ্ৰতিষ্ঠ সাহিত্যিক চূড়ামণিসকলেও পোন প্ৰথম অৱস্থাত কাপ তিয়াই সাহিত্যিক হবলৈ বা বোলাবলৈ যেনেকৈ আখৰা কৰে, হেম গোস্বামীয়েও পোনেই সাঁথৰতে ধৰি তেনেকৈ আখৰা কৰিছিল। "কেতি" ওলোৱা বছৰৰ "আসাম বন্ধু"তে "নগাওঁ" নামটোকে এইদৰে সাঁথৰ কৰি সাজিছিল:—

অসমীয়া সাহিত্যৰ পৰম্নাচাৰ্য্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী

"মোৰ তিনটা আখৰ। আৰু মই
অসমৰ এখন নগৰ। মোৰ প্ৰথমটো
আখৰ গ্ৰহৰ সংখ্যা আৰু সি
কেতিয়াও পূৰণি নহয়। মোৰ প্ৰথম
আৰু দ্বিতীয়টো হাতত জাঠি লোৱা
নাগুঠা চুবুৰীয়া। মোৰ দ্বিতীয় আৰু
তৃতীয়টো জনপদ। দ্বিতীয় আৰু
প্ৰথমে সুন্দৰ ধ্বনি কৰে। মোৰ
দ্বিতীয়টোৰ লাখুটি প্ৰথমক তৃতীয়ে
সৈতে যোগ দিলে মই জলৰ ওপৰে
গতি কৰিব পাৰোঁ।"

"ফকৰা"ও দিছিল এই কেইটা:—

১। ভকত ভোমাই যায়। শিষ্য কপটীয়া, গুৰু আশাধাৰী, তিনিউৰো তৰণি নাই।

২। কি নো গীতে গালেঁ, "চান্দ ববাই"
কিনো গীতে গালেঁ। চান্দে।

৩। বৌৰ মূৰত কুৰুৱাৰ বহা
চিলনী কি খাই জীয়ে?
বেজীৰ মূৰত বাৰুন-বাঢ়ন
উধানে কাপৰ শিয়ে।

৪। ৰামকৃষ্ণৰ বাণী,
বা—ত শালি ধানৰ আগ তল গল
গুৰিয়ে নোছোৱে পানী।

আগেয়ে ভকতৰ মুখে-মুখে হে ফকৰা চলি আছিল; হেম গোসাঁয়ে হে পোনেই প্ৰকাশ কৰি তাৰ ভেদ ভাঙি দিয়ে।

কবিতাৰ কেঁও ফুটে নপাওঁতেই

গোস্বামীদেৱৰ কবিতা—কেঁও ফুটে নপাওঁতেই আৰু নপাওঁৰপৰাই ফুলি উঠে "আসাম বন্ধু'ৰ পাতত। "বিশ্বাস" বোলা কবিতাটোৱেই প্ৰথম কবিতা। ইয়াৰ পাচত, এটি-দুটিকৈ "বন্ধু"তে আৰু গোটাদিয়েক প্ৰকাশ হয়। এই সময়ত ককায়েকৰ জুৰীয়া প্ৰিয়তম বন্ধু আছিল যজ্ঞেশ্বৰ মহন্ত—কবিতা লেখাত দুয়ো যেন কেৰ মাৰি পাশাত হে চলিছিল। কবিতাৰেই উভয়ে উত্তৰাউত্তৰি কৰিছিল; মাজে সময়ে চিঠি-পত্ৰও দিছিল কবিতাৰেই।

সত্যনাথ বৰা, ভোলানাথ দাস আৰু কমলাকান্ত ভট্টাচাৰ্য্যকে মুখ্য কৰি প্ৰবীণ কবিসকলে, যি সাঁচত কবিতা লেখিছিল, হেম গোস্বামীয়েও সেই সাঁচতেই লেখিছিল। গদ্য লেখা ঠাঁচটো পাচলৈ পৰিবৰ্ত্তন আৰু উন্নত হল যদিও, কবিতাৰ ঠাঁচ কিন্তু প্ৰায় একেদৰেই থাকিল। থাকিল যদিও, পৰৱৰ্ত্তী কবিতা কিছুমানৰ ভিতৰত বাহুকবনীয়া সুৱদি শব্দ সোমাল; জেংজেঙীয়া শুচি নিমজ হল; স্থানান্তৰ কৰি ব্যৱহাৰ কৰা বাবে নিকৃষ্ট শব্দয়ো উৎকৃষ্ট আসন পালে। ইটালীয় কবিৰ আৰ্হি লৈ চতুৰ্দ্দশপদী চনেট বিধৰ কবিতাও "জোনাকী"—যুগত লেখা হেমচন্দ্ৰ গোস্বামীৰেই প্ৰথম অৱদান।

তেখেতৰদ্বাৰা সম্পাদিত শিশু-আলোচনী 'অৰুণ' কাকতত অৰুণ-অৰুণ লৰাছোৱালীলৈ যিবোৰ পঢ়ি গলেই মুখস্থ হোৱা মিহি-মিহি কোমল ভাষাৰ কবিতা লেখিছিল সেইবোৰে একালে যেনেকৈ গোস্বামীদেৱৰ সৰস-ৰহিতা প্ৰসাৰ কৰিছিল ইফালে তেনেকৈ তেখেতৰ টেটকুটীয়া কথাৰ চানেকিও দেখুৱাইছিল। তেখেত যে ধেমেলীয়া কথাবো "বৰপেট", "আসাম তৰা"ত ওলোৱা "পেট" নামৰ কবিতাটিয়েই সাক্ষ্য দি আছে। সেই কবিতাটোৱে তেখেতৰ সহাধ্যায়ী আৰু সমসাময়িক বন্ধুসকলৰ মাজত হাঁহিৰ ঢৌ তুলিছিল। তেখেত যে কবিতাৰ বহঘৰা আৰু ৰসিকপ্ৰৱৰ তাৰ একে ছাত্ৰাবাসী যজ্ঞেশ্বৰ নেওগে কবিতা এটিত ৰহস্যতে লেখি থৈ গৈছে :—

অসমীয়া সাহিত্যৰ পৰমাচাৰ্য্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী

"হেম গোস্বামীৰ কিমা গুণ গাম
দিগম্বৰ বেশ ৰাজিত থৰে ;
কোনোটো কামতে ভবাচিন্তা নাই
উপস্থিত মাত্ৰে সকলো কৰে।
মুখৰ জোৰ নাই, কোনে ভাগ পায়
হাৰিও নেহাৰে উত্তৰত ওজা ;
"পেট" আদি কৰি কবিতাক লেখি
ক বি ডিপাৰ্টমেণ্টত হইছে ৰজা।
দুখী অসমৰ "বাইৰণ" তেওঁ
সকলো ঠাইতে 'পয়েত্ৰী' দেখে
ৰাতি হলে আহি সুৰঁৰি-সুৰঁৰি
সুন্দৰ সুন্দৰ কবিতা লেখে।"*

নগাৰঁত উস্তৰ হোৱা কবিতাৰ লতাডালি বগাই গৈ যেতিয়া কলিকতা পালেগৈ, তেতিয়া "ফুলৰ চাকিত" সুমাই থোৱা পোৱাল-মণিহেন ভালেমান কবিতাৰ সৃষ্টি হল।

ৰতনে হে ৰতন চিনে। কবিয়ে হে কবিতা আৰু কবিৰ মোল পায় আৰু বুজে। "ফুলৰ চাকি"খন ১৯০৭ চনত প্ৰকাশ হলত, "জোনাকী"ৰ জন্মদাতা "ৰোমাণ্টিক" কবিতা সৃষ্টিকৰ্ত্তা বুলি প্ৰসিদ্ধ লাভ কৰোঁতা, কবিপ্ৰাণ চন্দ্ৰকুমাৰ আগৰৱালা ডাঙৰীয়াই পুথিখন উপহাৰ পায়েই গোসাঁইলৈ লেখিছিল :—

"ভাই,
তাহানিৰ কথা আজি সপোনত ভাহি ;
লগত আনিলে এই ফুলৰ পাহিটি।
আদৰ-মালতী তৱ মৰমৰ চিন ;
তুলি ললোঁ হৃদয়ত জীওঁ যত দিন।
আজিৰ কথায়ো দিলে তাহানিৰ লগ
পুৰণি নতুন হল, সপোন দিঠক।"

তোমাৰ
চন্দ্ৰকুমাৰ
৫।১০।১৯০৭

মুঠতে, গোস্বামীৰ মাতৃভাষানুৰাগ, কাব্যিক প্ৰতিভা আৰু বুৰঞ্জী প্ৰীতিৰ ভুপহি বান্ধিছিল, নগাৱঁতেই। সেই হে নগাৱঁক তেখেতে জীৱনতে পাহৰিব পৰা নাছিল।

---

* ৰত্নেশ্বৰ নেওগৰ ডায়েৰী ৭।৮ নবেম্বৰ, ১৮৮৯ চন।

কলিকতা যাত্ৰা

ওপৰত উল্লেখ কৰা অহামতে, ১৮৮৮ চনৰ জুনত উচ্চশিক্ষাৰ নিমিত্তে কলি-কতালৈ গ'ল। গুৱাহাটীৰপৰা জাহাজেৰে গৈ কলিকতা পাই সহযাত্ৰী লক্ষ্মীনাথ বেজবৰুৱা হঁতে থকা ৫০ নং কলেজ ষ্ট্ৰীটৰ ঘৰটোতে পোনেই উঠিলেগৈ। তাত অলপ দিন থাকি ১৪।১, প্ৰতাপ চন্দ্ৰ চাটুৰ্জী লেনৰ মেছলৈ উঠি যায়। তেতিয়া সেই মেছ-নিবাসী আছিল (ওপৰ থাপৰ) সত্যনাথ বৰা, ঘনশ্যাম বৰুৱা, শিৱৰাম শৰ্মা, লক্ষ্মীনাথ বেজবৰুৱা, গিৰীশচন্দ্ৰ বেজবৰুৱা, কৃষ্ণপ্ৰসাদ দুৱৰা, কমলচন্দ্ৰ শৰ্মা, যজ্ঞেশ্বৰ নেওগ, ৰমেশচন্দ্ৰ ৰাজখোৱা, কৃষ্ণকুমাৰ বৰুৱাকে প্ৰমুখ্যে কৰি ভালেমান ছাত্ৰ। ১৮৮৯ চনত, তাৰপৰা কিছুমান ৬২ নং সীতাৰাম ঘোষ ষ্ট্ৰীটলৈ, কিছুমান ৬৭ নং মীৰ্জাপুৰ ষ্ট্ৰীটলৈ, কিছুমান ২ নং ভবানীচৰণ দত্ত লেনলৈ আৰু কিছুমান হেৰিচন ৰ'ড—আমহাৰ্ষ্ট ষ্ট্ৰীটৰ হ'টেল বা মেছলৈ গ'লগৈ। কলিকতাৰ পুৰণি বাসিন্দা ৰমাকান্ত বৰকাকতী আছিল কলিকতা প্ৰবাসী অসমীয়া মাত্ৰকে পোতাশ্ৰয়। তেখেতো এইবোৰ মেছৰে কোনো কোনোটোত আছিল। বেণুধৰ ৰাজখোৱা, পদ্মনাথ বৰুৱা, আনন্দ চন্দ্ৰ আগৰৱালাও কোনো কোনোটোত আছিল। গুণাভিৰাম বৰুৱাও মেছতে আছিল, কিন্তু বৈঠকখানা লেনতো নিজা ঘৰ আছিল।

হেম গোসাঁই গ'ল ৬২ নং সীতাৰাম ঘোষ ষ্ট্ৰীটৰ ডাঙৰ মেছ এটালৈ। সেই ঘৰতে বি-এ পাছ কৰি "ল" (আইন) পঢ়া আৰু টোপনিত ইংৰাজী 'লেকচাৰ আবিৰ পৰা" (পাচত) 'উপন্যাস সম্ৰাট' ৰজনীকান্ত বৰদলৈ; 'জুনা' ধৰি ধৰি কটা-মাখন খোৱা আৰু কিতাপৰ পোক যোৰহাটৰ ৰাজগুৰু ফুকনৰ ঘৰৰ খিনন্দি চন্দ্ৰ ফুকন; সকলো কথাতে "বিমাৰ্কিব" (এবাৰ কোৱা) পৰা শিৱসাগৰৰ ঘুটমুটীয়া হাৰিকেশ্বৰ শৰ্মা; নিৰন্তৰ কিতাপকে পঢ়ি থকা, শিৱ-

সাগৰৰ "চলিত্." তীৰ্থনাথ ফাকতী ; গুৱাহাটীৰ "টেকেলীপেটীয়া" লক্ষ্মীপ্ৰসাদ বৰুৱা ; মেছ-মেনেজৰ, খেলোৱাৰ বিষ্ণুপ্ৰসাদ আগৰৱালা, তেজপুৰৰ ; নগাওঁৰ "টেঙৰ" চন্দ্ৰকুমাৰ বৰুৱা ; যোৰহাটৰ কৃষ্ণকুমাৰ বৰুৱা আৰু গোলাঘাটৰ ঘনশ্যাম বৰুৱা—দুয়ো একোজন 'এনচাইক্ল'পেডীয়া' (বিশ্বকোষ) ; যোৰহাটৰ "কৈঁৰাচকুৱা" যজ্ঞেশ্বৰ শৰ্ম্মা নেওগ ;* কামৰূপ নলবাৰীৰ হৰকান্ত চৌধাৰী ; হিন্দু স্কুলৰ ছাত্ৰ, যোৰহাটৰ চন্দ্ৰকমল বেজবৰুৱা , শেহ নিশাও "ধপাতক হোঁপ." কামৰূপ-বৰবাৰ বলিনাথ চৌধাৰী, যোৰহাটৰ সংস্কৃত পণ্ডিত লক্ষেশ্বৰ শৰ্ম্মা ; শিৱসাগৰৰ "হাঁহি সুধি হাঁহি তোলাব জনা" চন্দ্ৰীনাথ বেজবৰুৱা আৰু সুৰেন্দ্ৰ বাহুবলীৰ দৰে ইংৰাজী বক্তৃতা দিব পৰা গোলাঘাটৰ কমলচন্দ্ৰ শৰ্ম্মা । গোস্বামী আছিলেই ।

দুবাৰ বি-এ পৰীক্ষা দিও কৃতকাৰ্য্য হব নোৱৰাত গোসাঁইৰ মন ভাগি গ'ল । বি-এ পঢ়িবলৈ আৰু ইচ্ছা নোহোৱা হ'ল—গ্ৰেজুৱেট হোৱাৰ আশা আৰু উদয় হব কেনেকৈ ? তথাপি, ১৮৯৩ চনৰ গ্ৰেজুৱেট হোৱা সকলৰ তালিকাত হেম গোস্বামীৰ নাম নেদেখি, পুকলীয়াৰপৰা সেই চনৰ মে মাহৰ ৩ তাৰিখে গুণাভিৰাম বৰুৱাই চিঠিৰে প্ৰবোধ দিলে—গোসাঁই যেন হতাশ নহয় । যি হল, হল, আকৌ এবাৰ চেষ্টা কৰি চোৱা ভাল । নহলে, "জাতো গ'ল পেটো নভৰিল ।" অৱশ্যে, গোসাঁইৰ নিমিত্তে ডিগ্ৰী লোৱাটো ঈশ্বৰৰ অভিপ্ৰেত নহয় । (১) তেওঁৰ ঠাই বিশ্ববিদ্যালয়ত নাই । আন কৰবাত হে আছে । '১৮৯৪ চনৰ পৰীক্ষাতো ফুটা কপলীয়া হেম গোসাঁইৰ ভাগলৈ বি-এ ডিগ্ৰীটো নাহিল ।

গুণাভিৰামে ভবিষ্যদ্বাণীত গোসাঁই -বিষয়ে যে কৈছিল তেওঁ বিশ্ববিদ্যালয়ত থকাটো ঈশ্বৰৰ অভিপ্ৰেত নহয় বুলি, এই কথা ঠিক ; আৰু যে কৈছিল তেওঁৰ ভাগ্য নিৰ্ণয় কৰা ঠাই কৰবাত হে আছে, সেই কথাও ঠিক । সেই ক'ৰবাত থকা ঠাই ডোখৰেই হল, অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ বেদী ।

* এওঁ মেহলিবাসীবিলাকৰ বিষয়ে বৰ খুহুটীয়া কবিতা এটি লেখিছিল—"আৰ্য্যাৱলী" চাওক, ব, শ ।

(১) শেষত চাওক । —ব, শ,

১৮৯১ চনত হেমচন্দ্ৰ গোস্বামী

পদ্মনাথ গোহাঞি বৰুৱা | হেমচন্দ্ৰ গোস্বামী | যজ্ঞেশ্বৰ শৰ্ম্মা নেওগ | বিনন্দি ফুকন | লক্ষেশ্বৰ শৰ্ম্মা

কলিকতাৰ অ, ভা, উ, সা সভা স্থাপনত

১৮৮৮ চনত কলেজত নাম লগালেগৈ যদিও, গোসাঁইৰ নিমিত্তে কলেজৰ অধ্যয়ন গৌণ হৈ থাকিল, মুখ্য হ'ল মাতৃভাষাৰ উন্নতিবিধায়ক কামৰ চিন্তা। তেওঁ কলিকতা পাওঁতে অসমীয়া ভাষা আলোচনা কৰা সভা আছিল, অসমীয়া ছাত্ৰৰ সাহিত্য সভা; কিন্তু অৱস্থা মৰামূচা।

নগাৱঁতে পাৰি থোৱা সাহিত্য চৰ্চ্চাৰ কঠীয়া হেমচন্দ্ৰৰ অন্তৰত ঠন ধৰি উঠিছিলেই। এতিয়া কলিকতা পাই লহপহকৈ বাঢ়ি আহিবলৈ ধৰিলে। সকলো ছাত্ৰকে কৈ-মেলি, হয়, পুৰণি, "অসমীয়া ছাত্ৰৰ সাহিত্য সভা" নামেৰেই, নহয় নতুন কিবা এটা নাম দি হলেও, সাহিত্যালোচনীৰ সভা এখন পাতিবই লাগে। এই কথাটো গোস্বামীৰ মুখতেই প্ৰথমে খেলায় আৰু তেওঁৱেই উদ্যোগ কৰি কলিকতা অ ভ উ সা সভা খন প্ৰতিষ্ঠা কৰে।

অ ভা উ সা সভা

১৮১০ শকৰ ভাদৰ ১০ দিন যোৱাত (১৮৮৮ চনৰ ২৫ আগষ্টত) শনিবাৰে দেৱীচৰণ বৰুৱাৰ সম্পাদকত্বত চলা পুৰণি "অসমীয়া ছাত্ৰৰ সাহিত্যসভা" নামটো গুচাই, শিৱৰাম শৰ্ম্মা বৰদলৈক সম্পাদক পাতি ন নামেৰে "অসমীয়া ভাষা উন্নতি সভা" পতা হয়। উদ্দেশ্য আগৰ দৰেই—অসমীয়া ভাষাৰ সৰ্ব্বাঙ্গীন উন্নতি কৰা। তেখেতৰ পাচত, 'বহুগুণী' কমল চন্দ্ৰ শৰ্ম্মা সম্পাদক হৈ "১৮১১ শকৰ ২৮ শ্ৰাৱণৰপৰা (১৮৮৯, ১২ আগষ্ট) অতি উৎসাহ আৰু যত্নেৰে সভাৰ কাৰ্য্য কৰি সেই শকৰে ১৬ মাঘৰ দিনা (২৮ জানুৱাৰী, মঙ্গলবাৰ, ১৮৯০ চন) সন্নিপাত জ্বৰত পৰি এই সংসাৰৰ পৰা একেবাৰে বিদায় ললে। তাৰ পৰা প্ৰায় ৭ মাহ ৰমাকান্ত বৰকাকতীৰ সম্পাদকত্বত লেলাই-খেন্দাই সভাখন কোনোমতে চলি থাকিল।

১৮১২ শকৰ ১০ ভাদ, (ইং ২৫ আগষ্ট ১৮৯০) সোমবাৰে ২ নং ভৱানীচৰণ

---

* "কলিকতাৰ অসমীয়া ভাষা উন্নতি সাধিনী সভা প্ৰথমে প্ৰতিষ্ঠিত কৰাৰ প্ৰধান উদ্যোক্তা আছিল হেম গোসাঁই।"—কনকলাল বৰুৱা, "মিলন" হেমচন্দ্ৰ সংখ্যা।

দত্ত সেনত বহা সভাত লক্ষ্মীনাথ বেজবৰুৱাক সম্পাদক আৰু হেমচন্দ্ৰ গোস্বামীক সহকাৰী সম্পাদক পতা হল। তেতিয়াৰপৰাই অ: ভা: উ: সা: সভাৰ কাৰ্য্য নিয়াৰিকৈ চলিবলৈ ধৰিলে। যাইজনতকৈ কনিষ্ঠ হোৱা বাবে পাছজনৰ অৰ্থাৎ গোসাঁইৰ কান্ধত বোজাটোৰ হেঁচা বৰ বেচিকৈ পৰিছিল। কিয় নো, সপ্তাহে সপ্তাহে বুধ আৰু শনিবাৰে দুদিন-দুদিনকৈ বহা সভাৰ জাননী দিয়া, সভাৰ কাৰ্য্য-বিৱৰণী টুকি ৰখা, বক্তাসকলৰ বক্তৃতাৰ চমু টোকা কৰা, ৰচনাত কোনে কি আলোচনা-বিলোচনা কৰিলে তাৰ সাৰ-মৰ্ম্ম লেখা, সভ্য সকলৰ বৰঙনি ঠিকমতে আদায় হৈছে নে নাই হোৱা তাক চোৱা—এনেবোৰ দেখাত খুচুৰীয়া হলেও কৰাত বৰ জঞ্জলীয়া আছিল। তথাপি গোসাঁয়ে নীৰবেই সেইবোৰ সম্পাদন কৰিছিল। বেজবৰুৱাই গা-লাগি সহায় কৰিব নোৱৰাত গোস্বামীতেই স্বস্তি দি, এক মুঠীয়া হৈ কাম কৰিবলৈ বুধি পৰামৰ্শ দি আছিল।

সম্পাদক হলত হে যে গোসাঁয়ে সভাৰ নিমিত্তে টাকুৰি ঘূৰাদি ঘূৰিছিল, এনে নহয়, জন্ম দিয়া দিনৰেপৰা সভাত পঢ়িব লগীয়া কবিতা-ৰচনাও লেখিবলগীয়া হৈছিল। এনেয়ে সভাৰ কামেই আজৰি নোহোৱাকৈ থৈছিল তাতে আকৌ "জোনাকী" কাকতৰ নিচিনা কাকত এখন উলিয়াবলৈও ৰজনী কান্ত বৰদলৈ আদি বন্ধুবান্ধৱক খাটি ফুৰিছিল।*

মাতৃভাষাৰ বা-বতাহ বলোৱাৰ অনুকূলে এনেকৈ লাগি থকা বাবেই কলেজৰ শিক্ষাৰ ওপৰত মাৰ্ঘাত পৰিল। তথাপি এফ, এ, পৰীক্ষাটো ওপৰত কৈ অহাদৰে কানে কান মাৰি সৰকিল।

পৰিশেষত কোৱা অনুচিত নহব যে কলিকতা অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা খন প্ৰথম অৱস্থাত কতো আঁৰ নলগাকৈ হেমচন্দ্ৰ গোস্বামীয়ে হে পৰিচালনা কৰিছিল। (১)

---

* ৰজনীকান্ত বৰদলৈ ডাঙৰীয়াৰ আত্মজীৱনী "বাহী"

(১) কলিকতা অ ভা. উ. সা সভাৰ জন্ম বৃত্তান্ত "জোনাকী"ত পাব। সামটোৱেই উদ্দেশ্যৰ কথা সামৰিছে। —বে. শ.

অসমীয়া ভাষাৰ বুৰঞ্জীমূলক প্ৰথম ৰচনা

কলিকতা অসমীয়া ভাষাৰ উন্নতি সাধিনী সভাৰ দ্বিতীয় বছেৰেকীয়া অধিবেশনত হেমচন্দ্ৰ গোস্বামীয়ে "অসমীয়া ভাষা"ৰ বিষয়ে সংক্ষেপকৈ লেখা এখনি ৰচনা পাঠ কৰে। সংক্ষেপে যদিও, অসমীয়া ভাষাত লেখা এই খনতেই প্ৰথম অসমীয়া ভাষাৰ ধাৰাবাহিক বুৰঞ্জী-আভাস এটি দিবলৈ চেষ্টা কৰা হৈছিল। ইয়াৰ আগেয়ে, এনে পৰিপাটিকৈ ভাষাৰ আঁতি-গুৰি মাৰি, ক্ৰমোন্নতিৰ যুগ ভগাই এনে ধৰণেৰে কোনেও প্ৰবন্ধ লেখা নাছিল। আধুনিক উন্নততৰ দৃষ্টিৰে ইয়াৰ মূল্য অংকণ কৰোঁতে ইয়াৰ ভালেমান সিদ্ধান্তত ফেৰ মাৰিব লাগিব সঁচা, সেই বুলি ই দলিয়াই পেলাব লগীয়া এলাইবাহু নহয়। প্ৰবন্ধটোৰে আমাক বহুত নজনা কথা জনালে, আগলৈ অসমীয়া ভাষাৰ বুৰঞ্জী লেখোঁতা সকলক এটা খোপনি দিলে। ইয়াৰে আলম লৈ, পৰৱৰ্তী যুগত, জনদিয়েক লব্ধপ্ৰতিষ্ঠ আৰু অপ্ৰতিষ্ঠ সাহিত্যিকেও অসমীয়া ভাষাৰ বুৰঞ্জী লেখিব পৰা হল—অৱশ্যে, নতুন যুগৰ নতুন উপকৰণেৰে পৰিপুষ্ট কৰি। ৰচনাখন প্ৰবন্ধাকাৰে "জোনাকী"ত ওলালত অসমীয়া ভাষাতঙ্কগ্ৰস্ত এক শ্ৰেণী লোকৰ আৰু এক শ্ৰেণী অহোবলিয়া বাতৰি-কাকতৰ মুখত সোপা পৰিল; কিছুমান লেখকৰ শোষে ধৰা চকুত অঞ্জন সান খালে আৰু ভাল ভাল ভাষানুৰাগী বিদ্বানসকলৰ চকুও মেল খালে।

ৰচনাখনৰ গুৰুত্ব আৰু বিশেষত্ব উপলব্ধি কৰিবলৈ হলে অলপ পাচলৈ ঘুঁইকি যাব লাগিব।

ভালেমান লেখালেখি আৰু তিতা কেহা লগোৱা আলোচনাৰ মূৰত ১৮৭৩ চনৰ পৰা অসমত বঙলাৰ ঠাইত পুনৰ অসমীয়া চলাবলৈ চৰকাৰী আদেশ প্ৰচাৰিত হ'ল। অসমীয়া বিৰোধী কিছুমান চৰকাৰী আৰু কিছুমান পৰামৰ্শদাতাই অনৰ্থক পলসুৱা জঞ্জাল কিছুমান লগোৱাত ভাষাৰ প্ৰচলন আদেশৰ লগে লগেই হব নোৱাৰিলে।

১৮৮১ চনৰ মাচুহ পিয়লৰ মন্তব্যত অসমীয়া ভাষাক পুৰণি বুলি স্বীকাৰ কৰিও, ভলেপুতল দি বঙলা ভাষাটোকে চামৰ পিৰাত বহুৱাই থোৱা হল। ভাৰতৰ

অসমীয়া সাহিত্যৰ পৰমাচাৰ্য্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী

ইম্পীৰিয়েল গেজেটীয়েৰৰ সম্পাদকেও বক্তব্যত যোগনী মাৰিলে, অসমীয়া ভাষাটো বঙলাৰে অপভ্ৰংশ হ'ল। এনেবোৰ এটচীয়া অভিমতৰ উপৰিও, কেতবোৰ অপহৃতা অংশৰাও ওলাল, চিঞৰ-বাখৰ কৰি অসমত অসমীয়াৰ ভাষা চলোৱাত প্ৰতিবন্ধক জন্মাবলৈ। স্থানীয় কৰ্তৃপক্ষয়ো এইবোৰ গতিগোত্ৰকে চাই, চৰকাৰৰ আদেশ পালন কৰাত লেহেম কৰিবলৈ ধৰিলে। চৰকাৰ আৰু পক্ষপাতদুষ্ট তলতীয়া কৰ্মচাৰীৰ গতিমতিয়ে স্পষ্টকৈ দেখুৱাই দিয়াত আমাৰ চকুৱালসকলৰ দৃষ্টিত নপৰাকৈ নেথাকিলে যে অসমৰ মাটিত বঙলা সাপ মৰিল যদিও, নেগুৰৰ বিষ মৰা নাই।

"বিলম্বে কাৰ্য্যনাশ"। পোৱা স্বত্বটোও এতিয়া হাতত হেৰায় দেখোন! মাতৃভাষাৰ এনে ফুটাকপলীয়া দশা দেখি, অ, ভা, উ, সা সভাৰ সভ্যসকলে শক্তি অনুসৰি যেনে যেনেকৈ পাৰে তেনেকৈয়ে সেই বিষ মৰাৰ কথা আলচিবলৈ ধৰিলে। হেমচন্দ্ৰ গোস্বামীয়েও ধৰিলে—'অসমীয়া ভাষা' ৰচনা খনিত। ইয়াত যুক্তি প্ৰমাণেৰে দেখুৱা হল যে অসমীয়া ভাষা বঙলাৰপৰা সম্পূৰ্ণ পৃথক আৰু প্ৰত্যেক যুগৰে বঙলাৰ লগত তেলপানী হৈ আছিছে—সংস্কৃতেই দুয়ো ভাষাৰ মূল বাবে শব্দ কিছুমানৰ সাদৃশ্য থকাটো স্বাভাৱিক। সেই প্ৰসঙ্গতে আৰু গোটাদিয়েক কাৰণো উল্লেখ কৰা হৈছিল।

সেই সময়তে "প্ৰবাসের অস্ফুত স্মৃতি" নামে এখনি ভ্ৰমণমূলক পুস্তিকা প্ৰকাশ হয়। পুস্তিকাখনি সৰু। হলেও, সাপৰ কি বৰ সৰু আছে? গ্ৰন্থকাৰজন অসমীয়া ভাষাতত্ত্বগ্ৰন্থবিলাকৰে এজন বুলি তেওঁৰ লেখাৰপৰা ভালকৈ ধৰিব পাৰি। এ.বঁই সেই পুস্তিকাত বিষাৰ মাত থুনুৱাই মাতিছিল, সেই বাবেই তেতিয়াৰ 'বঙ্গীয় সাহিত্য পৰিষদ পত্ৰিকাৰ" সম্পাদক স্বনামধন্য ৰজনীকান্ত গুপ্তৰ মুখতো খিটিঙাই বাজিছিল।

'অস্ফুট স্মৃতিৰ' লেখকৰ পুথিত স্ফুট হৈছিল। :—

"সম্প্ৰতি আসামী ভাষায় লিখিত "জোনাকী" নামক সাময়িক পত্ৰে "অসমীয়া ভাষার উন্নতি সাধিনী সভার সম্পাদক ধীমান শ্ৰীযুক্ত হেমচন্দ্ৰ গোস্বামী মহাশয় বাঙ্গালা ও আসামী ভাষার স্বাতন্ত্ৰ্য প্ৰতিপাদনে অত্যোধিক পাণ্ডিত্য প্ৰকাশ করিয়াছেন। ... ...

"দুঃখের বিষয়, বঙ্গ ভাষার সহিত অসমীয়া ভাষার ঘনিষ্ঠ সম্বন্ধের কথা

কৌশলে গোস্বামী মহাশয় লোপ করিবার চেষ্টা করিয়াছেন......” শঙ্করদেবের সময়ে মিথিলা ও উড়িষ্যা বঙ্গদেশভুক্ত ছিল। ঐ সমস্ত প্রদেশের কথাও বঙ্গ-ভাষার অন্তর্ভুক্ত ছিল—সুতরাং শিক্ষা ও সংশ্রব গুণে ঐ সকল স্থানের কথা তাহার রচিত গ্রন্থে সহজেই প্রবিষ্ট হইয়াছে...... শঙ্করদেবের সময়ে বঙ্গ ও মিথিলায় একই অক্ষর চলিত। তিনিও বঙ্গদেশে ঐ অক্ষর লিখিয়া স্বদেশ প্রত্যাবর্ত্তনপূর্ব্বক সেই অক্ষরেই আপন গ্রন্থ লিখিয়াছিলেন।”

শঙ্কৰদেৱে হেনো বঙ্গদেশত হে বঙ্গলা আখৰ লিখিছিলগৈ।

স্বৰ্গদেৱসকলৰ ৰাজত্ব আৰম্ভ হোৱা বহু পূৰ্ব্বৰপৰা অসমত অসমীয়া ভাষা স্বতন্ত্ৰবীয়া ভাবেই চলি আহিছে বুলি কোৱা কথাষাৰত হে “স্মৃতি” লেখকৰ গা-মন চেংচেঙাই গৈছিল।

বঙ্গালী সমাজত ৰচনাখনৰ প্ৰতিক্ৰিয়া হোৱা বাবে গোস্বামীদেৱৰ লেখাই সাৰ্থকতা লাভ কৰিলে আৰু ইফালে আমাৰ লেখকসকলকো সেই প্ৰতিক্ৰিয়াই দুগুণ সজাগ আৰু সচেষ্ট কৰি তুলিলে।

অ, ভা, উ, সা, সভাৰ উদ্দেশ্য অনুসৰি সভ্য সকলে তেতিয়ালৈকে প্ৰকাশিত— অপ্ৰকাশিত অসমীয়া পুথিৰ তালিকা এখন যুগুত কৰা কথা আছিল। সেই কাম হাতত লোৱাৰ কাৰণ আছিল :—

১। অসমীয়া ভাষা যে বঙ্গলাৰ অপভ্ৰংশ নহয় আৰু সেই ভাষাত অজস্ৰ পুথি যে এতিয়াও আছে তাকে দেখুৱাই অজ্ঞ, স্বাৰ্থপৰ আৰু পৰশ্ৰী-কাতৰ বিদেশী কৰ্ম্মচাৰীৰ চকু-চামনি-কটা।

২। তাৰদ্বাৰা আমিও উপকৃত হোৱা। প্ৰাচীন কালৰেপৰা কিমান নো পুথি হৈছে তাৰ এটা উমান লোৱা।

৩। পুৰণি পুথিবিলাক আমাৰ পুৰণি ৰত্ন। “ৰত্ন যেনেকৈ পুৰণি হলেও অকামিলা নহয়, বৰং তাৰ মোল বাঢ়ি হে যায়, সেইদৰে আমাৰ পুৰণি পুথিবিলাক আমাৰ সাহিত্যৰ পুৰণি উপাদান। সেইবোৰ সংগ্ৰহ কৰিবলৈ সকলোৰে মনত আগ্ৰহ ওপজোৱা।

ৰমাকান্ত বৰকাকতী আৰু কনকলাল বৰুৱাই তালিকাখনৰ পুথি-নামবোৰ গোটালে। পুথিসমূহৰ চিনাকি দি পাতনি লেখিবৰ ভাৰ আছিল গোসাঁইৰ গাত। কিন্তু ৭৪ চনত কলিকতা এৰি আহিব লগীয়া হোৱাত পাতনি খন

সময়মতে হৈ নুঠিলগৈ। ইতিমধ্যে, ৰজকান্ত-বৰুৱাই '৭১ চনৰ ফেব্ৰুৱাৰী মাহত পুথি-কিতাপৰ তালিকাখন অ, ভা, উ, সা সভাৰ হৈ প্ৰকাশ কৰিলে। কিন্তু পাততনি লেখা নহল। সেই বাবে, কনকলাল বৰুৱাই গোসাঁইলৈ দিয়া চিঠিত দুখকৈ লেখিছিল,

"আপোনাৰ দিহা পৰামৰ্শখিনি মুৰামুৰি সময়ত পোৱা বাবে আমাৰ তালিকাখনত সুমাব নোৱাৰিলোঁ। তথাপি, আপোনাৰ চিঠি পায়েই আমিলেখা পাততনি লেখাতে এৰিলোঁ। পাততনি লেখিব পৰা মানুহ আপোনাতকৈ জানো আন কোনোবা আছে? আপুনিয়েই সেইখন লেখিব। লেখি সোনকালে পঠাব। ইয়াত থকা প্ৰৱন্ধুৱা ছাত্ৰৰপৰা খুজিমাগি হে সম্প্ৰতি, তালিকাখন ছপাইছোঁ। পিছৰ বাবত বাইজৰপৰা পঁচা তুলিব লাগিব।"

এই তালিকাত যি কাম অসম্পূৰ্ণ হৈ ৰল, তাক "ডিস্ক্ৰিপটিভ কেটেলগ (Descriptive Catalogue) বা অসমীয়া সাহিত্যৰ বিৱৰণমূলক তালিকা" লেখি অ ভা উ সাই হাতত লোৱা কামকে গোস্বামীয়ে পৰিপূৰ্ণ কৰিলে বুলি কব পাৰি।

জোনাকী'ৰ জীৱন্ধৰী মণি

'জোনাকী'ৰ সম্পাদক ঃ

১৮১০ শকৰ মাঘৰ বিহুৰ পাচ দিনাই ১৩ জানুৱাৰী, ১৮৮৯ —নৱযুগ প্ৰবৰ্ত্তনকাৰী "জোনাকী" কাকতৰ জন্ম হয়।

অ, ভা, উ, সা সভাৰ চন্দন-চ'ৰাত বহি যি সকলে 'জোনাকী'ৰ আলম লৈ নৱন্যাস যুগৰ সাহিত্য-বিজ্ঞান-দৰ্শনৰ জোনাক সিঁচিছিল সেইসকলৰ ভিতৰত 'জোনাকী'ৰ জীৱন্ধৰী মণি হৈ জিলিকি আছিল হেমচন্দ্ৰ গোস্বামী। কাকতখন উলিয়াবলৈ যো-জা কৰোঁতে তেখেতে বৰদলৈ আদি তেখেতৰ বন্ধু-বান্ধৱ সকলক প্ৰবন্ধৰ নিমিত্তে হাতেভৰিয়ে ধৰি ফুৰিছিল। সকলো আয়োজন হৈ উঠিল, কিন্তু কোনো এজনেই ধন ভৰিবলৈ সমৰ্থ নোহোৱাত কাকত প্ৰকাশৰ প্ৰস্তাৱটো ঠিহিবা লাগিল। এনেতে, পেৰাৰ সাঁচতীয়া ধন ভাঙি "জোনাকী" উলিয়াবলৈ হাঁকি ওলাল। ওলাল হে ওলাল, আগৰ কাকতবিলাকৰ দশালৈ চাই তেওঁ ওলপ থেঁৰোগেৰো কৰিবলৈ ধৰিলে। আগৰৱালাই আগৰেপৰা দেখি আহিছিল যে যেই সেই আলোচনী বা বাতৰি-কাকত উলিয়াবলৈ হলে হাতত ধনৰ মোনাটো ফিন্দ্ খাই থাকিব লাগিব, প্ৰবন্ধ সম্ভাৰেৰে যোগান ধৰোঁতা এটা প্ৰতিজ্ঞাবদ্ধ দল লাগিব আৰু লাগিব এজন সুদক্ষ পৰিচালক। তেখেত নিজেই আটস্থিয়াৰ—লোকৰ সহায় নহলেও হয়; কবিতাৰো উপাসক—সেই পিনেও আত্মবিশ্বাসৰ অভাৱ নাই; ব্যৱসায়ৰ পিনেও কাজুৰা-প্ৰবৰ্ত্তিৰ কেনেকৈ নজনা নহয়; অনুষ্ঠান পৰিচালনাতো সুপাৰগ—লোকক তোষামোদ নকৰিলেও হয়। এটা নাটনিৰ জোৰা মৰাত হে আগৰৱালা ডাঙৰীয়া বিমোৰত পৰিছিল—সেইটো হৈছে অন্ততঃ বছৰেক চলাৰ পৰাকৈ প্ৰবন্ধৰ যোগান। সেই দেখি তেখেতে এই বুলি এটা চুক্তি আগবঢ়ালে; সেইটো হৈছে—সভাৰ প্ৰত্যেক জন সভ্যয়েই কাকতলৈ প্ৰবন্ধ দিব লাগিব আৰু যি নিদিব তেওঁৰ ৫৲ টকা জৰিমনা হব। এই চুক্তি সম্পাদন হোৱাৰ দুমাহমানৰ পিচতেই উল্লিখিত মাঘৰ বিহুৰ পাচদিনাই চন্দ্ৰকুমাৰ আগৰৱালাৰদ্বাৰা "জোনাকী" প্ৰকাশিত হল।

তেখেতেই সম্পাদক, প্ৰকাশক আৰু পৰিচালক সকলো। প্ৰবন্ধ-পাতিৰে সৰলোৱে বিশেষকৈ ১ম সংখ্যাত লক্ষ্মীনাথ বেজবৰুৱা, ঘনশ্যাম বৰুৱা, সত্যনাথ বৰাই আলপৈচান ধৰিলে। হেমচন্দ্ৰ গোস্বামীয়েও ধৰিলে তেখেতৰ প্ৰকৃতিগত ভাল-পোৱা ঐতিহাসিক প্ৰবন্ধ "মহাৰাজ ৰুদ্ৰসিংহৰ দিনত অসমে"ৰে। এইটোৱেই তেখেতৰ বুৰঞ্জীমূলক প্ৰথম প্ৰকাশিত প্ৰবন্ধ। প্ৰকাশিতৰ ভিতৰত হে প্ৰথম; অপ্ৰকাশিত হৈ হাতেৰে লিখি থোৱা গদ্য-পদ্য প্ৰবন্ধ বিস্তু খুন্দ খাই আছিল।

'জোনাকী'ৰ বছৰটো পূৰ কৰিয়েই, বি-এ পৰীক্ষাৰ খবৰ ওলোৱাৰ পাচতে, ১৮৯০ চনৰ এপ্ৰিল মাহত আগৰৱালা কলিকতা এৰি তেজপুৰলৈ আহিল। তাহেমান প্ৰবন্ধ গোটাই থৈ সম্পাদকৰ ভাৰ দি আহিল হেমচন্দ্ৰ গোস্বামী আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত। স্বৰূপ'ৰ্থতে জোনাকীৰ দ্বিতীয় তৃতীয় বছৰৰ সম্পাদক আছিল হেমচন্দ্ৰ গোস্বামী হে* বেজবৰুৱা ভাওৰীয়া অৰন্তো গুৰিত নথকা নহয়।

"জোনাকী"খন যেন তেওঁৰ বাপতীসাহোন হে, এনে ভাৱে গোস্বামীয়ে 'জোনাকী'ৰ সেৱা শুশ্ৰূষাত ধৰিছিল। কি বেজবৰুৱা, কি ৰজনী বৰদলৈ কি কনকলাল বৰুৱা সৰলোৱেই হেম গোসাঁইকে "জোনাকী'ৰ ধাই ধৰণী পাতি থৈছিল। চন্দ্ৰকুমাৰ অসমলৈ আহিল যদিও, "জোনাকী"ক পালি-পাচি জীয়াই ৰখাৰ নিমিত্তে সঘনে চিঠি-পত্ৰেৰে বুদ্ধি-পৰামৰ্শ দি আৰু ধন-পইচা পঠিয়াই গোসাঁইক সহায় কৰি আছিল। গোসাঁয়েই যে দ্বিতীয় বছৰত সঁচাকৈয়ে "জোনাকী"ৰ ধাই ধৰণী আছিল, আগৰৱালাদেৱৰ চিঠিবপৰাই বুজিব পাৰি আৰু "জোনাকী" যে আগৰৱালাৰ অতি মৰম-চেথাৰ আছিল তাকো জানিব পাৰি। আগৰৱালাই লেখিছিল,"—

"My dear Ghossein, Tezpur 11.5.1890

"Strike the iron while it is hot……I might have been lost to you in no time……Write me fully all about Jonaki, reduce the price of subscription and make it Rs. 2/8.

Yours
C. K. A.

"জোনাকীৰ আত্মকথা"– আনন্দচন্দ্ৰ আগৰৱালা আৱাহন। ১৮৫৯ শক, ২য় সংখ্যা ১৭৩ পিঠি।

জোনাকী'ৰ জীৱনী মণি

"বেলি নৌ যাব যাওঁতেই ধান শুকুৱাই লওক। ......যই যদিলেঁ তেঁই বুজিব পাবে। ......"জোনাকী"ৰ বিষয়ে এটাইবোৰ কথা বিতংকৈ লেখিব। গ্ৰাহকৰ বৰঙনি ২৷৷০ আঢ়ৈ টকা কৰিব।

আপোনাৰ চি কে এ

(চন্দ্ৰকুমাৰ আগৰৱালা)

২য় ভাগৰ (বছৰৰ) প্ৰথম সংখ্যা 'জোনাকী' আগৰৱালাৰ "উদগনি" কৱিতাৰেই উদ্বোধন কৰা হয়। তাৰ পিচতো তেখেতৰ কৱিতা ওলায়েই আছিল। এই বছৰত লেখত লবলগীয়া প্ৰবন্ধ আৰু কাচিৎ লেখোঁতা জনচেৰেকৰ নাম এই খিনিতে গুঁজি থোৱা হল ("জোনাকী"খন দুষ্প্ৰাপ্য হোৱা বাবে)।

প্ৰবন্ধ	লেখক :—
১। (ক) অসমত মান (খ) ৰামসৰস্বতী	ৰামদাস বা গোস্বামী ৰত্নেশ্বৰ মহন্ত
২। সোমাৰ ভ্ৰমণ :—	গুণাভিৰাম বৰুৱা
৩। কুপাবৰ বৰুৱাৰ কাকতৰ টোপোলা আৰম্ভ :—১৫৯ খৃঃ	লক্ষ্মীনাথ বেজবৰুৱা
৪। (ক) বসন্ত বিদায় (কৱিতা) (খ) আমাৰ শিল্প	কনকলাল বৰুৱা
৫। অসমীয়া ভাষাৰ আখৰ যোঁটনি	লম্বোদৰ বৰা
৬। (ক) আত্মসংযম (খ) প্ৰকৃতি (কৱিতা)	বেণুধৰ ৰাজখোৱা
৭। (ক) গোলাপ কুঁৱৰী (খ) প্ৰেম (কৱিতা)	আনন্দ চন্দ্ৰ (আগৰৱালা) গুপ্ত
৮। আমাৰ উন্নতি নে অৱনতি ? :—	পানীন্দ্ৰনাথ গগৈ
৯। তিক্ততা :—	পূৰ্ণকান্ত শৰ্মা
১০। শাঁখৰ :—	ৰাধিকাপ্ৰসাদ বৰুৱা

১১। শব্দতত্ত্ব (প্ৰথম ধাৰাবাহিক
প্ৰবন্ধ) :— বিষ্ণুপ্ৰসাদ আগৰৱালা

১২। স্বৰ্গ যাত্ৰা (কবিতা)
("সুপ্ৰসিদ্ধ পণ্ডিতাভিজ্ঞ
পণ্ডিত নাৰায়ণ শৰ্ম্মা
বিদ্যাভূষণৰ স্বৰ্গযাত্ৰা
উপলক্ষে লেখা) :— সোণাৰাম চৌধুৰী

দ্বিতীয় বছৰ 'জোনাকী' চলিল, কিন্তু হেঁকেৰ-পেকেৰকৈ। আগৰৱালাৰ উপদেশ মতে বৰঙনি পাঁচ মাহলৈ কমোৱা হল।

তৃতীয় বছৰৰো গোসাঁয়েই সম্পাদক।

'জোনাকী'ৰ সম্পাদক, তৃতীয় বছৰত

প্ৰথম বছৰ পাৰ হৈ দ্বিতীয় বছৰ সোমাওঁতে আৰু দ্বিতীয় বছৰ পাৰ হৈ তৃতীয় বছৰ সোমাওঁতে "জোনাকী"ৰ ওপৰত ভালকৈয়ে শনিৰ দৃষ্টি পৰিছিল। শনিৰ দৃষ্টি পৰিলে মানুহৰ যি লৈ-লৈ থৈ-থৈ হয়, 'জোনাকী'ৰো সেয়ে হৈছিল। গ্ৰাহকে বৰঙনি নোশোধোৱা হল। ছপাশালত দিব লগীয়া টকা দিব নোৱৰা হল। সময়মতে প্ৰবন্ধও গোট নোখোৱা হল। গোসাঁয়ে হবলা কোনোমতে খাটি-লুটি, অনুনয়-বিনয় কৰি, ধনবিত আনি অলপ-অলপ পলমকৈ হলেও কাকতখনি চলাই আছিল। গোসাঁইৰ কথাৰ মোহনীত পৰি ৰবিনাৰায়ণ বৰাই কিছু টকা দি চেলাপেটি জোক যেন ধৰুৱা ভুটামানৰ মুখ মাৰিলে। তথাপি ধাৰৰপৰা মুক্ত হব পৰা নহল। জোনাকী জীয়াই থকাৰ আশা নোহোৱা হল। চন্দ্ৰকুমাৰ আগৰৱালাই "জোনাকী"" থন আসন্ন মৃত্যুৰপৰা ৰক্ষা পৰক বুলি তামোলবাৰীৰপৰা (ধনৰ টান বোলা শুনিলেই) অযাচিতে ৪০-৫০ টকা পঠিয়াই আছিল।

এইদৰেই, সাতোটা জোৰা মাৰি ধাৰৰ বোজালৈও গণিতা নকৰি হেম গোসাঁয়ে তৃতীয় ভাগ "জোনাকী" চলালে।

"জোনাকী" উলিয়াওঁতে যো-জা কৰোতেই গোসাঁয়ে পুৰাৰ অৰ্থত "জোনাকী"

"জোনাকী"ৰ ধ্ৰুৱতৰা তিন্‌টি

চন্দ্ৰকুমাৰ আগৰৱালা
"জোনাকী"ৰ জন্মদাতা

হেমচন্দ্ৰ গোস্বামী
"জোনাকী"ৰ জীৱদ্ধৰী নণি



লক্ষ্মীনাথ বেজবৰুৱা
"জোনাকী"ৰ সৰ্ব্বস্ব

নামেৰে কবিতা এটি লেখি থৈছিল। তৃতীয় বছৰৰ প্ৰথম সংখ্যাত সেই কবিতাটিৰেই বাইজক ওলগ জনায় আৰু সম্পাদকীয়ত বৰ মিনতিৰে জনায় :—

"আজি 'জোনাকী'ৰ বয়স দুবছৰ পূৰ হৈ তৃতীয় বছৰত সোমাল। এই বয়স অনুসৰি "জোনাকী" ভাওৰ-দীঘল, শকত-আৱত হৈছেনে নাই, পয়া লাগি ঠিহিবা যাবি আছে গ্ৰাহক-পালক-পোষকসকলেহে কব পাৰে। আমাৰ মনেৰে টিপচী 'জোনাকী'য়ে গকণ্ডৰ উৰাও যাবিবলৈ চেষ্টা নকৰি নিজ শক্তি চাই টিপচীৰ উধাও হে নিয়মমতে যাবি আছে।" "জোনাকী"ৰ গ্ৰাহক, লেখক, পাঠক আৰু কুশলাকাঙ্খী সকলে জোনাকীক ভাত-ৰাপোৰ, স্নেহ আৰু অনুগ্ৰহ আদিৰে সাহায্য কৰা বাবে আমি অন্তৰেৰেপৈতে, তেওঁবিলাকৰ শলাগ লৈছোঁ। আৰু তেওঁবিলাকৰ ওচৰত আমি এই গোহাৰি কৰোঁ যে তেওঁবিলাকে যেন এইদৰে আগলৈকো "জোনাকীক সহায় কৰিব।"

সম্পাদকৰ নিজা কবিতা "জোনাকী" (যিটোৰ নাম পাচত "পূবা" কৰা হল), চন্দ্ৰকুমাৰৰ "সুখগীত", লম্বোদৰ বৰাৰ "আখৰ যৌটনি", ৰজনী বৰদলৈৰ "ৰক্তাহাৰী পাদপ", ৰামদাস গোস্বামীৰ "আমাৰ উন্নতিৰ"-প্ৰতিবাদ), লক্ষ্মীনাথ বেজবৰুৱাৰ "পদ্মকুমাৰী" উপন্যাস (পাচত ইয়া কৈ "পদুম কুঁৱৰী কৰা হল) আৰু গোস্বামীদেৱৰ সেই মৌলিক প্ৰবন্ধ "অসমীয়া ভাষা"—এইবিলাকেই আছিল তৃতীয় বছৰৰ ১ম সংখ্যাৰ মূল্যবান প্ৰবন্ধ।

এই ভাগতে প্ৰকাশিত হোৱা ঐতিহাসিক প্ৰবন্ধ গোটাদিয়েকৰ নামো উল্লেখ কৰিব লগীয়া :—

প্ৰবন্ধ	লেখক
১। মোৱামৰীয়া বিদ্ৰোহ	ৰত্নেশ্বৰ মহন্ত।
২। তুলাৰাম সেনাপতি	
৩। লাজি গদাপাণি আৰু জয়মতী কুঁৱৰী	

বুৰঞ্জীৰ উপকৰণ লৈ সমালোচনামূলক প্ৰবন্ধ লেখাৰ আহিঁ দেখুৱায় বয়ে খৰ মহন্তই। তেওঁৰেই সতী জয়মতীৰ কৰুণ কাহিনীটোও পোন প্ৰথমেই ৰাইজৰ আগত দাঙি ধৰে। ইয়াৰ পাচতহে 'জয়মতীৰ আখ্যানটি নানা ৰূপত বিস্তাৰিত হয়।

অসমীয়া ভাষাৰ প্ৰথম চনেট কবিতা "প্ৰিয়তমাৰ চিঠি"ও এই তৃতীয় ভাগতেই প্ৰথম ওলায়।

কনকলাল বৰুৱাৰ "ব্ৰহ্মপুত্ৰ"—এই বছৰ 'জোনাকী'ৰে এটি আপুকগীয়া কবিতা। কবিতাটিৰ শেষৰ চৰণ দুফাঁকিত আছিল,

"তোমাৰ নিচিনা যেন লক্ষ্য স্থিৰ কৰি
চলি যাওঁ সেই পথে মহামন্ত্ৰ স্মৰি",

এই দিফাঁকি পঢ়ি হেমচন্দ্ৰ বৰুৱা অসমীয়া ভাষাৰ ওজাদেৱে কৈছিল,

"এই কবি পোৱালিটি আগলৈ উজ্জল ৰত্ন হ'ব,"

সমালোচনা বা পুথিৰ গুনাগুণ বিচাৰ:

["জোনাকী" চহীৰে এই সমালোচনাটি আনন্দচন্দ্ৰ আগৰৱালা দেৱৰ হতুৱাই লেখাইছিল]

বিজুলী:—আজি আমি বৰুত মজিছোঁ যে দুখুনী আসাম আইৰ সেৱা-শুশ্ৰূষা প্ৰতিপাল কৰিবলৈ, আলপৈচান ধৰিবলৈ আমি আমাৰ লগৰীয়ানী এজনী পালোঁ। 'তৰা' বাইদেওৰ অকাল মৃত্যুত আমি চকুৰ লোৰেৰে বাট নেদেখা হৈ আছিলোঁ, এনে সময়ত আমাৰ চিকুণী ভনী বিজুলীৰ জন্ম। আহাঁ, আইটী, আইৰ দুখ বোটলোঁ। তোমাৰ গাৰ ঠায়ে-ঠায়ে অলপ দোষ আছে। তাৰে মাজে মাজে গোটা চেৰেক দেখুৱাওঁ:—

(১) আখৰ-যোটনি:—

তুমি ৰ আৰু য় ব্যৱহাৰ কৰোতে ভুল কৰা। "সকলোয়ে", 'বাপুয়ে', 'ছোৱালী' আদি নেলেখি সকলোৰে, বাপুৰে, ছোৱালীয়ে লেখিলে হে শুদ্ধ হয়।

(২) কৰ্ত্তাকাৰক অকাৰ বা আকাৰান্ত হলে তাৰ পাচত য় নহয়, ই হে হয়। সেই দেখি "পকৱাই পাই বাটকৱাই বাট হেৰুৱায়"—এইদৰে লেখিলে হে শুদ্ধ হব।

আঁথৰৰ উত্তৰ দিওঁতাবিলাকৰ ভিতৰত এইবিলাকৰ নাম পোৱা যায়:—
মহম্মদ চোলেমান খাঁ, চন্দ্ৰধৰ বৰুৱা, জ্ঞানদাভিৰাম বৰুৱা, ইন্দ্ৰেশ্বৰ শৰ্ম্মা বৰুৱা, দয়াল চন্দ্ৰ বৰুৱা, চইফুদ্দিন আহমদ, কৃষ্ণকান্ত গোস্বামী, লক্ষেশ্বৰ শৰ্ম্মা। (শেহৰ দুজনে আঁথৰ দিছিল ও)

আনন্দচন্দ্ৰ আগৰৱালাই ইংৰাজীৰপৰা ভাঙি গুৱনা-সৰহি কবিতা লেখি "ভাৰনী কোৰঁৰ" নাম, নেপালেহেঁতেন যদি তৃতীয় ভাগ জোনাকীৰ সম্পাদক হেমচন্দ্ৰ গোস্বামীয়ে ৰবকৈ ধৰিমেলি লেখাই ভাবে গোটাদিয়েক প্ৰকাশ নকৰিলেহেঁতেন।

আগৰৱালাই স্কুলীয়া ছাত্ৰ হৈ থাকোঁতেই তেজপুৰত বাদ্ধি অন্য কবিতাৰ ঢোপাকলি ছুটামানে পোনপ্ৰথমেই পাহি মেলে গোস্বামী সম্পাদিত "জোনাকী"তেই। ৰত্নেশ্বৰ মহন্তৰ নতুন ভঙ্গীৰে লেখা বুৰঞ্জীমূলক প্ৰবন্ধকেইটাও গোসাঁই সম্পাদক হোৱা বাবে ওলাল।

"জোনাকীৰ" তৃতীয় বছৰটো সম্পূৰ্ণ কৰি গোস্বামী ঘৰলৈ আহিল। চতুৰ্থ বছৰৰ সম্পাদক হল লক্ষ্মীনাথ বেজবৰুৱা। ২য়-৩য় বছৰতে শনিৰ যি দৃষ্টি পৰিছিল সি আৰু উপশম নহল, "জোনাকী"ৰ কঁকাল ভাঙি হে এৰিলে। তথাপি বেজ-বৰুৱাই হেঁপোৰ-টেঁপোৰকৈ চতুৰ্থ বছৰটো প্ৰকাশ কৰিলে। পঞ্চম বছৰত 'জোনাকী' বন্ধ হৈ গল। ষষ্ঠ বছৰত হে আকৌ জীপ পাই বছৰদিয়েক চলিল। তাৰ পিছত কলিকতীয়া 'জোনাকী' মৰিয়েই থাকিল। গোসাঁয়েই গুৱাহাটীৰ-পৰা, বেজবৰুৱাক সম্পাদক পাতি নকৈ উলিয়াব খুজিছিল। কিন্তু বেজ-বৰুৱা মান্তি নহল। সত্যনাথ বৰা ডাঙৰীয়াই সম্পাদকৰ ভাৰটো মূৰ পাতি লৈ যেনিবা দুবছৰমান চলালে। তাৰ পিছত আৰু 'জোনাকী' এবাৰেই নিষ্প্ৰভ হল।

দ্বিতীয় বছৰতে হেমচন্দ্ৰই "জোনাকী" চলাবলৈ খামোচ মাৰি নধৰা হলে, চন্দ্ৰকুমাৰ আগৰৱালাদেৰ অহাৰ পিচতেই 'জোনাকী'ৰ চকু চিৰকাললৈ মুদ খালেহেঁতেন; পচিমীয়া আদৰ্শৰ পোহৰ বিলাবলৈও লাগ'নি খৰি এভাল নোহোৱা হলহেঁতেন। আটাইতকৈ ডাঙৰ কথা, 'জোনাকী'খন চিপ্ লৈ তেতিয়াই মৰি থকা হলে প্ৰাচ্য-প্ৰতীচ্যৰ জ্ঞানৰাশি বুটলি আনি আমাৰ চাকত পেলাই অসমীয়া ভাষা-সাহিত্যৰ কুমাৰণী বাহ বান্ধিব পৰা নহলহেঁতেন। হেমচন্দ্ৰ গোস্বামীয়ে হে 'জোনাকী'ক মৃত্যু মুখৰপৰা উদ্ধাৰ কৰিলে।

"জোনাকী"হস্তে গোসাঁয়ে "ওঁঠ কাটি ওঁঠ বডা কৰি"হে খোৱা-পিন্ধাৰ খৰচ চলাইছিল। কোনো কোনো সময়ত লঘোনেও থাকিবলগীয়া হৈছিল। দূৰৈত থাকি চন্দ্ৰকুমাৰে যেনেকৈ "জোনাকী"ৰ বাবে চকুপানী টুকিছিল, লক্ষ্মীনাথ যেনেকৈ ভেওপাৰি মৰিছিল, হেমচন্দ্ৰও তেনেকৈ অকলে অকলে বিব্ৰত হৈ ফুৰিছিল। কিন্তু ফলাফল ফলদাতা বিষ্ণুৰ হাতত সৰ্ব্বস্ব গতাই

কি বুকুত সাহবান্ধি 'জোনাকী'ক জীয়াই ৰাখিবলৈ প্ৰকৃত কৰ্মক্ষেত্ৰত প্ৰবৃত্ত হৈছিল।

যি সময়ত গ্ৰেজুৱেট হোৱাটোৱেই উচ্চ শিক্ষিত ডেকাৰ একমাত্ৰ হাবিয়াস, সেই হেন 'গ্ৰেজুৱেট' হবা বি-এ পৰীক্ষাটো ওৰে চাপিছেহি এনে সময়ত পঢ়া শুনা কৰি কেনেকৈ কৃতকাৰ্য্য লাভ কৰিব পাৰি তালৈ তেওঁৰ ভ্ৰূক্ষেপ নাই; 'জোনাকী'খন কেনেকৈ চলাওঁ, কেনেকৈ ইয়াক প্ৰবন্ধপাতিৰে চকুত লগা কৰোঁ, কেনেকৈ পাৰে-ভূঞে ইয়াৰ পোহৰ বিলাওঁ, কেনেকৈ সহযোগী "বিজুলী"ৰ লগত কেৰ মাৰোঁ, কেনেকৈ শুভাভিৰাম হৰুৱাৰ নিচিনা সুপ্ৰতিষ্ঠ সাহিত্যিকসকলৰ সম্প্ৰীতি-সহযোগ "জোনাকী"ৰ কালে টানি আনিব পাৰোঁ, কেনেকৈ দূৰ-দুৰণিত থকা বন্ধু-বান্ধৱৰ সহায়-সাৰথি লাভ কৰোঁ, কেনেকৈ ভাষাৰ বিশুদ্ধতা ৰক্ষা কৰি 'জোনাকী'খন সৰ্ব্বাঙ্গসুন্দৰ কৰোঁ; কেনেকৈ "জোনাকী"ৰ জীৱন জীঘলীয়া কৰি অসমীয়া সাহিত্য-বুৰঞ্জীত নিকপকপীয়া গোঁজ এডাল মাৰি থৈ যাব পাৰোঁ, সাগ্ৰাম দিন ইয়াৰে হে কেৱল চিন্তা। "জোনাকী" পৰিচৰ্য্যাত এনেকৈ দেহা মাৰি কৰা মানসিক চিন্তা আৰু শাৰীৰিক পৰিশ্ৰমৰ গুণত "জোনাকী" জীয়াই থাকিল, গ্ৰেজুৱেট হোৱাৰ ইপ্সিত বাসনা কিন্তু মৰি থাকিল। শুভাভিৰামৰ ভৱিষ্যৎবাণী হাতে-হাতে ফলিয়ালে—হেমচন্দ্ৰ গ্ৰেজুৱেট হোৱাটো ঈশ্বৰৰ অভিপ্ৰেত নহয়,—সাহিত্য-সেৱাত আত্মনিয়োগ কৰাটো হে তেওঁৰ একমাত্ৰ কাম্য।

গোসাঁয়ে "গ্ৰেজুৱেট" হোৱাটো অনিত্য বস্তু বুলি ভাবি সেই লিপ্সা পৰিহাৰ কৰিলে; কৰি, নিত্য বস্তু সাহিত্যৰ সাধনা কৰিব পৰা মাধ্যম 'জোনাকী'খন জীয়াই ৰাখিলে। এইবাবেই হেমচন্দ্ৰ গোস্বামী "জোনাকী"ৰ জীয়ন্তী মণি। গোস্বামীয়েই যে "জোনাকী"ৰ জীয়ন্তী মণি আছিল আগৰৱালা-বেজবৰুৱা আৰু মহন্তৰ তলত দিয়া টিকেইখনেই কব:—

(১)

চন্দ্ৰকুমাৰ আগৰৱালাৰ অসমীয়া চিঠি

ভামোলবাৰী

লাহোৱাল

১০।১১।১৮৭১

গোসাঁই,

আপোনাৰ চিঠিখনি পাই পঢ়োতে মোৰ গাৰ নোম শিয়ঁৰি গৈছিল, পঢ়ি এটালত ছুটুপি চকুপানী বৈ গ'ল। আপুনি মোক বন্দুৱাইহে এৰিলে। আৰু এবাৰ ভাঠ মনেৰে পঢ়িলোঁ, কিন্তু কি কথা জানো, আপোনাৰেই নে চিঠিখনৰেই গুণ, আকৌ গাৰ নোম ভাল-ভাল হ'ল। কি হল মোৰ, কবই নোৱাৰিছিলোঁ। গোসাঁই, বহুতদিন মোৰ চকুপানী ওলোৱা নাছিল। আমাৰ আইটীৰ মৃত্যুৰ পাচত আকৌ এইবাৰ আপুনি কন্দুৱালে। মোৰ মনটো বহুত দিনৰপৰা সেমেকা পৰি আছিল। গোসাঁই, আপুনি এনে নেভাবিব আপোনাসকলক মই পাহৰিলোঁ।

বেজ্ঞবৰুৱাই আপুনিয়ে কিমান দ-ত ঠাই লৈছেহি কেনেকৈ কম? মই বহুত দিন দুই জনলৈ মনত পৰি পৰি চিঠি লেখিবলৈ বহোঁ। ছুশাৰী লেখি ভাল নহ'ল, আখৰ কেনেবা হ'ল বুলি আকৌ ডোখৰ-ডোখৰকৈ ফালি পেলাওঁ—জানো মোৰ কি মন, আপোনাসকলক ভাল বস্তু এটা দিব নোৱাৰিলোঁ বুলি, ভাল চিঠি এখনি নেলেখিলে, ভাল আখৰ নহলে, মই ধৰফৰাই থাকোঁ। মনে মনে প্ৰতিজ্ঞা কৰোঁ, কাইলৈ নিশ্চয় লেখিম—কিন্তু সি কালি আৰু নহাই হয়। এইদৰেই হে মোৰ দোষ হৈছে। এখন লেখি দিলেই হব বুলি ভবা হলে ইমান দিনে ওপৰাউপৰিকৈ চিঠিৰ পৰ্ব্বত নহলহেতেন। মই বৰ দুৰ্ব্বল প্ৰাণী। আপোনাসকলৰ লগত থাকিও, নিজক আৰু শুধৰাব নোৱাৰিলোঁ। মই মাজে মাজে এইবিলাক কথা ভাবোঁ। গোসাঁই মই যে নিচেই দুৰ্ব্বল, এই কথা সদায় মোৰ মনত পৰি থাকে। মোৰ দ্বাৰাই সংসাৰৰ একো নহব। মই আন কিবা কাৰ্য্যৰ নিমিত্তে হে!

আন কাৰ্য্য বা কি? মিছা, মোৰ এইটো দুৰ্ব্বলতাৰহে চিন। গোসাঁই মই নিজেই কান্দি পেলালোঁ। সেয়েহে আপোনাৰ চিঠি আৰু মেলি নেচালোঁ। কিন্তু নেচালোঁ বুলি এই চিঠিখন মোৰ মূল্যৱান সম্পত্তি বুলি সাঁচিম। আজি এই চিঠি আকৌ পঢ়িলোঁ—আগলৈ মাজে মাজে পঢ়ি থাকিম বুলি থৈছোঁ। ইংৰাজীত লেখা হোৱা হলে কিজানি এই চিঠিয়ে ইমান কথা কব নোৱাৰিলেহেঁতেন, মন-লৈ নগলহেঁতেন। আপুনি মোক নতুন জনম দিবলৈকেহে এই চিঠিখন লেখিছিল, নিশ্চয়। আপোনাক কি বুলি ভাবিম—নিশ্চয় আপুনি কোনোবা গোসাঁই—মোৰ উপকাৰৰ নিমিত্তে ভাও ধৰিছেহি। এই অধম দুৰ্ব্বল প্ৰাণীক দয়া কৰিছে। গোসাঁই, আজি মোৰ মন কেনে কৰিছে, মইহে জানিছোঁ। আপোনাক কেনেকৈ জনাম? আপোনাৰ চিঠিৰ উত্তৰ হলনে নহল কব নোৱাৰোঁ। চিঠি আৰু খুলি চাবৰ মন নাই, আজিলৈ থক। আৰু নো কি লেখিম? মই ঠিক কৰিবই পৰা নাই।

অ', গোসাঁই আপোনাসকলৰ "জোনাকী"লৈ ৩৫৲ টকা পঠালোঁ। "জোনাকী"ক নেমাৰিব। কাণ-মন দিব দেই।

আপোনাৰ
মাজিউ।

---

* সেইকালত ইংৰাজী জনা সকলোৱেই ইংৰাজীৰেহে চিঠি-পত্ৰ লেখিছিল—অসমীয়াৰে নেলেখিছিলেই। আগৰৱালাৰ কবিপ্ৰাণৰ চিনাকি দিয়া এইখনি আবেগত লেখা অসমীয়া ভাষাৰ চিঠি—এই বুলিও ইয়াৰ আদৰ আছে। ব, শ।

লক্ষ্মীনাথ বেজবৰুৱাৰ চিঠি

[বি-এ পৰীক্ষা দি হেম গোসাঁই ঘৰলৈ একেবাৰে আহিবলগীয়া হোৱাত, চতুৰ্থ ভাগ 'জোনাকী' চলোৱাৰ ভাৰ ললে। আগতকৈও, 'জোনাকী'ৰ হাঁ হাঁ-কা-কা বেছি হ'ল। গোসাঁই নায়েই—প্ৰবন্ধ বাছে কোনে? আহি-কাকত চায় কোনে? প্ৰবন্ধ নহলেও, নতুনকৈ এটা নিজে লেখি বা আনক খুজিনো আনে কোনে? অশুদ্ধ ৰচনা শুদ্ধ কৰি খেঁাচনা মাৰে কোনে? কাগজৰ দোকানীৰ লেঠা মৰা হয় ক'ৰ পৰা? দাম ৰবঙণিনো গোটাব কোনে?
যিবিলাক স্থায়ী লেখক-গ্ৰাহক-অনুগ্ৰাহক-পোষক সেই এটাইবিলাকেই প্ৰবসুৱা ঠাই কলিকতা এৰি ঘৰ পালেগৈ। বেজবৰুৱা বৰ বিমোৰত পৰিল। তথাপি তেখেতে দেৱনীয়া "জোনাকী"ৰ খুটিটো ৰাখিবলৈ গাত পাতি ললে। কিন্তু, ভুতৰত পৰি তেখেতেও চোৱাজী দিছিল। তৎ নেপাই ডেও পাৰি আছিল। জোনাকীৰ বাবে তেখেত খং বেজাৰত কেনেকৈ জৰ্জ্জৰিত হৈছিল সমব্যথী গোসাঁইক এইদৰে জনাইছিল।]

"১৮, শোভাৰাম বসাক লেন
২১, ৪ ১৮৯৪

Dear Gossein, (মৰমৰ গোসাঁই),

তোমাৰ 'জোনাকী' দেখোন জঠৰ হ'ল। কণক (কণক লাল বৰুৱা), হাৰিকা (হাৰিবেশ্বৰ শৰ্ম্মা), ৰজনী (ৰজনী নাথ বৰুৱা) ঘৰলৈ গলগৈ। তোমালোকে টকা নপঠিয়ালে অকণমান বস্তুটি (জোনাকী) মৰি থাকিব। আজীৱন সভ্য সকলেও ৰবঙণি নিদিয়া হল। What to say of callous & stupid subscribers, (কাঠচিতীয়া অগিয়ান গ্ৰাহকবোৰৰ কথানো কি ক'ম)। অধৰ বাবুক ৪০৲ টকা

* গোটেইখন চিঠি ইংৰাজীবে লেখা। ওপৰ জোৱা অসমীয়া কৰি পাচৰ জোৱাৰ ইংৰাজীখিনি ৰখা হল—বেজবৰুৱাৰ (কৃপাবৰী ইংৰাজী) খণ্ডৰ তমক চাবলৈ। ৰ, শ

দিব লাগে, অলপমান নেপালে তেওঁ আৰু নহপাওঁ বুলিছে। তুমি যোৱাৰ পিছত আমি আৰু তেওঁক এ-টা পইচাও দিব পৰা নাই। আন কি, কাগজৰ দাম ৮৲ ছটকা, তাকে দিব পৰা নাই। কাকত-খন মৰিব বুলি ভাবিলেই শোকে খুন্দা মাৰি ধৰে "You are indi-fferent. Jaigneswar silent. Chandra Kumar blind folded. Mahanta callous. Kanak exhausted. Ananda dormant. Bezbaroa soporific drawn to the last farthing. Subscribers stingy and adventitious, wicked and cheats. How do the Jonaki subsist ?

"তুমি আওৰণীয়া যজ্ঞেশ্বৰ নেওগ নিমাত, চন্দ্ৰকুমাৰ আগৰ-ৱালা কুকুৰীৰণা; ৰত্নেশ্বৰ মহন্ত কাঠচিতীয়া, কনকলাল বৰুৱা ধৰা-শায়ী; আনন্দচন্দ্ৰ আগৰৱালা নিসাৰসাৰ, লক্ষ্মীনাথ বেজবৰুৱা ওৰখোৰ টোপনিত, গ্ৰাহক কটবিন্, পৰৰ মূৰত খোৱা, দগাবাজ আৰু ফাঁকিবাজ 'জোনাকী' জীয়ে কেনেকৈ ?

খুজিমাগি হলেও, থোজনীয়া মইনা, "জোনাকী"খন জীয়াই ৰাখোঁ। অসমীয়া ভাষাৰ মান ৰাখোঁ। তোমাৰ পৰীক্ষাৰ খবৰ শুনোৱা নাই।"

১৮৯৯—১৯০০ চনত কলিকতাৰ পৰা "জোনাকী" প্ৰকাশ একেবাৰে বন্ধ হল। হেম গোসাঁয়ো, ইতিমধ্যে, জাতিতত্ত্ব বিভাগৰ সহকাৰী বিষয়া হলহি (এচিষ্টেণ্ট টু দি এথন'গ্ৰেফী)। জোনাকীলৈ তেখেতৰ যিটো মৰম আছিল, সেই মৰম তেতিয়াও উমায়েই আছিল। আকৌ গুৱাহাটীৰপৰাই উলিয়াবলৈ স্থিৰ কৰি বেজবৰুৱাক সম্পাদক হবলৈ অনুৰোধ কৰিলে। বেজবৰুৱাই অসমৰ্থতা জনাই গোসাঁইলৈ যি চিঠি দিছিল, সিও প্ৰণিধানযোগ্য। হেম গোসাঁই যে "জোনাকী"ৰ জীৱৰক্ষী মণি আছিল, এই চিঠিয়ে তাকো প্ৰমাণ কৰে।

* "জোনাকী"ৰ লগত ইমান ইষ্টাত্তিক সম্বন্ধ থকা সত্বেও, 'মাজিও" বেজে'হে যেন জোনাকী'খন চলালে, এনেটো বুজাবলৈ গৈ গোসাঁইক একেবাৰে পৰিহাৰেই কৰিলে—"জীৱনী সংগ্ৰহ", "লক্ষ্মীনাথ বেজবৰুৱা" জীৱনী—মাধব চন্দ্ৰ বেজবৰুৱা। ২য় সংস্কৰণ: প্ৰকাশিত—সম্পাদিত, অসম প্ৰকাশন বৰ্ড, গুৱাহাটী।

(৩)
লক্ষ্মীনাথ বেজবৰুৱাৰ চিঠি

"৩৮ ভবচন বাঁড
হাওড়া
৫।১০।১৯০১

মৰমৰ গোসাঁই,

আমাৰ মৰমৰ "জোনাকী"ক আকৌ জনম দিবলৈ ওলাইছা বুলি শুনি বং পালোঁ। শান্তিৰে শুই থকা সেই নিঃকিন আত্মাটিক কিয় আঁজোৰা? নতুন নাম দি নতুন এখন উলিয়াব নোৱাৰি নে? ন নামেৰে হলে মই ভাল পাওঁ। অৱশ্যে, তোমালোকে ভাল বুলিলে মোৰ কবলৈ একো নাই। সেই বুলি, মই এঃকোপধ্যেই সম্পাদক হব নোৱাৰোঁ। আজিকালি সাহিত্যচৰ্চাৰ অভ্যাসে মোক লগ-এৰা দিলে। বুইচা গোসাঁই, আজিকালি সাহিত্যিক বোলাবলৈ "বেজ"ৰ আজৰিয়েই নাই—"বেজ" এতিয়া শবদত মৌ-পিয়া মাথোন। এল্‌ এন্‌ বি।

(৪)
ৰত্নেশ্বৰ মহন্তৰ চিঠি

নগাওঁ
১৩ অক্টোবৰ, ১৮৯০ চন
গধূলি ৭॥ বজাত
শোৱাপাটীত বহি।

মৰমৰ হেম বাবু,

"আপুনি অসমীয়া ভাষাৰ বিষয়ে ৰচনা লেখিছে বুলি শুনি সন্তোষ পালোঁ। শুনলোঁ হে, পঢ়িবলৈ নৌ-পাওঁ এখোন। পঢ়িবলৈ পালে আমাৰ মতামত কেনেকুৱা হব পাৰে, কব পৰা নাই। আপোনাসকলৰ ক্লাবলৈ (অ, ভা, উ, সা-সভাৰ) মই ইংৰাজীৰে যিখন ৰচনা লেখি পঠিয়াইছিলোঁ, সেইখনৰেসৈতে আপোনাৰ মত মিলিব নে?

অসমীয়া সাহিত্যৰ পৰমাচাৰ্য্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী

আমাৰ ছাত্ৰবৃত্তি ইস্কুলবোৰত (এম, ভি,) বঙলাৰ সলনি অসমীয়া ভাষা চলাব লাগে বুলি মুন্সী মুহিবুদ্দিন আহমদ বি, এলএৰে গোটখাই এখন আবেদন পত্ৰ তৈয়াৰ কৰিছে। আপোনাসকলেও তেনেকুৱাকৈ এখন লেখি শিক্ষা বিভাগৰ ডাইৰেকটৰলৈ পঠিয়াওক। বাবু ঘনশ্যাম বৰুৱা (বি, এল, গোলাঘাট), লম্বোদৰ বৰা (বি, এল, তেজপুৰ) লৈও লেখিছে। এইদৰে লেখালেখি কৰি সজাগ হৈ নথাকিলে আমাৰ ভাষাৰ একো উন্নতি কৰিব পৰা নহব। আমাৰ এই ফেৰা মহৎ উদ্দেশ্য সিদ্ধি কৰিবলৈ প্ৰত্যেকজন মাতৃ-ভাষাহিতৈষীয়েই উঠি পৰি লগা উচিত। বাবু গুণাভিৰাম বৰুৱাই……

আপোনাসকলে কি নাটৰ থিয়েটৰ কৰিলে? আৰু আপুনিয়েই বাঁকি ভাও লৈছিল, একোকে নেলেখিলে দেখোন? মিষ্টৰ চন্দ্ৰকুমাৰ গুপ্তলৈ (আগৰৱালালৈ) লেখিছিলোঁ, উত্তৰ নেপালেঁা। আপোনাতকৈ তেখেত এলেহুৱা। **তেখেতে 'জোনাকী'ৰ লগত সম্পৰ্ক ছিঙিলেনে কি?**

"চকাৰী আমোলাৰ বাহিৰে আনে নজনা আসামৰ ডাঙৰ মানুহ এজনৰ চমু জীৱনী এটি তেখেতলৈ পঠাইছিলোঁ। সেইটি হৈছে তুলাৰাম সেনাপতিৰ। এওঁ চুমাহমান আসামৰ এছোৱা ঠাইত স্বাধীনভাৱে ৰাজত্ব কৰিছিল। শেষত সেই ছোৱাও বৃটিছ সাম্ৰাজ্যৰ অন্তৰ্গত হল। সেই জীৱনীটিৰ কথাবতৰাবোৰ বৰ যত্ন কৰি গোটোৱা আৰু "জোনাকী"ত ছপাবলৈ পঠোৱাবো প্ৰায় এবছৰ হল। তথাপি প্ৰকাশ হোৱা নাই। মিঃ গুপ্তলৈ ইয়াৰ কথা লেখি-লেখি হাইৰাণ হলোঁ। এই প্ৰবন্ধৰ পাচতে "ৰামসৰস্বতী'ৰ ২য় ছোৱা পঠিয়াইছিলোঁ। মিঃ গুপ্তই ভাল বুলি শলাগিলে হে, আজিলৈকে কিন্তু এটিও নোলাল! আপুনি খবৰ কৰি প্ৰবন্ধকিটা ছপাব নোৱাৰিব নে? "তেজীমলা" (চন্দ্ৰ কুমাৰৰ), "গোলাপ কুৱঁৰী" (আনন্দচন্দ্ৰ আগৰৱালাৰ) কবিতাতকৈ এইবিলাক প্ৰবন্ধ অনেক মূল্যবান। সেইবোৰত, না ভাষা, না ছন্দ, না যতি, না মাত্ৰা, না ভাবৰ সোঁত একোটোৱেই নাই। "জোনাকীৰ

বিচিনা উচ্চ শ্ৰেণীৰ কাকতত অবাইচ-উছং মাতেৰে তৰা তেনেকুৱা কবিতাই ঠাই পোৱা অনুচিত ....এনে বিজ্ঞ মত-অকল মোৰেই নহয়, নগাওঁৰ ভালেমান ভদ্ৰলোকেও কোৱা শুনিছোঁ। "নতুন সম্পাদকৰ হাতত পৰিলে 'জোনাকীৰ' গাত এনেবোৰ ছেকা নেথাকিব বুলি বিশ্বাস কৰোঁ।"

"ইয়াৰ লগতে "মোৱামৰীয়া বিদ্ৰোহ" নাম দি দীঘল প্ৰবন্ধ এটা পঠিয়ালোঁ। ছোৱা-ছেৱাকৈ 'জোনাকী'ত প্ৰকাশ কৰিব বুলি আশা কৰিলোঁ। এই প্ৰবন্ধটো যুগুত কৰোঁতে, কিমান কষ্ট কৰিবলগীয়া হৈছিল আপুনি দুপাতমান পঢ়িলেই গম পাব।"

"মাজে মাজে ভালেমান অগ'-পিছা হৈছে, ভাবাও আপচু হৈছে। আপুনি পঢ়ি পোনাই-পজৰাই দিব। মোৰ "মানৰ দিন" বোলা প্ৰবন্ধটো আপোনাসকলে পঢ়ি ভাল পাইছে বুলি শুনি বং পালোঁ। "তৃতীয় আক্ৰমণ ছোৱা" বৰ দীঘল হব। একে সংখ্যাতে উলিয়াব পাৰিলে ভাল হয়। এতিয়া আহোম-ৰাজত্বৰ বিষয়ে লেখিবলৈ লৈছোঁ। বহুতে আহোম-ৰজাৰ দুৰ্ণাম ৰটে আৰু তেওঁবিলাকৰ-শাসন বেয়া বুলি কয়। আহোমৰ শাসন কেতিয়াও বেয়া নাছিল। তাৰ পাচত এটা বুৰঞ্জীমূলক প্ৰবন্ধ লেখোঁ বুলি মনতে পাঙিছোঁ আৰু তাৰ আহিলাপাতিও গোটাইছোঁ। সেইটো হৈছে—"অসমীয়া মছলমানৰ ইতিহাস।" মাধৱদেৱৰ বিষয়ে ক'ত কি পোৱা যায় সকলো তথ্য পাতি মোক গোটাবলৈ কৈছে হয়, আমাৰ মানুহে ধৰ্মপুথিবিলাক ধেৰাঁচাঙত ধোৱাঁই খাবলৈকে ভাল পায়, লোকৰ হাতলৈ এৰিকে দিব নোখোজে, পাৰোঁমানে বাক চেষ্টা কৰি চাম। দক্ষিণপাট সত্ৰ প্ৰতিষ্ঠা কৰোঁতা (?) দামোদৰ দেৱৰ জীৱনী লেখিবলৈ লৈছোঁ। এইখন প্ৰকাশ হলে, মহাপুৰুষীয়া—দামোদৰীয়া ভিন্ন ভাব নেথাকিব।

"জোনাকীৰ বৰঙণি বাবদ ১'. (১.৫০) পঠিয়ালোঁ। এই টকা আপোনাৰ বন্ধু মিঃ মামুদে দিছে। তেওঁলৈ কাকত পঠিয়াব। মাণিক

বাবু (খাউণ্ড), লোকনাথ খাউণ্ড প্ৰভৃতি ভালেমানে "জোনাকী" পোৱা নাই। তহঁতৈ লেখিছিলেঁ।—উমানেই নাই। মণ্ডল, কানুনগু, চুপাৰ-ভাইজিং কানুনগু, সকলোৱে আপত্তি—কাগজ পোৱা নাই। তলৰ নাম দিয়া কিজনলৈ কাগজ পঠিয়াব, তেওঁবিলাক গ্ৰাহক হৈছে:— (১) যজ্ঞৰাম শৰ্ম্মা, ৰেভিনিউ অফিছ, নগাওঁ। (২) খিৰমন ৰবা, চলচলীৰ মৌজাদাৰ। (৩) ভোলানাথ গোস্বামী, তেৰতেৰী স্কুল।

আপোনাৰ বিশ্বাসী বন্ধু
শ্ৰীৰত্নেশ্বৰ মহন্ত"

ৰতন গোসাঁইক চিনা ৰতন

চাৰ ই এ গেইট

(অসমৰ বুৰঞ্জী প্ৰণেতা)

ই এ গেইটৰ শোক-প্ৰকাশ

(ডঃ সূৰ্য্যকুমাৰ ভূঞাৰ যোগেদি)

30/5/28

Dear Sir

I was saddened to hear from you of the death of Srijut Hem Chandra Goswami. It is over 30 years since I last saw him. He was then quite a young man, but already took much interest in Assamese history & literature. He helped me a good deal in hunting up references to ancient Kamarupa in the Purans, Tantras etc. He also,

(Cont'd next page)

as you have already noted Col-
laborated with Col Gurdon in
Editing Hem Chandra Barua's
Assamese Dictionary.
His death will be a great loss
to his country.
Please convey my condo-
lences to his family

Yours truly

E A Gait

গেইটৰ বুৰঞ্জী-সমলীয়া

১৯০৫ চনত (চাৰ) এডোৱাৰ্ড গেইটৰ অসম বুৰঞ্জীখন ছপা হৈ ওলায়। তাৰ আগলৈকে, এনেকুৱা বিস্তৃত ধাৰাবাহিক বুৰঞ্জী আন একো এখনেই ওলোৱা নাছিল যিখনক নির্ভৰযোগ্য বুলি অসমীয়া নহলেও মানুহক টোৱাঁই দেখুৱাব পৰা হৈছিল আৰু যিখনৰ দ্বাৰাই উৎসুক বিদেশী ঐতিহাসিক সকলো নথৈ উপকৃত হব পাৰিছিল। অকল সিমানেই নহয়, আমিও আমাৰ স্বতন্ত্ৰতা প্ৰতিপন্ন কৰিবলৈ সেইখনকে প্ৰামাণিক বুৰঞ্জী বুলি আমাক নিয়ন্ত্ৰণ কৰোঁতাসকলৰ আগত দাঙি ধৰিব পাৰিছিলোঁ। বুৰঞ্জীখনৰ আহিলা-পাতি গোটাই, সেইবোৰ যুকিয়াই, সম্পাদন কৰি গ্ৰন্থৰ আকাৰত প্ৰকাশ কৰিবলৈ বাৰ-তেৰ বছৰ লাগিছিল। কোনো কোনো ঠাইত বৌৰঞ্জিক জনৰ মত-অভিমত নির্ব্বিবাদজনক নহয় বুলি কলেও, বুৰঞ্জীখনে যে অসমৰ মানদণ্ড বঢ়াই অসমক ওপৰলৈ তুলিলে, সেই কথা কবই লাগিব। এই কাৰণেই, অসমীয়া মানুহে গেইটক মহামতি বিশেষণেৰে অভিহিত কৰিছিল।

যি বুৰঞ্জী ৰচি গেইট মহামতিমান হব পাৰিলে, সেই বুৰঞ্জীৰ সমলীয়া আছিল হেমচন্দ্ৰ গোস্বামী আৰু সমলবিলাক সংগ্ৰহ কৰা হৈছিল চৰকাৰৰ দ্বাৰাই অসমৰ বুৰঞ্জী তথ্য অনুসন্ধান কৰা সময়ত। বুৰঞ্জী আৰু বুৰঞ্জীমূলক উপকৰণ সংগ্ৰহ কৰোঁতে গেইটে গোস্বামীৰপৰা যে অশেষ সহায় পাইছিল, সেই কথা তেওঁ বুৰঞ্জী অনুসন্ধান কৰা ৰিপৰ্টত ২৩।১।৯৭ তাৰিখে মুক্ত কণ্ঠে স্বীকাৰ কৰি গৈছে। বুৰঞ্জী খনৰবাবে পোৱা সঁজুলিৰ কথাও গেইটে ১৯০৩ চনৰ ২৪ নবেম্বৰ তাৰিখে গোসাঁইলৈ দিয়া চিঠিৰে জনাইছিল।

> "দীঘলীয়া ছুটীৰ যেলানি মাগি মই এতিয়া লণ্ডনৰ ইয়েলিংডত আছোঁহি। মানুহ পিয়লৰ ৰিপৰ্টখন লেখি শেষ কৰি, অলপ জিৰণি লৈছোঁ। অসম বুৰঞ্জীখনৰ কাম লাহে-লাহে হে ধৰিম। আপোনাৰ মূল্যবান সঁজুলিবোৰ জাহাজতে যুকিয়ালোঁ। সেইবোৰে মোৰ বুৰঞ্জীখন সমৃদ্ধ কৰিব। ই, এ, গেইট"

বুৰঞ্জী অনুসন্ধান বিভাগৰ নিমিত্তে গোস্বামীয়ে যিখিনি সা সঁজুলি সংগ্ৰহ কৰি দিলে আৰু গেইট বোৱাৰ পিচতো যিবোৰ উদ্ধাৰ কৰিলে, সেইবোৰেই গেইট বুৰ-

জীৱ যাই সমল বুলি স্বীকাৰ কৰিব লাগিব। গোস্বামীৰ দৰে, নাগভিয়াল-অনাগভিয়াল তথ্য বাছিব পৰা এজন সন্ধানীয়াই যোগাড় হৈ ঐতিহাসিক সম্পদৰ স্তুপ-ভা বছি নিদিলেহেঁতেন আৰু গোটোৱাবোৰবো সাৰমৰ্ম্মই সৈতে ইংৰাজী কৰি নিদিলেহেঁতেন, গেইটৰ কি সাধ্য আছিল "পৰিপুষ্ট" অসম-বুৰঞ্জীখন লেখিবৰ ? ([1])

গোস্বামী যে পাতৰ আঁৰতে লুকাই থকা ধানপুৰীয়া কঁঠাল, কৰ্ণেল পি, আৰু টি গৰ্ডনে ছাতীভৰোৱাদি এশাৰী বাক্যৰ ভুকুকাতে হেমচন্দ্ৰ গোস্বামীৰ প্ৰত্নতাত্ত্বিক গুণখিনি ভৰাই থৈ গৈছে :—

> "হেমচন্দ্ৰ গোস্বামীৰ সংস্কৃত-জ্ঞান আৰু গেইটক লগা বুৰঞ্জী উপাদান খিনিকেই অনুসন্ধানত ছন পৰি থকা থলীৰপৰা খানিকুৰুকি—বাছি-বিচাৰি আনিব পৰা নিপুণতাই চাৰ এডৱাৰ্ড গেইটৰ বুৰঞ্জী অনুসন্ধান কাৰ্য্যত অত্যন্ত আৱশ্যকীয় জুটিয়াৰ হৈ বৰ সহায় কৰিছিল। (নতুবা, সহায়তা কৰাত প্ৰধান জুটিয়াৰ আছিল।) পি আৰ গৰ্ডন। ([2])

ইতিহাস অনুসন্ধান সংক্ৰান্তত বুৰঞ্জী-সমলীয় ৰূপে গেইটৰ লগত গোস্বামীৰ যি স্মৰণীয় সম্বন্ধ বৈ গল আৰু যাৰ দ্বাৰা তেখেতৰ প্ৰত্নতাত্ত্বিক প্ৰতিভা উত্তৰোত্তৰ উজ্জ্বলতৰ হৈ আছিল সেই সম্বন্ধৰ কিঞ্চিৎ আভাস এই ৰেৰা :—

বঙ্গদেশত বিজুলী ছাহাবে জাতি-উপজাতিবিলাকৰ ইতিবৃত্ত লেখিবলৈ যি প্ৰকাৰে অনুসন্ধান কাৰ্য্য চলাইছিল, সেই প্ৰকাৰেৰেই অসমতো বুৰঞ্জী আৰু বুৰঞ্জীমূলক সাহিত্যৰ অন্বেষণ কৰিব লাগে বুলি এডোৱাৰ্ড গেইটে হৈচি ধৰাত তেতিয়াৰ অস্থায়ী চীফ্ কমিছনাৰ চাৰ জেমচ লায়ালে বঙ্গদেশৰ আহিৰে অসমতো জাতিতত্ত্ব বিভাগ (এথন'গ্ৰেফী) এটি পাতিলে ; আৰু সেই বিভাগটো পৰিচালনা কৰিবলৈ অনৰেৰী ডাইৰেকটৰৰ (অধমুৱা সঞ্চালকৰ) ভাৰ দিলে এডোৱাৰ্ড গেইটক।

---

(1) "I am very sorry to leave Assam, but shall never forget it. I am taking all the recently translated Buranjis with me and I hope to work them up into a History of the province, when I go on furlough next year. E.A. Gait."

(2) Hem Goswami was of great assistance to Sir Edward Gait in his work of Historical Researches in which the former's knowledge of Sanskrit and acumen for digging and delving in a previously unknown field supplied a collaborator with just the equipments that Sir Edward required"

P. R. T. Gurdon.

বুৰঞ্জী আৰু তথ্য-অন্বেষণত আগ্ৰহ আৰু আন্তৰিকতা আছিল যদিও, তাইবেক-টৰ্ বুলত গেইট এখন সমুদ্ৰ পাৰ হবলগীয়া যেন হল; কিয় নো, যিখন দেশৰ বুৰঞ্জী সমল তেওঁ গোটাবলৈ ওলাইছে সেইখন দেশৰ লগত সেখোন তেওঁৰ পৰিচয়েই নাই! ইপিনে, তেওঁ নেজানে সংস্কৃত ভাষা; নেজানে অসমীয়া ভাষা; নুবুজে অসমীয়া মানুহৰ আঁওভাও; উৱাদিহ নেপায় বুৰঞ্জী পুথি থকা ঠাইৰ; কৌশল নেজানে ৰক্ষণ-শীলৰ ঘৰৰপৰা পুথি সৰকাব লাগিব কেনেকৈ; মৰ্ম্ম নেপায় শিলালিপিৰ। অথচ সোণাবিশালৰ ছাইৰ মাজত থকাৰ দৰে ধোৱা চাং, পুথি-ঠেগা, থাপনাত কিমান যে পুৰণি পুথিৰ সোণ ধোঁৱা খাই-খাই পৰি-পৰি আছে, তাৰ অন্ত নাই। সুৰঙা পৰমাচাৰ্য্য এজন নহলে কোনে সেইবোৰ খুচৰি ধৰিব? ইপিনে, সেই পুৰণি পুথি খোঁচৰাজনে জানিব লাগিব অসমীয়া, সংস্কৃত দুয়োটা ভাষা আৰু ৰাপ থাকিব লাগিব বুৰঞ্জীসাহিত্যত।

ভাবিলে ভাবক পায়। গেইটে গুণা-গঁথা কৰি থাকোঁতেই আচম্বিতে ওলালহি এজন ডেইছ বছৰীয়া ডেকা—হাতত বজাবৰীয়া পুথি এখন লৈ। পঠিয়াইছে গুৱাহাটীৰ (ৰায় বাহাদুৰ) ভুবনৰাম দাসে পৰিচয় পত্ৰ দি। যথাবিহিত চাহাবৰ হাতত পুথি-পত্ৰ প্ৰদান কৰা হল। পত্ৰৰদ্বাৰা গেইটে জানিব পাৰিলে যে পত্ৰ-বাহকৰ নাম হেমচন্দ্ৰ গোস্বামী; আণ্ডাৰ গ্ৰেজুৱেট—বি-এ দিছিল, "ফেল" হল। অসমীয়া সাহিত্যত তেওঁৰ বৰ অনুৰাগ, সংস্কৃতো জানে; ছাত্ৰাৱস্থাতে অসমীয়া ভাষাৰ বুৰঞ্জীমূলক ৰচনা লেখি সুনাম অৰ্জ্জা; কাব্যিক প্ৰতিভাও আছে।

১৮৯৪ চনৰ ১ নৱেম্বৰৰ দিনাই গেইট চাহাবেসৈতে হেমচন্দ্ৰৰ প্ৰথম দেখাদেখি। গেইটে গোসাঁইক পুথিখনৰ প্ৰতিলিপি এটি আৰু ইংৰাজী তৰ্জ্জমাই সৈতে মূল পুথিখন ওভোতাই দিবলৈ কলে। সেইমতে কৰি, গোসাঁয়ে ১৮৯৫ চনৰ ১০ আগষ্ট তাৰিখে চাহাবক পাণ্ডুলিপি সহ পুথিখন শোধাই দিলেগৈ। সেইবাবে পাৰিতোষিক হিচাপে গোসাঁইৰ ৯০৲ টকা প্ৰাপ্তি হল।

মূল পুথিত ঘটনাবোৰ লেখা আছিল লেখেৰি নিচিগাকৈ; গোসাঁয়ে অনুবাদ কৰি থাওঁতেই প্ৰতিলিপিত সহজে বুজিবপৰাকৈ সেইবোৰ ছেদ-অনুছেদ পৰিচ্ছেদকৈ ভাগ ভাগ কৰি দেখুৱালে। বিশুদ্ধ অনুবাদ আৰু মুকুতা হেন পৰিষ্কাৰ হস্তলিপি দেখি, গোসাঁই-যে নিপুণ সাহিত্যিক আৰু ভাষা-বুৰঞ্জীত অভিজ্ঞ সেই কথাত প্ৰত্যয় যাবলৈ চাহাবৰ সৰহ পৰ নেলাগিল। আগেয়ে লোকৰ মুখৰ

পৰা শুনা কথাৰ ওপৰত ভিৰ দি গেইটে গোসাঁইৰ সম্বন্ধে যি ধাৰণা কৰি থৈছিল, এতিয়া সেই ধাৰণা ভহডহীয়া হল। ৰঙনে ৰঙন চিনি পালে। দোপ ধৰি আনিব পৰা সুৰুঙা হাততে মিলিল। গোসাঁই গেইটৰ বুকুত সোমাল।

এনেতে, অসমৰ চিভিল চেক্রেটৰিয়েটত অসমীয়া-ইংৰাজী জনা কেৰেনী এজন লগা হল। ভালেমান গ্রাজুৱেট আৰু এম এ. ডিগ্রীধাৰীয়েও কামটোলৈ দৰ্খাস্ত দিলে, গোসঁায়েও দিলে। চৰ্কাৰী-নিৰ্বন্ধমতে ডিগ্রীধাৰীবিলাকৰ ভিতৰৰ এজনে হে কামটো পাব লাগিছিল। কিন্তু, ডিগ্রীতকৈ যোগ্যতাৰ ভৰ বেছি হোৱাত, আণ্ডাৰ গ্রেজুৱেট নোহোৱা সত্বেও হেমচন্দ্ৰই হে কামটো পালে। ১৮৯৫ চনৰ ২ ডিচেম্বৰ তাৰিখে কামত "মকৰল" হল। সেই কামেই হেমচন্দ্ৰ গোস্বামীৰ ভাগ্য পৰিবৰ্ত্তনৰ খঁচাৰকাঠী।

গোসাঁইক কামটো দিয়াত চিলেটীয়াৰ মজত অলপ চেবেউ-কেবেউ লাগিছিল। কিন্তু প্ৰতিপত্তিশালী অভয় শঙ্কৰ গুহৰ নিচিনা মানুহেও যোগ্য জনৰ যোগ্য পুৰস্কাৰ হৈছে বুলি কোৱাত আপত্তিকাৰী কেঁচুমুৰবোৰ গাঁতত সোমাল। (ক)

কাম পাবৰ দিনাই গোসাঁয়ে আনন্দ প্ৰকাশ কৰি "এড্ভকেট অৱ আসাম"ৰ সম্পাদক মথুৰামোহন বৰুৱালৈ লেখিছিল :—

"I consider myself exceptionally lucky that I am appointed to the post in face of so many graduates and M.A..'s," H C G.

* *—Shillong. 2.12.1895

(ক) কোনো কোনো খিয়লীয়া লেখকে 'অনুগ্রহৰ" কৃপাত কামটো পোৱা বুলি কয়। আচলতে গোসাঁইৰ দক্ষতা আৰু পাৰদৰ্শিতা চাই হে কামত নিযুক্ত কৰা হৈছিল। —বে. শ.

বুৰঞ্জী-অনুসন্ধানত

এই সময়তে, গেইট চাহাব ঐতিহাসিক অনুসন্ধান কাৰ্য্যত সম্পূৰ্ণ ভাবে লিপ্ত থাকে। চেক্ৰেটেৰিয়েট বিভাগৰপৰা আনি গোসাঁইক তেওঁৰ কামত আচুতীয়াঁকৈ জুটিয়াব লয়ছি।

গোসাঁয়ে উত্তৰ গুৱাহাটীৰ সুৰেন্দ্ৰ নাথ বৰকাকতীৰ ঘৰৰপৰা আহোম-কোঁঠৰ বুৰঞ্জী এখন, গুৱাহাটীৰ তহচীলদাৰ জয়কধৰ বৰকাকতীৰপৰা "জিমকৰা ৰজাৰ বংশাৱলী" এখন; জয়ন্তীয়া বুৰঞ্জী এখন আনি তাৰ ইংৰাজী-টোকা লেখে। গুৱাহাটীৰ চাৰিসীমাৰ ভিতৰত থকা কিছুমান শিলৰ ফলিৰ, বৰভোপৰ, আৰু পৰ্ব্বতৰ গাত কাটি থোৱা আখৰ উদ্ধাৰ কৰে, পানাবাৰ বিহুদিয়া বৰুৱাৰ ঘৰত থকা "বনপালৰ" তামৰ ফলিখনৰ পাঠ শুধৰায়, ডঃ হৰ্ণলীয়ে উদ্ধাৰ কৰা তামৰ ফলি কেইখনমানৰ কথাবোৰ শুদ্ধ হৈছেনে নাই তাক চায়; ইন্দ্ৰপালৰ তামৰ ফলিবো শুদ্ধাশুদ্ধ বাছি পাঠ উদ্ধাৰ কৰে। স্বৰ্গদেৱ আৰু অন্যান্য ৰাজবিষয়াসকলে বৰভোপত লেখাই থৈ যোৱা শক-তাৰিখবোৰ লিখিত বুৰঞ্জীৰ লগত মিল আছে নে নাই তাক দেখুৱাই দিয়ে।

পুৰণি কামৰূপৰ বিৱৰণ থকা যোগিনী তন্ত্ৰ, কামাখ্যা তন্ত্ৰ, কালিকা পুৰাণ, কামৰূপ যাত্ৰাপদ্ধতি আদি সংস্কৃত পুথিবিলাকৰ আৱশ্যকীয় অংশ ইংৰাজীলৈ ভাঙে।

আনন্দৰাম ঢেকীয়াল ফুকনৰ জীৱন-চৰিত, গুনাভিৰাম বৰুৱাৰ বুৰঞ্জী, প্ৰহ্লাদ চৰিত, বিয়াৰ নাম, ডাকভণিতা টেটোন চৰিত, উদাসীন সত্যাশ্ৰৱাৰ আসাম-ভ্ৰমণ, যোজোনা-ফকৰা, ৰমাকান্ত বৰকাকতী আৰু কনকলাল বৰুৱাৰ দ্বাৰা সংগৃহীত, প্ৰকাশিত অসমীয়া পুথিৰ তালিকাকে ধৰি যিবিলাক অসমীয়া পুথিৰপৰা বুৰঞ্জীমূলক তথ্য-তত্ত্ব আৰু ঘটনাৰ সম্ভেদ পাব পাৰি, সেই এটাইবিলাক গোটাই আনি, তাৰ সাৰমৰ্ম্মখিনি ইংৰাজীলৈ অনুবাদ কৰে। অ'ত-ত'ত, হাবিয়ে-বননিয়ে পৰি থকা প্ৰায়বোৰ বুৰঞ্জী সামগ্ৰীৰ ভু-ভা লৈ সেইবোৰৰ তালিকা কৰে—লগত প্ৰত্যেকটোৰে ইংৰাজী টোকা আছেই। তেতিয়ালৈকে প্ৰকাশিত হোৱা আৰু হৈ বিলুপ্ত হোৱা, নাইবা জীয়াই থকা আলোচনী আৰু বাতৰি কাকতৰ

তালিকা এখন যুগুত কৰি অসম উপত্যকাৰ সংবাদিকতাৰ জন্ম-বিকাশ সম্পৰ্কে এটি সংক্ষিপ্ত বিবৃতি (ষ্টেটমেন্ট) দিয়ে। তাত আছিল :—

(১) অৰুনোদই :—১৮৪৬ চনত্তে শিৱসাগৰৰ এমেৰিকান বেপটিষ্ট মিচ্চনেৰীৰ দ্বাৰাই মাহে-মাহে প্ৰকাশিত হৈ আছিল।

(২) আসাম বিলাসিনী :—মাজুলীৰ আউনীআটি-সত্ৰাধিকাৰ গোস্বামীয়ে ১৮৭১ চনত উলিয়ায় আৰু সত্ৰ স্থানান্তৰ হোৱাত ১৮৮৩ চনত বন্ধ কৰিবলগীয়া হয়। ইও মাহেকীয়া।

(৩) আসাম মিহিৰ :—১৮৭২ চনত, গুৱাহাটীৰ চিদানন্দ প্ৰেছৰপৰা প্ৰকাশিত হৈছিল। ই প্ৰথমতে বঙলাত ওলায়, পাচত বঙলা-ইংৰাজী দ্বিভাষী হয়। ১৮৭৩ চনত মৰে।

(৪) আসাম দৰ্পণ :—দৰঙৰপৰা ১৮৭৩ চনত ওলাইছিল।

(৫)(৬) চুথন কাকত :—ধৰ্ম্ম, সাহিত্য, ভাষা, বিজ্ঞানৰ বিষয়ে আলোচনা কৰা চুথন অসমীয়া মাহেকীয়া কাকত ওলাইছিল নগাওঁৰপৰা ১৮৭৫-৭৬ চনত।

(৭) গুৱালপাৰা হিতসাধিনী :—সাপ্তাহিক বঙলা কাকত, ওলাইছিল গুৱালপাৰাৰপৰা ১৮৭৬ চনত এবছৰ মাত্ৰ থাকিল।

(৮) দিহিংসত্ৰৰপৰা :—১৮৭৬ চনত দিহিংসত্ৰৰপৰা ধৰ্ম্মবিষয়ক মাহেকীয়া আলোচনী এখন ওলাইছিল।

(৯) আসাম দীপক :—আউনীআটী সত্ৰৰ ধৰ্ম্ম প্ৰকাশ প্ৰেছৰপৰা ১৮৭৬ চনত ওলাইছিল। এবছৰ থাকিল।

(১০) চন্দ্ৰোদয় :—গুৱাহাটীৰ চিদানন্দ প্ৰেছৰপৰা ১৮৭৬ চনত মাহেকীয়া হৈ ওলোৱা আলোচনী ; মাহদিয়েক মাত্ৰ জীয়াই থাকিল।

(১১) আসাম নিউচ :—সাপ্তাহিক ইংৰাজী—অসমীয়া কাকত, ১৮৮২ চনত ওলাইছিল গ্ৰাহক ৯০০। ১৮৮৫ চনত বন্ধ হয়।

(১২) আসাম বন্ধু :—নগাওঁৰপৰা গুণাভিৰাম বৰুৱাৰ সম্পাদকত্বত (মাহেকীয়া আলোচনী) ১৮৮৫ চনত প্ৰকাশ হয়। ১৬ মাহ ওলাই বন্ধ হয়।

(১৩) মৌ (মাহেকীয়া আলোচনী):—সম্পাদক—হৰনাৰায়ণ বৰা। ১৮৮৬ চনত জন্ম, ৪ সংখ্যা ওলাই বন্ধ হয়।

(১৪) আসাম তৰা (মাহেকীয়া):—জন্ম—১৮৮৮ চনত, প্ৰকাশক—ধৰ্মপ্ৰকাশ প্ৰেছ, আউনীআটি। এবছৰ মাত্ৰ থাকে (ইয়াতে হেম গোসাঁইৰ "পেট" কবিতা প্ৰকাশ হয়)।

(১৫) জোনাকী:—১৮১০ শকত জন্ম।

(১৬) বিজুলী:—১৮৯০ চনত ওলায়; ৩ বছৰ থাকে।

(১৭) আসাম:—অসমীয়া সাপ্তাহিক কাকত; প্ৰকাশৰ স্থান—গুৱাহাটী; জন্ম ১৮৯৪ চন। ইংৰাজী প্ৰবন্ধও ওলাইছিল। (সম্পাদক আছিল, কালিৰাম বৰুৱা)।

(১৮) টাইম্‌চ অৱ আসাম (ইংৰাজী):—সাপ্তাহিক। ১৮৯৫ চনৰ ৫ জানুৱাৰীত প্ৰথম প্ৰকাশ। *

---

* যি সময়ত মানুহে বাতৰি-কাকতৰ কাগজেৰে বস্তুৰ টোপোলা বান্ধিছিল আৰু কাকত সাঁচি থোৱা লাইব্ৰেৰী বা গ্ৰন্থাগাৰ নাছিল, নাইবা কাৰো তেনে কৰাৰ নিয়ম নাছিল, সেই সময়ত সাংবাদিকতাৰ ক্ৰমবিকাশ খুঁচাতে জনাই দিয়াটো কম ভু-বাগোতাৰ পৰিচায়ক নহয়।

মাটি-হাকিম আৰু ঐতিহাসিক তত্ত্বানুসন্ধান

১৮৯৮ চনৰ ৩১ মাৰ্চ্চ তাৰিখে গেইট চাহাব এথ্‌ন'গ্ৰেফীৰ অনৰেৰ‍্যী ডাইৰেক্টৰ পদৰপৰা অৱসৰ ললে আৰু তেওঁৰ ঠাইত পি আৰ টি গৰ্ডন বহিল।

হেমচন্দ্ৰ গোস্বামীৰ জন্ম-লগ্নতে লাগি আছিছিল প্ৰাচীন সাহিত্যৰ প্ৰতি অচলা ভক্তি আৰু জাতীয় বুৰঞ্জীৰ প্ৰতি ঐকান্তিক আসক্তি। কাব্যিক প্ৰতিভা যি আছিল সি জাতিতত্ত্ববিভাগৰ মুখ্যতম বিষয়া এডোৱাৰ্ড গেইটৰ প্ৰেৰণাত পাৰ ঐতিহাসিক তথ্যবস্তু উদ্ধাৰৰ কালে হনা ললে আৰু ইয়েই তেওঁক যশস্যা বলটীত তুলি সেই "সুন্দৰ সুন্দৰ কবিতা লেখা কবি" নাম গুল পেলাই পৰমাচাৰ্য্য পণ্ডিত আৰু তত্ত্বভূষণ উপাধিৰে বিভূষিত কৰিলে।

গৰ্ডনে ডাইৰেক্টৰৰ ভাৰ লওঁতে সময়ত গোসাঁই ডিব্ৰুগড়ত আছিল চব ডেপুটী কলেক্টৰ বা মাটি-হাকিম হৈ। এথ্‌ন'গ্ৰেফীৰ কাম সুচাৰুৰূপে হ'ব বুলি '৯৯ চনত ডিব্ৰুগড়ৰ পৰা বদলি কৰি আনি তেখেতক কামৰূপৰ বৰমা তহছীলত বহুউৱা হ'ল।

বিষয়-বাব চব ডেপুটী কলেকটৰ; কিন্তু, সেই কালৰ নিয়ম অনুসৰি তহছীল চলোৱা আৰু ক্ষমতাৰ ভাৰ ও তেখেতৰ ওপৰতে আছিল।

তেতিয়া গোটেই এলেকাটোতে গোসাঁইৰ অনুসন্ধিৎসু মন ঘূৰি ফুৰিছিল। য'তে কিবা এটা পুৰণি চিন থকা গম পায়, নাইবা অতীতৰ মন্দিৰ আদিৰ ধ্বংসাৱশেষ থকাৰ বুজ পায়, নতুবা কাৰোবাৰ ঘৰত পুৰণি পুথি আছে বুলি শুনে, তেন্তে ততালিকে মণ্ডল-কাননগু, গাওঁবুঢ়াৰ হতুৱাই তাৰ সন্ধান লয় আৰু আৱশ্যক হলে তেখেত নিজেই লোৱায় গৈ, সবিশেষ বৃত্তান্ত সকলো টুকি লৈ আহে।

বৰমা তহছীলৰ বৰো পৰ্য্যন্ত এনেকুৱা এখন গাওঁ নাছিল যত তহছীলদাৰে বুৰঞ্জীমূলক তথ্যৰ নিমিত্তে শিক্ষা দিয়া নাছিল। সেই তহছীলত থাকোঁতে দৈনিক লেখা টোকাই ইমান দ'ম বাদ্ধিছিল যে থৈলাত ভৰাই গাৰীত লাদি হে গুৱাহাটীলৈ আনিব পৰা হৈছিল—ভাৰীৰ হতুৱাই নহৈছিল।

সেই টোকাবোৰত, বৈদৰ গড় বা গড়ৰ ভিতৰ, বজীয়া, হৰমা, কেন্দুৱা গড়

বগলৰ আলি, গদা পুখুৰী, বেলশৰ, বৰশালা, পাথুলা, গৰমচিং সত্ৰ, বাহেৰ ঘাট, সত্যাৰ ধাৰ, জয়ন্তীপুৰ,—এইবোৰ ঠাই নামৰ জঁাতি-গুৰি লেখা আছিল। স্থানীয় মাতঃবৰ প্ৰতাপী লোকসকলবো গুৰি-গোষ্ঠীৰ চমু ইতিবৃত্ত দিয়া আছিল—তাৰ ভিতৰত থাইকৈ আছিল—চান্দকুচীয়া, কমাৰকুচীয়া—বৰুৱা ভূঞাৰ কথা, প্ৰতাপনাৰায়ণ চৌধুৰী, প্ৰতাপচন্দ্ৰ গোস্বামী, অকদসেনকাকতী, লখমু ৰাম চৌধাৰী, উত্তম চন্দ্ৰ বৰুৱা, গঙ্গাৰাম দাস, আৰু লব্ধপ্ৰতিষ্ঠ সংস্কৃতজ্ঞ পণ্ডিতৰ টোকা।

কোন শ্ৰেণীৰ মানুহ বুধিয়ক, কোন শ্ৰেণীৰ দগা আৰু ওদা, আৰু কোন ঠাইৰ মানুহ চহকী আৰু বিদ্যোৎসাহী, সেই বিলাকো সেই টোকাৰ টোপোলাত সোমাই আছিল।

এটা বহীত আছিল—বৰশালাথন হেনো পূৰ্ব্বতে পৰীক্ষিত ৰজাৰ দিনত সংস্কৃত শিক্ষাৰ্থীৰ নিমিত্তে বিদ্যাপীঠ আছিল। বগল চাহাবক কমাৰকুছিৰ কোনোবা এজন তলুকদাৰে বোলে টঙনিয়াই টঙনিয়াই মাৰি দলনিৰ তলত পুতি থৈছিল। বকো-ৰজা, লুকী ৰজা, ৰাণী ৰজা, পানতলীয়া আদি দঁতিয়লীয়া সৰু সৰু ৰজাবিলাকৰ ইতিবৃত্তি লেখি গৱৰ্ণমেণ্টলৈ পঠাইছিল। মানুহ পিয়লত লাগিব পৰাকৈ মানুহবিলাকৰ জাতকুল, লোকাচাৰ, ধৰ্ম্ম বিশ্বাস—এইবোৰো খণ্ডিয়াই খণ্ডিয়াই সুধি গোটাই আনিছিল।

মণ্ডলী ভাগচিঠাৰ মাটিকালিৰ হিচাপ চোৱাতকৈ পুৰণি তথ্য-তত্ত্ব নো কিমান গোট খালে, তাৰ হিচাপ চোৱাত হে গোস্বামীদেৱ বেছি তৎপৰ আছিল। (পাচত) ই, এ চি হলতো, হাকিমী আদেশেৰে ঐতিহাসিক বিভূতি সংগ্ৰহ কৰোৱাৰ-যে কথাই নাই, য'ত সেই আদেশ বলবৎ কৰিব নোৱাৰি বা কৰোৱাটো অনুচিত তালৈ অৰ্থাৎ থান-সত্ৰ সমূহলৈ যেখেত নিজেই গৈছিল। গৈ, তাত থকা শাস্ত্ৰ, চৰিত পুথি, বুৰঞ্জীপুথি, তামৰ ফলি, পেৰাকাকত, ধৰ্ম্মোত্তৰ, দেৱোত্তৰ দানৰ ফলি—কাকত আদিৰ আখৰ চকুত-চলিহা-লগাকৈ জুপি-জুপি পঢ়ি তাৰপৰা সত্য সাৰথিনি উদ্ধাৰ কৰি আনিছিল।

প্ৰত্নতত্ত্বত এনেকুৱা তদগতচিতীয়া স্পৃহা দেখি ১৯০২ চনত এথন'গ্ৰেফী বিভাগৰ এচিষ্টেণ্ট অফিচাৰ পদো চৰডেপুটী কলেক্টৰৰ কামৰ লগতে জঁাপি দিয়া হয়।

চৰ্কাৰৰ চাকৰি সকলোৱে কৰে, চাকৰি কৰি বহুতে টকাৰ মুৰা বান্ধে;

কিন্তু, আৰ্থিক স্বচ্ছলতাৰ কালে কাণ সাৰ নোহোৱাকৈ শৰাইঘটীয়া আদৰ্শেৰে অনুপ্ৰাণিত হৈ নৱন্যাস যুগৰ কৰ্ম্মযোগী পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ দৰে কেইজনে "এক হাতে দুই ফল ধৰিব পাৰে ?" এহাতে বিদেশী চৰকাৰক সন্তুষ্ট কৰা, ইহাতে জনমভূমিৰ গৌৰৱ উজলোৱা এই দুয়োটা কাম তালে-চাকে মিলাই কেইজনে কৰিব পাৰে ?

"দৰ্ম্মহা আৰু ভেটিস্কুটাৰে ধনৰ দৌল বান্ধিম" বুলি তেওঁ চৰ্কাৰী চাকৰি কৰা নাছিল। চাকৰি ঢোকা মাত্ৰ। চাকৰি কৰিছিল মাতৃ ভাষাৰ গৌৰৱবৃদ্ধি কৰা ঢোকা বুলি হে। কলঙ্কশূন্য হৈ ন্যস্ত দায়িত্ব সুসম্পন্ন কৰাত হেমচন্দ্ৰৰ গুণ-মুগ্ধ কমিছনাৰ গৰ্ডন চাহাবে তেখেতক শলাগৰ ফুলচন্দনেৰে পোত খুৱাই থৈছে :—

"I remember how well he supervised the work of his subordinates at that time and how he met that difficulty with that determination and sangfroid which always distinguished him, for the work of a Sub-Deputy collector Tahsildar provided no bed of roses in these days, and revenue and settlement duties were full of difficulty more specially at a time when the whole settlement system was reorganised by Sir Bampfylde Fuller. It was about this time that the first settlement operations on scientific principles were undertaken in the Assam Valley, when Hem Goswami was easily marked out by the authorities as just the man for settlement work under the new conditions; and I remember how highly the settlement officer, Mr. Barnes spoke of Hem Goswami's keenness and driving power."

"হেমকোষ" উদ্ধাৰত হেমচন্দ্ৰ

১৮৯৬ চনৰ ২৮ এপ্ৰিল (১৮১৮ শকৰ ১৭ বহাগ) তাৰিখে "হেমকোষ" অভিধান-প্ৰণেতা হেমচন্দ্ৰ বৰুৱা ডাঙৰীয়াৰ মৃত্যু হয়। মৃত্যুৰ আগেয়েই তেওঁ 'হেমকোষ'খন ছপাব খুজিছিল। কিন্তু বাতব্যাধিয়ে বৰকৈ পীড়াত ছপোৱাৰ আশা এৰি দি জনচাৰেকক উচি পাতি "উইল" কৰি পুথিখন তেওঁবিলাকৰ হাতত গতাই থৈ গ'ল। দুলাল চন্দ্ৰ চৌধুৰীও এজন উচি আছিল। সিপিনে শিৱসাগৰত আছিল হেমবৰুৱাৰ ভায়েক তুলসীৰাম বৰুৱা ওৱাৰিছ" (উত্তৰাধিকাৰী)

গোস্বামী হেমচন্দ্ৰ তেতিয়া ছিলঙত সেইট চাহাবৰ অফিচত থাকি ঐতিহাসিক অনুসন্ধান কামত লাগি আছিল। বৰুৱা হেমচন্দ্ৰ ঢুকুৱাৰ বাতৰি পাই 'অসমীয়া জাতিৰ অমূল্য সম্পদ' "হেমকোষ"খন নষ্ট হোৱাৰপৰা কোনোমতে ৰক্ষা কৰক বুলি তেখেতৰ সুহৃদ বান্ধৱ সেইটৰ কাণ চোৱালে। সেইটেও লেখালেখি কৰি পুথিখন দুলাল চৌধুৰীৰপৰা গৱৰ্ণমেণ্টৰ হাতলৈ নিয়াব খুজিলে; গোসাঁয়ে বহুত খাটি-খুটি বুজাই-বৰাই গৱৰ্ণমণ্টৰ হতুৱাই প্ৰকাশ কৰোৱাবলৈও সেইটক মান্তি কৰালে। এনেতে বিধি পথালি দিলে। তিনি শালিকাৰ জোঁটাপুটি আৰম্ভ হ'ল। তুলসীৰাম বৰুৱাই বোলে চৰ্কাৰক 'হেমকোষ' ছপাবলৈ দিব নোৱাৰি, চৌধুৰীয়ে বোলে "ৱাৰিছে" অনুমতি নিদিলে তেওঁও চৰ্কাৰৰ হাতত হেমবৰুৱাৰ হাতেলিখা নকলটো শোধাব নোৱাৰে। তাতে আকৌ জেদা ওলাল, 'হেমকোষ'ৰ আখৰ যোঁটনি সৰ্ব্ববাদীসন্মত নহয়; সেই দেখি উজনি-নামনি আৰু মাজ-অসমৰ তিনিজন প্ৰবীণ ভাষাবিদৰ হতুৱাই অভিধানখন পৰীক্ষা কৰাব লাগে। এই তিনি শালিকাৰ জোঁটাপুটি ভগাব পিচতো (গোসাঁয়ে হে ভাঙিলে) বিপদৰ উপৰি বিপদ আছিল। নগাৱঁৰ পাদুৰী চাহাব এজনেও আপত্তি দৰ্শালে—ব্ৰঞ্চনৰ বৰ্ণবিন্যাস নাৰাখিলে "হেমকোষ" ছপাব নোৱাৰে। সেই আপত্তিও খণ্ডন হ'ল।

সকলো জেঙা-জঞ্জালৰ আসোঁৱাহ আঁতৰাই চৰ্কাৰৰ হতুৱাই কলিকতাত পুথি ছপাবলৈ দিয়া হল। তাৰ আৰ্হি-কাকতো আহিল। এনেতে আকৌ এটা দুৰ্জ্জয় বিপদে দেখা দিলেহি—আহিল সেই বিধ্বংসনাকাৰী ১৮৯৭ চনৰ বৰভুঁইকঁপ। 'হেমকোষ'ৰ পাণ্ডুলিপি আৰু আৰ্হি-কাকত সোপাই মাটিৰ তলত সোমাই থাকে। পুথিৰ পাত কেতবোৰ জেকিল, কেতবোৰৰ আখৰ উৰিলিল —নিঃচিহ্ন হোৱাৰপৰা কথমপি ৰক্ষা।

'হেমকোষ'ৰ পাতবোৰ মিলাওঁতে-মিলাওঁতে, আখৰবোৰ জোঁহাৰি নকল কৰোঁতে-কৰোঁতে হেম গোসাঁই বাযতে সাতুৰি কুবিৰ লগীয়া হৈছিল। 'হেম-কোষ' উদ্ধাৰত গোসাঁইৰ কি দুৰ্গতি হৈছিল, তেখেতে পাঠকৰ অন্তৰ গলোৱা ভাষাৰে নিজেই লেখি থৈ গৈছে। (পৰিশিষ্ট চাওক)।

আমাৰ কপাল ভাল যে গোস্বামীৰ লেলেটীয়া পৰিশ্ৰমৰ ফলতে ১৯০০ চনত "হেমকোষ"খন গৱৰ্ণমেণ্টৰদ্বাৰাই প্ৰকাশিত হ'ল।* নোহোৱা হলে আজিও আমাৰ বৰ্ণবিন্যাসৰ আউল নেভাগিলহেঁতেন।

অভিধানখন প্ৰকাশ হোৱাৰ পিচত, যিজন পাদুৰীয়ে ব্ৰঞ্চনৰ বৰ্ণবিন্যাস অনুসৰণ কৰিবলৈ কৈছিল, সেইজনৰ মেমে ১৯০১ চনৰ ২৮ জানুৱাৰী তাৰিখে "হেমকোষ" পাই ডায়েৰীত লেখি থলে,

> "গুৱাহাটীৰ স্বৰ্গীয় হেমচন্দ্ৰ বৰুৱা-প্ৰণীত নতুন অসমীয়া অভিধানখন গৱৰ্ণমেণ্টে প্ৰকাশ কৰিলে। আশা কৰোঁ এতিয়াৰপৰা আৰু আখৰ জোটনিৰ আউল নেলাগিব।‡

গোসাঁয়ে "হেমকোষ" প্ৰকাশৰ গুৰিত ভোগ কৰি অহা আলৈ-আহুকাল, জেওঁা-জঞ্জাল আৰু দুখ-দুৰ্গতিবোৰ বৰ্ণাই সামৰণিত বিনয়াৱনত হৈ কৈছে,

> "অসমীয়া ভাষাৰ ওপৰত ভগৱানৰ বিশেষ কৃপা নথকা হলে, এইদৰে ওপৰাউপৰিকৈ বিপদে জাওুল খাই ধৰাতো "হেমকোষ" কালৰ কৰাল গ্ৰাসৰপৰা ৰক্ষাপৰা টান আছিল। অসমীয়া জাতি আৰু অসমীয়া ভাষা থাকে মানে "হেমকোষ" স্বৰ্গীয় হেমচন্দ্ৰ বৰুৱাৰ যুগমীয়া কীৰ্ত্তিৰ ধ্বজা স্বৰূপ সাহিত্য আকাশত চিৰকাল উৰি থাকিব। এনে এটা জাতীয় সম্পত্তি ৰক্ষা কৰা কামত অলপ হাত-উজান দিবপৰা বাবে লিখকে নিজকে কম ভাগ্যবান বুলি বিবেচনা কৰা নাই।"

গোস্বামীদেৱে অলপ হে হাত-উজান দিলে। আমি কওঁ "হেমকোষ" উদ্ধাৰত হেমচন্দ্ৰ গোস্বামীয়ে সৎসৰ্ব্বস্ব দিলে।

---

* মূল্য ৫ টকা। পাচত গুৱালপৰীয়া বাইজ আৰু ছাত্ৰৰ নিমিত্তে ৩ টকা কৰা হৈছিল।

‡ The New Assamese Dictionary by the late Hem Chandra Goswami of Gauhati is published by Govt We hope, now there will be some standard for Assamese spelling—Further leaves from Assam. Mrs P H. S Moore, 1910

বি এ শ্ৰেণীত অসমীয়া অন্তৰ্ভুক্ত কৰোঁতা



এফ্ ডব্লিউ চুডমাৰ্চন

(কটন কলেজৰ প্ৰথম অধ্যক্ষ)

বি-এ শ্ৰেণীত অসমীয়া প্ৰচলন

১৯০৫ চনৰ ১৬ অক্টোবৰৰ পৰা ১৯১২ চনৰ ১ এপ্ৰিললৈকে, পূৰ্ব্ববঙ্গৰ জিলা খনচেৰেক অসমৰ লগত জঁাপি দিয়া বাবে সুকীয়া অসম প্ৰদেশ গুচি "পূৰ্ব্ব-বঙ্গ আসাম" হৈ আছিল। তেতিয়াও বঙ্গদেশৰে বহুত শিক্ষিতেও অসম দেশখন পূৰ্ব্ববঙ্গৰ এখন জিলা বুলিহে ভাবিছিল আৰু অসমীয়া বুলি যে এটা ভাষা আছে, সেই কথাও তেওঁবিলাকে বিশ্বাস নকৰিছিল। অসমৰ শিক্ষা ব্যৱস্থা নিৰ্ভিত হৈছিল কলিকতা বিশ্ববিদ্যালয়ৰ দ্বাৰা আৰু নিয়ন্ত্ৰিত হৈছিল চৰ্কাৰৰ পৰামৰ্শমতে। কটন কলেজৰ অধ্যক্ষ মিঃ এফ্ ডব্লিউ চুডমাৰ্চন চাহাব আছিল বিশ্ববিদ্যালয়ৰ "ফেল' " বা চৰ্কাৰৰ মনোনীত সদস্য।

১৯০৭ চনলৈকে কলিকতা বিশ্ববিদ্যালয়ৰ বি-এ শ্ৰেণীত অসমীয়া ভাষা পাঠ্য-ৰূপে অন্তৰ্ভুক্ত হোৱা নাছিল। জনমত আৰু বাতৰিকাকতৰ চোকা সমালোচনাৰ হেঁচাত পৰি চাৰ বেম্প্‌ফীল্ড ফুলাৰ ছুৰলীয়া লাটৰ গৱৰ্ণমেণ্টে কটন কলেজৰ অধ্যক্ষ আৰু কলিকতা "ইউনিভাৰ্চিটিৰ ফেল' " মি: এফ্ ডব্লিউ চুডমাৰ্চন চাহাবক অসমীয়া ভাষাৰ উৎপত্তি আৰু তাৰ ক্ৰমবিকাশ সম্পৰ্কে এটি চুম্বক ইতিবৃত্ত (মন'গ্ৰেফ্) এনে ভাবে প্ৰস্তুত কৰি দিবলৈ অনুৰোধ কৰিলে যাতে, তাতে গইনা লৈ অসমীয়া ভাষাটোকো বি-এ শ্ৰেণীৰ বাধ্যতামূলক পাঠ্য কৰিব পাৰি।

চৰকাৰৰ ইঙ্গিতমতে, চুডমাৰ্চনে প্ৰবীণ সাহিত্যিক সত্যনাথ বৰাকে প্ৰমুখ্য কৰি কেইবাজনো ভাষানুৰাগী-সুবিজ্ঞ লোকলৈ, তলত দিয়া এঘাৰটি প্ৰশ্নৰে সৈতে দিহাপৰামৰ্শ বিচাৰি একোখনি গোহাৰি-পত্ৰ পঠিয়ালে। কিন্তু কাৰোপৰা সন্তোষ জনক সমিধান নাহিল। হেম গোসাঁই তেতিয়া তেজপুৰত হাকিম হৈ আছিল। গোহাৰি-পত্ৰ পোৱাসকলৰ সকলোৰেই ভিতৰি ভিতৰি গোসাঁইলৈকো লেখিলে —তেওঁৰেই যেন সেই গুৰু ভাৰখন কান্ধত লয়। সি সকলেও জানিছিল যে নিখুতভাৱে সেই প্ৰশ্ন কিটাৰ উত্তৰ দিব পৰা লোক একমাত্ৰ হেমচন্দ্ৰ গোস্বামী হে আৰু ইকা'ল সেই কথাকে চুডমাৰ্চনৰ কাণতো পেলাইছিল।

চিঠিখনত জ্ঞাতব্য বিষয় আছিল এইকেইটা :—

(১) অসমীয়া ভাষাৰ উৎপত্তি।

(২) আটাইতকৈ পুৰণি সাহিত্য কি আৰু তাৰ ৰচয়িতা কোন? প্ৰধান প্ৰধান লেখকসকলৰ নাম।

(৩) সাহিত্যৰ খাই-খাই যুগ কেইটা ? তাৰ বিৱৰণ।
(৪) সংস্কৃতৰপৰা অসমীয়া ভাষা কিমান আঁতৰ ?
(৫) বঙলা-অসমীয়াৰ পাৰ্থক্য।
(৬) আগাইতকৈ উন্নত যুগ কোনটো ? —বঙলাৰ আগেয়েই নে পাছে, নাই লগে-লগেই ?
(৭) বুৰঞ্জী পুথি : সেইবিলাকৰ লেখকসকলৰ প্ৰধান-প্ৰধান কেইখনমানৰ বিৱৰণ। বুৰঞ্জী-ভাষাৰ গদ্যৰীতি আৰু প্ৰকাশভঙ্গী কেনেকুৱা ?
(৮) বঙলাৰ ওচৰত অসমীয়া ভাষা কি কি বিষয়ত ঋণী ?
(৯) বৰ্ত্তমান অসমীয়া সাহিত্য—সদ্যে প্ৰকাশিত হোৱা খনদিয়েক লেখত লবলগীয়া পুথিৰ চিনাকি।
(১০) ভাষা-সাহিত্য সম্পৰ্কীয় গ্ৰন্থাদিৰ প্ৰকাশ আগতকৈ বাঢ়িছে নে টুটিছে ?
(১১) অসমীয়া ভাষা আৰু সাহিত্যৰ ভবিতব্যতা অৰ্থাৎ ভৱিষ্যত কেনে ?

এই এঘাৰটা প্ৰশ্নৰ উত্তৰ লেখি দিবলৈ যোৱা যি, সকসুৰা অসমীয়া ভাষা সাহিত্যৰ বুৰঞ্জী এখন লেখাও সি। ইপিনে চুডমাৰ্চনে ৯ মে তাৰিখে চিঠি লেখি জুন মাহৰ প্ৰথম সপ্তাহতে উত্তৰকিটা তেওঁৰ হাত পোৱাকৈ খুজি পঠিয়াইছে। হাতত সময় নায়েই ; মাত্ৰ কতীয়া মাহেৰে এমাহ আছে। ভুকুতে এতিয়া বলটো কেনেকৈ পকোৱা যায় ? ইফালে. চৰকাৰী লেঠা, গোচৰদি শুনা, শুনি ৰায় বন্ধা, গধূলি হলে "থান থিয়েটাৰৰ" কথা ভবা, 'উষাৰ' নিমিত্তে দিহা-পৰামৰ্শ দিয়া—ইত্যাদি এশ এটা জঞ্জালুৱা কাম লাগিয়েই আছে। ছেগ এবাৰহে আছে। ওপৰৰক্ত প্ৰশ্ন কেইটাৰ সমিধান দিব নোৱাৰিলে অসমীয়া ভাষা ৰক্ষা কৰাৰ সুবৰ্ণ সুযোগটি হাতত হেৰাব। এনেকুৱা একোটা গধুৰ চিন্তাৰপৰা উত্ৰাণ পাবলৈ তেজপুৰত আছিল একেজন মাথোন পৰামৰ্শদাতা— পদ্মনাথ বৰুৱা। পদ্মবৰুৱাইও যে চুডমাৰ্চনৰ চিঠি পোৱা নাছিল; এনে নহয়। পাইছিল। কিন্তু অসমীয়া ভাষাৰ বুৰঞ্জী সদৃশ গোবৰ্দ্ধন পৰ্ব্বত এটা দাঙিব নোৱৰাত হে থেঁবোগেবোকৈ আছিল। এই গৰাকী সতীৰ্থেৰে লগ লাগিয়েই চৌতে খৰ মাৰি দুখকো দুখ সুবুলি জাতীয় গৌৰৱ, জাতীয় সন্মান ৰক্ষাৰ অৰ্থে হেমচন্দ্ৰ গোস্বামীয়ে নিজৰো কিছুমান বক্তব্য যোগদি প্ৰশ্ন এঘাৰটাৰ যুক্তিমূলক বিশুদ্ধ আৰু সমুচিত সমিধান দি চুডমাৰ্চনৰ ভাৰসা পূৰ্ণ কৰিলে।

গোসাঁই আৰু বৰুৱাই যুটীয়া ভাৱে প্ৰস্তুত কৰা সেই টোকাটিকে বা বৃত্তান্তটিকে চুডমাৰ্চনে শিক্ষা বিভাগৰ ডাইৰেক্টৰ শাৰ্প (Sharp) চাহাবলৈ পঠালে। তাতে আকৌ টুটকীয়া-নাৰদীয়াই পালে। আমোলাতান্ত্ৰিক কেনা লাগিল। ডাইৰেক্টৰে কিবাকিবি অলপীয়া আপোঁৱাহ ছুটাখান উলিয়াই সেই টোকাটি গৱৰ্ণমেণ্টলৈ পঠাব নোৱাৰি বুলি কলে। চুডমাৰ্চনে "মনগ্ৰাফ" খন যেনেকৈ লেখা হৈছে, তেনেকৈয়ে পঠাবলৈ বিশেষভাৱে অনুৰোধ কৰাত খাঁপে যেনিবা ছুৱলীয়া লাটলৈ প্ৰেৰণ কৰিলে। ছুৱলীয়া লাটে আকৌ মতামত বিচাৰি মেজৰ গৰ্ডনলৈ পঠালে। (1) গৰ্ডনে একে আষাৰেই লেখি পঠিয়ালে—টোকাটি বিস্তাৰিত ভাৱে লেখা হৈছে যদিও, সম্পূৰ্ণ নিৰ্ভুল—তাকে চুডমাৰ্চনে অলপ চমুৱাই দিলে গৱৰ্ণমেণ্টে নিসন্দেহে প্ৰকাশ কৰিব পাৰে। গৰ্ডনৰ কথামতেই চুডমাৰ্চনে হেমচন্দ্ৰ—পদ্মনাথৰপৰা পোৱা বৃত্তান্তটিকে সংক্ষেপ কৰিলে আৰু নিজা অভিমতেৰে পোহমাৰি"ন'ট অন দি আচামীজ লেংগুৱেজ" নাম দি 'মনগ্ৰাফৰ' পুস্তিকাখন গৱৰ্ণমেণ্টলৈ পঠালে। সেই পুস্তিকাতে অসমীয়া ভাষাৰ স্বতন্ত্ৰতা এনে ভাৱে গজগজীয়াকৈ বহুৱাই দিয়া হল যে কলিকতা বিশ্ববিদ্যালয়ত তাৰ গুণতেই (ডঃ) অধ্যাপক সূৰ্য্যকুমাৰ ভূঞাই লেখিবৰ দৰে বি এ শ্ৰেণীত জয়ে জয়ে অসমীয়া ভাষাও পাঠ্যৰূপে পৰিগণিত হল।

অসমীয়া ভাষাৰ এই সৌভাগ্য নঘটিলহেতেন, যদি চুডমাৰ্চনৰ "মুখপাত্ৰ" হৈ হেমচন্দ্ৰ গোস্বামী গুৰিত নেথাকিলেহেতেন। ১৯০৮ চনৰ ২২ জুন তাৰিখৰ চিঠিত চুডমাৰ্চনে এই কথা মুক্তকণ্ঠে স্বীকাৰ কৰি গৈছে :—

......"......After all, I have only been a spokesman. F.W.S."

---

* পৰিশিষ্ট চাওক।

"মনগ্ৰেফ"টি পুস্তিকাকাৰে লেখা হৈ এটালত আকৌ ছুৱলীয়া লাটে গৰ্ডনক পৰীক্ষা কৰিবলৈ দিলে। এই বেলি গৰ্ডনে আগতকৈও টানি লেখিলে :—

(1) "The Monograph is ably written and contains an interesting account of the Assamese Language and Assamese literature at the present day and is particularly valuable as coming from the pen of an unprejudiced observer like Mr. Sudmersen, who as an officer of the Educational Service, and an Englishman, cannot be said to hold a brief for the Assamese The vein of sympathy for Assam and the Assamese which pervades the Monograph throughout is moreover particularly pleasing The Monograph is well worth printing, and I would forbear from offering any criticism were it not that His Honour the Lieutenant Governor had directed me to express my opinion on its merits, as well as on the suggestions made by Mr Sudmersen ...."

পদ্মনাথ বৰুৱাক সাহিত্যিক পেঞ্চন দিওৱাত

চুডমার্চনৰ "মনগ্ৰেক"টি গৱৰ্ণমেণ্টৰ দ্বাৰাই প্ৰকাশিত হোৱাৰ পিচত, কলিকতা বিশ্ববিদ্যালয়ে সানন্দে তাক গ্ৰহণ কৰিলে। আমোলাতান্ত্ৰিক পথত "অসমীয়া ভাষা-সাহিত্য"ৰ টোকাটি মাকো-গমন কৰি থাকি-থাকি অৱশেষত গৱৰ্ণমেণ্টৰ দ্বাৰাই গৃহীত হোৱালৈকে অফিচিয়েটিং কমিছনাৰ গৰ্ডনক হেম গোসাঁয়ে প্ৰায়েই কাণ-ফুচুকীয়া কথা এষাৰ কৈ আছিল। কথাষাৰ হৈছে—পদ্মনাথ বৰুৱাক (তেতিয়া গোহাঞি বৰুৱা হোৱা নাছিল) আজীৱন সাহিত্যিক পেঞ্চন এটি দিব লাগে। "মনগ্ৰেক্‌টি" গৱৰ্ণমেণ্টে গ্ৰহণ কৰিলত সেই কথাকে আকৌ সোঁৱৰালে। তেতিয়া যি কোনো দেশীয় সাহিত্যিকক ভাৰত গৱৰ্ণমেণ্টে পেঞ্চন দিয়া নিয়ম নাছিল। দিব লাগিলেও বৃটিছ পার্লিয়ামেণ্টৰদ্বাৰা চেক্ৰেটৰী অব ষ্টেট ফৰ ইণ্ডিয়াই মঞ্জুৰ কৰাই আনিব লাগিছিল। তেহে দিব পাৰিছিল। সেই কাৰণে গৰ্ডনে কথাষাৰলৈ কাণসাৰ দিয়া নাছিল। কিন্তু, গোসাঁয়েও চল পালেই কথাটো সুঁৱৰাই নেৰে। এদিন টানি ধৰাত গৰ্ডনে আশাও-নিদিয়া—নিৰাশাও-নকৰা এই কথাষাৰ কৈ পেলালে,

"এই কাম সম্পাদন কৰিবলৈ আপনি মোক আকাশকুসুমী আদেশ (হুকুম) এটা দিছে।"—অৰ্থাৎ আপুনি মোক বিপদত পেলালে।

সেই "অৰ্ডাৰ"টো বা আদেশটো "হাচিল" বা সম্পাদন কৰিবলৈ পোনেই হাকুটী লগাব লাগিব ছুবলীয়া লাটৰ ওচৰত, লাটে লগাব লাগিব ভাৰত গৱৰ্ণমেণ্টৰ কাষত, ভাৰত গৱৰ্ণমেণ্টে আকৌ লগাবগৈ লাগিব বিলাতত থকা ভাৰতৰ ষ্টেট চেক্ৰেটৰীৰ ওচৰত; তেওঁও আকৌ অনুমোদন আনিব লাগিব পার্লিয়েমেণ্টৰ পৰা। ইমান ডাল দীঘল হাকুটী লগাই ভাৰতত নাভূত-নাশ্ৰুত নিয়ম এটা প্ৰৱৰ্ত্তন কৰিবলৈ যোৱাটো সঁচাকৈয়ে "আকাশকুসুমী"; তথাপি, সিও সম্পাদিত হল "বৰ বুদ্ধিমান" হেমচন্দ্ৰ গোস্বামীৰ মুখ হৰিব নোৱৰা বুজনিৰ বলত। বিলাতত থকা ভাৰত-সচীৱৰ পৰা হুকুম আহিল—১৯০৯ চনৰ ২২ জানুৱাৰীৰপৰা মাহে ২০্ টকাকৈ "শ্ৰীযুত পদ্মনাথ বৰুৱাই" অসমীয়া সাহিত্যিক পেঞ্চন পাব।

Grant of Literary Pension

to

Sreejut Padmanath Boroooah.

No. 347 of 1908.

Finance Department

To

The Right Honourable Viscount Morley of Blackburn, C.M.
His Majesty's Secretary of State for India.

Calcutta, the 10th December 1908.

My Lord,

We have the honour to forward for your Lordship's consideration a letter from the Government of Eastern Bengal & Assam No 2380 E, dated the 10th September, 1908, enclosing a copy of a letter from the Commissioner, Assam Valley Districts and of a petition from Srijut Padmanath Barua, in which he prays for the grant of a Literary pension to enable him to devote the remainder of his life to the advancement and development of Assamese literature.

2. We think the case is worthy of consideration by Government & we accordingly recommend for your Lordship's sanction the proposal made by the Lieutenant Governor that a Literary pension of Rs 25/- per mensem to be paid from provincial revenues, should be granted to the petitioner for life, in addition to whatever small pension he may earn by his service under Government. We have & (sd) Minto, Kitchener, H.E. Richards, O. H. Scott, H. Adamson, J. O. Miller, W. L. Harvey, G. F. Wilson."

Financial No 2
India office, London.
22nd January, 1909

To

His Excellency the Right Honourable the Governor General of India in Council.

My Lord,

Having considered in Council your letter No 347 Dated the 10th December 1908, I sanction your Excellency's proposal to grant to Srijut Padmanath Barua, a special Literary pension of Rs 25/- a month, in addition to whatever pension he may earn by his service under Government, in recognition of his merit as a writer and in order that he may devote the remainder of his life to the advancement and development of Assamese literature.

I have etc,
(Sd) Morley of Blackburn

—"ঊষা" তৃতীয়ভাগ—৩৪০ পৃঃ

পদ্মনাথ বৰুৱাই পেঞ্চনটো পোৱাৰ পিচত, গৰ্ভন চাহাবে হেনো ভুবনৰাম দাস (ৰায় বাহাদুৰ) ৰ আগত কৈছিল :—

Hem Chandra is very intelligent and Padmanath is too clever. "হেমচন্দ্ৰ বৰ বুদ্ধিমান, পদ্মনাথ বৰ চতুৰ"।

গুৱালপাৰাত অসমীয়া ভাষা

প্ৰচলনৰ মূলত

চলেমান বছৰ লেখালেখি, বাদানুবাদ, আৰু টনা-আঁজোৰাৰ মূৰত ১৯১৪ চনৰ পৰা গুৱালপাৰা জিলাৰ সকলো স্কুল-আদালতত অসমীয়া ভাষা চলাবলৈ গৱৰ্ণমেণ্টে বাধ্যতামূলক আদেশ প্ৰচাৰ কৰে। ইয়াৰ প্ৰচলন কৰিবলৈ হেম-চন্দ্ৰ গোস্বামীয়ে যে বহুত দিনৰ আগৰেপৰা নথৈ চেষ্টা কৰি আছিছিল, তাক তেওঁ "ডায়েৰীত" নিজে এই বুলি লেখি থৈ গৈছে:—

"৫ ফেব্ৰুৱাৰী, ১৯১৪ :—

আজি "আসাম গেজেটত" দেখি অতিশয় আনন্দ পালোঁ যে গোৱালপাৰা জিলাত অসমীয়া ভাষা ক'ৰ্ট লেঙ্গুৱ্জ (আদালতৰ ভাষা) হব। গোৱালপাৰাত অসমীয়া ভাষা চলাবলৈ মই কিমান যে চেষ্টা কৰিছিলোঁ, তাক ভগৱানে জানে। মই গুৱাহাটী অ, ভা, উ, সা সভাৰ নামে কেইজনমান বন্ধুৰপৰা টকা গোটাই আৰু নিজেও ৬০৲ টকা দি গুৱালপৰীয়া যি লৰাই অসমীয়া ভাষা লৈ মেট্ৰি-কুলেচন 'পাচ' কৰে, তেনে লৰাক দুটা মাহে ১০৲ টকীয়া বৃত্তি দুবছৰলৈ দিবৰ নিমিত্তে ডাইৰেকটৰ চাহাবৰ হাতত কিছুমান টকা থৈছিলোঁ। তাৰপৰা এটা লৰাই বৃত্তি পাই এতিয়া ইণ্টাৰমেডিয়েট পঢ়িছে। মই যেতিয়া কমিচনাৰৰ পি এ আছিলোঁ, তেতিয়া কৰ্ণেল গৰ্ডনক সদাই এই বিষয়ে খুটিয়াই খুটিয়াই গৱৰ্ণমেণ্টবলৈ লগত কত ৰকমৰ যে লেখা-পঢ়া কৰিলোঁ, তাৰ ঠিক নাই। গৱৰ্ণমেণ্ট আৰু ডাইৰেকটৰলৈ লেখা প্ৰায় চিঠিবিলাকেই এই বিষয়ত মই লিখা। যোৱা চেন্সচত বঙালী বিষয়াবিলাকে গোৱালপাৰাত অসমীয়া ভাষা কোৱা মানুহৰ সংখ্যা কম কৰিবৰ নিমিত্তে, যি চেষ্টা কৰিছিল তাৰ প্ৰতিকাৰ কৰিবলৈকো মযে নানা ৰকম চেষ্টা কৰিছিলোঁ।"*

---

* গুৱালপাৰৰ হাকিম ৰাধানাথ ফুকনকে প্ৰমুখ্য কৰি সেই সময়ত গুৱালপাৰত থকা বিষয়াসকলে বঙালীৰ এই ষড়যন্ত্ৰৰ বিষয়ে গোসাঁইলৈ যিবোৰ চিঠি-পত্ৰ দিছিল—সেইবোৰ পুনৰুক্তি কৰি লেখিবলৈ হলে এখনি মহাভাৰত হব। বে. শ.,

চেষ্টা চলিছিল এইদৰে :—

এই চেষ্টা ১৯০৯ চনৰপৰা একেধাৰে চলি আছিল। অসম উপত্যকাৰ 'ভাগ্যবিধাতা' গৰ্ডনক গোস্বামীৰ যোগেদি বাইজ লাগি-ভাগি থকাৰ মূৰক গৱৰ্ণমেণ্টে স্থিৰ কৰিলেগৈ যে সম্প্ৰতি কিমান লৰাই স্কুলবোৰত অসমীয়া পঢ়ে আৰু বাইজৰেই বা সেই ভাষা চলোৱাত কিমান আগ্ৰহ, তাৰ এটা পৰীক্ষামূলক হিচাপ লব লাগে। তেতিয়া স্কুলসমূহৰ এচিষ্টেণ্ট ইন্‌স্পেকটৰ আছিল দুৰ্গাধৰ বৰকটকী। তেখেতক পঠিৱা হল, গুৱালপাৰাত কিমান ছাত্ৰই অসমীয়া পঢ়িছে আৰু অসমীয়া ভাষা দাবী কৰা আন্দোলনটো কিমান চলিছে তাৰ অনুসন্ধান কৰি চৰ্কাৰী ৰিপৰ্ট দিবলৈ। বৰকটকী গৈ তাৰ পৰিস্থিতি বুজি গৱৰ্ণমেণ্টলৈ যেনেকৈ দিব লাগে তেনেকৈয়ে ৰিপৰ্টটো দিলে আৰু ইফালে গোসাঁইলৈ লেখিলে—"আন্দোলনটো থমাই দিয়া উচিত নহব।"

১৯১২ চনৰ ১৫ এপ্ৰিল তাৰিখে বৰকটকীয়ে ধুবুৰীৰপৰা এখন চিঠি দিছিল, গোসাঁইলৈ। সেই চিঠিত লেখিছিল :—

> "গৌৰীপুৰ, বিজনী, বিলাসীপাৰা, বগৰীবাৰীৰ মানুহ আহি অসমীয়া ভাষা চলাবলৈ মোক খাটি আছেহি আৰু গোলোকগঞ্জৰ মানুহে অসমীয়া লাগে বুলি বেলেগ বেলেগকৈ মোৰ হাতত দৰ্খাস্তও দিছেহি। গতিকে লক্ষণ ভাল। আন্দোলনটো যাতে চেঁচেঁৰা নপৰে, তাৰ নিমিত্তে আপুনি ওপৰৱালাসকললৈ লেখালেখি কৰি থাওক। গুৱালপাৰাৰ মুখীয়াল মুখীয়াল লোকসকলৰ মাজত বছা-বছা অসমীয়া কিতাপ কিছুমান বিলাই দিব নোৱাৰি নে? —স্তি বৰকটকী।"

বৰকটকীৰপৰা যেনে আহিছিল তেনেকৈয়ে তাৰ ওপৰতে এই "নটটো" দি গোসাঁয়ে চিঠিখন কমিছনাৰলৈ পঠাই দিলে :—(১)

"Commissioner, you will be pleased to see the letter addressed to me by the Asst. Inspector of Schools. H. C. G 17.4.12."

---

(১) কমিচনাৰ, স্কুলসমূহৰ সহকাৰী ইন্‌স্পেক্টৰে মোলৈ দিয়া এই চিঠিখন পঢ়ি আপুনি নিশ্চয় সন্তোষ পাব। হে, গোঃ ১৭।৪।১২।

অসমৰ
ইংৰাজ-বৰফুকণ



কৰ্ণেল পি আৰ টি গৰ্ডন
(অসম-উপত্যকাৰ কমিশ্যনাৰ)

হেম গোসাঁইলৈ

পি আৰ টি গর্ডনৰ অর্ঘ্য

(ডঃ সূর্য্যকুমাৰ ভূঞাৰৈল দিয়া চিঠিৰে)

Spring Grove, Marden, Kent
19 June 1928

My dear Bhuyan,

Yes indeed I was sorry to see the death of our late friend Srijut Hem Chandra Goswami reported. We could ill afford to lose such a brilliant research worker and literary man especially at the present time when his great labours were about to bear fruit, I refer specially to the descriptive catalogue of Assam literature and his translations of important Assam Puthis* I have written

Hem Gosain was of great assistance in obtaining the decipherment of the Tezpur rock inscription and I well remember with what great interest the reading of this inscription was received by the Kamarupa Anusandhan Samiti, of which Hem Gosain was undoubtedly the most brilliant ornament. Alas that a cruel fate should have shorn Hem babu of the personal triumph which the publication of his great historical work would have given him, for he died

(Cont'd next page)

before this took place. Alas too for the great sorrow which beset him in the loss of his eldest son, an event which must have greatly saddened his last years. Assam has lost one of the most distinguished of her literary men and in Hem Gosain a doughty champion of the Assamese language. ~~and~~ Many friends and admirers will long mourn the loss of not only a brilliant research scholar and linguistic protagonist but also of a most charming personality, of a disposition both witty and versatile and although an orthodox Brahman by no means bigoted in his religious beliefs. He was a friend not only to his own people, the Assamese but to Europeans and to Bengalis and others and was beloved equally by all. Truly a great & good man has passed away and one whose place it will be extremely difficult to fill.

P R Gurdon

19th June 1928

গৰ্ভৰ্নে এইবাৰ মন্তব্য দি চিঠিখন গোসাঁইলৈ ঘূৰাই পঠালে :—

"P. A. Returned with thanks. I was pleased and interested to read the letter.—P. R. G. 18.4.12." (১)

বৰকটকীয়ে চিঠি লেখাৰ লগে লগেই সিকালে চাৰ আৰ্চডেল আৰ্ল চীফ কমিছনাৰে গুৱাহাটীত বঙ্গলা গুচাই অসমীয়া ভাষা চলাবলৈ স্থিৰ কৰিলে ; কিন্তু কিছুমান জ্ঞাতব্য কথা পৰিষ্কাৰ নোহোৱা বাবে কাৰ্য্যকৰী কৰাত অলপ পলম হোৱাৰ আগন্তুক হল। সেই গুণে, উত্থাপিত হব পৰা সম্ভাব্য প্ৰশ্ন দুটা মানৰ উত্তৰ গোসাঁয়ে আগেয়েই দি বৰকটকীক সহঁৰকৈ থলে।

আজি সেই প্ৰশ্নোত্তৰকিটা বৰনৈ ধলত উঠি যোৱা যেঁন বুলি কব পাৰি। প্ৰকৃততে, সেইবোৰৰ এতিয়া একো প্ৰয়োজনো নাই। তথাপি বুৰঞ্জীৰ আৱৰ্তনত নতুনো কেতিয়াবা পুৰণি হয়, পুৰণিও আকৌ নতৈক সঁজাল ধৰি উঠে। জন-সংখ্যাৰ হেঁচাত আগলৈ অসমীয়া ভাষাৰ পৰিস্থিতিয়ে কোন কালে চাল লবগৈ পাৰে, কব নোৱাৰি। এতিয়াই ধুৰঁলি কুৰঁলী। গতিকে, গুৱাহাটীৰ ভাষা-তত্ত্বই কোনোবা কালত আমাক সহায় কৰিবও পাৰে, এই বুলি হেমচন্দ্ৰ গোস্বামীয়ে আগতীয়াকৈ দিয়া সম্ভাব্য প্ৰশ্নকিটাৰ উত্তৰটো উদ্ধৃত কৰি দিয়া হল।

গুৱাহাটী
২২।৪।১৯১২

প্ৰিয় বৰকটকী,

আপোনাৰ ১৭ তাৰিখৰ চিঠিৰদ্বাৰা চীফ কমিছনাৰে গুৱাহাটীত বঙ্গলাৰ ঠাইত অসমীয়া চলাবলৈ স্থিৰ কৰিছে বুলি শুনি বৰ বং পালোঁ। এইটোৱেই আমাৰ সোণাময় ছেগ। এতিয়াই চলাব পাৰিলে অসমীয়া ভাষাৰ জয় আৰু নোৱাৰিলেই চিৰকাললৈ আৰু ছেগ হেৰুৱালোঁ। শ্ৰীযুত সত্যনাথ বৰা, শ্ৰীযুত তৰুণৰাম ফুকন আৰু জনদিয়েকেসৈতে গোট খাই আপোনালৈ কিছুমান সম্ভাব্য (যোৱাৰ উপৰিও) প্ৰশ্নৰ উত্তৰ লিখি পঠালোঁ। ন'ট দিবৰ সময়ত আমাৰ (২)

---

(১) 'পি, এ', চিঠিখন পঢ়ি সন্তোষ যি পালোঁৱেই নে, মোৰ কামত আহিব বুলি বঢ়ো পালোঁ। পি আৰ জি ১৮।৪।১২

(২) আমাৰ মানে গোসাঁইৰ নিজৰে—ব. শ.

কথাখিনিয়ে আপোনাক বৰ সহায় কৰিব।' সম্প্ৰতি এই কেইটা বিষয়ে জানি আপুনি সন্ত্ৰ হৈ থকা উচিত হব। মোৰ বিশ্বাস, এই কেইটাবেই আৱশ্যকতা বিশেষ :—

(১) পূৰ্ব্ববঙ্গ আৰু আসামৰ দাঁতিয়ে কাষৰে থকা জিলাবোৰত যি ভাষা চলে সেই ভাষাতকৈ অসমীয়া ভাষা কিমান মৌলিক ?

(২) অসমীয়া ভাষা বঙ্গলাতকৈ পুৰণি আৰু স্বতন্ত্ৰ হয় নে নহয় ?

(৩) গুৱালপাৰাৰ কথিত ভাষাৰ লগত অসমীয়া ভাষাৰ সাদৃশ্য।

১। অসমীয়া ভাষা সম্পূৰ্ণ স্বতন্ত্ৰ

অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ অন্তৰ্গত বেলিয়ল (Balleol) কলেজৰ প্ৰাচ্যভাষাবিদ প্ৰফেছৰ নিকল্‌চে তেওঁৰ A Bengali grammar-also Assamese grammar বোলা কিতাপৰ ১২ পৃষ্ঠাত লেখিছে :—

"অসমীয়া ভাষাটো বঙ্গলাৰ অপভ্ৰংশ বুলি বহুতে ভাবে। এই কথা কিন্তু সঁচা নহয়। অসমীয়া ভাষা এটা একেবাৰেই স্বতন্ত্ৰ ভাষা আৰু উমৈহতীয়া মূলৰপৰা ইয়াৰ প্ৰচলিত শব্দবিলাক কাটি অহা বাবে বঙ্গলাৰেসৈতে সমান পৰ্য্যায়ৰ। বঙ্গ দেশৰপৰা ইয়াৰ মূল সংস্কৃত অহা নাই।"

১৮৪৮ চনত বেৰাবেণ্ড ব্ৰাউনে লেখি থৈ গৈছে :—

"বঙ্গলা জনাবিলাকে অসমীয়া ভাষাটোক বঙ্গলাৰ অপভ্ৰংশ বুলি কয়। শব্দবোৰ একে দেখিয়েই এনে বিশ্বাস কৰে। কিন্তু দুয়োটা ভাষা একে সংস্কৃতৰপৰা অহা গুণে বঙ্গলা ভাষাটোৱেই খিচিৰী দোৱানলৈ ৰূপান্তৰ হৈ অসমীয়া হৈছে বুলি ঠাৱৰোৱা হৈছে। অসমীয়া যে বঙ্গলাৰপৰা অহা নহয়, এই কথা ধ্ৰুব সত্য—ইয়াক একোপধ্যেই ওকবাব নোৱাৰি। মুছলমান আক্ৰমণৰ আগলৈকে অসমত বঙালীৰ সঁচেই নাছিল। সেই আক্ৰমণৰ বহু আগৰেপৰা অসমত অসমীয়া ভাষা আছে আৰু সেই ভাষা উত্তৰ ভাৰতৰ সংস্কৃতভাষী ব্ৰাহ্মণসকলে লৈ আহিছিল।"

অসমীয়া ভাষা সম্পূৰ্ণ স্বতন্ত্ৰ

অসমীয়া বামুণৰ লগত বঙ্গ দেশৰ বামুণৰ একো সম্বন্ধ নাই। সেই দেখিয়েই, উত্তৰ ভাৰতীয় হিন্দুস্থানী ভাষাৰ লগত অসমীয়া ভাষাৰ উচ্চাৰণ মিলে। অসমীয়া মানুহে সংস্কৃতৰ উচ্চাৰণ যি ৰূপে কৰে ভালে চালে অসমীয়া বঙ্গলা এক বুলি কৰই নোৱাৰি। সৌন্দৰ্য্য আৰু কোমলতাত বঙলাতকৈ অসমীয়া ভাষা শ্ৰেষ্ঠ। ভাৰতৰ অন্যান্য দৰেই ইয়াতো মনৰ ভাব প্ৰকাশ কৰিব পৰা শব্দ উৎকৰ্ষী হৈ আছে।

১৯০১ চনৰ মানুহ পিয়লৰ ৰিপৰ্টত চাৰ এডোৱাৰ্ড গেইটেও কৈছে,

"উৰীয়াৰ দৰেই অসমীয়া ভাষা বঙলাৰ বাই বা ভনী হে—জীয়েক নহয়। ই বঙ্গ দেশৰপৰা অহা নাই; আহিছে উত্তৰ বঙ্গইদি বেহাৰৰপৰা। বঙ্গলা অসমীয়া যে বেলেগ ভাষা উচ্চাৰণে কয়।"

১৮৯১ চনৰ ভাৰতীয় চেন্সচ ৰিপৰ্টত বেনচ্ (Baines) এ লেখিছে :—

"উৰীয়া ভাষাটোক বঙ্গালীবিলাকে বঙ্গলাৰ অপভ্ৰংশ বুলি প্ৰতিপন্ন কৰিব খোজোঁতে উৰীয়াই যিদৰে যুদ্ধ দিব লগীয়া হৈছিল, অসমীয়াই ও এতিয়া সেই দৰেই দিব লগীয়া হৈছে। বঙ্গলাৰ ক্ষেত্ৰ বহলাই বঙালী কৰ্ম্মচাৰীৰ ক্ষেত্ৰ বহলাব খুজিছিল, নোৱাৰিলে। উৰীয়াৰ দৰেই অসমীয়াও কৃতকাৰ্য্য হৈছে।"

"লিঙ্গুইষ্টিক চৰ্ভে অৱ ইণ্ডিয়া" পুথিত ডঃ গ্ৰীয়েৰ্চনে কৈছে :—

"ব্যাকৰণেই যদি ভাষা নিৰ্ণয়ৰ ভেটি হয়, তেন্তে অসমীয়া ভাষাৰ লগত বঙ্গলাৰ একো সম্পৰ্ক নাই। চাটগঞা ভাষাটো বঙ্গলাৰে খিচিৰী অপভ্ৰংশ বুলি কোৱা হয়। অসমীয়াৰ দৰে চাবলৈ গলে, সেই কালেও টেকেলি কাতি।

প্ৰাচীন সাহিত্যৰ কালৰপৰা চালেও অসমীয়া ভাষা এটা স্বকীয়া জাতি, অসমীয়া মানুহবেই স্বতন্ত্ৰ সৃষ্টি বুলি দাবী কৰিবলৈ অধিকাৰ আছে। এই ভাষাৰ স্বকীয়া বিশিষ্টতা আছে; অৱশ্যে কলিকতীয়া বঙ্গালীয়ে জাপি দিয়া বৈশিষ্ট্য নহয়। প্ৰাচীন অসমীয়া সাহিত্য আছে। বঙ্গলাতকৈ পুৰণি নহয় বুলিলেও অসমীয়া সাহিত্য পুৰণি। এই শতিকাৰ আৰম্ভণিলৈকে অসমীয়া ভাষা সমৃদ্ধিশালী আছিল। অসমীয়া সাহিত্য অসমীয়া মানুহৰ নিজা সৃষ্টি। অসমীয়া মানুহৰ প্ৰতিভা সাহিত্যৰ যোগেদি পুৰুষপৰম্পৰায়, বিকশিত হৈ আহিছে। অসমীয়া ভাষাত আটাইতকৈ গৌৰৱ কৰিবলগীয়া সাহিত্য হৈছে বুৰঞ্জী। বঙ্গালীয়ে বুৰঞ্জী সাহিত্যৰ নামগোন্ধকে নেপায়।

জাতি এটাই সাহিত্য সৃষ্টি কৰে নে, সাহিত্যই জাতি সৃষ্টি কৰে, মই কব নোৱাৰোঁ। কিন্তু, দুয়োটাই বহু শতাব্দীৰ আগৰপৰাই সবল ভাবে চলি আহিছে। উত্তৰে অভিন্ন-কৰ্ত্তৃত নিৰ্দ্ধাৰিত সাহিত্যৰ ভাষা এটি উদ্ভৱ হ'ল। সেই ভাষাৰ ব্যাকৰণ বঙ্গলাৰসৈতে মিলনেই বা নিমিলকেই সি যে স্বাধীন স্বতন্ত্ৰীয়া ভাবে থাকিবলৈ অধিকাৰ দাবী কৰিব পাৰে, তাক কোৱা বাহুল্য মাথোন।"

তেওঁ মেই আকৌ কৈছে :—

> "অকল বুৰঞ্জী সাহিত্যৰ নিমিত্তেই অসমীয়া জাতি গৌৰৱান্বিত। বুৰঞ্জী সাহিত্যত অসমীয়া জাতি ভাৰতৰ সকলো জাতিতকৈ ওপৰত। অসমীয়া মানুহৰ দৰে বুৰঞ্জী লেখা ৰীতি ভাৰতত নাই বুলিলেও বঢ়াই কোৱা নহয়। কুৰুপাণ্ডৱৰ সমসাময়িক ভগদত্তৰ দিনৰপৰা অসমীয়া সাহিত্যত ধাৰাবাহিক বুৰঞ্জী আছে। যোৱা ছশ বছৰৰ বুৰঞ্জী নিখুঁত-নিৰ্ভুল ভাবে লিখা আছে। তাৰ সত্যতা একোপধ্যেই মুই কৰিব নোৱাৰি।"

উল্লিখিত উক্তিবিলাকেই প্ৰমাণ কৰে যে অসমীয়া ভাষা অতি পুৰণি।

২। গুৱালপাৰৰ কথিত ভাষাৰ লগত সাদৃশ্য :—

শিৱসাগৰৰ কথিত ভাষাই অসমীয়াৰ আহি ভাষা বুলি পৰিগণিত। সেইদৰে নদীয়া শান্তিপুৰৰ ভাষাই বঙ্গলা সাহিত্যৰ প্ৰচলিত ভাষা।

গুৱালপৰীয়া ভাষাৰ লগত শিৱসাগৰ, নদীয়া, কোন ঠাইৰ ভাষাৰ সাদৃশ্য আছে, "লিঙ্গুইষ্টিক চৰ্ভে অৱ ইণ্ডিয়া"ৰ প্ৰথম খণ্ডৰ পঞ্চম ভাগৰ ৪১৫ পিঠি চালেই পাব।

পচিম অসমৰ অসমীয়া ভাষাটো গ্ৰীয়েৰ্চনে ৰাজবংশী বুলি কৈছে। ৰংপুৰীয়া ৰাজবংশীতকৈ গুৱালপৰীয়া ৰাজবংশীৰ ভাষা অসমীয়াৰ লগত বেছি মিল আছে। গুৱালপাৰৰ অধিবাসী হ'ল কোঁচ, ৰাজবংশী আৰু মেছ। এইবিলাকৰ নিবাস ব্ৰহ্মপুত্ৰৰ পাৰতে। কছিতা মানুহবিলাক মানৰ দিনত উজনিৰপৰা অহা। এই কথাৰ সঁচা-মিছা মিলৰ বিপৰ্টত পাব।

মিলে লেখিছে :—

মানৰ দিনত গুৱালপাৰালৈ পলাই অহা চহকী মানুহবিলাক প্ৰায়েই উজনিলৈ উলটি গল, দুখীয়াবিলাকৰ সৰহ ভাগ ইয়াতে থাকি গল। আমি বেশ অধিকাৰ

কথাৰ পাচতো, সিবিলাক আৰু লগত। সেইবিলাকৰ সভিতভতিয়েই এতিয়াও হাওৰাঘাট আৰু খুঁটাঘাট (খুঁতাখাত) জিনি আছে। এই কাৰণেই গুৱালপাৰৰ ভাষা শিবসাগৰৰ লগত মিলাটো স্বাভাৱিক।”

গুৱালপৰীয়াই চ, ছ, শ, ষ, স ৰ উচ্চাৰণ কাচাৰকে ধৰি ই কেইখন ব্ৰহ্মপুত্ৰ-উপত্যকাৰ জিলা কেইখনৰ দৰেই কৰে, তেওঁবিলাকৰ শতকৰা ৮০ টা শুধ অসমীয়া। অসমীয়া আৰু গুৱালপাৰা বোলা দুটা ভাষা হব নোৱাৰে।

অসমীয়া	গুৱালপৰীয়া	বঙলা
বেলি	বেলা	সূৰ্য্য
পানী	পানী	জল
জুই	জুই	আগুণ
লোণ	নুণ	লবণ

গুৱালপৰীয়া অসমীয়াৰ যোজোনা পটন্তত একে। বঙালীৰ পাঠান্তৰ একেবাৰে সুকীয়া।

অসমীয়াই যেনেকৈ ক্ৰিয়াৰ আগত “না” ব্যৱহাৰ কৰে, গুৱালপৰীয়াইও তেনেকৈয়ে কৰে। বঙালীয়ে হলে পাছত কয়। যেনে, অঃ—না যাওঁ; বং-যাব না।

গুৱালপৰীয়াই চিনাকি দিওঁতে অসমীয়া বুলি হে কয়। গুৱালপাৰৰসৈতে বঙ্গদেশৰ বিয়া-বাৰু নহয়। ধৰ্ম্ম-পুথি, সামাজিক ৰীতি-নীতি, গুৰু-গোসাঁই, অসমীয়াৰ যেনে গুৱালপৰীয়াৰো তেনে। গুৱালপৰীয়া মাইকী মানুহে অসমীয়াৰ দৰেই মেখেলা পিন্ধে—বঙালীৰ দৰে শাৰী নিপিন্ধে, খোপাও বান্ধে অসমীয়াৰ দৰেই। অসমীয়া তিৰুতাৰ দৰেই গুৱালপৰীয়া তিৰুতাই কাপোৰ বয়। তাঁতত কাপোৰৰ ফুল বাছে। অথচ বঙ্গদেশৰ বঙ্গালীৰ মাজত সেইবোৰ ঘৃণনীয় কাম।

এইবোৰ কথাকে উল্লেখ কৰি আপোনাৰ টোকাটো কাঁটিল আৰু শকত কৰিব।

আপোনাৰ মৰমৰ
শ্ৰীহেমচন্দ্ৰ গোস্বামী
২২।৭।১৯১২

গোস্বামীদেৱৰ চিঠিৰ উত্তৰে পাচত খৰ ভুল দিলে। গুৱালপাৰত অসমীয়া ভাষা চলাবলৈ চৰ্কাৰে স্থিৰ কৰাৰ পৰা কাৰ্য্যত পৰিণত কৰালৈকে যিবোৰ আসোঁৱাহ উলিয়া হৈছিল সেইবোৰ ইয়াৰে খণ্ড-বিখণ্ডকৈ কাটি আঁতৰোৱা হল আৰু ১৯১৪ চনত গুৱালপাৰাৰ স্কুল-আদালত সকলোতে অসমীয়া ভাষা প্ৰচলিত হল। এই চেষ্টাত হেমচন্দ্ৰৰ অৰিহণা কিমান, কোৱা অনাৱশ্যক।

সাংবাদিক আৰু সাংবাদিকতাৰ পৃষ্ঠপোষক

নিয়মিত সাংবাদিক (জাৰ্ণেলিষ্ট) নাছিল যদিও, ('জোনাকী' আৰু "অৰুণৰ" কথা নুধৰীয়া), হেমচন্দ্ৰ আছিল সাহিত্যালোচনীৰ উদগনি-উৎস আৰু পৰামৰ্শদাতা।

কলিকতাৰপৰা ওলোৱা "জোনাকী" মৰিলত, গোসাঁয়ে আকৌ ১৮৯৯ চনত লক্ষ্মীনাথ বেজবৰুৱা আদিৰে পৰামৰ্শ কৰি 'গুৱাহাটী'ৰপৰা উলিয়াব খুজিছিল—সেই কথা উল্লেখ কৰি অহা হৈছে। গুৱাহাটীৰপৰা ওলোৱাত, সত্যনাথ বৰা ডাঙৰীয়া সম্পাদক হৈও সৰহদিন জীয়াই ৰাখিব নোৱাৰিলে। ১৯০২ চনৰপৰা অসমীয়া আলোচনী কাকতৰ নামেই নোহোৱা হ'ল। ডিব্ৰুগড়ৰ পৰা 'টাইমচ্ অব আসাম'ৰ সম্পাদক ৰাধানাথ চাংকাকতী ডাঙৰীয়াই "আসাম হিতৈষী" নাম দি বাতৰি আৰু আলোচনী কাকত উলিয়াবলৈ লৈছিল। প্ৰস্তাৱিত কাকতখনৰ নক্সা বা আকৃতি-টোও ব্লকৰে অনা হৈছিল ; অনুষ্ঠান পত্ৰও ছপা কৰি ঠায়ে ঠায়ে প্ৰচাৰ কৰা হৈছিল। সৰহ দিন চলাব পৰা নহ'ব যেন ভাবি চাংকাকতীয়ে কাকত উলিয়াবলৈ সাহ কৰিব নোৱাৰিলে।

ৰাধা চাংকাক-তীৰ "আসাম হিতৈষী"

"উষা"'ৰ সন্ধ্যাতাৰা

১৯০৫ চনত হেমচন্দ্ৰ গোস্বামী ই, এ, চি, এচিষ্টেণ্ট চেটেলমেণ্ট অফিচাৰ আৰু ডেপুটী কলেক্টৰ হৈ যেতিয়া তেজপুৰলৈ গ'ল, তেতিয়া সকলো আগাম-পুৰাণ চাই পদ্মনাথ বৰুৱাই প্ৰস্তাৱ কৰিলে যে গোসাঁয়ে গুৰি ধৰিলে বৰুৱাই কাকত এখন উলিয়াবলৈ যত্ন কৰি চাব পাৰে। কিন্তু, প্ৰস্তাৱমতে কামটো উভি আনোতেই কাকত চলোৱাত বুধিৰ সাগৰ আৰু সাংবাদিকতাৰ পোষক আৰু উৎসাহদাতা গোসাঁই মঙ্গলদৈলৈ বদলি হ'ল। আলোচনীখনৰ কাম আৰম্ভ কৰিব পৰা নহ'ল। তথাপি, বৰুৱা ডাঙৰীয়াই সমসাময়িক সুপ্ৰসিদ্ধ সুসাহিত্যিকসকললৈ চিঠি-পত্ৰ লেখি জনালে যে তেখেত অলপতে কলিকতালৈ গৈছিল—তাত জনদিয়েক সাহিত্যিকে বৰুৱাক মাহেকীয়া কাকত এখন উলিয়াবলৈ হেঁচি ধৰিছে। তেখেতৰ প্ৰবল ইচ্ছাৰ লগত কলিকতীয়া বন্ধুবেক

পদ্মবৰুৱাৰ "উষা"

সৰলৰ ইচ্ছা যোগ দিয়াত "উষা" নাম দি তেখেতে কাকতখন উলিয়াবলৈ স্থিৰ কৰিছে। গোসাঁইলৈ লেখা চিঠিত সেই নামকৰণে দুটা উদ্দেশ্য সাধন কৰিব বুলি লেখিছিল। সেইৰূপে প্ৰথম বছৰৰ প্ৰথম সংখ্যাত দিব পৰাকৈ "উষা" নামৰ লগত মিলিতা খোৱা কবিতা এটিও খুজিছিল।

১৮২৭ শকৰ মাঘত কাকত খন উলিয়াৰ কথা আছিল। কিন্তু 'উষা'ৰ বেটী-পাতত দিব পৰা প্ৰতীকটোৰ ব্লক আহি নোপোৱাত মাঘৰ বিহুত 'উষা'ৰে ৰাইজক বিহু খুৱাব নোৱাৰিলে। এই বিষয়ে পদ্ম বৰুৱাই হেম গোস্বামীলৈ লেখা চিঠি জাপ জাপ হৈছিল।

পদ্মনাথ বৰুৱাই ২৭।২।১৯০৬ চনত দিয়া চিঠিখনৰ পৰা বুজিবলৈ বাকী নেথাকে যে 'উষা' বা 'উষা' উলিয়াত গোসাঁয়েই প্ৰথম উদগনি দিছিল আৰু গোসাঁইৰ বুদ্ধি-ভাৰসীৰ ওপৰত নিৰ্ভৰ কৰিয়েই বৰুৱাই 'উষা' উলিয়াইছিল।

বৰুৱাই চিঠি-পত্ৰ প্ৰায় ইংৰাজীতেই দিছিল। কিন্তু 'উষা'—সম্পৰ্কে লেখা খন দিয়েক অসমীয়াৰে লিখিছিল। গোসাঁয়ে প্ৰতিশ্ৰুতি বা উপদেশ কি দিছিল, পোৱা কঠিন। তথাপি বৰুৱাৰ চিঠিবপৰাই তাৰ আঁত ধৰিব পাৰি। তেওঁ ২৭।২।০৬ ফাগুন, ১৮২৭ শক তাৰিখৰ চিঠিত লেখিছিল,

প্ৰিয় গোসাঁইদেও,

> "ফাগুনৰ এই কেইটা দিনৰ ভিতৰত আপুনি কেতিয়া মঙ্গলদৈ ষ্টেচনত থাকিব মোক জানিবলৈ দিব পাৰিলে, সেইকালে ইয়াৰ ভিতৰতে পাক এটা দি আহিবৰ মন আছে।
>
> আপোনাৰ 'উষা'ৰ প্ৰায় সকলো আয়োজন হৈ উঠিছে। আপোনাৰ প্ৰবন্ধাদি আহি পালেহিয়েই কাৰ্য্য আৰম্ভ কৰা হব। বিশেষ আপোনাৰ ভাগ আগেয়েই লাগে। কিয় নো, প্ৰথম কৰ্মাত যোৱা কবিতাৰ ভাৰ আপোনাৰ গাত আছে। সোনকাল কৰিব। শ্ৰীযুত ৰবদলৈকো (ৰজনী, তেতিয়া মঙ্গলদৈত আছিল) কব। বহাগৰ প্ৰথমদিনা উলিয়াবলৈ হলে চ'তৰ প্ৰথম দিনাৰপৰা আৰম্ভ নকৰিলে টান পৰবিগৈ।

মৰমৰ
শ্ৰীপদ্ম

মৰুলকৈ গোসাঁয়ে মণ্ডল-কাননত, পচাশলীয়া পণ্ডিত আৰু মৌজাদাৰৰ কাকো "উষা"ৰ গ্ৰাহক কৰিবলৈ বাকী নথলে। যেখেতে কবিতাৰ সম্ভাৰ দিব নোৱাৰিলে যদিও এটাৰ পাচত এটাকৈ পুৰণি সাহিত্য চিনাকি দিয়া এলানি প্ৰবন্ধ লিখিলে। গোস্বামীদেৱৰ "উষা"লৈ পেলোৱা অৱিহণাৰ ভিতৰত সঁচিপতীয়া বুৰঞ্জীৰপৰা বিচাৰি আনি নিৰ্জীৱ লাচিত বৰফুকনৰ কাহিনীটি "প্ৰথম বছৰৰ 'উষা'ত "শৰাইঘাটৰ যুদ্ধ" নাম দি জাগ্ৰত জীৱন্ত কৰি তোলা অভূতপূৰ্ব্ব প্ৰবন্ধটিয়েই প্ৰধান।

হেমচন্দ্ৰ গোস্বামী আছিল "উষা"ৰ সঙ্কট-ত্ৰাতা। "উষা" ওলোৱাৰপৰা "কৃপাবৰ বৰুৱাৰ প্ৰত্যাগমন" শীৰ্ষক প্ৰবন্ধ কিছুমান ধাৰাবাহিককৈ প্ৰকাশিত হৈ আছিল। তাৰে "এংল'-ইণ্ডিয়ান" নামে পালী প্ৰবন্ধটোত ইংৰাজৰ প্ৰতি বিদ্বেষ ভাব সৃষ্টি-কৰিব-পৰা কথা কিছুমান ওলাই গ'ল। * সেই অপৰাধৰ বাবে "উষা"ৰ সম্পাদক "জবাব-দিহী" হ'ল আৰু সন্তোষজনক কৈফিয়ৎ নিদিয়ে মানে "উষা" প্ৰকাশৰ "মানাহি" আহিল। এই বিষম সঙ্কটত পৰি পদ্মনাথ বৰুৱাৰ ঠেকৰেই হেৰাইছিল। গোসাঁয়ে ৰক্ষা কৰিলে দেখি হে, নকৰা হলে তৃতীয় ভাগতে 'উষা' মৰি থাকিলহেতেন। গোস্বামীয়ে দিয়া বুদ্ধিমতে কাম কৰাত যেনিবা 'উষা'ৰ সম্পাদক সেই বাবলৈ অপৰাধ মুক্ত হ'ল আৰু পুনৰ কাকতখন চলাব পৰা হল।

"আলোচনী"ৰ প্ৰতি সহৃদয়তা

(বাগ্মীবৰ) শ্ৰীযুত নীলমণি ফুকন ডাঙৰীয়াই ডিব্ৰুগড়ৰপৰা ওলোৱা "আলোচনী"—কাকতৰ সম্পাদকৰূপে হেমচন্দ্ৰ গোস্বামীলৈ খনে খনে চিঠি লেখি গোস্বামীৰপৰা ভালেমান শিলৰ ফলিৰ পাঠ নি প্ৰকাশ কৰিছিল। গোসাঁইৰ ইচ্ছা—বুৰঞ্জীমূলক কথাবিলাক ছপা হৈ নেথাকিলে, কালত সেইবোৰ লোপ পাবগৈ—, বুৰঞ্জী হলেও অলিখিততকৈ 'লিখিত' বেছি বিশ্বাসযোগ্য।

'আলোচনী'ৰ উঠি-সম্পাদক শ্ৰীযুত লক্ষ্মীনাথ ফুকনে বহু প্ৰবন্ধেৰে গোসাঁইৰ পৰা বহু প্ৰবন্ধ সৰকাইছিল (গোসাঁইৰপৰা প্ৰবন্ধ পোৱা বৰ টান আছিল)। সেই-বিলাকৰ ভিতৰত "অনাৰেবোল মাণিক চন্দ্ৰ বৰুৱা" বোলাটিয়েই সৰ্ব্বোৎকৃষ্ট আৰু আত্মপ্ৰেৰণামূলক। বৰুৱা ডাঙৰীয়াৰ গোটেই জীৱনটো চমুতে ইমান হৃদয়গ্ৰাহীকৈ

* ১৮৩০ শকৰ ভাদ মাহত ওলোৱা ৩য় বছৰৰ ৩য় সংখ্যা "উষা"।

ৰৰ্ণোৱা হৈছে যে, পঢ়ি গলে বৰুৱাৰ দেশপ্ৰাণতাৰ বাবে শ্ৰদ্ধাৰ ভক্তিৰ উদ্ৰেক হয়।

আৰু এটা প্ৰবন্ধ ফুকনে নিছিল—যিটোক হে আচলতে "সৰকোৱা" বুলি কব পাৰি। সেইটো আছিল চৰ্কাৰৰ গুপুত টোকা। গোস্বামীয়ে ফুকনৰ অনুৰোধ পেলাব নোৱাৰি দিওঁ-নিদিওঁকৈ হে টোকাটি দিছিল—অবশ্যে সম্পাদকৰ দায়িত্বত।

টোকাটো পুৰণি যদিও, শাসনৰ ক্ষেত্ৰত সেবেকা নোহোৱা যেন লাগে। এই-বুলি ভাবি আৰু গোস্বামীৰো নঠী-ভাঙনীৰ আহিঁ চাওক বুলি তলত দিয়া হল :—

"মেজৰ আভাম হোৱাইটে এটি এটিকৈ বিদেশীক কামত সুমুৱা বাবে ডেভিদ্ স্কটে তেওঁৰ কৈফিয়ৎ খুজি লেখিছিল :—

> খালী হৈ থকা প্ৰত্যেক কামতে উপযুক্ত অসমীয়া মানুহক হে লব লাগে বুলি দঢ়াই দঢ়াই লেখি আছোঁ, সিমানতো হোৱাইটে সেই কথা শুগুনি পুলিচ বিভাগত বিদেশী মানুহ মকৰল কৰিছে। মনোনীত কৰা বিষয়াৰ বিষয়ে মোৰ কবলৈ একো নাই। কিন্তু ক্ৰমান্বয়ে অসমীয়া মানুহক কামৰপৰা বঞ্চিত কৰি হোৱাটোহে মই কেতিয়াও সমৰ্থন কৰিব নোৱাৰোঁ। এতিয়া উপযুক্ত অসমীয়া মানুহ বহুত ওলাইছে। পুলিচ বিভাগৰ দহোটা বিষয় কিয় বঙালীক দিয়া হল আৰু তাৰ সন্তোষজনক কৈফিয়ৎ দিব লাগিব।"

'প্ৰদীপিকা'ৰ পোষকতা

ঔপন্যাসিক, ধৰ্ম্মপ্ৰাণ, সুসাহিত্যিক ৰজনীকান্ত বৰদলৈ ডাঙৰীয়াই ৺তাৰা-প্ৰসাদ চলিহা বেৰিষ্টাৰ ডাঙৰীয়াৰ সহযোগিতাৰ দক্ষিণপাট সত্ৰাধিকাৰ শ্ৰীশ্ৰীনৰদেৱ গোস্বামীৰ অৰ্থসাহায্য লাভ কৰি শ্ৰীশ্ৰীদেৱ দামোদৰৰ ধৰ্ম্মমত প্ৰচাৰাৰ্থে "প্ৰদীপিকা" নামে এখনি আলোচনী কাকত প্ৰকাশ কৰে। বৰদলৈ ডাঙৰীয়া নিজে তাৰ সম্পা-দক আছিল আৰু গোস্বামীদেৱে দি আছিল বুদ্ধি-ভাবসা, প্ৰবন্ধ-সম্ভাৰ আৰু অন্যান্য য'ত যি লাগে মানে সকলো। ৰজনীকান্ত বৰদলৈৰ "প্ৰদীপিকা" আৰু লক্ষ্মীনাথ

---

* এই টোকাটিকে হেমচন্দ্ৰ গোস্বামীয়ে ভাঙনী-কোঁৱৰ, পুলিচ-বিষয়া ৰায় বাহাদুৰ আনন্দ চন্দ্ৰ আগৰৱালাৰ হাততো দিছিল। ৺ডেভিদ্ স্কটৰ ১৮৩০ চনৰ ২০ এপ্ৰিলৰ চিঠি। ৰ, শ,।

বেজবৰুৱাৰ "বাঁহী"য়ে নিজৰ নিজৰ মতবাদ প্ৰতিষ্ঠা কৰিবলৈ এখন বিস্তৃত যুদ্ধ ক্ষেত্ৰ প্ৰস্তুত কৰিছিল আৰু সেই যুদ্ধত বাক্যবাণ প্ৰয়োগ হওঁতে কোনো কোনো-জন লেখক ইমান শিষ্টাচাৰ বহিৰ্ভূত হৈছিল যে, সেইবোৰ দেখি-শুনি হেমচন্দ্ৰ গোস্বা-মীয়ে বৰদলৈ লৈ লেখিছিল, "গালি পৰা যুদ্ধত জয় হোৱা কেতিয়াও সম্ভৱ নহয়। প্ৰকৃত সত্য উদঘাটনেই আমাৰ কৰ্ত্তব্য। তৰ্ক কৰা উদ্দেশ্য নহয়।"

বিভিন্ন বৈষয়িক কাৰ্য্যত লিপ্ত থাকিব লগীয়া হোৱাত ধৰ্মানুৰাগী বৰদলৈ ডাঙৰীয়াই, 'প্ৰদীপিকা' চলাবলৈ অগত্যা এৰি দিবলগীয়া হল।

"অৰুণ"ৰ সম্পাদকতা

চেমনীয়াতে লৰাৰ মনত স্বদেশ প্ৰেমৰ কঠীয়া সিচিব লাগে, মাজ-বতৰত বা আদবতৰত সিঁচিলে সি ঠিহিবা হয়। সেই গুণে, আমাৰ লৰা-ছোৱালীইঁতৰ মনত মাতৃ-ভাষালৈ মৰম ওপজোৱাটো নিতান্ত আৱশ্যক। পঢ়াশলীয়া কিতাপতে মনটো হঁত সোমাই থাকিলে আগলৈ তাক ভাঙৰ কৰা বৰ টান হৈ পৰে। এইবোৰ কথাকে আগপাচ চাই শিশু প্ৰকৃতিৰ হেমচন্দ্ৰই লোহিত চন্দ্ৰ ভূঞাক প্ৰকাশক পাতি কলিক-তাৰ পৰা "অৰুণ" নাম দি এখনি চিত্ৰ-বিচিত্ৰ শিশু আলোচনী সম্পাদনা কৰে। সেই আলোচনীখনৰ প্ৰথম প্ৰকাশ হয় ১৮৩৭ শকৰ মাঘত। "অৰুণ"ৰ নিচিনা সুন্দৰ-সুন্দৰ ছবিৰে সুশোভিত কাকত এখন আজিলৈকে ওলোৱা নাই। লৰা-ছোৱালীয়ে কপাকপ মাতি যাব পৰাকৈ আৰু এবাৰ বা দুবাৰ পঢ়িলেই মনত ৰোৱাকৈ এনেকুৱা কোমল আৰু শুৱলা ভাষাৰে কবিতা প্ৰবন্ধ (পৰিশিষ্ট চাওক) লেখিছিল যে লৰা-ছোৱালীয়েহে নেলাগে বয়সীয়া মানুহেও বৰ আন্তিক আৰু আদৰেৰে পঢ়িছিল। শিশু-আলোচনীৰ সাম্পদক আৰু তাৰ প্ৰবন্ধ লেখক হিচাপে হেমচন্দ্ৰ গোস্বামীৰ স্থান কলটী-সদৃশ। দুখ লাগে, সাহিত্য-বুৰঞ্জী-লেখকসকলৰ দৃষ্টিত "অৰুণ"খন আজিও পৰা নাই।

---

* এই উপদেশটি বৰদলৈয়ে দক্ষিণপাট সত্ৰাধিকাৰ গোস্বামীলৈ দিয়া চিঠিৰ পৰা উদ্ধৃত।

কামৰূপ অনুসন্ধান সমিতিত

হেমচন্দ্ৰ গোস্বামীদেৱে স্বতঃপ্ৰবৃত্ত হৈ, হয় পদব্ৰজে, নহয় হস্ত্যাৰোহণ কৰি নাইবা নৌকাৰোহণ কৰি, নতুবা পত্ৰাদি বিনিময় কৰি প্ৰত্নতত্ত্বৰ যিখিনি কাম কৰি গল, সিমানখিনি কাম আধুনিক যুগত দ্বিচক্ৰ, বা চতুঃচক্ৰ নাইবা বহুচক্ৰ যানত ভ্ৰমণ কৰিও কৰিব পৰা সম্ভৱ নহয়। যিহেতুকে গোস্বামীদেৱে সুবাবন্ধা ধনৰ টোপোলাৰে আশা কৰা নাছিল ; কৰিছিল অতীতৰ গৌৰবোজ্জ্বল ঐতিহাসিক বস্তুবাজি সংগ্ৰহ-সংৰক্ষণ কৰি মাতৃভূমি মাতৃ-ভাষাৰ মুখ উজ্জ্বলাবলৈ।

১৯০৮ চনত দুৰদীয়া লাটৰ নিৰ্দ্দেশ ক্ৰমে মিঃ চুডমাৰ্চনে অসমীয়া ভাষাৰ বিষয়ে যিটো 'মন'গ্ৰেফ' বা সংক্ষিপ্ত বৃত্তান্ত লেখিছিল, সেইখনকে শুদ্ধাশুদ্ধ চাই দিবৰ নিমিত্তে গৰ্ডন চাহাবলৈ ঘূৰাই পঠোৱাত, গৰ্ডনে কিছুমান পৰামৰ্শ তাতে যোগ দিলে। 'মন'গ্ৰেফত' বুৰঞ্জী পুথিবিলাক চুডমাৰ্চনে সংৰক্ষণ কৰিব লাগে বুলি কৈ এজন সুবিজ্ঞ সংস্কৃত আৰু অসমীয়া ভাষা জনা সাহিত্যানুৰাগী লোকৰ নিতান্ত প্ৰয়োজন বুলি সূচাই দিছিল। ই, এ, চি, গ্ৰেডৰ হলে ভাল। এইটো অতি উত্তম আৰু আকাঙ্ক্ষনীয় সংকেত। মিঃ গেইটে বুৰঞ্জীৰ অনুসন্ধান হে কৰিলে—মাত্ৰ অনুসন্ধান। সেইবোৰ সংগ্ৰহ কৰি সুৰক্ষণ কৰাৰ একো দিহা পৰামৰ্শ নিদিলে। একট্ৰা এচি-ষ্টেণ্ট কমিচনাৰ শ্ৰীযুক্ত ৰাধানাথ ফুকনে ভাঠি কৈছে যে গেইটৰ "বুৰঞ্জী-অনুসন্ধানৰ ৰিপৰ্টত" দেখুউৱা বুৰঞ্জী-মূলক পুথি-পাজিবোৰৰ লেখ ফুটুকাৰ কেন মাত্ৰ। গেইটৰ দ্বাৰাই বুৰঞ্জী-লেখা সঁজুলি যাথোন সংগৃহীত হল।

চুডমাৰ্চনে যে সংগ্ৰহ কাৰ্য্যত এজন ভাল মানুহ লাগিব বুলি কৈছে, সেই কথা সমৰ্থন কৰি গৰ্ডনে হেমচন্দ্ৰ গোস্বামীয়েই একমাত্ৰ উপযুক্ত লোক বুলি ছুলাৰ গৱৰ্ণমেণ্টলৈ লেখিলে।

"হেমচন্দ্ৰ গোস্বামীয়ে "উষা" আৰু 'জোনাকী'ত ভালেমান অসমীয়া ভাষাৰ বিষয়ে প্ৰবন্ধ লেখিছে। তেওঁ একনিষ্ঠ সাহিত্যসেৱীও ; বুৰঞ্জীতো বৰ বাপ আছে। গেইট আৰু মোৰ লগত কাম কৰি তাৰ খটিয়া চিনাকি দি থৈছে। অকল সিমানেই নহয়। গোস্বামী হোৱা বাবে সকলো সত্ৰ আৰু পুথিৰখা মানুহৰ ঘৰত তেওঁৰ অবাধ প্ৰবেশ। গতিকে হেমচন্দ্ৰ গোস্বামীয়েই পুথি সংগ্ৰহৰ নিমিত্তে একমাত্ৰ উপযুক্ত লোক। ১৪।৪ ১৯০৮ পি, আৰ, টি গৰ্ডন, অফিচিয়েটিং কমিছনাৰ।"

গৰ্ডনৰ সঁজাতী



হেমচন্দ্ৰ গোস্বামী

(কমিছনাৰৰ পি এ হৈ থাকোঁতে)

"ভীষ্মপৰ্ব্ব" প্ৰকাশক

লক্ষেশ্বৰ শৰ্ম্মা বি এ

ইতিমধ্যে, নলবাৰীত কামৰূপ সংস্কৃত টোলৰ পণ্ডিত আৰু উদ্যোক্তাসকলৰ এখন সভাত এখন ইংৰেজীৰ অনবেৰী ডাইৰেক্টৰ হিচাপে কৰ্ণেল গৰ্ডনে সংস্কৃত ভাষা আৰু প্ৰাগজ্যোতিষপুৰৰ গৌৰৱ বৰ্ণাই এটি বক্তৃতা দিবলগীয়া হ'ল। গোসাঁয়ে সেই সময়ত "অসমীয়া পুথিৰ বৰ্ণনাত্মক তালিকা"খন যুগুত কৰি আছিল। তেতিয়ালৈহে ২১ খন অসমীয়া আৰু ৪০ খন সংস্কৃত পুথি মাত্ৰ গোট খাইছিল। ইপিনে, গৰ্ডনে সেই কামৰূপৰা অৱসৰ লোৱাৰ সময় চমু চাপিলহি। তেওঁ বিদায় লোৱাৰ আগে-য়েই যেন তালিকাখন সম্পূৰ্ণ হয়, তাৰ নিমিত্তে গোসাঁইক লৰালৰি কৰিবলৈ কৈছিল আৰু সোনকালে কামটো হ'বৰ নিমিত্তে নলবাৰীৰ প্ৰতাপ গোস্বামী আৰু ইন্দ্ৰেশ্বৰ বৰঠাকুৰলৈও গোসাঁইক সহায় কৰি দিব লাগে বুলি বেলেগে চিঠি লেখিছিল। আন কি, সেই নলবাৰীত পাতিব খোজা সভালৈ এই বিষয়ে টানি কৰবলৈকে যোৱাৰ উদ্দেশ্য আছিল। গোসাঁইক এইটো কথাও ভিতৰি জানিবলৈ দিছিল—যে পুৰণি প্ৰাগজ্যোতিষপুৰখন এসময়ত জ্যোতিষৰ কেন্দ্ৰ থকা বাবে, গুৱাহাটীৰ ওচৰে-পাজৰে সংস্কৃত ভাষাত লেখা সৌৰ জগতৰ গ্ৰহগতিৰ সঞ্চাৰ গণনা কৰা আৰু নানান জ্যোতি-ষৰ পুথি থকা স্বাভাৱিক। নলবাৰীলৈ গলে বিশেষকৈ কি কি বিষয়ে পণ্ডিতসকলক অনুৰোধ কৰিব লাগিব, সকলো কথা বিবৰি তেওঁক যেন বক্তৃতা-বিষয়টোৰ আভাস এটা দিয়ে।

নিৰ্দ্দিষ্ট সময়ত সভা হ'ল। গৰ্ডনে সংস্কৃত ভাষাৰ বিশেষত্ব আৰু সংস্কৃত পুথি-বিলাকৰ সংৰক্ষণ ব্যৱস্থাৰ বিষয়ে সকলোকে পৰিপাটিকৈ বুজাই দিলে। হেম গোসাঁইৰ হাতত নিৰ্ভয় মনে সকলোৱে সংস্কৃত-অসমীয়া পুথি সমূহ দিবলৈ প্ৰতিশ্ৰুতি দিলে।

কিন্তু, পুথি সংগ্ৰহ কাৰ্য্যত এজন জনা-বুজা দায়িত্বপূৰ্ণ উচ্চবিষয়া অকল সেই কামৰ বাবেই নিযুক্ত নহলে, সহজে গোটেই অসমতে বিক্ষিপ্ত হৈ থকা পুথিসমূহ গোটোৱা টান। এই কাৰণে, সেই কামটো হাতত লোৱা হৈছিল যদিও, থৰথৰকৈ কৰিব পৰা নহ'ল; অলপ পলম হ'ল।

১৯১২ চনৰ ৬ জুন তাৰিখে চীফকমিছনাৰ চাৰ আৰ্চডেল আৰ্ল চাহাব আহক গুৱাহাটীলৈ। হেমচন্দ্ৰ গোস্বামীয়ে তেখেতক সাক্ষাৎ কৰি হস্তীবিদ্যাৰ্ণৱ, কামৰত্ন তন্ত্ৰ, ঘোৰা নিদান, বৈদ্যকল্পতৰু আদি সচিত্ৰ আৰু উকা সাঁচিপতীয়া পুথিখনচাৰেক দেখুৱায় আৰু লগতে কয় চৰকাৰৰ আওহেলাত এনেবিলাক আপুৰুগীয়া পুথি ধোৰ্ঁা-চাওতে নষ্ট হৈছে, আৰু কত যে নৈসৰ্গিক কাৰণত সেইবিলাক লোপ পাইছে, তাক

নৈক অন্ত কৰিব নোৱাৰি ; হংসবেগ কটকীয়ে হৰবৰ্দ্ধন বজাক দেখুৱাদি, পুথি সমূহৰ বিৱৰণ কৈ চীফ্ কমিছনাৰৰ মন গলাই পেলালে। চি, চি. য়ে গোসাঁইক বিমান পাৰে সিমান পুথি সঁচিবন দি কিনি আনিবলৈ কলে আৰু আশ্বাস ও দিলে যে সেই-বিলাক কিনি অনা হলে, প্ৰস্তাৱিত আৰ্টস্কুলৰ গেলেৰী আৰু মিউজিয়মত সাৱধানে ৰাখি থব পৰা হব। সেই দিনাৰ সাক্ষাতত্তে গোসাঁইক পুথি সংগ্ৰহৰ নিমিত্তে বিশেষ বিষয়া নিযুক্ত কৰাৰ কথা এক প্ৰকাৰ ঠিকেই হৈ গ'ল।

তাৰপৰা সৰহ দিন নহলেই, ১৯১২ চনৰ ১ অক্টোবৰ তাৰিখে ডেপুটী কলেক-টৰ হেমচন্দ্ৰ গোস্বামীক বিশেষ কাম সম্পাদন কৰিবৰ নিমিত্তে বিষয়া নিযুক্ত কৰা হল; অৰ্থাৎ পুৰণি পুথি বিচৰা কামত নিযুক্ত হল। এই নিযুক্তিত "আসাম বন্তিৰ" যে কথাই নাই, ৰাধানাথ চাংকাকতীৰদ্বাৰা সম্পাদিত ইংৰাজী কাকত "টাইম্‌চ" অব আসামে"ও অতিশয় আনন্দ প্ৰকাশ কৰিছিলে। 'টাইম্‌'চে লেখিছিল" :—

"পুৰাতত্ত্ব অনুসন্ধানেই যাৰ স্বাভাৱিক প্ৰবৃত্তি আৰু আমাৰ লুপ্ত গৌৰবৰ এচাঁহী মান উদ্ধাৰ কৰিব পাৰিলেই যাৰ মন আনন্দত উথলি উঠে, আমাৰ পুৰণি পুথি অনু-সন্ধান আৰু সংগ্ৰহৰ নিমিত্তে সেইজন হেমচন্দ্ৰ গোস্বামীয়েই যোগ্যতম ব্যক্তি।"**

কামত নিযুক্ত হৈয়ে তেখেতে পুথিৰ উহ বিচাৰি-বিচাৰি গুৱালপাৰা, কামৰূপ, নগাওঁ, শিৱসাগৰ, লক্ষীমপুৰ, মঙ্গলদৈ সকলো জিলালৈকে গল। ঠায়ে-ঠায়ে জিলাধিপতি মহকুমাপতিসকলেও, কমিছনাৰৰ আদেশ পাই মৌজাদাৰ চবডেপুটী কলেকটৰৰ হতুৱাই গোটাই অনোৱাই গোস্বামীৰ হাতত পুথি সমূহ গতাই দিলে। গোস্বামীদেৱ কোচবেহাৰলৈকো গৈছিল। তাৰ মহাৰজাৰ পুথি-ভঁড়ালত যি-যি অসমীয়া-সংস্কৃত পুথি পালে, তাৰো সাবদৰ্শ একোটা লৈ আহিল। তাত পোৱা ১০০ খন পুথিৰ ফৰ্দ্দও কৰিলে। পুৰণি-পুৰণি সত্ৰ সমূহতো সোমাই সত্ৰত থকা পুথিৰ তালিকা একোটিও আনিলে। এই 'চকৰ'ত ঘূৰোতেই চৰ্কাৰৰ নিৰ্দ্দেশমতেই হয় নগদ টকা দি কিনি, নহয় ওলোটাই দিম বুলি প্ৰতিশ্ৰুতি দি অনা আৰু জিলা-মহকুমাৰ অধিপতিসকলে দিয়া সৰ্ব্বমুঠ পুথিৰ সংখ্যা ১৩৩৪ খন হলগৈ।

"I thank that Sjt Hem Ch Goswami might be put in special duty to col'ect these Puthis all over the Valley. Otherwise in a few years these valuable relics will be lost entirely owing to decay. I want the above matters put in hand at once. Archdale Earle 21 6 1912.

** 'টাইম্‌চ অব আসাম', নৱেম্বৰ ১৯১২

পুথিবিলাকৰ সৰহ ভাগেই সাঁচিপাতৰ; থলদিয়েক-থলদিয়েক মাথোন আছিল তালপাতৰ আৰু তুলাপাতৰ। তাৰ লাগতিয়াল-অলাগতিয়ালখিনি বাছি, মুছিয়াই লৈ, যেঁৰা-এলান্ধু গুচাই, জুটিয়াৰ একণো নোহোৱাকৈবে নবিয়া পাবেই ২৩০০মান পুথি বাকচত ৰাখিলে।

অসমীয়া মানুহৰ নিমিত্তে (সেই দিনত) পুৰণি পুথি পৰম আগ্ৰহৰ বস্তু, তাক বাপতিসাহোন বুলি কেতিয়াও কাকো হাত-এৰি নিদিয়ে। ধৰ্ম্মশাস্ত্ৰ বুলি যে, চাবলৈ দিয়া দূৰৈৰ কথা, চুবলৈকে নিদিয়ে। গৰ্ডনে কোৱা মতে হেমচন্দ্ৰ গোসাঁই হোৱা গুণে হে সেইবিলাক চাব-চুব পাৰিছিল। তেখেতে এনে ভাবে পুথি-গিৰিহঁতৰ মন বুজি, মনত লগাকৈ কথা কবলৈ ধৰে যে গিৰিহঁতজনে থাপনা বা ঠগিত বৈ নিতৌ সেৱা কৰি থকা (তুখন কি এখন) ধৰ্ম্মপুথিকো হৃষ্টচিত্তে গোসাঁইৰ হাতত অৰ্পণ কৰে। বৰচাঙত বা আতালত থোৱা পুথিকো জখলা দি উঠি নমাই আনি দেখুৱাইছি। এনেকুৱা ৰক্ষণশীল মানুহৰপৰা পুথি সৰকোৱা যে কিমান টান পুথি সধা মানুহে হে গম পায়। আৱামী চকীত বহি, বা গুপ্তীকৃত গ্ৰন্থৰ আগাৰত সোমাই প্ৰত্নতাত্ত্বিক বা বুৰঞ্জীবিদ হোৱাসকলে সততকাই ইয়াৰ ভু নাপায়। পুথি-সংগ্ৰহৰ বুধিটো বা কৌশলটোলৈ চালে হেমচন্দ্ৰ গোস্বামীক এজন মনস্তাত্ত্বিকো বুলিব পাৰি।

সংগৃহীত পুথিবিলাক ৰাখি থবলৈ তেতিয়া 'মিউজিয়ম' বা যাদুঘৰ নাছিল। সেইদেখি, কিছুমান কামৰূপ অনুসন্ধান সমিতিৰ ঘৰত আৰু কিছুমান কমিছনাৰৰ অফিচত থোৱা হল।

অকল পুথি-সংগ্ৰহতেই গোসাঁইৰ কাম অন্ত নপৰিল। সংগৃহীত পুথিবোৰৰ আকৌ তলত লিখা নিয়মে বিতং বিৱৰণ লেখি তালিকা এখনো যুগুত কৰিব-লগীয়া হল। এই বৃহৎ কাম সম্পাদনৰ বাবে আকৌ ১৭১৪ চনৰপৰা ছমাহৰ নিমিত্তে বিশেষ বিষয়া ৰূপে নিযুক্ত হল।

তালিকাখন প্ৰস্তুত কৰি এইবোৰ কথা তাত সুমুৱাব লাগিছিল। ১। পুথিৰ নাম; ২। বিষয়; ৩। গ্ৰন্থকাৰৰ পৰিচয়; ৪। ৰচনা কৰা শকৰ অঁক; ৫। আখৰ লিখা পাতবোৰ কিহৰ—সাঁচিপাতৰ নে, তালপাতৰ, নে ভূৰ্জ্জ পত্ৰৰ, নাইবা তুলাপাতৰ, ৬। পাতবোৰ কিমান পুৰণি। ৭। পাতৰ দীঘ-বাণি কিমান, ৮। আৰম্ভত কি লিখা আছে, ৯। সামৰণিত কি আছে, ১০। গিৰিহঁত কোন। ১১। ক'ত কেনেকৈ পোৱা হল—কিনা নে, দানত পোৱা

নে যাবলৈ অনা। ১২। এই ঠাইবোৰৰ সংবাদটো ইংৰাজী ভাষাত লেখি দিয়া। পুথিবোৰ ভুপি-ভুপি পঢ়ি নিজে নকল কৰোঁতে হাৰাশাস্তিৰ সীমা নোহোৱা হৈছিল। তথাপি, ১৫৬ খন অসমীয়া আৰু ৭৭ খন সংস্কৃত পুথি উক্ত নিয়মে সজাই-পৰাই সম্পাদন কৰিলে; আৰু তাৰ নাম দিয়া হল অসমীয়া ভাষাত হাতেলিখা পুথিৰ তালিকা।*

গোসাঁয়ে ৫২৫ খন পুথি তালিকাভুক্ত কৰিবলৈ লৈছিল। কিন্তু যুদ্ধলগা বাবে চৰ্কাৰৰ খচখচনিত পৰি ২৩৩ খনতে সামৰিবলগীয়া হল। তথাপি ইমান খৰখৰকৈ হাতত লোৱা কামটো আদখিনিতে এৰিব নেলাগিলেহেঁতেন, যদি যুদ্ধৰ লগতে আমাৰ চকুচৰহা কিছুমানেও বাতৰি-কাকত আৰু ব্যৱস্থাপক সভাত পুথি গোটোৱা, ৰক্ষা কৰা আৰু সম্পাদন কৰাত অযথা পলম হৈছে বুলি কটু সমালোচনাৰে খদমদম নলগালেহেঁতেন।

কমাৰে হুধীয়া মানুহৰ লো বুলি কি মুখলৈ চায়—একালৰপা মৰিয়াই হে নিয়ে। হুধীয়াৰ বুলি জানো হুধ পতিয়ায়? সেইদৰে পুথি সংগ্ৰাহক জনবো হুধ নপতিয়াই কিছুমান লোকে "আসাম ব্যৱস্থাপক সভাত" চেৰেউ-ফেৰেউকৈ বক্তৃতা দি গোসাঁইক দোষাৰোপ কৰিলত মি, এইচ, চি, বাৰ্ণচ্ গঃ চেক্ৰেটৰীয়ে এই কিষাৰ ৰথাৰে খৰচি মাৰি চিঞৰ-বাখৰ কৰাবিলাকৰ মুখ মাৰি থলে :—

"For the information of those who may not know, I should like to say that the Assamese Puthis are written on leaves made of the bark of a tree—the Sanchi tree. They are written some in Sanskrit and some in very old Assamese character. They are works of great interest and in many cases of considerable historical value, and the Government has always, since its attention was called to their existence, held the idea that it would be a sound thing to take measures to preserve these Puthis, to print them, and to have them translated into English. Accordingly, just before the war began on the 1st June 1914, the Govt deputed

* Descriptive catalogue of Assamese manuscripts.

অধ্যাপক (ডঃ) সূৰ্য্যকুমাৰ ভূঞাৰদ্বাৰাই লিখিত ভূমিকাৰে এই পুথি গৱৰ্ণমেণ্টে ১৯২৭ চনত প্ৰকাশ কৰিলে।

Srijut Hem Chandra Goswami, Extra Asst. Commissioner, to special duty for six months to make a collection of these Puthis and to make a catalogue. The catalogue was not merely to be a list of the Puthis, but it was to give an account of the origin of the Puthis, an account of the persons from where they were obtained—they are in most cases family heirlooms of value—and he had also to read the Puthis through and in some cases to transliterate them, and the work in addition to that involved a great deal of research in order to give a proper description to the Puthis which would satisfy and be useful to scientific people, that work was carrid on ; but owing to the economy necessary during the war it was no longer possible to keep an officer on special duty, still this officer has worked on this compilation in his spare time—between his arduous duties of a magistrate. I am glad to say that although the work was hindered by his transfer to Jorhat and partly by ill-health, he has now completed the catalogue and it is a very interesting and scholarly production which will be of great value.......”

বাৰ্চ চাহাবৰ প্ৰত্যুত্তৰে বিৰোধীসকলৰ মুখত মোখোৰাকে যে লগালে এনে নহয়, “অসমীয়া পুথিৰ বৰ্ণনাত্মক তালিকাখন”ৰ নিচিনা বৃহৎ গ্ৰন্থ এখন সম্পাদন কৰি উলিয়াই দিয়াত, গোস্বামীৰ পাণ্ডিত্য, অধ্যয়ন আৰু পৰিশ্ৰমৰ প্ৰতি ওলগো জনালে। “অকলে অকলে সঙ্কলন-সম্পাদন কৰা, অকল “অসমীয়া পুথিৰ বৰ্ণনাত্মক তালিকা”খনৰ বাবেই হেম গোসাঁইৰ সুকীৰ্ত্তি সুপ্ৰতিষ্ঠিত হৈছে যেন লাগিছে আৰু ইয়াৰ বাবেই তেওঁ পুৰুষানুক্ৰমে স্মৰণীয় হৈ থাকিব”—গৰ্ডন

কামৰূপ অনুসন্ধান সমিতিৰ সভাপতি

১৯১২ চনত কামাখ্যা পাহাড়ৰ ওপৰত এখন সাহিত্য সভা হৈছিল। তাতে পুণ্যভূমি কামৰূপৰ প্ৰাচীন ঐতিহাসিক সম্পদ সমূহ উদ্ধাৰ আৰু ৰক্ষা কৰাৰ অৰ্থে কামৰূপ অনুসন্ধান সমিতি নাম দি তলত দিয়া উদ্দেশ্য সাধনৰ নিমিত্তে এটা অনুষ্ঠান গুৱাহাটীত স্থাপন কৰা হয় :—

উদ্দেশ্য

১। অসম দেশৰ ঐতিহাসিক চৰ্চ্চাৰ প্ৰসাৰ।

২। পুৰাতত্ত্ব, পুৰালিপিতত্ত্ব, জাতিতত্ত্ব, আচাৰ পদ্ধতিতত্ত্ব, মুদ্ৰাতত্ত্ব, শিলামুৰ্ত্তি তত্ত্ব, অস্ত্ৰ-শস্ত্ৰ, শিলালিপি ইত্যাদি বিষয়ক নানা সামগ্ৰী সংগ্ৰহ কৰি "অতীত কীৰ্ত্তিৰ জাজ্বল্যমান প্ৰমাণ প্ৰত্যক্ষ" কৰি ৰখা।

৩। দেশৰ ভগ্নাৱশেষ আৰু অসমীয়া শিল্পকলা, স্থপতিবিদ্যা, ভাস্কৰ বিদ্যাৰ প্ৰাচীন নিদৰ্শনবোৰ কাকতে পত্ৰয় প্ৰকাশ কৰা।

৪। ছায়াচিত্ৰ দেখুৱাই, বক্তৃতা দি "জনসাধাৰণৰ মাজত আমাৰ দেশৰ লুপ্ত বস্তু উদ্ধাৰ আৰু ঐতিহাসিক চৰ্চ্চা জাগৃত কৰি এক শ্ৰেণী লেখক আৰু পাঠকক গঢ় দিয়া।

৫। প্ৰাচীন কীৰ্ত্তিস্বচোৱা ধ্বংসাৱশেষ বা অন্য যেই সেই বুৰঞ্জীমূলক সামগ্ৰী যাতে হস্তান্তৰ নহয়, অপহৰণ নহয়, তাৰ নিমিত্তে সজাগ থকা আৰু সেইবোৰ সংগ্ৰহ কৰি আনি একে ঠাইতে থোৱা।

৬। অসমত এটি চিত্ৰশালা স্থাপন কৰা।

৭। যাদুঘৰ স্থাপন :— ৭ এপ্ৰিল তাৰিখে সমিতিৰ সভ্য আছিল মহা-মহোপাধ্যায় ধীৰেশ্বৰ কবিৰত্ন, পদ্মনাথ ভট্টাচাৰ্য্য বিদ্যাবিনোদ, উত্তম চন্দ্ৰ বৰুৱা, প্ৰতাপ চন্দ্ৰ গোস্বামী, ৰজনীকুমাৰ দাস, তাৰানাথ কাব্য বিনোদ, গোপালকৃষ্ণ দে, সুৰেশ চন্দ্ৰ বন্দোপাধ্যায়, আৰু উমেশচন্দ্ৰ দে। প্ৰস্তাবটো দাঙি ধৰিছিল কোচবেহাৰৰ খান চৌধুৰী আমানৎ-উল্লা আহমদে। গেইট-গৰ্ডন আৰু আৰ্চডেল চীফ কমিছনাৰ আছিল পৃষ্ঠপোষক।

সদস্যসকল

১৯১৬-১৭ চনত নকৈ নিৰ্ব্বাছিত হল—

১। শৰৎচন্দ্ৰ গোস্বামী

২। সত্যনাথ বৰা

৩। ৰায় ভুবনৰাম দাস বাহাদুৰ, সভাপতি

৪। বামদেৱ শৰ্ম্মা

৫। গৌৰীকান্ত তালুকদাৰ
৬। মুন্সী আজিজুৰ ৰহমান
৭। হেমচন্দ্ৰ গোস্বামী
৮। কালীচৰণ সেন।

১৯১৭-১৮ চনত গোস্বামী সভাপতি আৰু কালীচৰণ সেন সম্পাদক নিৰ্ব্বাচিত হয়।

এই বছৰত সমিতিয়ে যোগিনী তন্ত্ৰখন ছপোৱাৰ দিহা কৰে। পুথিখন বিশুদ্ধ পাঠেৰে প্ৰকাশ কৰিলে হে তাৰ মূল্য বাঢ়িব। সেই গুণে, সম্পাদকে কলিকতাৰ এচিয়াটিক চচাইটি অৱ বেঙ্গলত থকা তিনিখন পুথি আনে; আৰু গোস্বামীয়েও ৪ খন আনে। এই সাতখন পুথিৰ পাঠ মিলাই শুদ্ধাশুদ্ধ-মিলামিল চাই হেমচন্দ্ৰ গোস্বামীয়েই সম্পাদন কৰিবলৈ লয়।

১৯১৮-১৯ চনতো গোস্বামীয়েই সভাপতি থাকে। এই বছৰত অসম উপত্যকাৰ কমিছনাৰ কৰ্ণেল গৰ্ডন চাহাবে বিশেষভাৱে সহযোগ কৰি সকলো কামতে উৎসাহ দিয়ে। তেওঁৱেই এই বছৰতে অনুসন্ধান সমিতিৰ দুৱাৰ মুকলি কৰে। সেইদিনাই গৰ্ডনে তেজপুৰত পোৱা শিলালিপি এখনৰ বিষয়ে প্ৰবন্ধ এটি পাঠ কৰে। শিলালিপি খন আছিল হৰ্জ্জৰ বৰ্ম্মনৰ আৰু গুপ্তাব্দ ৫১০ অৰ্থাৎ ৮২৯-৩০ খৃষ্টাব্দত লেখা। এইখনে অসম বুৰঞ্জীৰ প্ৰাচীন অন্ধকাৰ যুগটো পোহৰলৈ আনে। হেমচন্দ্ৰ গোস্বামীৰ সহায়ত ফলিখনৰ বিষয়ে সকলো কথা জানিব পাৰিলে বুলি গৰ্ডনে এঠাইত স্বীকাৰ কৰি গৈছে।

হৰ্জ্জৰ বৰ্ম্মনৰ শিলালিপিৰ শুদ্ধ প্ৰকাশ

ধৰ্ম্মপাল ইন্দ্ৰপালৰ ফলি-পুথি উদ্ধাৰ

ধৰ্ম্মপালৰ দ্বিতীয় ফলি আৰু নগবাবীৰ গুৱাকুচিত পোৱা ইন্দ্ৰপালৰ তামৰ-ফলিৰ পাঠো উদ্ধাৰ কৰে হেমচন্দ্ৰয়েই।

বাঙ্কসিনী পৰ্ব্বতত অনুসন্ধান—

১৯১৮ চনৰ ৩১ মাৰ্চৰ দিনা লগত মহামহোপাধ্যায় ধীৰেশ্বৰ কবিৰত্ন আৰু সম্পাদক চন্দ্ৰনাথ শৰ্ম্মাৰে সৈতে গোস্বামী গুৱালকুচিৰ ওচৰৰ ব্ৰহ্মপুত্ৰৰ মাজত থকা বাঙ্কসিনী পৰ্ব্বতৰ বিষয়ে পাতপাতকৈ অনুসন্ধান কৰিবলৈ যায়। পৰ্ব্বতটো সাপৰ বাহ আৰু বাঘ-ভোৰুৰ চোং বুলি কোনো মানুহ তালৈ যাবলৈ সাহ নকৰে। বহু

পুৰুষৰপৰা মানুহে কোৱাকুই কৰি আহিছে বোলে তাত হেনো এজোৰ সোণতমুৰী সাপ আছিল। সিঁহতে মানুহ খাই শেষ কৰিবলগীয়া কৰিছিল—এনেতে বোলে গাৰো মানুহ এজন আহি সাপজোৰ মাৰি পেলালে। আৰু এটা কথা সাধুকথাৰ দৰে চলি আহিছে। সেইমতে, তাত হেনো এটা মন্দিৰ আছিল; আৰু তাত বোলে সদায় মানুহ বলি দিয়া হৈছিল। এইবোৰ কথা সঁচাও হব পাৰে; কিন্তু পৰ্ব্বতটো যে অয়াল আৰু সাধুকথাৰ ৰাক্ষসৰ দৰে যে তাত মানুহ সোমাব নাই, সেই কথা ঠিক সন্ধানী দলটোৱে পাতপাতকৈ চাই তাত সেন্দুৰ ঘঁহা মৈদা এখন পালেগৈ। সেই-খনৰপৰা অনুমান কৰা হল যে তাত কালী গোসাঁনী বা তেনেকুৱা কাল ভৈৰৱী মূৰ্ত্তিৰ পূজা হৈছিল—সেই কথিত মন্দিৰটোত। সেই যাত্ৰাত ৰাক্ষসিনী পৰ্ব্বতত এই মৈদাখন পালে আৰু পৰ্ব্বতৰ টিঙত বৰ দ গুহা এটা দেখিলে। পৰ্ব্বতটো খানিলে-কুৰ্কিলে কিছু বুৰঞ্জীমূলক সম্পদ আৱিষ্কাৰ হোৱাৰ সম্ভাৱনা আছে।

কণ্বাচল পৰ্ব্বতত অনুসন্ধান

সেইদৰেই তেখেত কণ্বাচলৰ ঢাপলিকা পৰ্ব্বতো চাবলৈ গৈছিল। তাত কিছুমান শিৱলিঙ্গ আৰু পাথৰৰ যোনী চলাচেৰেক আৰু চলাচেৰেক উধনীয়া ইটা পোৱা গ'ল। কণ্বমুনিৰ আশ্ৰম বা নৱগ্ৰহৰ লগত ইয়াৰ সম্বন্ধ আছে বুলিয়েই পুৰণি কীৰ্ত্তি সংৰক্ষণৰ নিয়ম অনুযায়ী পুৰাতত্ত্ব বিষয়াসকলে গোসাঁইৰ অনুৰোধত গৱৰ্ণমেণ্টৰ হতুৱাই কোনেও অনিষ্ট কৰিব নোৱৰাকৈ ৰাখে।

শৰণীয়া পাহাড়

শৰণীয়া পাহাড়ত তাৰ চৌপাশে গণেশৰ মূৰ্ত্তি আৰু ভস্মাধাৰৰ সদৃশ কিছুমান শিলৰ ওপৰত আঁক-বাক ৰেখা পোৱা গ'ল। তাৰপৰা তিনিমাইলমান দূৰৈত তিনিফুটমান দকৈ খনা, এমাইলমান দীঘল ইটাৰ এটি দুৰ্গ বা কোঁঠ পোৱা গ'ল। তাতে তাহানিখনৰ প্ৰাগজ্যোতিষপুৰ নগৰ আছিল বুলি গোসাঁই সমন্বিতে দলটোৰ সকলোৱে দৃঢ় অনুমান কৰি আহিল। এই অনুক্ৰমেই, গুৱাহাটীৰ দাঁতিয়ে-কাষৰে থকা প্ৰায়বোৰ পৰ্ব্বতকে কামৰূপ অনুসন্ধান সমিতিয়ে গোস্বামীৰ পৰিচালনাত অনুসন্ধান কৰিছিল।

উত্তৰ গুৱাহাটীত

উত্তৰ গুৱাহাটীৰ মোমাইকটা গড়ৰপৰা আৰম্ভ কৰি যতবোৰ ঠাই আৰু পৰ্ব্বতত ঐতিহাসিক চিন্-চকৰ আছে, সেই এটাইবোৰ তেখেতে পৰিদৰ্শন কৰিছিল। মন্দিৰৰ মূৰ্ত্তিবিলাকো আৰু অ'ত-ত'ত সিঁচৰিতি হৈ থকা শিলৰ খুঁটা-চতি, মূৰ্ত্তিৰ ভগ্নাৱশেষবোৰো ভগ্নভাৱে নোচোৱাকৈ থকা নাছিল।

কানাই-বৰশীবোৱা-শিলৰ ওচৰত এচলীয়া পৰ্ব্বত এটাৰ গাত তুৰুক সৈন্য কামৰূপ পাই সমূলঞ্চে ক্ষয়প্ৰাপ্ত হ'ল * বুলি যি বেইশাৰী কথা আছে তাক সোণাৰাম চৌধাৰীয়ে পোনেই আবিষ্কাৰ কৰে। সেই লিপি চাবলৈ গৰ্ডন চাহাব যেতিয়া হেম গোসাঁইৰেসৈতে তালৈ যায়, তেতিয়া গোসাঁয়ে হেনো, কাণাই বৰশী বোৱা শিল ছটাৰ কথা আৰু তুৰুক সেনা ক্ষয় হোৱা সম্পৰ্কে কিছুমান খেমেলীয়া কথা কৈ অন্বেষণকাৰী কেইজনক পাবেমানে হঁহুৱাইছিল।

সম্ভাব্য প্ৰাচীন বস্তু ক'ত ক'ত পাব পাৰি সেই ঠাইবোৰৰ প্ৰাৰম্ভিক অনুসন্ধান কৰিলে সেইদৰেই, যিদৰেই এডোৱাৰ্ড গেইটে বুৰঞ্জীমূলক তথ্যৰ অনুসন্ধান কৰিছিল। অনুষ্ঠান একোটা হ'তে ত'তে পাতিব পাৰি; কিন্তু অনুষ্ঠানৰ হকে দেহে-কেহে কাম কৰোতা মানুহ পাবলৈ নাই। হেমচন্দ্ৰ আছিল অনুসন্ধান সমিতিৰ প্ৰাণস্বৰূপ।

গুৱাহাটীৰ পঞ্চতীৰ্থত থকা দল-দেৱালয় আৰু খালে-ডোঙে পৰি থকা শিলালিপিৰ পাঠ উদ্ধাৰ কৰাৰ উপৰিও, গোটেই কামৰূপতে থকা প্ৰাক্-আহোম-যুগৰ আৰু আহোম-যুগৰ তামৰ ফলি; শিলালিপি আৰু বাপতি সাহোন ৰূপে সাঁচি থোৱা ৰজাঘৰীয়া দান-পত্ৰ আদিবো আখৰ উদ্ধাৰ কৰি গোসাঁয়ে নিজেনিজেই লিখি থৈছিল। লাচিত বৰফুকনৰ বিজয় স্তম্ভ, নৱগ্ৰহৰ ওচৰত থকা শিলপুখুৰীৰ ফলিৰ গদ্য, মণিকৰ্ণিকাৰ ফলি-গদ্যৰ আখৰবোৰ প্ৰায় উৰলিয়েই গৈছিল। সেইবোৰ কিমান দুখেৰে কিমান শান্তিৰে উদ্ধাৰ কৰিব লগীয়া হৈছিল তাক গোস্বামীদেৱে ১৯১৪ চনৰ দৈনিক টোকা বহীত (ডায়েৰীত) 'চিলা পৰ্ব্বতৰ গদ্য পাঠ উদ্ধাৰ কৰা সম্পৰ্কত যি লিখি গৈছে সিয়েই সকলোতে থাটে। তাত লিখিছিল :—

খোদিত গদ্য থকা "শিলটোৰ ঠায়ে-ঠায়ে লতাই ছাতি থৈছিল। লতাবোৰ

---

* কানাই-বৰশী-বোৱা শিলৰ ওচৰত পোৱা, গদ্য কেইশাৰীত যে "তুৰুষ্কাঃ ক্ষয়মা যযুঃ" কোন ৰজাৰ দিনত ক্ষয়প্ৰাপ্ত হল, সেই কথা আজিও সঠিকৰূপে নিৰ্ণিত হোৱা নাই। সেই গদ্য কেইফাকিৰ ঐতিহাসিক মূল্য আছে দেখি তুলি দিয়া হল :—

"শাকে তুৰগে যুগ্মেশে মধুমাস এয়োদশে
কামৰূপং সমাগত্য তুৰুষ্কাঃ ক্ষয়মাযযুঃ ॥"

(১২২৭ শকৰ ১৩ চ'তৰ দিনা তুৰুষ্কবিলাক কামৰূপলৈ আহি ক্ষয়প্ৰাপ্ত হল)

কটাই দেখিলোঁ। আখৰবিলাকৰ ওপৰত শেলাই বহি আছে; যাৰে অধনা এটা কটাই তাকে দি চুকি পোৱা কৰিলোঁ; যাৰে চুঙা কটাই তাৰে ওচৰৰ ঝৰণাৰ পানী অনাই শিলটোৰ আখৰ থকা ঠাই ডোখৰ ধুঁৱাই-ধুঁৱাই ধোৱালত আখৰবিলাক কিছু কিছু ওলাল। মই লগত পদ্য তোলা শঁফুলি যেনে—বুকজ ডেকাৰ (সেমেকোৱা লোপা কানি) লৈ গৈছিলোঁ। আকৌ পানী অনাই বুকজ দি ভালকৈ ধোৱালত আখৰবিলাক কটকটীয়া হৈ ওলাই পৰিল। কিন্তু কলে কি হ'ব ? ইমান দুখকৈ আখৰবোৰ উলিওৱাৰ পাচত দেখিলোঁ, সৰহ ভাগ আখৰৰ শিলৰ মুৰটোহঁত ভাগি-ছিগি চিন নাইকীয়া হৈছে। ইমান ওখ পৰ্ব্বতৰ ওপৰত শিলত আখৰ কাটি যুগমীয়া কৰি ৰাখিবৰ মনেৰে যি কাৰবাৰ কৰিছিল সকলো মিছা হল।

মানুহৰ সকলো কামেই যিমানেই যুগমীয়া কৰিবলৈ চেষ্টা নকৰক, সকলোৰে সেই একে দশাই হয়গৈ, নহয় নে বাৰু ?" *

ধৰ্ম্মপাল, বত্নপাল, ইন্দ্ৰপালৰ ফলি হৰ্জ্জৰবৰ্ম্মনৰ লিপি-পাঠ ডঃ হৰ্ণলী আৰু ব্লক চাহাবে পোন-প্ৰথমেই উদ্ধাৰ কৰিছিল যদিও, হেমচন্দ্ৰ গোস্বামীয়ে চকু ফুৰাই দিয়াত হে গেইট-গৰ্ডন আদিৰদ্বাৰাই গৃহীত হৈছিল। ফলি বা পৰ্ব্বতৰ গাত থকা লিখিত প্ৰাচীন আখৰ পঢ়িব পৰা মানুহ যি নায়েই নে, তাত উল্লিখিত ঠাইবোৰ ক'ত তাৰ সন্ধান দিব পৰা মানুহো নাই। অনেক সময়ত ঠাইবোৰৰ স্থিতি ক'ত তাক ঠিককৈ নজনা বাবে আৰু কোনো কোনো গছ-গছনিৰ অভিধানত নোপোৱা বাবে প্ৰত্নতাত্ত্বিকসকলৰ বহুতেই হাবাথুৰি খাবলগীয়া হৈছিল। তাৰে এটি উদাহৰণ দিওঁ। আমাৰ দেশত সোণাৰু গছ য'তে ত'তে আছে। মলুৱা বান্দৰ চিনি নোপোৱা বা তাৰ নাম নুশুনা মানুহ নাই। অথচ, বিদেশী প্ৰত্নতাত্ত্বিকে অসমৰ মাটিত পোৱা তামৰ ফলিত লিখিত সেই বোৰৰ নাম চিনি নেপাই সংস্কৃত বঙলা অভিধান মেলি ধাঁহ-ধাঁহ কৰিলে।

সোণাৰুৰ দেৱদাৰুৰ পাতি থৈছে।

---

* "অসমীয়াত আত্মজীৱনী প্ৰবন্ধ" —ডঃ প্ৰফুল্লদত্ত দেৱ গোস্বামী।
—"আমাৰ প্ৰতিনিধি"

পদ্মনাথ বিদ্যাবিনোদৰ কৃতজ্ঞতাঞ্জলি

"কামৰূপ শাসনাবলী"ৰ সম্পাদক পদ্মনাথ ভট্টাচাৰ্য্য বিদ্যাবিনোদ মহাশয়ে সেই পুথিত সন্নিবিষ্ট শাসন (কলি) সমূহ সম্পাদন কৰাত হেমচন্দ্ৰ গোস্বামীয়ে তেওঁক ইমান সহায় কৰিছিল যে বিদ্যাবিনোদ মহাশয়ে পুথিখনৰ পাতনিত "আমাৰ প্ৰত্নতত্ত্বালোচনায় চিৰসহায় আমাৰ সুহৃৎ পণ্ডিত ৺হেমচন্দ্ৰ গোস্বামীৰ"... ... উদ্দেশ্যে আমাৰ কৃতজ্ঞতাঞ্জলি অৰ্পণ কৰিতেছি।"

আৰু বিদ্যাবিনোদে যে গোসাঁইৰ ওচৰত প্ৰত্নতত্ত্বৰ অভিজ্ঞতা লাভ কৰে, তাকো মুক্ত কণ্ঠে স্বীকাৰ কৰিছে :—

ইতঃপূৰ্ব্বে (ডাঃ হৰ্ণলিৰ পাঠ সংশোধন কৰাৰ পূৰ্ব্বে) প্ৰাচীন লিপি পাঠে অভ্যস্ত ছিলাম না। বল বৰ্ম্মাৰ শাসন খানিৰ (মহামহোপধ্যায় ধীৰেশ্বৰ ভট্টাচাৰ্য্যই উদ্ধাৰ কৰা) আলোচনায় এ বিষয়ে কিঞ্চিৎ অভিজ্ঞতা জন্মিল। ঐ সময়েই প্ৰাগুক্ত ৺হেমচন্দ্ৰ গোস্বামী মহাশয় তদানীং অচিৰাবিষ্কৃত ধৰ্ম্মপালেৰ এক খানি (ধৰ্ম্মপালৰ দ্বিতীয় পুষ্পভদ্ৰা তাম্ৰ শাসন) শাসন প্ৰাপ্ত হন—ঐ শাসনেৰ পাঠ শোধনাদি এবং বঙ্গানুবাদ আমাকেই কৰিতে হয়। তাহাতে প্ৰাচীন লিপি পাঠে তাৰো কিছু অভিজ্ঞতা লাভ কৰি"। ধৰ্ম্মপালৰ ২য় তাম্ৰ-শাসন বা তামৰ কলিখন পুষ্পভদ্ৰা নৈৰ বালি-তলত অৱস্থিত হোৱা বাবে যিখনৰ নাম "পুষ্পভদ্ৰা লিপি" বোলা হৈছে— ১৯০৮-৯ চনত কেইবাজনৰ পৰা হাত-বাগৰি আহি হেমচন্দ্ৰ গোস্বামীৰ হাতত পৰেহি। তেখেতৰপৰা নি বিদ্যাবিনোদ মহাশয়ে ৰঙ্গপুৰ সাহিত্য পৰিষৎ পত্ৰিকাত প্ৰকাশ কৰেগৈ। গোস্বামীয়ে পাঁঠোদ্ধাৰ কৰি কলিখনৰ সাৰমৰ্ম প্ৰকাশ কৰাৰ পাচতহে পত্ৰিকাত প্ৰকাশ হয়।

"........অবশেষে ১৩১৫ সালে আমাদেৰ প্ৰাচীন তথ্যানুসন্ধানকাৰী ৺হেমচন্দ্ৰ গোস্বামী মহাশয়েৰ হস্তগত হয়। তিনি পাঠোদ্ধাৰ কৰিয়া সাধাৰণ্যে শাসনেৰ মৰ্ম্ম প্ৰচাৰিত কৰিবাৰ পৰে ৰঙ্গপুৰ সাহিত্য পৰিষৎ পত্ৰিকাই ১৩২২ সালেৰ ৩য় সংখ্যায় একটি প্ৰবন্ধ মৎ কৰ্ত্তৃক বাঙ্গালী অনুবাদ সহ প্ৰকাশিত হইয়াছিল।"

ধৰ্ম্ম পালৰ আৰু এখন তামৰ কলি—গুভকৰ পাটক লিপি—"প্ৰত্নতত্ত্বজ্ঞ"

গোস্বামীয়ে আনি মহন্ত কৈ দিছিল। ভাৰত গৱৰ্ণমেণ্টৰ আৰ্কিয়লজী (পুৰাতত্ত্ব) বিভাগৰ ডেপুটী ডাইৰেক্টৰ কাশীনাথ দীক্ষিতে গোস্বামীৰ পুত্ৰেক শ্ৰীযুত শৰৎ-চন্দ্ৰ গোস্বামীৰপৰা সেইখন লৈ যায়। ভট্টাচাৰ্য্য প্ৰমুখ্যে পুৰাতত্ত্ববিদসকলে বহুকথা আলোচনা কৰি এইখন ধৰ্ম্মপালে পাছত দিয়া ফলি বুলি সিদ্ধান্ত কৰে। এই ফলিয়ে ধৰ্ম্মপাল ৰজাৰ বিষয়ে বহুত নতুন কথাৰ সন্ধান দিয়ে।

যি খন তামৰ ফলিৰদ্বাৰা পাল বংশীয় ৰজাসকলৰ আগেয়ে পোৱা বহুত কথা সংশোধিত কৰা হয়, সেইখন ইন্দ্ৰপালৰ তামৰ ফলি হেমচন্দ্ৰ গোসাঁইৰ হাততেই আছিল। তেওঁ হে নলবাৰীৰ ওচৰৰ গুৱাকুচি গাৱঁৰ মুছলমান এজনৰপৰা আনি থয়। তাৰ পিছত হে সকলোৱে পাইছে।

জামুগুৰিৰ ওচৰৰ নাহৰহাবি মৌজাত ৰত্নপালৰ এখন ফলি পোৱা হৈছিল। সেইখনো বহুত পণ্ডিতে পাঠ উদ্ধাৰ কৰাৰ পাছত গোসাঁয়ে হে গেইটক শুধৰাই দিছিল।

গোস্বামীৰ দিনত খনন কাৰ্য্য আৰম্ভ হোৱা নাছিল। টকা থকা হলে, হলহেতেন। সেই গুণে, কনকলাল বৰুৱাই আক্ষেপ কৰি কৈছিল—চৰ্কাৰে অন্য ঠাইত হেজাৰে-বিজাৰে টকা খৰচ কৰিছে, পুৰণি কামৰূপৰ প্ৰাগ্-জ্যোতিষপুৰ নগৰখন দিষপুৰতেই আছিল বুলি ঠাৱৰ কৰিব পৰা হলহেতেন—যদি চৰ্কাৰে খনন কাৰ্য্যৰ নিমিত্তে কিছু টকা ব্যয় কৰিলেহেতেন। সেই কাম আজিও আকাশ-কুসুম হৈয়ে আছে।

যি সময়ত কামৰূপৰ প্ৰাচীন বুৰঞ্জী-তথ্য-সম্বন্ধে বহুতবে অৱগত নাছিল, যি সময়ত পৰ্ব্বতে ভৈয়ামে অতীতৰ কীৰ্ত্তি-কাহিনী লিপিবদ্ধ আছিল আৰু যি সময়ত একো ছটা শিলৰ বুকুত শৌৰ্য্য-বীৰ্য্যৰ কথা পাষাণময়ী অহল্যাৰ দৰে পৰি-পৰি আছিল, সেইসময়ত উদ্যোগী পৰমাচাৰ্য্য পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ তৎপৰতাত হে কামৰূপ অনুসন্ধান সমিতিৰ হৈ সেইবিলাকত চেতনাৰ সঞ্চাৰ কৰা হল।*

---

* এইখিনিতে কোৱা উচিত হব যে গোস্বামীৰ সতীৰ্থ সৰ্ব্বেশ্বৰ কটকীয়েও কামৰূপ অনুসন্ধান সমিতিখন সবুৰ কৰাত আপ্ৰাণ চেষ্টা নকৰাকৈ নাছিল। এইজনকো বাছি লৈছিল গোসাঁয়ে হে।

দেশে-বিদেশে পাণ্ডিত্যৰ সন্মান

লেফটেনেণ্ট কৰ্ণেল পি আৰ টি গৰ্ডন যেতিয়া এথন'গ্ৰেফীৰ প্ৰাদেশিক অনবেষী ডাইৰেক্টৰ হল, তেতিয়াই হেমচন্দ্ৰ গোস্বামী এচিষ্টেণ্ট এথন'গ্ৰাফাৰ হয়—এই কথা ওপৰত দুবাৰমান কৈ অহা হৈছে। তেতিয়াই তেওঁৰ প্ৰত্নতাত্ত্বিক সুখ্যাতি ভাৰতৰ আৰু বাহিৰৰ ঐতিহাসিক অনুষ্ঠানবিলাকত প্ৰচাৰিত হয়। কোচবিহাৰৰ ভিকটৰ নৃপেন্দ্ৰ নাৰায়ণে যে চিঠিৰ উপৰি চিঠি দিছিল। মহাৰজাৰ প্ৰাইভেট চেক্ৰেটাৰীয়ে সঘনে দিয়েই আছিল। গোস্বামীদেৱৰ আন্তৰিকতা আৰু দেশ-প্ৰেমত মুগ্ধ হৈ মহাৰজাৰ লাইব্ৰেৰীত থকা অসমীয়া অষ্টাদশ মহাভাৰতখন মহাৰাজে নিজা খৰচত ছপাই প্ৰকাশ কৰিবলৈ ওলাইছিল। চিঠিবিলাকৰ পৰা এনে হে অনুমান হয় যে হেমচন্দ্ৰ গোস্বামীয়ে হে যেন মহাৰজাক কামৰূপৰ লগত থকা অতীতৰ সম্বন্ধটো সুঁৱৰিব পৰা জাতিস্মৰ কৰিছিল। কামৰূপ-অনুসন্ধান-সমিতি হলত ৰাজ-কৰ্মচাৰী আৰু সমিতিৰ এজন পৃষ্ঠপোষক খান চৌধুৰী আমানৎউল্লা আহমদে চেষ্টাই কৰিছিল অসম-কোচবিহাৰৰ সম্বন্ধ অবিচ্ছিন্ন ভাবে কটকটীয়া কৰিবলৈ।

এচিয়াটিক চচাইটিৰ সদস্য

ভাৰতীয় সাংস্কৃতিক অনুষ্ঠানবিলাকৰ সদস্যসকলেও, প্ৰত্যেকেই গোস্বামীদেৱৰ প্ৰত্নতাত্ত্বিক প্ৰতিভা অন্তৰেৰেসৈতে উপলব্ধি কৰিছিল। নহলে নো অনুসন্ধান সমিতি স্বীকৃত হোৱাৰ ৬। ৭ বছৰ পূৰ্ব্বেই তেওঁক এচিয়াটিক চচাইটি অৱ বেঙ্গলৰ সদস্য নিৰ্ব্বাচিত কৰে নে?

১৯০৫ চনৰ জুলাই মাহৰ ৫ তাৰিখে চচাইটিৰ বহা সভাত হেমচন্দ্ৰ গোস্বামী "এচিয়াটিক চচাইটি অৱ বেঙ্গলৰ সভ্য নিৰ্ব্বাছিত হয়।

প্ৰস্তাৱক—যোগেশচন্দ্ৰ শাস্ত্ৰী—

সমৰ্থক :—জে মেক্‌ফাৰলেন
মিঃ জে এন দাস
এডগাৰ দা মণ্টফৰ্ড
হম্‌ফ্ৰিজ আই চি এচ,
অমূল্য ঘোষ বিদ্যাভূষণ
জে এ. কাণিংহাম
জৈন বৈদ্য
ৰাজেন্দ্ৰনাথ বিদ্যাভূষণ
বনমালী চক্ৰবৰ্ত্তী
প্ৰমথনাথ তৰ্কভূষণ

এচিয়াটিক চচাইটিৰ সদস্য হোৱাৰ বাবে গোস্বামীৰ গুণ যে কেউফালে বাট্ট হল এনে নহয়, অসমৰ বিষয়ে জানিবলৈ বহুতৰে উৎসুক-আগ্ৰহ বাঢ়িল।

লণ্ডনৰ শিল্পকলা আদি অনুষ্ঠানৰ সভ্য

হেমচন্দ্ৰৰ সুখ্যাতি লাহে-লাহে সাতসাগৰ পাৰ হল। লণ্ডনত বৃটিছ সাম্ৰাজ্যৰ যি থন "চচাইটি ফৰ দি এনকৰেজমেণ্ট অব আৰ্টচ্‌ এণ্ড মেনুফেকচাৰচ এণ্ড কমাৰ্চ" আছিল, অৰ্থাৎ বৃটিছ সাম্ৰাজ্যত শিল্পকলা, ব্যৱহাৰিক বস্তু তৈয়াৰ কৰা বিদ্যা, আৰু বাণিজ্য উৎসাহ দিবৰ নিমিত্তে লণ্ডনত যিটো সৰ্ব্ববিষয়ে পৰিজ্ঞানী লোকৰ অনুষ্ঠান আছিল তাৰো ১৯০৭ চনত গোস্বামীক সভ্য নিৰ্ব্বাচন কৰি লোৱা হৈছিল *

"তত্ত্বভূষণ" উপাধি প্ৰাপ্তি

কামৰূপ-কোঁচবিহাৰৰ বিদগ্ধ-বিদগ্ধ সংস্কৃত পণ্ডিতসকল সন্মিলিত হৈ এখনি অভিনন্দন পত্ৰেৰেসৈতে তত্ত্বভূষণ উপাধিটি প্ৰদান কৰি পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ প্ৰত্নতাত্ত্বিক প্ৰতিভা আৰু স্বদেশবৎসলতাত সোণপানী চৰালে।

---

* Hemchandra Goswami is elected Member of the Society for the encouragement of Arts, Manufactures & Commerce.

H Sword, Secy.

From
Societies House
Adelphin
London., 15 May 1907.

গোস্বামীৰ ভাষা

সাহিত্যই জাতীয় উন্নতিৰ সিংহদুৱাৰ। হেমচন্দ্ৰ গোস্বামীয়ে দুকুৰি তিনি বছৰ একেৰাহে সাহিত্যসেৱা কৰিলে। যি সময়ত "পৰাধীন জাতিৰ ৰাজনীতি নাই" বোলা নীতিটোৱেই সাহিত্যিকসকলৰ অন্তৰত নিবদ্ধ হৈ আছিল, সেই সময়ত জাতীয় উন্নতিমূলক চিন্তাৰ বাটবোৰ ৰাজনীতিয়ে বা পাশ্চাত্য ৰাজনৈতিক মতবাদে গৰকাই নাছিল। সেই গুণে, ৰাজনীতিৰ বহির্ভূত জ্ঞানৰাশিৰ আহৰণেই আছিল সকলোৰে লক্ষ্য। সেই লক্ষ্য পাবলৈকে, যোগ্যতানুসাৰে বা নিজা-নিজা অভি-ৰুচি অনুসাৰে সকলোৱে সেই সিংহদুৱাৰৰ ইটা গাঁথিছিল। হেমচন্দ্ৰই গাঁথিছিল বুৰঞ্জীৰ উপকৰণ সংগ্ৰহ কৰি ; ভাবিছিল—সেইবোৰ, বেলিমাৰ নৌ-যাওঁতেই চাঁচি চুকি, চিকণাই, ধুই পখালি, উদ্ধাৰ কৰি থৈ নগলে আগলৈ উঠি অহা জাতিটোৱে সাহিত্যৰ কি দৌল বান্ধিব ? প্ৰাচীন গ্ৰন্থৰাজি, শিলালিপি, কিম্বদন্তী আদি যিবোৰ বাপতিসাহোনে অসমীয়া ৰাজনীতি, অসমীয়া চিন্তাস্ৰোত, আৰু অসমীয়া স্বতন্ত্ৰতাৰ আছুতীয়া স্থান নিৰ্দ্দেশ কৰি থৈ গৈছে সেইবোৰলৈ যদি আমি পিঠি দিওঁ, যাৰ বহুত শাক-সেন্দুৰ তাকে যদি ভোকোৱা এন্দুৰ পাতোঁ, আমি তেন্তে লৱকুশ হৈ কাৰ "ৰামায়ণ গান কৰিম" ?

অতীতৰ চিন-চকৰবোৰ দেখুৱাওঁতে বা তাৰ বৃত্তান্ত বৰ্ণাওঁতে গোস্বামীদেৱে যি ভাষা প্ৰয়োগ কৰিছিল সেই ভাষা অসমৰ মাটিত গজা—বিদেশী মৃগতৃষ্ণাত ভোল গৈ লেখা ইংৰাজী অনুবাদেৰে বুজিব পৰা ভাষা নহয়। সেই ভাষা নিমজ, নিভাঁজ আৰু নিৰ্ভুল ৰচনাৰ ঠগ ধীৰ, গম্ভীৰ আৰু থকজা-নলগা ; বাক্য চুটি-চুটি, একে উশা-হতে পঢ়িব পৰা—তাত আকাশচুম্বী কল্পনাৰ বহন নাই, দীঘলীয়া উপমাৰ মেৰজাল নাই, ধাৰকৰা নকলী ছবিৰ টিমিলমিলনি নাই আৰু নাই নিন্দা, পেংচালি, ভেঙু-চালি, চকুচৰহালি, কূৰ্চ্চুটালি আৰু মই-ৰব ভাব।

গোসাঁইৰ লিখনীত আছে—কোমল-কোমল ভাষা—চালুকীয়া লৰাৰ মুখৰ ভাষা, জুহুকাৰ জুনজুননিৰ দৰে জুনজুনাই থকা। চালুকীয়াৰ ভাষা হলেও, তাত বুজিব নোৱৰা বোকাপানীৰ লেও নাই, দীঘোঁ নৈৰ সোঁতৰ দৰে, অন্তঃসলিলা ; প্ৰত্যেক শাৰী কথাতেই বৈ আছে—স্বদেশ-প্ৰেমৰ উদগনি আৰু অতীত বুৰঞ্জীৰ উৎপ্ৰেৰণা।

অসমীয়া সাহিত্যৰ পৰমাচাৰ্য্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী

"জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰীয়সী" —আমি ওপজা দেশখন ইন্দ্ৰৰ অমৰাপুৰীতকৈও শ্ৰেষ্ঠ। এই মহাবাক্য যিদিনাই আৰ্য্যাৱৰ্ত্তত পোন প্ৰথম উচ্চাৰিত হল, সেই দিনাৰপৰাই সেই মহাবাক্যই ভৰত ৰজাৰ ভূভাগত অৰ্থাৎ এই ভাৰতবৰ্ষত যুগে-যুগে নাম লগাই, ৰূপ লগাই বিয়াপত্ত দি আছে। এই বাক্যৰ মোহত পৰিয়েই বীৰভৈৰৱ লাচিত বৰফুকনে "দেশতকৈ মোমাই ডাঙৰ নহয়" বুলি কৰ্ত্তব্য সম্পাদন নকৰা বাবে মোমায়েকক কাটি খণ্ড-বিখণ্ড কৰিছিল। অকল সিমানেই নহয়, যি মোগলে হোৱাতো-নোহোৱাতো অসমক আমনি কৰি থাকে আৰু মোগল ৰাজ্যৰ অধীন কৰিবলৈ সদায় চান্দি থাকে, সেই মোগলকো অসমৰপৰা আকৌ আহিব নোৱাৰাকৈ খেদি পঠিয়াইছিল আৰু যি যুদ্ধ সংক্ৰান্তত "বঙালৰ (বিদেশীৰ) অধীন হৈ থাকিবতকৈ মৰণে সে উচিত"ৰ নিচিনা স্বদেশ প্ৰেমৰ চাণক্য-বচন এফাঁকি বুৰঞ্জীৰ গৰ্ভত সোমাই ৰল সেই এটাইবোৰ কাহিনী বীৰত্ব দেশপ্ৰেম, আন কি লাচিতৰ নামটোও অহল্যাৰ পাষাণ হোৱাদি হৈ জগাকাঠৰ দৰে পৰি আছিল। ২৪০ বছৰৰ মূৰত হেমচন্দ্ৰ শ্ৰীৰামৰ স্পৰ্শত পাষাণত প্ৰাণৰ সঞ্চাৰ হল। সাঁচিপাতৰ আখৰে মাত লগালে,—দেশতকৈ মোমাই ডাঙৰ নহয়। দেশত লাচিতৰ নাম বৈ-বৈ গল। এবিধ লাচিত-সাহিত্যই সৃষ্টি হল।

"আগবাঢ়ি ৰ'ল, আগবাঢ়ি ৰল, অ' মোৰ লাচিতৰ দল" আহ্বানত পৰ্ব্বত ভৈয়াম ঝনঝনাই গল। মৰামুখত-দিয়া-পানী-স্বৰূপ লাচিতৰ এই যুদ্ধ কৌশল, বুদ্ধি-বিক্ৰমৰ কাহিনীটো "উষাৰ" পাতত ঢালি দিলেহি হেমচন্দ্ৰ গোস্বামীয়ে প্ৰাণৰ কাতৰে ভাৱসা কৰি :—

"পাঠক, এবাৰ এই যুদ্ধৰ বৃত্তান্ত পঢ়ি চাওক। একালত অসমীয়া মানুহ কি আছিল আৰু আজি-কালিয়েই বা কি অৱস্থা হল! …… আমাৰ দেশৰ মানুহে একালত এনেকুৱা যুদ্ধৰ কৌশল জানিছিল, এনেকুৱাকৈ দেশৰ নিমিত্তে নিৰ্ভয়ে প্ৰাণ দিবলৈ আগ বাঢ়িছিল আৰু এনেকুৱা কাৰ্য্যক্ষম আছিল বুলি কোনোবাই বিশ্বাস কৰিব নে? পাঠক! আহক, সকলোৱে সৰল চিত্তেৰে এই অধঃপতনৰ কাৰণ অনুসন্ধান কৰোঁহক।"

ৰচিত আৰু সম্পাদিত গ্ৰন্থ

১। **ফুলৰ চাকি**—স্বৰচিত কবিতাৰ সংগ্ৰহ। নগাঁও হাইস্কুলত পঢ়ি থকা ছাত্ৰ অৱস্থাৰপৰা "আসাম তৰা", "আসাম বন্ধু" আৰু কলিকতাত উচ্চ শিক্ষাৰ্থী হৈ থাকোতে "জোনাকী"ত প্ৰকাশিত কবিতা, কিতাপ-আকাৰেৰে প্ৰকাশ হয় ১৯০৭ চনত।

২। **হেমকোষ**— ইয়াৰ সম্পৰ্কে বিৱৰি কোৱা হৈছে।

৩। **দৰং ৰাজবংশাৱলী**—কামৰূপ অনুসন্ধান সমিতিৰ ১৯১৮-১৯ চনৰ বছেৰেকীয়া উৎসৱত ইয়াৰ সম্পূৰ্ণ পৰিচয় দি গোস্বামীদেৱে এটি প্ৰবন্ধ পঢ়ে।

গোস্বামীদেৱে পুথিখন দৰঙীয়া ৰজাৰ বংশধৰ খগেন্দ্ৰ নাৰায়ণৰ পৰা আনে। পুথিখন পদত লেখা আৰু কোচ ৰজাসকলৰ আদি বৃত্তান্ত আছে; পুথিৰ শেষত চিত্ৰ বিচিত্ৰ ছবিও আছে। বংশাৱলীখন গোস্বামীদেৱৰ পাতনিৰেসৈতে ছপা কৰোৱায় ১৯১৭ চনত আৰু খৰচ বহন কৰে গৱৰ্ণমেণ্টে।

এডোৱাৰ্ড গেইট চাহাব মঙ্গলদৈত চেটেলমেণ্ট অফিচাৰ হৈ থাকোতেই ইয়াৰ গ্ৰন্থকাৰ সূৰ্য্যসডি বা 'সূৰ্য্যখৰি মহাজন'ৰ বংশধৰ মনভাল মণ্ডলৰ ঘৰত পুথিখন থকাৰ ভু পাই, পুথিৰ সবিশেষ জানিবৰ নিমিত্তে মণ্ডলক মোহনপুৰৰ ৰজা-ঘৰলৈকে মতাই পঠিয়ায়; আৰু তেওঁক প্ৰতিশ্ৰুতি দি আহে যে এই পুথিৰ বাবেই তেওঁৰ পুত্ৰ শ্ৰীমান ভগীৰামে হাইস্কুলত বিনা মাচুলে পঢ়িব পাৰিব আৰু এণ্ট্ৰেঞ্চ পাছ কৰাৰ পিচৰপৰা বি-এ পাছ কৰালৈকে মাহে ২৫৲ টকাকৈ বৃত্তি পাব। গ্ৰেজুৱেট হলেই তেওঁক প্ৰাদেশিক বিষয়া নিযুক্ত কৰা হব অৰ্থাৎ প্ৰভিঞ্চিয়েল চাৰ্ভিচত কাম পাই চবডেপুটী কলেক্টৰ হব পাৰিব। গেইট গলত, গৰ্ভৰ্নে এই কাম কৰিলে। গেইট গৰ্ভৰ্নৰ গ্ৰন্থস্পৃহা কোনে পাহৰিব? অসম বুৰঞ্জী চৰ্চা কৰোঁতে আগৰ

ভোৰৰত কোঁচ ৰজাসকলৰ বিষয়ে সেইট চাহাব বৰ খেলি-মেলিত পৰিছিল। এই পুথিখনৰ টোকা লৈ হে ১৮৯৩ চনৰ এচিয়াটিক চচাইটি অব বেঙ্গলৰ জৰ্ণেলত কোঁচ ৰজাসকলৰ আদ্যোপান্ত আলোচনা এটা কৰিব পাৰিলে। সেই আলোচনা বা প্ৰবন্ধৰ ভেটিতেই কোঁচ ৰজাসকলৰ বুৰঞ্জীখন ৰচনা কৰা হ'ল।

হেম গোসাঁইৰ অপৰিসীম চেষ্টাৰ বলত হে চৰ্কাৰৰ দ্বাৰাই পুথিখন প্ৰকাশিত হবলৈ পালে। ইয়াৰদ্বাৰা কোঁচ ৰজা-সকলৰ আদি ইতিহাস জনাৰ উপৰিও আৰু এটি কথা জানিব পৰা হ'ল। সেইটি হৈছে 'দৰং ৰাজবংশাৱলী'-গ্ৰন্থকাৰজনৰ পৰিচয়। সূৰ্য্যখড়িটো উপাধি হে; থাই নাম বলদেৱ। "ৰাজকবিশেখৰ বলদেৱ সূৰ্য্যখড়ি আছিল দৰঙৰ প্ৰাতঃস্মৰণীয় মহাৰাজ সমুদ্ৰ নাৰায়ণৰ সভাৰ সভাপণ্ডিত— যি নানাৰূপ সুললিত ছন্দত প্ৰায় এক হাজাৰ শ্লোকৰ বিখ্যাত ঐতিহাসিক মহাকাব্য "দৰঙ্গ ৰাজবংশাৱলী" ৰচনা কৰিছিল।"*

হেমচন্দ্ৰ গোস্বামীয়ে তন্নতন্নকৈ অনুসন্ধান কৰি "দৰং ৰাজবংশাৱলী"খন দৰঙী ৰজাৰ ঘৰৰপৰা আনি নিজে নকল কৰি গৱৰ্ণমেণ্টৰ হতুৱাই প্ৰকাশ নকৰোৱা হলে "ৰাজকবি-শেখৰ"জনৰ কথা কোনেও বিশেষ একো নেজানিলেহেঁতেন।

৪। **পুৰণি অসম বুৰঞ্জী**—এইখন পুথিকে যুৱৰাজ কেশৱকান্ত সিংহৰপৰা নি গেইটে চাহাবক দিছিলগৈ। কবলৈ গলে, এই পুথিয়েই গোস্বামীদেৱৰ জীৱনৰ সঁচাৰ কাঠী। কামৰূপ অনুসন্ধান সমিতি স্থাপিত হওঁতে, এইখনকে পোনেই গোস্বামীদেৱে সম্পাদন কৰে আৰু সমিতিৰ সম্পাদক কালীৰাম মেধি ছপোৱাৰ ব্যৱস্থা কৰে। বুৰঞ্জীখনত মোখনি মৰা গোস্বামীৰ ভূমিকাটি প্ৰণিধানযোগ্য।

---

* সন্দীপিকা—শ্ৰীকীৰ্ত্তিনাথ শৰ্ম্মা বৰদলৈ। শ্ৰীযুত দীনেশ্বৰ শৰ্ম্মাৰ "মঙ্গলদৈৰ বুৰঞ্জী"ও চাওক। —বঃ শঃ

ৰচিত আৰু সম্পাদিত গ্ৰন্থ

৫। **কামৰত্নতন্ত্ৰ**—গোস্বামীদেৱৰ মৃত্যুৰ পাচত এই গ্ৰন্থখনি ১৯২৮ চনত গৱৰ্ণমেণ্টৰদ্বাৰা প্ৰকাশিত হয়। গ্ৰন্থোক্তমতে স্তম্ভন, বশীকৰণ কেনেকৈ কৰিব পাৰি ইয়াত তাৰ সকলো তন্ত্ৰ-মন্ত্ৰ আৰু স্বামীকৈ স্ত্ৰীবশীকৰণৰ উপায়বিলাক আছে। দেখাত পুথিখনৰ বিষয় বস্তু অশ্লীল যেন লাগে। কিন্তু অশ্লীল নহয়—শ্লীল—প্ৰত্যেক নৰনাৰীয়ে শিকিবলগীয়া কথা ইয়াত অনেক আছে। গোস্বামীয়ে সম্পাদন কৰোঁতে, প্ৰত্যেক বিষয়টোৰ কাষে কাষে ইংৰাজী-অনুবাদ দি গৈছে—যাতে বিদেশীবিলাকেও কামৰূপৰ তন্ত্ৰ-মহিমা বুজিব পাৰে।

৬। **অসমীয়া পুথিৰ বৰ্ণনাত্মক তালিকা**—এই পুথিৰ উদ্ধাৰ, সংগ্ৰহ আৰু সম্পাদনৰ কথা ওপৰত কোৱা হৈছে।

৭। **অঙ্কীয়া নাট : বা অঙ্কীয়া বাৰনাট**—মহাপুৰুষ শঙ্কৰদেৱ-মাধৱদেৱ ৰচিত নাট ১২ খন সংগ্ৰহ কৰি গোসাঁয়ে ছপোৱাৰ ব্যৱস্থা কৰিছিল। কিন্তু হৈ নুঠিল। নাট আছিল এই কেইখন:—কালিয় দমন, পত্নীপ্ৰসাদ, ৰাসক্ৰীড়া, ৰুক্মিণীহৰণ, শ্ৰীৰামবিজয় নাটক, পাৰিজাত হৰণ, অৰ্জ্জুন ভঞ্জন যাত্ৰা, চোৰধৰা ঝুমুৰা, ভূমিলুটিয়া, পিম্পৰা গুচোৱা, ভোজন ব্যৱহাৰ আৰু শ্ৰীকৃষ্ণ-জন্মযাত্ৰা—এই বাৰখন।

৮। **কথা ভাগৱত**—ভট্টদেৱকৃত সংস্কৃত ভাগৱতৰ অসমীয়া ভাঙনী। ইয়াৰ ভাষা অসমীয়া হলেও, সৰ্ব্বভাৰতৰ লোকে বুজিব পাৰিব। বিশেষকৈ বঙ্গ, বিহাৰ আৰু উৰিষ্যাৰ।

৯। **ঘোৰা নিদান**—এইখন পুথি গোস্বামীদেৱৰ সম্পাদিত হৈ আছিল যদিও জীৱদশাত প্ৰকাশ কৰিব পৰা নহ'ল। চৰ্কাৰৰদ্বাৰাই পাচত প্ৰকাশিত হল।

১০। **সম্পাদিত পুথি**—প্ৰধানকৈ—(ক) হস্তীবিদ্যাৰ্ণৱ, (খ) হস্ত মুক্তাৱলী (গ) যোগিনীতন্ত্ৰ।

১১। **ভূমি আৰু ৰাজহ বিষয়ক চৰ্কাৰী পুস্তিকাৰ অসমীয়া সংস্কৰণৰ অনুদিত পুথি।**

"অসমীয়া সাহিত্যৰ চানেকি"

এইখন পুথিয়েই গোস্বামী কীৰ্ত্তিস্তম্ভ। ইয়াকে কামধেনু বুলি কোৱা হৈছে। কিয় নো, আধুনিক যুগৰ গৱেষকসকলৰ নিমিত্তে, অসমীয়া ভাষা সাহিত্যৰ মৌখিক যুগৰপৰা আৰম্ভ কৰি কুৰি শতিকাৰ প্ৰাৰম্ভলৈকে ভাষাই ক্ৰমাৎ কেনেকৈ সাহিত্যৰ সলনি ৰূপ ললে তাৰে ই যেনিবা একেখন কামধেনুৰ ওহাৰ, য'ৰপৰা আজিকালি ক'তো বিচাৰি নোপোৱা, শুনিবলৈ নোপোৱা আৰু দেখিবলৈ নোপোৱা সাহিত্যৰ ক্ষীৰখিনি ইয়াৰপৰাই খীৰাই খাব পাৰি।

ইয়াত কি কি বিষয় সন্নিবিষ্ট কৰা হৈছে, ২য় খণ্ডত বহলাই দিয়া আছে। এনে এখন ডব্যাকাৰ গ্ৰন্থ কি সূত্ৰে কেনেকৈ, কাৰ বদান্যতাৰ গুণত প্ৰকাশ হবলৈ পালে, তাৰ ৰহস্যটো জানিলে গোস্বামীদেৱৰ মাতৃভাষা সেৱা কৰাত যি একনিষ্ঠতা, অসমীয়া ভাষাৰ মেৰুদণ্ড নিৰ্ম্মাণত যি আগ্ৰহশীলতা আৰু সেই কাম সুসম্পন্ন কৰাত পৰিশ্ৰমৰ যি অবিশ্ৰান্ততা, ভাবিলে তেখেতৰ প্ৰতি স্বচ্ছ কৃতজ্ঞতাৰে অন্তৰ ভৰি পৰে। তেওঁৰ মৃত্যুৰ পিছত পি আৰ টি গৰ্ডনেও সেইদেখি দুখ কৰিছিল, বোলে, "হেম গোসাঁইৰ নিচিনা বলৱান অসমীয়া সাহিত্য সাধক আৰু নোলাব।"

১৯১৮ চনৰ মাৰ্চ্চ মাহত বিশ্ববিদ্যালয় শিক্ষাব্যৱস্থা অনুসন্ধান কৰিবলৈ চেড্‌লাৰ কমিছন আহে গুৱাহাটীলৈ। কলিকতা বিশ্ববিদ্যালয়ৰ ভাইচ চেন্সেলাৰ বা উপাচাৰ্য্য চাৰ আশুতোষ মুখোপাধ্যায়ো আহে, তাৰে এজন সদস্য হৈ। কলিকতা বিশ্ব-বিদ্যালয়ৰ অসমীয়া পৰীক্ষক আৰু অসমীয়া ভাষাৰ প্ৰশ্ন "কাটোতা" ৰূপে চাৰ আশুতোষৰেসৈতে গোস্বামীদেৱৰ আগৰেপৰা চিনাকি আছিল। সেই সূত্ৰতে তেখেত গোসাঁইৰ ঘৰলৈকে গৈ অনেক ভিতৰুৱা কথা-বতৰা পাতে; তাতে কলিকতা বিশ্ববিদ্যালয়ত অসমীয়া ভাষাটোকো এম এ শ্ৰেণীত স্থান দিয়াৰ কথাও প্ৰসঙ্গক্ৰমে উত্থাপিত হয়।

আশু মুখাৰ্জ্জীক (মুখোপাধ্যায়ক) সম্বৰ্দ্ধনা জনাবলৈ এখনি বিৰাট সভা বহিছিল। তাতে তেখেতে এই বুলি ঘোষণা কৰে যে "আপোনাসকলৰ মাতৃভাষাই বিশ্ব-বিদ্যালয়ত এদিন উচ্চ স্থান পাব। গতিকে, আপোনাসকল সেই দিনলৈ অপেক্ষা কৰক।" মাতৃভাষা অসমীয়াৰ মান-মৰ্য্যাদা বঢ়োৱাৰ আশ্বাস পাই ছাত্ৰবিলাকৰ মন আনন্দত বিহ্বল হৈ উঠিল।

"অসমীয়া সাহিত্যৰ চানেকি"

অসমীয়াৰ পৰম হিতাকাংক্ষী পুৰুষ গৰ্ড্ন চাহাব আছিল তেতিয়া তাবাতত্ত্ব আৰু জাতিতত্ত্ব বিভাগৰ মুখ্য অধিকাৰী। বিশ্ববিদ্যালয়টো চৰ্কাৰী নিয়ন্ত্ৰণাধীন হোৱা বাবে চাৰ আশুতোষে দেশীয় মানুহৰ লগত দেখাদেখিকৈ পৰামৰ্শ নকৰি পোনেই–গৰ্ড্নেসৈতেহে আলোচনা আৰম্ভ কৰিলে। আলোচনাত স্থিৰ হল যে অসমীয়া ভাষা জন্ম হবৰ দিন ধৰি যুগে যুগে যিবিলাক সাহিত্য সৃষ্টি হৈছিল, সেই এটাইবোৰৰে বছা-বছা অংশ একোটি সন্ধিক্ষণৰ প্ৰতিবিম্ব স্বৰূপে উদ্ধৃত কৰি দি, অসমীয়া সাহিত্যৰ এখনি বৃহৎ গ্ৰন্থ সঙ্কলন কৰিব লাগে। এনে এখন বিয়াগোম গ্ৰন্থ যুগুত কৰি সম্পাদন কৰা উদামূলা সাহিত্যিক নামধাৰী পুৰুষৰ কাম নহয়। পোন প্ৰথমেই ইয়াত লাগিব নতুন পুৰণি সাহিত্যৰ সুপ্ৰচুৰ জ্ঞান, প্ৰচুৰ সংগ্ৰহ, সংগৃহীত সম্ভাৰৰ উৎকৃষ্ট নিকৃষ্ট বিচাৰিব পৰা বিবেকী ক্ষমতা আৰু লাগিব যুগ নিৰ্ণয় অ'ক সাহিত্যৰ বাছকবনীয়া উদ্ধৃতি। হেমচন্দ্ৰ গোস্বামী যে এই কেয়োটা কামত পাৰদৰ্শী, গৰ্ড্নে নেজানে বুলি কবই নোৱাৰি—তালুৰপৰা তলুৱালৈকে সকলো জানে।

১৯১৮ চনৰ আগষ্ট মাহত, কলিকতা বিশ্ববিদ্যালয়ৰ চিনেট সভাত, চাৰ আশুতোষে আগবঢ়োৱামতেই এম এ শ্ৰেণীৰ নিমিত্তে ভাৰতীয় ভাষা সমূহৰ ভিতৰত অসমীয়াও সোমাল আৰু তাৰ পাঠ্য প্ৰস্তুত কৰিবলৈ হেমচন্দ্ৰ গোস্বামীৰ গাতেই ভাৰ পৰিল। সেই পাঠ্যই গোস্বামীৰদ্বাৰা সঙ্কলিত হৈ "অসমীয়া সাহিত্যৰ চানেকি নাম পালে।" পুথিখন সঙ্কলনৰ পাৰিশ্ৰমিক বুলি ২০০০৲ দুই হেজাৰ টকা আৰু প্ৰতিলিপিকাৰক কেৰেণী এজনৰ বাবে ৪০০৲ টকা, এয়ে-সেয়ে মুঠ ২৪০০৲ টকা বিশ্ববিদ্যালয়ৰ পৰা দিয়া হল। অসমীয়া সাহিত্যক ছয় যুগত ভাগ কৰি প্ৰত্যেক যুগৰ প্ৰচলিত সাহিত্যৰ বাছনি, সাহিত্য-চানেকি গ্ৰন্থত সন্নিবিষ্টও কৰা হল। যথা:—আদি যুগ, বৈষ্ণৱী মন্ত্ৰ আৰু ভনিতা যুগ, প্ৰাক্ বৈষ্ণৱী যুগ, বৈষ্ণৱী যুগ, বিস্তাৰ যুগ, আৰু বৰ্ত্তমান যুগ। এই গ্ৰন্থ এম এ শ্ৰেণীৰ উপযুক্ত অসমীয়া পাঠ্য ৰূপে নিৰ্ব্বিবাদে সকলোৱে গ্ৰহণ কৰিলে। কিন্তু তাক প্ৰকাশ কৰাৰ সময়ত লাগিল লেঠা।

পুথিখন ছপা কৰিবলৈ অনুমান দহ হেজাৰ টকাৰ আৱশ্যক হল। কিন্তু প্ৰকাশ কৰা নহলে, বিশ্ববিদ্যালয়ৰ প্ৰস্তাৱ প্ৰস্তাৱ হৈ কাগজতে থাকিব; কাৰ্য্যত আৰু পৰিণত নহব। ১৯২২ চনতে গ্ৰন্থখন সম্পূৰ্ণ কৰা হল। অথচ ধনৰ অভাৱত তাক প্ৰকাশ কৰিব পৰা নাই।

ঘৰত পৰিল, গোস্বামীদেৱৰ পুৰণি বন্ধু অসমীয়া জাতিৰ প্ৰাণ ব্যক্তি ভোলানাথ বৰুৱালৈ। তেখেতৰ তালৈকে পাণ্ডুলিপিখন লৈ তেখেত গ'ল ১৯২২ চনত। ভোলাবৰুৱাৰ ওচৰত সাহায্যৰ বাবে হাত পতাত বৰুৱা ডাঙৰীয়াই চানেকি গ্ৰন্থ প্ৰকাশৰ অৰ্থে অম্লান বদনে ১০,০০০ দহ হাজাৰ টকা গোস্বামীদেৱৰ হাতত অৰ্পণ কৰিলে। সেই টকাৰে বিশ্ববিদ্যালয়ে পুথিখন প্ৰকাশ কৰাত এম এ শ্ৰেণীত অসমীয়া পাঠ্য হৈ চলিবলৈ ধৰিলে। তেতিয়াৰপৰাই অসমীয়া ভাষা ভাৰতৰ এটি আৰ্য্যভাষা-সম্ভূত প্ৰধান ভাষা বুলি গণ্য হ'ল, আৰু তাৰ সুফল আজি আমি হেলাৰঙে উপভোগ কৰিব লাগিছোঁ।

গোস্বামীদেৱৰ অনুৰক্ত সেৱক প্ৰত্নতাত্ত্বিক সৰ্ব্বেশ্বৰ কটকীয়ে এই তিনি সিংহৰ প্ৰতি কৃতজ্ঞতা জনাই লেখিছে—

"এই সাহিত্য-চানেকি গ্ৰন্থ প্ৰণয়ন কাৰ্য্যত তিনি গৰাকী পুৰুষৰ নাম চিৰদিন থাকিব। চাৰ আশুতোষ নোহোৱা হলে 'সাহিত্য চানেকি'ৰ বীজ—অঙ্কুৰিত নহ'লহেতেন, হেমচন্দ্ৰ গোস্বামী নোহোৱা হলে সাহিত্য-চানেকি সঙ্কলন নহ'লহেতেন আৰু ভোলানাথ বৰুৱা নোহোৱা হলে সাহিত্য-চানেকি মুদ্ৰিত হৈ প্ৰকাশ নেপালেহেতেন। গতিকে সাহিত্য-চানেকি গ্ৰন্থ প্ৰণয়নৰ গৌৰৱ দেখাত তিনি ভগীয়া হলেও ই অকল হেমচন্দ্ৰ গোস্বামীৰ হে কীৰ্ত্তিস্তম্ভ।" গোস্বামীদেৱে ইহসংসাৰৰ পৰা বিদায় লোৱাৰ পাচত অধ্যাপক সূৰ্য্যকুমাৰ ভূঞাই গোস্বামীৰ চমু জীৱনীয়েসৈতে গ্ৰন্থখনৰ শেষ মুদ্ৰণৰ প্ৰথম খণ্ডত এটি সুবিস্তৃত বহুমূলীয়া পাতনি লেখি পাচৰ পুৰুষক দি থৈ যায়।

২৫।১।১৯২২ চনত কলিকতালৈ গৈ 'সাহিত্য-চানেকি' প্ৰকাশাৰ্থে সেই দহ হেজাৰ টকা পাবলৈ হাওড়াৰ ভৱচন ৰ'ডত ভোলা বৰুৱাৰ ঘৰত থাকি কেনেকৈ শঙ্কৰাচাৰ্য্যৰ মোহমুদগৰ স্তোত্ৰ পঢ়িছিল, কেনেকৈ তাৰপৰা ভৱানীপুৰত থকা চাৰ আশুতোষ মুখোপাধ্যায় ঘৰলৈ মাকোটোৰ দৰে অহাযোৱা কৰিছিল, আৰু কেনেকৈ কি দুখ-যাতনাৰ মাজত দিন কেইটা পঠিয়াবলগীয়া হৈছিল, সেই-বোৰ কথা বিতংকৈ জানিব পাৰি, ২য় খণ্ডত লগাই দিয়া গোস্বামীদেৱৰ ডায়েৰী পঢ়ি।

তথাপি, তেখেত কলিকতালৈ যাওঁতে লগত যোৱা মাজিউ পুতেক শ্ৰীযুত শৰৎ চন্দ্ৰ গোস্বামীয়ে তেওঁৰ খুড়াক ৺জগৎ চন্দ্ৰ গোস্বামীৰ পুতেক অনন্ত বাৰিষ্টাৰ

'সাহিত্যৰ চানেকি'ৰ ধৰণী

সদাগৰ ভোলানাথ বৰুৱা

অসমীয়া ভাষাৰ চূড়ান্ত মৰ্য্যাদা বঢ়াওঁতা

৺চাৰ আশুতোষ মুখোপাধ্যায়

অসমীয়া সাহিত্যৰ পৰমাচাৰ্য্য

পণ্ডিত হেমচন্দ্ৰ গোস্বামী

"অসমীয়া গদ্য বঙলাতকৈ পুৰণি"



আচাৰ্য্য প্ৰফুল্ল চন্দ্ৰ ৰায়

৺শৰৎ চন্দ্ৰ গোস্বামী
অসম-সাহিত্য সভা প্ৰতিষ্ঠাতা

"অসমীয়া সাহিত্যৰ চানেকি"

প্ৰত্নতাত্ত্বিক শ্ৰীযুক্ত ৰায় গোস্বামীলৈ লিখা ৰকথা চিঠি নোটেইখন তুলি দিয়া হ'ল :—

মৰমৰ ধন,

তুমি যে 'অসমীয়া সাহিত্যৰ চানেকি' নামৰ কিতাপখনৰ নিউক্লিয়চৰ (মূল কথাটো) কথা সুধিছিলা সইটোৰ প্ৰথম আৰম্ভ হৈছিল—যেতিয়া চাৰ আশুতোষ মুখাৰ্জী, চেন্‌চেলাৰ কমিছনাৰৰ লগতে গুৱাহাটীলৈ আহে, তেতিয়া তেখেত আমাৰ ঘৰলৈ আহে। ৺দেউতাৰ লগত তেখেতৰ আগৰ পৰা ভাল জনা-শুনা। তেখেতে বহুত দিন আগৰ পৰা দেউতাক কলিকতা ইউনিভাৰ্চিটিৰ একজামিনাৰ আৰু পেপাৰ চেটাৰ হিচাবে চিঠি-পত্ৰ আদান-প্ৰদান কৰি আছিল। ৺দেউতা কলিকতালৈ গলেই তেখেতৰ লগত আলাপ-আলোচনা কৰিছিল। চাৰ আশুতোষে এই গুৱাহাটী যাত্ৰাত ৺দেউতাক কৈছিল যে তেখেতে ইণ্ডিয়ান ভাৰ্ণেকুলাৰচৰ এম এ কৰ্চ এটা কৰিব খুজিছে। কলিকতা ইউনিভাৰচিটিত তিনিটা লিটাৰেচাৰৰ একেটা গ্ৰুপ—অসমীয়া, বঙলা, মৈথিলী ; সেইদৰে তামিল ইত্যাদি দক্ষিণ ভাৰতৰ এটা গ্ৰুপ ইত্যাদি-ইত্যাদি। অসমীয়া লিটাৰেচাৰৰ বাবে এম, এ, কৰ্চৰ কিতাপৰ কথা ওলাল যেতিয়া, চাৰ আশুতোষে দেউতাক এই কিতাপখন লিখিবলৈ কয় আৰু কয় যে ইউনিভাৰচিটিৰ পৰা ২০০০৲ টকা চেংছন কৰাই পঠিয়াই দিব। এজন কেৰেণী আৰু অন্য খৰচৰ বাবে ৪০০৲ টকা। দেউতাই কৰিম বুলি মান্তি হল আৰু তাৰ কিছু দিনৰ পাচৰপৰা কাম আৰম্ভ কৰিলে। দেৰগাওঁৰ ইন্দ্ৰেশ্বৰ শৰ্মা বুলি এজন লৰাক কেৰেণী হিচাপে ললে আৰু গোটেই অসমীয়া সাহিত্য আঠ খণ্ডত ভগাই লৈ সঙ্কলন আৰম্ভ কৰিলে। কথাতো বৰ টান আছিল বাবে সময় যথেষ্ট ললে। মেনস্ক্ৰিপটো প্ৰায় সম্পূৰ্ণ হল ১৯২২ চনৰ আগ ভাগত। দেউতাই তেতিয়া তিনি মাহমান ছুটী লৈ কলিকতালৈ গল। লগতে মোকো লৈ গল।

প্ৰথমতে আমি গৈ কাছিম বজাৰৰ মহাৰাজা মণীন্দ্ৰ চন্দ্ৰ নন্দীৰ অপাৰ চাৰ্কুলাৰ ৰ'ডৰ ঘৰত উঠিলোঁগৈ। তাতেই মই প্ৰথম ৰূপৰ সোণৰ বাচনত ভাত খাওঁ। প্ৰথমে দেউতাই অৰিয়েণ্টেল কন্‌কাৰেকত

যোগ দিলেগৈ। সেই কনফাৰেন্সৰ প্ৰেছিডেণ্ট ডঃ ভাণ্ডাৰকৰৰ লগত কামৰূপ অনুসন্ধান সমিতিৰ বিষয়ে কথা-বাৰ্ত্তা হ'লগৈ।

এই কন্‌ফাৰেন্সখন হৈ যোৱাৰ পাচত আমাৰ বিখ্যাত ব্যৱসায়ী ৺ভোলানাথ বৰুৱাই আমাক তেখেতৰ হাওড়াৰ ভবচন্দ্ৰ'ৰ'ভৰ ঘৰলৈ লৈ গল। ভোলা বৰুৱাই প্ৰথমতে কলিকতাত কাৰবাৰ আৰম্ভ কৰোতে বোলে দেউতাইতৰ লগত একেটা মেছতে আছিল আৰু তেতিয়াৰেপৰা বৰ বন্ধু।

আমি ভবচন্দ্ৰ ৰ'ভত থকা দিন কেইটাত দেউতাই চাৰ আশুতোষৰ ভৱানীপুৰ ৰ'ডৰ ঘৰলৈ গৈ 'সাহিত্য-চানেকি'খনৰ বিষয়ে কথা-বাৰ্ত্তা হৈ ইণ্টিভিউটো কম্‌প্লিত কৰিলেগৈ। চাৰ আশুতোষে এই গোটেই কিতাপখন আদ্যোপান্ত দেখি এইখনক আমাৰ প্ৰাইচলেচ ট্ৰেজাৰ (অমূল্য সম্পদ) বুলি কৈছিল আৰু ছপাত উচ্চ শ্ৰেণীৰ কৰাব বুলি স্থিৰ কৰিছিল।

সেই সময়ত ইউনিভাৰচিটিৰ পুঁজি বৰ টনকিয়াল নোহোৱাৰ কথাটো দেউতাক কলে, দেউতাই ধনবিত যোগাৰ কৰিবলৈ চেষ্টা কৰিম বুলি প্ৰতিজ্ঞা কৰিলে। সেইদিনা আবেলি ঘূৰি আহি এই বিষয়ে ভোলা বৰুৱাৰ লগত কথা-বাৰ্ত্তা হলহি। ভোলা বৰুৱাই ইউ-নিভাৰচিটিক দহ হেজাৰ টকা দিম বুলি একে আষাৰেই গাত ললে। তাৰ পাচদিনা দেউতাই খবৰটো চাৰ আশুতোষক দিলেগৈ আৰু তেখেত দেউতাৰ লগতে আবেলি ভোলা বৰুৱাৰ ঘৰলৈ আহিল। বৰুৱাই আদৰ-সাদৰ কৰি তেখেতক বহুৱ'ই কথা-বাৰ্ত্তা হৈ লগে-লগে দহ হাজাৰ টকাৰ চেক এখন চাৰ আশুতোষক দিলে আৰু কিতাপখন ভালকৈ ছপাকৈ উলিয়াবলৈ অনুৰোধ কৰিলে।

ইয়াৰ পাচত চাৰ আশুতোষে দেউতাৰ হতুৱাই ভোলা বৰুৱাই নাইটহুড্ এটা এক্‌চেপ্ত (গ্ৰহণ) কৰিবনে বুলি সোধোৱাত বৰুৱাই উত্তৰ দিলে বোলে 'নাইট' হৈ যিটো আনন্দ পাম, আমাৰ অসমীয়া সাহিত্যৰ হকে এই সামান্য দান কণ দি পোৱা আনন্দ তাতকৈ শতগুণে বেছি।"

এই অমূল্য গ্ৰন্থখন জাৰ্মানিৰ বাৰ্লিন বিদ্যালয়ৰ অধ্যাপক মচিৰ্থৰ জ্যো গ্ৰেচেন-

অসমীয়া সাহিত্যৰ চানেকি

হেপে জাৰ্মান ভাষাত প্ৰকাশ কৰিব খুজি হেম গোস্বামীলৈ এইখন চিঠি দিছিল।

17 Bendler strasse
Berlin W. 10
September 12th 1927

Dear Sir,

I am publishing a History of Indian Literature (in German) in which also the modern Vernacular literatures of India will be dealt with. The volume of your Asamiya Sahityar Chaneki, I have seen in our National history in Berlin, seems to me a very useful work. So, I think, it would be a very valuable addition to my work, if I could join your name to those of the collaborators in asking you to write a short sketch of the history of the Assamese literature, covering about 2-3 pages (not more than about 4500 syllables) of the work. ... ...

As the work is published in about 7000 copies, you will become very known by it in Germany. ......

Yours Truly
H. Von Glassenhap, Ph. D.
Professor of Indian Philosophy
Berlin University.

H. C. Goswami

কথা গীতা

অসমীয়া গদ্যৰ প্ৰাচীনত্ব প্ৰমাণত

"শাস্ত্ৰৰ উত্তম" গীতা ভাগৱত; তাকে অসমীয়া কথাবন্ধে নিবন্ধ কৰি যিজন বিদগ্ধ পণ্ডিতে অসমীয়া গদ্য সাহিত্যক প্ৰাচীনত্বৰ উচ্চ আসনত বহুৱাই থৈ গল সেইজন বৈকুণ্ঠনাথ কবিৰত্ন ভাগৱত ভট্টাচাৰ্য্য বা চমুতে প্ৰভু ভট্টদেৱ আজিও অসমীয়া ভাষা-সাহিত্য আৰু ধৰ্ম্মৰ অন্বেষণকাৰীসকলৰ চকু-আঁৰতে থাকিলহেঁতেন, যদি স্বদেশবৎসল প্ৰত্নতাত্বিক, পণ্ডিত হেমচন্দ্ৰ গোস্বামী তত্বভূষণে "প্ৰাণকো তুচ্ছ" কৰি হাবি-বননি ভাঙি তেওঁৰ জীৱনী আৰু কৰ্ম্ম-পঞ্জিকাটি উদ্ধাৰ কৰি নিদিলেহেঁতেন।

ওচৰচুবুৰীয়া দেশত গদ্য-সাহিত্য সৃষ্টি নৌ হওঁতেই খৃষ্টাব্দৰ ষোড়শ শতিকাত লেখা যিখন অমূল্য গ্ৰন্থত অসমীয়া ভাষাৰ প্ৰথম গদ্য-সাহিত্যৰ চানেকি জিলিকি আছে, সেই খনেই ভাগৱত ভট্টাচাৰ্য্যকৃত "কথা গীতা"। কথা গীতাই যে অকল গদ্যপুথিয়েই এনে নহয়, শ্ৰীমদ্ভাগৱতৰ বাৰস্কন্ধৰ সাৰ টুকি ৰচনা কৰা "কথা ভাগৱতো" এখন। এই দুখনৰ উপৰিও ভট্টদেৱ-প্ৰণীত অন্যান্য সংস্কৃত পুথিতো সেই সময়ৰ গদ্য-আৰ্হিতো অলপ অলপ পোৱা যায়। তথাপি এই দুখনেই অসমীয়া গদ্যৰ প্ৰথম নিদৰ্শন।

সেই বাবেই কোনোবা বিদেশী বা অসমীয়া ভাষা নুবুজা বিদ্বান, ভাষা-সাহিত্যানুৰাগী লগ পালেই হেমচন্দ্ৰ গোস্বামীয়ে আন আন আপুৰুগীয়া পুথিৰ লগতে এই দুখনো দেখুৱাই অসমীয়া গদ্যৰ প্ৰাচীনত্বত সিসকলক স্তম্ভিত কৰাইছিল আৰু অসমীয়া জাতিৰ সৰ্ব্বভাৰতীয় সাহিত্যিক মানদণ্ডও এখোপ ওপৰলৈ উঠোৱাইছিল।

"যি অসমীয়া ভাষাক এটা বেলেগ ভাষা বুলি প্ৰমাণ কৰিবলৈকে এশ বছৰ তুমুল যুদ্ধ কৰিবলগীয়া হৈছিল সেই অসমীয়া ভাষাত ৩০০ বছৰৰ আগেয়ে ভট্টদেৱৰ গীতা-ভাগৱতৰ নিচিনা গভীৰ দাৰ্শনিক তত্বৰ গ্ৰন্থবিলাক সৰল আৰু সুললিত অসমীয়া গদ্যত ৰচিত হৈছিল। ই অসমীয়া জাতিৰ আৰু ভাষাৰ পক্ষে কম সৌভাগ্য আৰু গৌৰৱৰ কথা নহয়।" এই কেৰা গৌৰৱকে প্ৰতিদ্বন্দী সকলৰ দ্বাৰা স্বীকাৰ কৰাবলৈকে গোসাঁই সকলোৰে ওচৰ চাপিছিল।

ৰবীন্দ্ৰ সম্বৰ্দ্ধনাত, গুৱাহাটী, ১৯১৯

বহি (বাওঁফালৰ পৰা) :—(১) সত্যনাথ বৰা, (২) হেমচন্দ্ৰ গোস্বামী, (৩) ৰবীন্দ্ৰনাথ ঠাকুৰ, (৪) ভোলানাথ দাস, (৫) জ্ঞানদাভিৰাম বৰুৱা।

থিয় হৈ (বাওঁফালৰ পৰা) :—মুক্তাধৰ শৰ্ম্মা, বেনুধৰ শৰ্ম্মা, চন্দ্ৰনাথ শৰ্ম্মা, বাণীকান্ত কাকতি, সূৰ্য্যকুমাৰ ভূঞা, অম্বিকাগিৰি ৰায় চৌধাৰী, × দুৰ্গানাথ বৰুৱা (দুৰ্গী বৰুৱা)।

১৯১৩ চনৰ পূজাৰ বন্ধত তেজপুৰত অসম ছাত্ৰ সন্মিলনৰ ৪র্থ, অধিবেশন বহিছিল। তালৈকে সভাপতিৰূপে আমন্ত্ৰিত হৈ আহিছিল বঙ্গীয় সাহিত্য সন্মিলনৰ প্ৰাক্তন সভাপতি বিজ্ঞানাচাৰ্য্য চাৰ প্ৰফুল্ল চন্দ্ৰ ৰায়। তেজপুৰলৈ অহা বাটতে জুৰাহাটীত হেমচন্দ্ৰ গোস্বামীয়ে তেখেতক লগ ধৰি 'কথা গীতাৰ' অপূৰ্ব্ব অসমীয়া গদ্য অধ্যায়চেৰেক পঢ়ি শুনায় আৰু গদ্য-ৰীতিৰো বিশেষত্বখিনি দেখুৱাই দিয়ে। লগতে এইটোও কয় যে 'কথাগীতা' প্ৰণেতা ভট্টদেৱ বঙ্গদেশীয় শ্ৰীচৈতন্যৰ সমসাময়িক ধৰ্মগুৰু। সেই সময়তেই সৰ্ব্বজনসমাদৃত এই গদ্যৰ সৃষ্টি। এই খনেই সেই গদ্য পুথি।"

ইং ষোড়শ শতাব্দীত যে অসমীয়া গদ্য সৃষ্টি হৈছিল, এই কথা আচাৰ্য্য ৰায়ৰ জুৰেই নাছিল। গোস্বামীদেৱৰ হাতত পুথি খনি দেখি আৰু তাৰ ভাষা শুনিহে বুজিব পাৰিলে যে বঙলাতকৈ অসমীয়া গদ্য আগ। তেজপুৰলৈ গৈ তেওঁ সভাপতি অভিভাষণ পাঠ কৰিলে। সভালৈ অহাৰ আগেয়ে কলিকতাতে অভিভাষণ খিনি ছপাই অনা বাবে অসমীয়া গদ্য-সাহিত্যৰ কথা তাত উল্লেখ কৰিবলৈ নহল। সেই গুণে, সাময়িক তেখেতে উৰ্দ্ধবাহু হৈ মুক্ত কণ্ঠে ঘোষণা কৰিলে,

অসমীয়া সাহিত্যৰপৰা ধাৰ কৰি নিয়া সম্পদেৰেই বঙলা ভাষাটো নোদোকা কৰা হৈছে বুলি যদি এই সভা-মণ্ডপত কোনোবা সুবিজ্ঞ অসমীয়া সাহিত্যিকে কয়—তেন্তে সেই কথা সতকাই ওকবোবা টান হব। এই ঘোষণা কৰিছোঁ— বঙালীৰ প্ৰতিনিধি ৰূপে নহয়, বঙ্গীয় সাহিত্য-সম্মেলনৰ ভূতপূৰ্ব্ব সভাপতি স্বৰূপে।

আচাৰ্য্যৰ সোণৰূপৰ মুখৰপৰা ঘোষণাটো ওলাল কি, অসমীয়া ভাষা 'দোৱান' বুলি কোৱাবোৰৰ মুখ কলা পৰিল কি! ইসকলৰ মুখত হাঁহি বিৰিঙিল। মৃগনাভীৰ নাইতে কস্তুৰী থাকে, তথাপি সি গন্ধ নেপায়, পকি গোন্ধ আমোলমোলালে ব্যাধে মাৰি দিলে হে গন্ধ পায়। সেইদৰে ঘৰতে এই হেন শত্ৰুৰ মুখত ছাই পেলাব পৰা বস্তু আছিল। তাক আমি নাজানিছিলোঁ। পুৰণি সাহিত্যৰ মৌ বিচৰা হেমচন্দ্ৰ গোস্বামীয়ে খুচৰি উলিয়াই দিলত হে ভট্টদেৱক আমি চিনি পাইছোঁ।

অসমীয়া সাহিত্যৰ পৰমাচাৰ্য্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী

৺হেমচন্দ্ৰৰ দেশপ্ৰেম, আৰু পাণ্ডিত্য শলাগি, "কথাগীতাৰ সম্পৰ্কে আচাৰ্য্যই কৈছিল" :—

"If some Assamese Scholars now get up and say that it is the Bengalee who had borrowed his prose from Assamese literature and enriched his own, it will be very difficult to dislodge him. I think the question may now be considered as solved and settled for good. I say this, not as a respresentive Bengalee but as the Ex-President of the Bengalee Literary Conference."

"Indeed, the prose Gita of Bhattadev composed in the Sixteenth Century is unique in its kind. I had an opportunity of coming across an excellent edition of this book, which we owe to the patriotism and scholarship of Pandit Hem Chandra Goswami.

"It is a priceless treasure. Assamese prose literature developed to a stage in the far distant sixteenth century which no other literature of the world reached except the writings of Hooker and Latimer in England. There has been a Controversy for long about the independence and identity of the Assamese language. This is extremely foolish. This is due, I hold, to the provincial patriotism and the national connceit of the Bengalees living in Assam. The Katha Gita shows clearly that the Assamese literature developed to a standard in the 16th century which the Bengalee literature had reached only in the time of Iswar Chandra and Bankim Chandra."

* * *

"The people who could write Gita in such prose in the sixteenth century was not a small people."

Sir Asutosh Mukherji.

* * *

"The Katha Gita is a very striking book, interesting from many points of veiw. You may very well be proud of the author of the book who could handle prose in such a remarkably lucid style more than a century before we had any prose book in Bengal."

Robindra Nath Tagore.
Shillong, October, 10, 1919.

কথা গীতা'ত গোস্বামীৰ অচলা ভক্তি

সনাতন ধৰ্ম্ম আৰু সকলো শাস্ত্ৰৰে সাৰ গীতাৰ ওপৰত হেমচন্দ্ৰ গোস্বামীৰ আছিল অচলা ভক্তি। ভক্তিৰ কাৰণ বিচাৰি দূৰলৈ যাব নালাগে। তেখেতৰ দ্বাৰায়েই সম্পাদিত ভট্টদেৱৰ "কথাগীতাত" দিয়া ভূমিকাটি পঢ়িলেই গীতাশাস্ত্ৰলৈ শ্ৰদ্ধা নথকাৰো শ্ৰদ্ধা হব। তেখেতৰ 'কথাগীতা' থন ভক্তিকৰা আৰু ভাল পোৱাৰ কাৰণ আৰু দুটি আছে। এটি, এই পুথিখনি তেখেতৰ মাতৃদেৱীয়ে নিতৌ শ্ৰৱণ কৰিছিল আৰু ইটি, কবৰ সকাম নাই—দেখোতেই চিতল, পিঠিতে কাঁইট:—এনেয়ে গীতা, তাতে আকৌ লিখিছে গদ্যত, সিও আকৌ শ্ৰীমন্দেৱ দামোদৰৰ প্ৰপন্ন শিষ্য ভাগৱত ভট্টাচাৰ্য্য বৈকুণ্ঠনাথ ভট্টদেৱে।

যিখন গ্ৰন্থত তেখেতৰ ভক্তি আৰু ভালপোৱা গাখীৰে-পানীয়ে মিলাদৰে মিলি আছে, সেইখন গ্ৰন্থ তেখেতে এবাৰ ছপায়েই এৰা নাছিল; দ্বিতীয়বাৰো ছপালে। এইবাৰো সেই আগৰ বাৰৰ দৰেই—নিজৰ পেৰাৰ ধন ভাঙি। তৃতীয় বাৰো ছপালেহেতেন—কিন্তু ইহ সংসাৰত জীৱনৰ কাল উকলি গল। তথাপি তেখেতৰ সুযোগ্য পুত্ৰ শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামীয়ে পিতৃদেৱতাকৰ আশা পূৰ্ণ কৰিবৰ অৰ্থে তৃতীয় সংস্কৰণ বাইজৰ আগলৈ দাঙি ধৰিছে। গোস্বামীদেৱে তৃতীয় সংস্কৰণটো পিতৃদেৱতাকৰ নামে উৎসৰ্গ কৰি সংস্কৃত—ছন্দত পিতৃপুৰুষৰ পৰিচয়েসৈতে উৎসৰ্গ—পত্ৰখন লেখি থৈ গৈছিল। সেই খনো ইয়াত সন্নিবিষ্ট কৰা হৈছে। উৎসৰ্গ—পত্ৰখনত গৰ্ভন চাহাবে কোৱাদৰে হেমচন্দ্ৰ গোস্বামীৰ সংস্কৃতত কিমান জ্ঞান, বুজিব পাৰি; আৰু বংশগৌৰৱলৈ কিমান শ্ৰদ্ধা তাকো জানিব পাৰি।

'কথাগীতা'ৰ উৎসৰ্গ পত্ৰ

যত্ৰাসীদ্ভগৱানসীম মহিমা গৌৰাঙ্গৰূপী স্বয়ং
তত্ৰৈকোখিল পুণ্যভূমিৰমৰ স্ৰোতস্বতী ৰোধসি।
শ্ৰীমদ্ভাগৱতাৰ্থ ভাষণচণঃ কৃষ্ণৈক তানান্তৰঃ
শ্ৰীমান বৈষ্ণৱসত্ত মোদ্বিজকুলে গৌৰাঙ্গনামাৱসৎ
সন্থেকদা কিল পিতুৰ্লঘু(ব্ধ) সোদৰেণ নাৰায়ণেন সহভূস্বৰ কুঞ্জৰেণ।
শ্ৰীকামৰূপ বিষয়ান্তৰৱস্থিতং তৎ সৌমাৰপীঠমগমদ্গাজৰত্ন ৰম্যম্
তস্মিন্নেকো দ্বিজকুলমণি ৰ্বংশীগোপালনামা
বাসীদ্বিষ্ণোশ্চৰণ মলিন ধ্যানসংসিদ্ধকামা।
শ্ৰীমন্দামোদৰ গুৰুচতুস সত্ৰ মূলাধিকাৰী
শশ্বদ্বিষ্ণোশ্চৰণকমল প্ৰেমভক্তি প্ৰচাৰী॥
শ্ৰুত্বৈৱ তৎপৰযা মুদাস্থিৰমগাত্তস্যাত্মনিষ্ঠাৰতঃ
শ্ৰীমদ্ভাগৱতীয় পদ্য নিচয়ং গৌৰাঙ্গ আৱৰ্ত্তয়ন্।
মেধাং সোস্য বিমৃশ্য ধৰ্ম্মবিষয়াং নিষ্ঠাঞ্চ শিষ্টাগ্ৰণী
ধৰ্ম্মাচাৰ্য্যপদেস্যযুক্ত মথো শিষ্যাংশতস্মৈ দদৌ,
অথ সমজনি নাম তস্যবংশে ভজনবলেন বশী-কৃতান্তবংশে।
ভৱকধৰ ইতি প্ৰসিদ্ধ নামা ভৱকধৰ প্ৰতিমো বিশুদ্ধ ধামা॥
আসীত্তোলনদেৱ ইত্যাভিহিতস্তত্ৰৈৱ দেৱাৰ্চ্চনে
শশ্বৎ সন্নিৰতো দ্বৰবিৎকৰা বংশোদ্ভৱ যো দ্বিজঃ।
সন্থেকাং শুভকণ্ঠকামজনয়ল্লক্ষ্মীনিৰাযোনিধি—
তস্যাঃ শ্ৰীঘনকান্তিনামবপুৰ্বিশিষ্টং বিলোক্যাকৰোৎ॥
বাল্যে-জ্ঞানৱতীশিৱাৰ্চ্চন ৰতিঃ শান্তা গভীৰাকৃতিঃ
পিত্ৰোৰ্ভক্তিমতী চৰিত্ৰৰসভিৰ্দীনাসু কম্পাৱতী।
শিৱজ্ঞানৱতী সদাধৃতিমতী বিদ্যাৱতী হ্ৰীমতী
কালে ভ্ৰাতৃমতী বিলক্ষণগতিঃ সাকৃচ্ছুভে জাগ্ৰতী।

শারীরিক অবয়ব

অথ ভবরুধরবস্তং পাণিবাণেন্দুকালে গ্রহতিথি শশিতারা কালে লগ্নেহনুকূলে।
উপগত রতিকালে ধর্ম্মতত্ত্বপ্রপত্ন্যাং তনয়মজনয়ন্মাং হেমচন্দ্রাভিধানম্
কিঞ্চায়ং প্রতিথামর্চ্চিত শিবো বিশ্বেশ্বরস্থালয়ে
কাশ্যাং ত্যক্তকলেবরং শিব চতুর্দ্দশ্যাস্ত যামেস্থিতে।
জ্ঞানে নৈব শিবস্থ মাপসহসা নাম স্মরণ্ শ্রীহরেঃ
কীর্ত্তিং স্থাপিত বাংশ্চ সুস্থিরতরাং কাশ্যাং স্বদেশোপিচ
অজস্র মে পররতঃ পিতরৌ সুতস্থ নাস্তীহ যৎকিমপি বাম্মণ মুক্তয়েতৎ।
গীতামৃতং ভগবদুক্তমিদং যুবাভ্যাং মুৎসৃষ্টমস্তু মযান্তর জাতভক্ত্যা।

গোস্বামীৰ শাৰীৰিক অবয়ৱ

হেমচন্দ্ৰ গোস্বামী ওখই ৫ ফুট ৫ ইঞ্চি আছিল। ৺লক্ষ্মীনাথ বেজবৰুৱাৰ বিয়াৰ পিচত লোৱা এই জোখ। লৰা-কালত তেখেতৰ শাৰীৰিক অবয়ৱ বা গা-গাৰি আঁটিল আছিল যদিও, বৰ লাহী আছিল। চৰকাৰী কামত সোমাবৰ পৰা গা ধৰিবলৈ আৰম্ভ কৰিলে। একুৰি বাৰ বছৰ উচ্চপদস্থ ৰাজবিষয়া হৈ অৱসৰ লোৱাৰ ১০।১২ বছৰৰ আগতে পোহ ধৰি গাটো খুলন্তৰ হৈ পৰিছিল—অৱশ্যে পেটটো বাঢ়ি টিলটিলীয়া হৈছিল; ১৯১৪ চনত একাদশী—আঁউসী—সংক্ৰান্তি—এইবোৰ তিথি-পৰ্ব্বত উপবাস কৰিবলৈ ধৰাত পেটৰ টেকেলীয়া ভাগিল।

উঠঙা কপাল, গৌৰবৰ্ণ মুখ, লোহোৱা লুহুৰি হাত-ভৰি, সম্ভ্ৰমী পিন্ধন-উৰণ, গহীন খোজকাটল, সম্মোহন দৃষ্টি, তীক্ষ্ণবুধীয়া চকু, নিপোটল দেহা আৰু ছবিত দেখা দৰেই পোছাক-পৰিচ্ছদ।

স্বাস্থ্য

বয়স ভাটী দিলতো গোস্বামীৰ গাত ৰোগ-ব্যাধিয়ে বল কৰিব নোৱাৰিছিল। বাহিৰলৈ ফুৰিবলৈ ওলাই গলে, সদায় লাখুটি এডাল হাতত নোলোৱাকৈ নগৈছিল। আঠেকুৰি বছৰীয়া হৈ আদহীয়াৰ ডেওনা পাৰ হলতো তেখেত সমনীয়া বন্ধুসকলতকৈ স্বাস্থ্যবান আৰু তজবজীয়া আছিল। তেখেতৰ একালৰ "হৰিহৰ আত্মা" চন্দ্ৰকুমাৰ আগৰৱালা আৰু ঐতিহাসিক বন্ধু কনকলাল বৰুৱাৰে সৈতে "অসমীয়া" কাকত ছপা হোৱা 'নিউপ্ৰেছ'ৰ ফালে খাৰঘুলিলৈ গৈছিল। সেইফালে পৰ্ব্বতত উঠিব লাগে দেখি, খোজকঢ়া মানুহৰ অলপতে ভাগৰ লাগে। আগৰৱালা বৰুৱাৰ ভাগৰ লাগিল; খোজৰ গতি লেহেম হল। স্বাস্থ্যবান গোসাঁয়ে লাখুটিডাল পথালিকৈ গলধনতপেলাই, দুই মূৰে ধৰি লগৰীয়া দুজনক পাছ পেলাই, তজবজকৈয়ে আগবাঢ়ি গ'ল। *

স্বাস্থ্য পৰম ধন। স্বধৰ্ম্মৰ প্ৰতি আস্তিকতা, পৰিমিত ভোজন ব্যৱহাৰ, বন্ধা সময়ত খাৱন-শোৱন আৰু দৈনিক কৰ্ম্মকৰণ—এই কেইটা নীতি মানি জীৱননিৰ্ব্বাহ কৰাত গোস্বামী হাকিম সেই ধনৰ অধিকাৰী হব পাৰিছিল। আৰু সদা-সৰ্ব্বদা কৰ্ম্মতৎপৰ ইংৰাজ ৰাজবিষয়াসকলৰ বুকুত সোমাব পাৰিছিল।

হাত-ভৰিৰ তুলনাত মস্তিষ্কৰ বহৰবাটো ডাঙৰ আছিল। সেই গুণেই, সম্ভৱ, হেমচন্দ্ৰ গোস্বামীৰ মানসিক-শাৰীৰিক দুয়োটা শক্তি সমান্তৰালভাৱে পৰিচালিত হৈছিল। এনেই তেখেত, কমিছনাৰ গৰ্ডনৰ গাৰ মানুহ বা সজাতী হবপৰা নাছিল!

“তেখেতৰ নীতিয়েই আছিল ওপৰত আভাস দিয়াৰ দৰে “শৰীৰমাদ্যং খলু ধৰ্ম্ম সাধনম্”-গা ভালে নেথাকিলে ধৰ্ম্মাচৰণ কৰিব নোৱাৰি। সেই গুণে, তেখেতে সংক্ৰান্তি, আঁউসী, একাদশী তিথিত উপবাসে আছিল। মাঘৰ ভীম একাদশী, জন্মাষ্টমী, শিৱচতুৰ্দ্দশী, মহালয়া আদি ডাঙৰ ডাঙৰ তিথি-পৰ্ব্বত ব্ৰতেৰে থাকি সকলো ধৰ্ম্মকৃত্য সম্পাদন কৰিছিল। তেখেতৰ ভায়েৰীয়ে কয় যে তেখেতৰ পেটটো হেনো টেকেলি-যেন আৰু কঁকালটো ঢোৰোহা আছিল। মাহেকে-পখেকে তিথি-পৰ্ব্বৰ উপৰিও মজামজিকৈ লঘোন দিয়াত পেট-কঁকাল দুয়োটা সৰু হৈ আছিল। “ঔষধ ব্যৱহাৰ কৰাতকৈ স্বাস্থ্যৰক্ষাৰ সাধাৰণ নীতি নিয়মবিলাক পালন কৰিলেই স্বাস্থ্য প্ৰায়ে ভালে থাকে—এই মহোপদেশটি তেখেতে নিজেও মানিছিল আৰু তেখেতৰ অভিজ্ঞতাৰ কথা আনকো কৈছিল।”

জুতিকথা কোৱাত পটুতা

“গোস্বামীদেৱৰ দৰে সদালাপী আৰু ৰসালাপী লোক আমাৰ ভিতৰত অতি বিৰল। তেওঁৰ মনৰ লগত মিলা সমাজ পালে, তেওঁ ৰসাল হাঁহি-উঠা অথচ অতি নিৰ্দ্দোষ কথা কৈ হুঁহুঁৱাই-হুঁহুঁৱাই পেটৰ নাড়ী ছিঙা যেন কৰিছিল। আৰু সমাজ

বুজি পাণ্ডিত্যপূৰ্ণ যুক্তিযুক্ত কথা এইদৰে আঁটি-গুৰি মিলাই কব জানিছিল"। কোনো অৱস্থাতে তেওঁ বিষণ্ণ আৰু নিৰাশ নহৈছিল (confirmed optimist)." (১)

"তেওঁৰ মুখত সদায় হাঁহি লাগিছিল। তেওঁৰ সেই শ্ৰীময় সুন্দৰ গম্ভীৰ মূৰ্ত্তি মনত পৰিলে অন্তৰত শোকে খুন্দা মাৰি ধৰে।" (২)

ধৰ্ম্ম-সংস্কৃতি

গোস্বামীদেৱৰ আছিল স্বধৰ্ম্মত ঐকান্তিক আসক্তি। সেই আসক্তি পাৱত-পৰা বা আৱৰণসৰ্ব্বস্ব নহয়। বাল্যকালত সত্ৰীয়া পৰিৱেশে তেখেতৰ অন্তৰত থিটো-ধৰ্ম্মভাব ওপজালে সেয়ে ক্ৰমাৎ বৃদ্ধি হৈ-হৈ এজুপি প্ৰকাণ্ড মহীৰুহত পৰিণত হলগৈ—যাৰ আশ্ৰয় কৰি সকলো ধৰ্ম্মকে সমান দেখা এজন সমদৰ্শী ধৰ্ম্মতত্ত্বজ্ঞ হবগৈ পাৰিলে।

দৈনিক গায়ত্ৰী মন্ত্ৰ জপৰবা ব্ৰাহ্মণৰ মূল ধৰ্ম্ম। ইয়াৰ আচৰণ কদাপি স্খলন হব নাপায়। উপবীত ধাৰণ কৰা দিন ধৰি মৃত্যুৰ পূৰ্ব্বে সজ্ঞানে থকালৈকে গোস্বামীদেৱে সেই মন্ত্ৰ জপিবলৈ এৰা নাছিল। চৰকাৰী উচ্চ-পদবীৰ অধিকাৰী হৈয়ো তেখেতে ব্ৰাহ্মণৰ আচাৰ-ব্যৱহাৰ ত্যাগ কৰা নাছিল। সদায় সন্ধ্যা-আহ্নিকাদি নিত্যক্ৰিয়া কৰিছিল।

পছিমীয়া শিক্ষাৰ বা-বতাহ লাগিলেই ব্ৰাহ্মণৰ লৰাই গায়ত্ৰী কাক বোলে চিনি নোপোৱা হয়। হেম গোসাঁই কিন্তু তেনে বিধৰ লৰা নাছিল। তেওঁ কলিকতালৈ গৈ মেছত থাকোঁতেও দৈনিক জপ কৰিছিল। ১৮৮৮ চনৰ ডায়েৰীত (নতুন বহী) বহীটোৰ প্ৰথম পাতত লেখা আছে—"গায়ত্ৰীয়েই মোৰ

"অসম বাতৰি", শ্ৰীযুত লক্ষ্মীনাথ ফুকনৰ প্ৰবন্ধ—

(১) শৰৎ চন্দ্ৰ গোস্বামী আই,এচ,অ

(২) সোণাৰাম চৌধুৰী

ঈশ্বৰ উপাসনা কৰাৰ খাই মন্ত্ৰ।"* তাৰ তলতে আইনেক বুজাব পৰাকৈ প্ৰাৰ্থ-নীৰ ইংৰাজী অনুবাদৰ সাৰমৰ্মটিও টুকি থোৱা আছে।*

তীৰ্থাদি ভ্ৰমণ আৰু দৰ্শনত তেখেতৰ বৰ আস্থা আছিল। কলেজৰ ছাত্ৰ হৈ থাকোঁতেও কালীঘাট আদিত প্ৰায়ে দেওবাৰে বা কলেজ বন্ধ থাকিলে পাক এটা মাৰি আহিছিলগৈ। উত্তৰ ভাৰতৰ হৰিদ্বাৰ বৃন্দাবনলৈকো গৈছিল। কালী-ঘাটলৈ যোৱাৰ কাৰণ অকল দৰ্শন কৰাই নাছিল, তাৰ পাণ্ডাৰপৰা "জোনাকী" কাকতলৈ বিজ্ঞাপনো সংগ্ৰহ কৰিছিল।

মাতৃভক্তি

"সকতে পিতৃবিহীন; মাক বহুত দিন আছিল। মাকক তেখেতে পতিত পাৱনী জাহ্নৱী বুলি ভাবি ভক্তি কৰিছিল। তেখেতে মাকক সম্বোধন কৰি মতা "আই" মাতষাৰ অতি শ্ৰুতিমধুৰ আছিল। এই সম্ভাষণ শুনোতাসকলৰ মনপ্ৰাণ শ্ৰদ্ধা-ভক্তিৰে আপ্লুত হৈ পৰিছিল।"

শ্ৰাদ্ধ বিবাহেই হিন্দুত্বৰ হিয়া-কবি। ইয়াক সতেজ সজাগ আৰু অবিস্মৰণীয় কৰি ৰখাটো হিন্দুমাত্ৰৰে অলঙ্ঘনীয় কৰ্ত্তব্য। সেই কৰ্ত্তব্য পালনত গোস্বামীদেৱে লৌকিকতা আৰু আত্মবিশ্বাসৰ যে অলপো হীনডেঢ়ি হবলৈ নিদিছিল—পিতৃ-দেৱতাকৰ শ্ৰাদ্ধৰ আয়োজনটিতেই পৰিষ্কাৰকৈ দেখিবলৈ পোৱা যায়।

পিতৃদেৱতাক হানি পৰিছিল ১৮০৪ শকৰ চতুৰ্দ্দশী তিথিৰ দিনা। সেইদিনাৰপৰা পুতেক হেমচন্দ্ৰই য'তে-নেথাওক-লাগে তাতে পৰম শ্ৰদ্ধা-ভক্তি সহকাৰে পবিত্ৰ ভাৱে বছৰে বছৰে পিতৃদেৱতাকৰ বাৎসৰিক শ্ৰাদ্ধ কৰি আহিছিল।

শ্ৰাদ্ধাদিত আস্থা

১৯২৬ চনত তেখেতৰ ৰৰপুতেক কিৰণ টংলাত আছিল। সেই বছৰেই শিৱচতুৰ্দ্দশীৰ তিথিত—শিৱৰাত্ৰিৰ আগদিনা-পিতৃদেৱতাকৰ শ্ৰাদ্ধ। শ্ৰাদ্ধত লগাবলৈ উপাদান-বস্তু সকলো পবিত্ৰ হব লাগে। পবিত্ৰতা ৰক্ষা কৰাত তেখেত ইমান

"Father of light and life, thou God supreme! O teach me what is good, teach me thyself. Save me from folly, vanity and vice, from every low pursuit and fill my soul with Knowledge, Conscious peace and Virtue. From the saacred, substantial, never fading bliss.

চিনাচেলা আছিল যে বজাৰৰ চাউলকো অশুচি বুলি হে ভাবিছিল। গুৱাহাটীৰ নিজা মাটিত খেতি কৰোৱা ধানৰ সাজো-চাউল পোৱা নহয় বেছি এনেকুৱাই ধানৰ আলেৰেই কিবশলৈ নতুন অহা চাউল পঠিয়াবলৈ লেখিছিল। চিঠিখনৰ এই কিশাৰী কথা মন কৰিব লগীয়া :—

“মই ৺পিতাৰ শৰাধৰ বাবেহে টংলালৈ যাব খুজিছোঁ। শৰাধ হৈছে ১১ কেৰুৱাবী বৃহস্পতিবাৰে। শৰাধ আৰু শিৱৰাত্রিৰ পূজাৰ বাবে নতুন অহা চাউল ৫ দোণ মান, ২।১ এদিনৰ আগতে পোৱাকৈ পঠাবা। নহলে, বজাৰৰ চাউল কিনি শৰাধ কৰিব লাগিব। ৩।২।২৬; হেমচন্দ্র গোস্বামী”

সংস্কৃতিৰ পোষকতা

খৃঃ ১৯২৩-২৪ অৰ কথা। বৰ্ত্তমান শিলঙৰ লাবানত থকা নগাঁৱৰ ভোলাগুৰি সত্ৰৰ শ্ৰীযুত জীৱেশ্বৰ গোস্বামী তেতিয়া c ট্ৰিকুলেছন পৰীক্ষা দিবলৈ গুৱাহাটীলৈ গৈছিল। জেঠাৱেকৰ পুতেক দাদাক প্ৰত্নতাত্ত্বিক সৰ্ব্বেশ্বৰ কটকীৰ ঘৰত থাকি পৰীক্ষা দিছিল। কটকীদেৱে এদিন জীৱেশ্বৰক লৈ গল পণ্ডিত হেম গোস্বামীৰে চিনাকি কৰি দিবলৈ। সেই চিনাকি ঘনিষ্ঠ হোৱাকৈকে জীৱেশ্বৰ গোস্বামীয়ে পণ্ডিত গোস্বামী গুৰুতুৰণৰ সঙ্গলাভ কৰি কি পালে, সেই কথাত ভাঁজ নিদি তেওঁৰপৰা পোৱামতেই লিপিবদ্ধ কৰা হল। ইয়াতে গোস্বামীদেৱৰ আত্মীয় বৎসলতা, আশ্রিতবৎসলতা, সহৃদয়তা, পৰোপকাৰিতা, দেশীয় কৃষ্টি-অনুৰাগিতা— এই সকলোৰে অলপ-অলপ পাব।

গোস্বামী জীৱেশ্বৰে জনাইছে :—

“খোলোবা গৌৰাঙ্গ বৰণৰ সুশ্রী পুৰুষজনক (হেমচন্দ্ৰ গোস্বামীক) দেখি মোৰ তেখেতৰ প্ৰতি অগাধ ভক্তি উপজিছিল।

“ঘৰত সোমোৱাৰ লগে লগে তেখেতে আসনৰপৰা উঠি আহি আমাক ভিতৰলৈ নি আদৰ-সমাদৰকৈ বহিবলৈ দিলে। আমাৰ লগত কথাবতৰা পাতিলে। ৺সৰ্ব্বে-শ্বৰ দাদাই তেখেতৰ লগত মোক পৰিচয় কৰি দিয়াৰ পূৰ্ব্বেই হোনো তেখে-তৰ পৰিয়াল বৰ্গই মোৰ কথা তেখেতক কৈছিল বোলে মই হেনো বিয়া-বাৰুত কাম-কাজ কৰাত, খুউৱা-বুউৱাত বৰ কাজুৱা আৰু বিয়ানাম জোৰানাম দিয়াতো যোনেও কেথ মাৰিব নোৱাৰে। সেইদিনা তেখেতে অলপ সময় কথা-বতৰা পাতি বাহনিৰৰ মজিয়ালৈ নি আমাক ভালকৈ মজাই-পৰাই বাস্-

বাটিত জা-জলপান খুৱাই বিদায় দি কলে, “মেট্রিকুলেচন পৰীক্ষা পাছ কৰিলে কটন কলেজত পঢ়িবলৈ নহাকৈ নেথাকিবা দেই। এতিয়াই সমূহ সোমালেহঁতৰ বাহিৰৰ কথা-বতৰা আৰু সত্ৰীয়া কথাবতৰাও ভালকৈ শিকিব লোৱাবিধা। পিছে, আমাৰ হল ধন নাইকিয়া মহলবাৰ, হাতত নাই বিত্ত, মনে কৰে পিত পিত। তথাপি তেখেতক কলোঁ, আশীৰ্ব্বাদ কৰিব, যাতে পৰীক্ষাত উত্তীৰ্ণ হব পাৰোঁ, আৰু কলেজত নাম লগাবলৈ আহিব পাৰোঁ।

“মেট্রিকুলেচন পৰীক্ষাৰ ফলাফল ভাল হল।” গুৱাহাটীৰ কলেজত পঢ়িবলৈ গলোঁ। তাত পঢ়াদিনকেইটাত মাজেসময়ে গোস্বামীদেৱৰ ঘৰলৈ গৈছিলোঁ। কাৰণ, তেখেতক প্ৰমুখ্য কৰি ঘৰৰ সকলোৱেই মোক বৰ চেনেহ কৰিছিল। তেখেতৰ তৃতীয় পুত্ৰ শ্ৰীপ্ৰফুল্ল চন্দ্ৰ মোৰ কলেজীয়া জীৱনত সহপাঠীও আছিল।

“উজান বজাৰৰ কুমাৰ ভাস্কৰ নাট্য-মন্দিৰত হোৱা অভিনয়ত মই মাজে-সময়ে ভাও দিছিলোঁ। মোৰ ভাওভঙ্গীৰ কথা শুনি গোস্বামীদেৱে মোৰ লগত হাঁহি-মাতি, ৰং-ধেমালি কৰি মোক বৰ উৎসাহ দিছিল। অনুবাদ কৰা নাটতকৈ অসমীয়া নাট্যকাৰে ৰচা নাটকৰ ভাও কৰিবলৈ মোক উপদেশ দিছিল।

“অসমীয়া কৃষ্টিৰ উৎকৰ্ষ সাধন কৰিবলৈ তেখেতে আমাক বুদ্ধি পৰামৰ্শ দিছিল। শংকৰী কলাকৃষ্টিৰ প্ৰতি তেখেতৰ বৰ অনুৰাগ আছিল আৰু সেই সম্বন্ধে তেখেতে বহুত তথ্যপাতি পৰিপাটিকৈ জানিছিল। কীৰ্ত্তন পঢ়াৰ সুৰ, পদ, ছুলৰী, ছবি আদি কেনেকৈ পঢ়িব লাগে সেই সম্বন্ধেও মোক আভাস দিছিল। তেখেতৰ উৎসাহ-উদগনিতে মই কলিয়াবৰৰ আমাৰ ভোলাগুৰি সত্ৰলৈ গৈ বহুত গলে স্বৰ্গীয় পদ্মকান্ত গোস্বামী পিতৃদেৱতাৰ পৰা অংকীয়া নাটৰ গীতৰ সুৰ, বৰগীতৰ সুৰ, ভাৰনাৰ বচন-বিলাপ আদিৰ সুৰ বৰ আগ্ৰহেৰে শিকিছিলোঁ। বৃদ্ধ বায়নসকলৰপৰা সূত্ৰধাৰী নৃত্য—কৃষ্ণ নৃত্য আদিৰ ভঙ্গীও শিকিছিলোঁ। পিতৃদেৱে মোক কৈছিল বোলে কলেজত ইংৰাজী পঢ়া লৰাৰ এতিয়া এইবিলাক পুৰণা গীত-মাত, বাগ-ভটীমা, নাচবাগ শিকি কি লাভ হব?

লোকৰ লৰাহি ভালকৈ পঢ়ি-শুনি পাচ কৰি হাকিম, মুন্সিফ হব পাৰিব, ধন ঘটিব পাৰিব। ধনেই ধৰ্মৰ মূল। সুখ হব। এই পুৰণা ধিন্‌দাও, খিত্‌তাও, তা-না-না-না বাগ শিকি, কৃষ্ণনাচ দি, সূত্ৰধাৰী নাচ নাচি কৌগীত, কানৰা গীত আদি গাই ধনঘটি আমাক তৰাবা।" তেতিয়া মই পিতৃৰ আগত হেমচন্দ্ৰ গোস্বামীৰ কথা কলোঁ, তেখেতে মোক আমাৰ পুৰণা কৃষ্টিবিলাক সাধ্য অনুসাৰে শিকি থবলৈ কৈছে। আৰু মই যিমান দূৰ পাৰোঁ। শিকিবলৈ যত্ন কৰিম বুলি তেখেতক প্ৰতিশ্ৰুতি দি আহিছোঁ।" গোস্বামীদেৱৰ কথা কোৱাত হে পিতৃৰ মন অলপ কোমলিল আৰু মোক অলপ-অলপ শিক্ষা দিবলৈ ধৰিলে। তথাপি তেখেতে কৈছিল, "এই বিলাকতে লাগি থাকি পঢ়াৰ ফালে পিঠি নিদিবা। অৰ্থকৰী বিদ্যা নহলে সকলো মিছা। নাচ-গানে গীত-মাতে নতৰায়।"

মাজে-সময়ে গোস্বামীদেৱৰ ঘৰলৈ যাওঁ। দেওবাৰে গলে, প্ৰায়েই তেখেতে মোক ঘৰত শিকি অহা গীত-বাগ পদ আদি গাবলৈ কয়, মইও জনায়-নজনায় গাওঁ। কেতিয়াবা কেতিয়াবা মুখেৰে খোল বোল বজাই নাচি দেখুৱাব লগাও হৈছিল। এই দৰে গীতমাত গোৱা শুনি তেখেতে মোৰ মূৰত ধৰি আশীৰ্ব্বাদ দিছিল, "বোপা, এনে হেন গন্ধৰ্ব্ব বিদ্যা অৱহেলা নকৰিবা। আমাৰ কৃষ্টি-সংস্কৃতি আমিয়েই ৰক্ষা নকৰিলে আনে কেতিয়াও নকৰে। আমাৰ বয়স ভাটী দিলেহি, তোমালোকৰ দৰে ডেকা-তৰুণৰ ওপৰত নিজৰ নিজৰ ধৰ্ম্ম-সংস্কৃতি ৰক্ষা কৰাৰ দায়িত্ব পৰিছে। সংস্কৃতিয়ে জাতি একোটাৰ ভাল-বেয়া পৰিচয় দিয়ে। "নেৰিবা আদি মূল, নেৰিবা জাতি-কুল, নেৰিবা বোলা বচন।"

"আমাৰ মহাপুৰুষসকলৰ শিক্ষা-দীক্ষা, নীতি-নিয়ম, সদাচাৰ, ধৰ্ম্মাচৰণ ৰক্ষা কৰা কাৰ্য্য আমাৰ সকলোৰে ওপৰত।"

উপদেশ বচন শুনি মই তেখেতক সেৱা জনাই কলোঁ, "আপোনাৰ আশীৰ্ব্বাদ শিৰত লৈ এই আপুৰুগীয়া সংস্কৃতি সাধ্য-অনুসাৰে শিক্ষা কৰিবলৈ যত্ন কৰিম। আমাৰ ঘৰলৈ গলেও, তেখেতে খালি পুৰণি গীতমাত ৰক্ষা কৰাৰ কথা হে কয়।"

অসমীয়া সাহিত্যৰ পৰমাচাৰ্য্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী

"অসমীয়া সংস্কৃতি সমন্ধে শিক্ষা লাভ কৰি হিপোকৰাজানি লাভ কৰি আছি-লোকে দীয়াই আছে, সেই সকলোখিনিৰ গুৰিতে পণ্ডিত হেমচন্দ্ৰ দেৱ গোস্বামীৰ উৎসাহ-উদগনি। তেখেতৰ উপদেশেই মোক একান্ত সংস্কৃতি অনুৰাগী কৰি পেলালে।"

"তেখেত এবাৰ কলিকতালৈ যাওঁতে মোকো লগত লৈ গৈছিল। ৰেলত বা কলিকতাৰ হোটেলত নিজে অন্ন পাক কৰি খাইছিল। নিতৌ পুৱাই উঠি স্নান কৰি নিত্যনৈমিত্তিক সন্ধ্যা পূজা কৰি হে অ-জলপানো গ্ৰহণ কৰিছিল।"

তাম্ৰ পাত্ৰৰ জল কিয় শুদ্ধ

গোসাঁয়ে এদিন কৈছিল, 'আমি যে সন্ধ্যা-আহ্নিক, পূজা-সেৱা কৰোঁতে কোৰা-অৰ্ঘা, কলহ, কুণ্ড তামৰ লওঁ তাৰ স্বাস্থ্য সম্পৰ্কীয় অৰ্থ আছে। তুলসী পাত পেলাই থোৱা ইয়াৰ পানীটো মহৌষধি। এই কথা আগেয়ে নেজানিছিলোঁ, গৰ্ডন চাহাবে মরে এদিন হাতীত উঠি কমলপুৰ চাৰ্কেললৈ গৈছিলোঁ। বাটতে চাহাবে পিয়াহ লাগিছে বুলি কলত মই মাউতটোক হাতী বাখিবলৈ কলোঁ। চাহাবে কলে "বামুণ মানুহৰ ঘৰ চোৱাঁ। অলপ দূৰ গৈয়ে এঘৰ মানুহৰ বাৰীত ফুল-তুলসী-বেল গছ দেখি চাহাবে নিজেই হাতীৰপৰা নামি গৈ ঘৰৰ গিৰিহঁতজনৰ বিচাৰ ললে। তেওঁ আছিলত বামুণ বুলি জানি খাবলৈ পানী খুজিলে। গিৰিহঁতজনে ৰব আন্তঃগ্যন্তকৈ কাঁহৰ লোটা এটাত পানী আনিছে,"এনেতে চাহাবে বলে, "মোক এই পানী নেলাগে, কোষা পানী লাগে (কোষাৰ পানী)। বামুণজনে সুবুজাত আকৌ কলে, "আপুনি পূজা কৰা তামী কোষাৰ পানী লাগে।" গোসাঁয়েও বুজাই দিলত বামুণজনে, কুণ্ডৰ পানীকে দিলে। চাহাবেও কাঁজলি-কাঁজলিকৈ খালে।

পাচত, সুধিলত চাহাবে কলে, "তামৰ পাত্ৰত পানী থলে, পানীৰ বেয়া বীজাণুবোৰ মৰি যায়। আৰু পানীও নিকা হয়। কথাষাৰ শুনি লাজ পাই; গোসাঁয়ে নিজে নিজেই কলে, "মই এনেয়ে বামুণ হলো। তাৰ তুলসীৰ মহিমা বুজুকিলো!

অতি শান্ত হলেও নির্ভীক আছে

গোসাঁই বৰ নিৰ্জু আছিল। সঁচা কথা কবলৈ গলে তেখেত আছিল মৰাসাপ নেছেৰা। ধীৰেশাঁতে কথা কয় যদিও, আনে মুখৰ জোৰ দিব নোৱাৰিছিল। সকবেপৰা কথাত চোকা, কামত হে লেছেম আছিল। নিচেই শান্ত স্বভাৱৰ হোৱা বাবে তেখেতৰ কোনো কোনো সময়ত বিপদও হৈছিল। নগাওঁ হাইস্কুলত পঢ়োঁতে দুষ্টৰ শিৰোমণি গিৰীশ চন্দ্ৰ বেজবৰুৱাই উচটাই দি হেডমাষ্টৰকে অপমানজনক কথা কোৱাইছিল। তাৰ ফলত তেখেত তিনিমাহলৈ 'ৰাষ্টিকেট' ও হবলগীয়া হৈছিল।

কলিকতাত পঢ়োঁতেও এইজন দুষ্টাগ্ৰগণ্যই পাই গোসাঁইক বহুত লটি-ঘটি কৰিছিল। তাৰ ভিতৰতে এটা লিখিতভাবে গিৰীশচন্দ্ৰ বেজবৰুৱাৰ ডায়েৰীত পোৱা হৈছে।

গিৰীশচন্দ্ৰ তেতিয়া কলিকতাৰ ১৪ নং প্ৰতাপ চন্দ্ৰ চাটাৰ্জী লেনত আছিল। তেওঁ লেখিছে "এদিন হেম গোসাঁইক ৰাধাবজাৰৰ লায়াল কোম্পানীত বন্ধক দি সোণৰ আঙঠি এটা আনিলোঁ। বাত্তিটো তেওঁ তাতে থাকিল।"

পাপৰ প্ৰায়শ্চিত্ত আছেই। কাৰোবাক অপকাৰ কৰিলে বা কাৰোবাক মিছা প্ৰবঞ্চনাৰদ্বাৰাই অনিষ্ট কৰিবলৈ আলচিলে তাক ঈশ্বৰে দণ্ড কৰিবই, এই বিশ্বাস গোসাঁইৰ মনত আজীৱন লাগিয়েই আছিল। কলেজৰ প্ৰথম-দ্বিতীয় বাৰ্ষিকত লেখা ডায়েৰীৰপৰা সেই কথা অনুমান কৰিব পাৰি। প্ৰথম বাৰ্ষিকত থাকোঁতে তেওঁক মেছনিবাসী দুজনমানে মদ খাই জোকাইছিল আৰু হোৱাতো-নোহোৱাতো বৰ আমনি কৰি আছিল, কেতিয়াবা কেতিয়াবা ইতিকিতো কৰিছিল। এখেতেও অসহ্য হৈ তেওঁবিলাকক গালি-শপনিৰে "ঠাণ্ডা" কৈ থৈছিল। গোসাঁই ইমান ধৰ্মভীৰু যে সেই সামান্য গালিপৰা বাবেই অনুতাপ কৰি সেইদিনাৰ ডায়েৰীত লিখি থৈছিল, "আজি ক্ৰ-ইৎক বৰ বেয়া কথা কলোঁ—হে প্ৰভো, ক্ষমা কৰিবা।" মেছত ইটো-সিটোৰ লগত খুত-খাত লাগিয়েই থাকে—সেইবোৰ একো ধৰিবলগীয়া কথা নহয়। তথাপি তাকে গোসাঁয়ে কেতিয়াবা বৰ ডাঙৰ কথা বুলি ভাবিছিল আৰু ডায়েৰীত তাকে দুখ কৰি লেখি থৈছিল। এদিন গোসাঁইৰ গাৰ জনৰপৰা ডাকপখিলী (পষ্টকাৰ্ড)

এটি আৰু লেফাফা (এনভেলপ) এটি নাইকিয়া হল। কোনোবাই যেমানিতেই নিয়ক বা চুৰ কৰিয়েই নিয়ক, নিলে। এসময়ামানৰ মূৰত, তেখেতৰ বৈনায়েক মহেশ্বৰ নেওগেই নিলে বুলি কথাটো ওলাই গল। গোসাঁইৰ উক্তি অহা বৎটো, বৈনায়েক দেখি, অলপ শাম কাটিলে যদিও, এইষাৰ কথা নকৈ নোৱাৰিলে—"যি মানুহৰ পইচাটীয়া পষ্ট কাৰ্ডটো খুজি নিবলৈ সাহ নাই, সি আৰু আগলৈ কি মহৎ কাম কৰিব ?" কথাষাৰত আনোচা নেওগে বেয়াই পালে, এই বুলি তেওঁকেই আকৌ ক্ষমা খুজিছে আৰু গধূলি ডায়েৰীত লিখিছে, "নেওগে চাগৈ বৰ বেয়া পালে।"

সৰ্ব্বধৰ্ম্মৰ প্ৰতি উদাৰতা

গোসাঁইৰ মতি ধৰ্ম্মৰ ফালে ঢাল খাই থকা হেতুকেই বয়স ভাটী দিলতো গুৱাহাটীৰপৰা গৌৰাংসত্ৰৰ কুলদেৱতা শ্যামৰায়ৰ পুজা-সেৱালৈ আৰু অন্যান্য সত্ৰীয়া উৎসৱলৈ বায়ডে টৌপোলা একোটি আগ বঢ়াই থৈছিল। কাৎৰূপৰ যাগ-যজ্ঞ এনেকুৱা এটা নাছিল যিটোৰ হোমাদি-অৰ্থে গোসাঁয়ে মুক্তহস্তে দান দিয়া নাছিল। সেইৰূপে মহাপুৰুষসকলৰ তিথি উৎসৱলৈও পঁচা পেলাইছিল, বাইবেল-কোৰাণো কিনি আনি পঢ়িছিল। গোসাঁইৰ বাইবেল-জ্ঞান আৰু খৃষ্টান ধৰ্ম্মৰ প্ৰতি সহনশীলতা দেখি ৰেভাৰেণ্ড বিভেনবাৰ্গ নামে এজন পাদ্ৰীয়ে তেখেতৰ গলাগৰ উপৰি গলাগ অনাইছিল। মৌলবী কাইজুদ্দিন আহমদ চাহেব এচ, ডি, অ'ই 'কোৰাণ' এখন অসমীয়া ভাষাত লেখি গোসাঁইলৈ উপহাৰ স্বৰূপে পঠোৱাত গোসাঁয়ে প্ৰাপ্তি স্বীকাৰ কৰাৰ চলতে ইস্লাম ধৰ্ম্মৰ সজ আদৰ্শখিনিও বখানিলে। আহমদ চাহাবে বিচুৰ্ত্তি খালে।

জন্মান্তৰবাদ বা প্ৰেতাত্মা বিশ্বাসী

মাদ্ৰাজৰ আদীয়াৰত লণ্ডনৰ চিয়েন্স এচচিয়েচনৰ (Seance Association)—প্ৰেতাত্মা গৱেষণাৰ এটি শাখা আছিল। ডঃ এনী বেচাণ্টকে প্ৰমুখ্য কৰি জানেমান ইউৰোপীয় আৰু ভাৰতীয় ব্ৰহ্মজ্ঞানী বা ঈশ্বৰতত্ত্ববিদ (থিয়চফিষ্ট) পণ্ডিত তাৰ সভ্য আছিল। হেমচন্দ্ৰ গোস্বামীও আছিল। পাৰমাৰ্থিক তত্ত্বসমূহ গৱেষণা কৰি বুলিছ-

গৱৰ্ণমেণ্টৰপৰা চাৰ উপাধি পোৱা অলিভাৰ লজ আছিল লণ্ডনৰ মূল সভাখনৰ সভাপতি। তেওঁ বহুত গৱেষণা-পৰীক্ষা কৰি স্থিৰ কৰিছিল যে মানুহৰ দেহটো নাশ হলেও, আত্মাটোৰ নাশ নহয়। এই প্ৰেতাত্মাটো কৃতকৰ্ম অনুসৰি, হয় শূন্যত উৰি ফুৰিব, নহয়, উচ্চনীচ জীৱ-দেহত আশ্ৰয় লব। এই বিষয়ত, সুজ্ঞান দিব পৰা গ্ৰন্থ শ্ৰীমদ্ভগৱদ্গীতাতকৈ শ্ৰেষ্ঠ আৰু উৎকৃষ্ট গ্ৰন্থ আন নাই।

অলিভাৰ লজে, সেই গুণে, গীতাশাস্ত্ৰ ৰচিত হোৱা ভাৰতৰ আদিয়াৰতে প্ৰেততত্ত্বালোচনাৰ শাখা অনুষ্ঠানটো স্থাপন কৰিছিল।

হেম গোসাঁইে তাৰ কেনেকৈ সভ্য হবলৈ পালে আৰু কিয় বা হল, তাৰ বিষয়ে এটি ৰোমাঞ্চকৰ ঘটনা দেখেতে "থিয়চফিষ্ট" ৰজনীকান্ত বৰদলৈৰ আগত কৈছিল।

উত্তৰ লক্ষীমপুৰত দলৌহাট বাগিচাত—ঘোষ বোলা ডাক্তৰ এজনৰ ঘৈণীয়েকে আত্মহত্যা কৰে। মৰাৰ পাচত তাইৰ জীৱটোৱে গতি নাপাই ধৰফৰাই-ধৰফৰাই শূন্যতে ঘূৰি ফুৰিছিল। বিলাতত অলিভাৰ লজৰ প্ৰেতাত্মা-গৱেষণাগাৰৰ ফলিত এদিন সেই মানুহজনীৰ আত্মাটো প্ৰতিফলিত হলগৈ। যথানিয়মে প্ৰশ্ন কৰাত তাইৰ নাম "প্লেনচেটত" (পাণবিৰাৰ নিচিনা কাঠৰ ফলিত) সুহাসিনী বুলি লিখিত হল। আৰু ঘৰ কত বুলি সোধাত "দলৌহাট বাগান" ওলাল; অনাই-বনাই ফুৰাৰ কাৰণ সোধাত লিখিত হল,—গিৰীয়েকৰ নাম ডাক্তৰ ঘোষ। ঘোষৰ লগত কাজিয়া লাগি তাই আত্মহত্যা কৰিলে। লিখিত ভাষা আছিল বাঙলা। ভাষা অনুবাদ কৰা হল আৰু প্ৰেতাত্মাৰ প্ৰত্যেকটো উত্তৰৰে 'ফট'ও লোৱা হল।

এতিয়া সেই দলৌহাট কত, বিচৰা-বিচৰি লাগিল। চিয়েৰৰ শাখা অনুষ্ঠান বিলাকলৈ জাননী পঠিওৱা হল। অনুষ্ঠানৰ মুখপত্ৰত বাতৰিটো প্ৰকাশো কৰা হল। কিন্তু, দলৌহাট কত—একো খবৰেই নাই। এনেতে আদিয়াৰৰপৰা এখন কাগজ হেমচন্দ্ৰ গোস্বামীৰ হাতত পৰিলহি। গোসাঁয়ে "দলৌহাট বাগান" খন উত্তৰ লক্ষীমপুৰত বুলি লেখাত ধমাধম অনুসন্ধান হবলৈ ধৰিলে। পাচত ওলালগৈ সেই বাগানত প্ৰিয়নাথ ঘোষ নামেৰে কোনোবা এজন ডাক্তৰ আছিল সঁচা; তেওঁৰ ঘৈণীয়েক যে আত্মহত্যা কৰি মৰিল সিও সঁচা।

গীতা-মাহাত্ম্যৰ সাক্ষাত প্ৰমাণ

মানুহ মৰিল ভাৰতৰ একোণীয়া ঠাই উত্তৰ লক্ষীমপুৰৰ দলৌহাট বাগিচাত আৰু মৃতকৰ আত্মাটো গৈ উঠিলগৈ চাৰ অলিভাৰ লজৰ প্ৰেতাত্মা গৱেষণা

পাৰৰ প্লেনচেটত। প্ৰেতাত্মাৰ অস্তিত্ব সম্বন্ধে ইয়াতকৈ আৰু দৃঢ় প্ৰমাণ কি লাগিছে? গোসাঁইৰ মনত আগৰেপৰা সেই বিশ্বাস আছিলেই, এতিয়া বৈজ্ঞানিক ভাবে প্ৰমাণিত হোৱাত সি দৃঢ়ীভূত হ'ল। সেই অনুষ্ঠানৰ সভ্য হৈ গোস্বামীয়ে গীতা-মাহাত্ম্য প্ৰচাৰ কৰিবলৈ দ্বিগুণ বল লাভ কৰিলে। দলৌহাটত ঘটনাটো হৈছিল ১৯.৮ চনৰ জানুৱাৰীত আৰু চিৰেক সমিতিৰ দৃষ্টি আকৰ্ষণ হয়, ১৯১৯ চনৰ নৱেম্বৰ মাহত।

ভোলা বৰুৱাৰ দানত মোহমুদ্গৰ স্তোত্ৰৰ প্ৰভাৱ

২০।২।১৯২২ চনত 'সাহিত্য-চানেকি'ৰ কামত হেমচন্দ্ৰ ভোলানাথ বৰুৱাৰ ডৱচন ৰড'ত থকা ঘৰত আলহী হৈ আছিলগৈ। তাত গোসাঁয়ে সদায় শ্ৰীমচ্ছঙ্কৰাচাৰ্য্যৰ মোহমুদ্গৰ স্তোত্ৰটি গায় আৰু পাঠ কৰে। ভোলা বৰুৱাইও বৰ আন্তৰিকেৰে তাৰ পাঠ ব্যাখ্যা শ্ৰৱণ কৰে। অৱশ্যে, পাঠৰ সময়ত দুই-চাৰিজন শ্ৰোতাও আছিল। তাৰে এজন আছিল নৰেন্দ্ৰ নাথ সান্যাল। সান্যাল ভোলা বৰুৱাৰ এজন প্ৰধান তোষামোদী। তেওঁ শঙ্কৰাচাৰ্য্যক ভিক্ষাৰী, বৈৰাগী বুলি উলাই কৰিলত গোসাঁইৰে সৈতে তৰ্ক হ'ল। কথায়-কথায় ওলালগৈ যে সান্যাল চাৰ্ব্বাকবাদী—ঋণং কৃত্বা ঘৃতং পিবেৎ—'ইট, ড্ৰিঙ্ক এণ্ড বি মেৰী' তেওঁৰ মত। গতিকে গুৰিতে অমিল। দুটা সমান্তৰাল ৰেখা কেতিয়াও মিল খাব নোৱাৰে। এতেকে মিল হব নোৱৰা তৰ্কত প্ৰবৃত্ত হোৱাৰপৰা একো লাভ নাই। সেই দিনাৰপৰা সান্যালে তৰ্কৰ ওৰা পাতিবলৈ এৰি দিলে। লাভত, ভোলানাথ বৰুৱাৰ মোহমুদ্গৰৰ প্ৰতি আস্থা বাঢ়ি আহিল আৰু গোসাঁয়ে নিতৌ সেই স্তোত্ৰটো পঢ়ি, মাতি অৰ্থ ব্যাখ্যা কৰি শুনোৱাত বৰুৱাৰ মনো সংসাৰৰ প্ৰতি নিস্পৃহ হবলৈ আৰম্ভ কৰিলে।

সংস্কৃত-জ্ঞানত উৰীয়া পণ্ডিত মুগ্ধ

পুৰীলৈ যাওঁতে হেম গোঁসায়ে সদাশিৱ মিশ্ৰ নামেৰে সংস্কৃত ভাষাৰে গ্ৰন্থলেখ আৰু সংস্কৃতানুৰাগী এজন পণ্ডিতক লগ পাইছিল তেওঁ "কল্যাপধৰ্ম্মসৰ্ব্বস্ব" নাম দি স্মৃতিগ্ৰন্থ সমূহৰ সঙ্কলন এখন প্ৰণয়ণ কৰিছিল। ব্যোমকেশ চক্ৰৱৰ্ত্তী বেৰিষ্টৰৰ হতুৱাই ইংৰাজী পাতনিৰে পুথিখন প্ৰকাশ কৰিবলৈ প্ৰস্তুতকৈ ৰাখিছিল। মিশ্ৰই গোস্বামীক পুথিখন দেখুৱালত গোস্বামীয়ে কামৰূপৰ ইমান-বোৰ শ্ৰুতি-স্মৃতি গ্ৰন্থৰ নাম কলে যে শুনি মিশ্ৰ সেইদিনে তধা লাগিল।

হেমচন্দ্ৰৰ গ্ৰন্থাগাৰ

হেমচন্দ্ৰৰ ঘৰুৱা লাইব্ৰেৰীত (গ্ৰন্থাগাৰত) নোহোৱা কিতাপ নাছিল। কিতাপ বুলি সংখ্যা বঢ়োৱা যেই সেই গল্প-উপন্যাসৰ কিতাপ নহয়। মূল্যবান, দুষ্প্ৰাপ্য আৰু প্ৰমাণী মৌলিক গ্ৰন্থৰেই বাহিৰ-ঘৰৰ আলমাৰীভো খুন্দখোৱা। ভিতৰৰ ভাঙৰ-ভাঙৰ তিনিটা আলমাৰীত হাতেলিখা অসমৰ ইতিবৃত্তমূলক আগৰ-দিনীয়া চাহাববিলাকৰ প্ৰবন্ধ-এতলা আৰু নিজে গোটাই অনা পুথিৰপৰা নকল কৰি থোৱা বুৰঞ্জীৰ দ'ম। তেখেতৰ পুথিভঁড়ালত অকল পুৰণি অসমীয়া সাহিত্য-বুৰঞ্জী-সংক্ৰান্ত পুথিয়েই যে আছিল এনে নহয়, বঙ্গদেশৰ এচিয়াটিক চচাইটিৰদ্বাৰা প্ৰকাশিত প্ৰায়বিলাক সংস্কৃত গ্ৰন্থ, অসম সম্পৰ্কীয় সকলো প্ৰবন্ধ, মেক্সমুলাৰৰ বেদ, উইলচনৰ সংস্কৃত গ্ৰামাৰ, এমেৰিকান বেপটিষ্ট মিশ্যনৰদ্বাৰা প্ৰকাশিত অসমীয়া কিতাপবিলাক, হিন্দী-উৰ্দ্দুৰ অভিধান, কালিদাস-ভৱভূতিৰ নাট-কাব্য সমূহ বৰ সযতনে সংৰক্ষণ কৰি থোৱা হৈছিল। সেই কিতাপবিলাকৰ বিখন তালিকা তেখেতে বৰ্ণানুক্ৰমে লিখি ৰাখিছিল, তাৰপৰা সহজেই খাটাংকৈ কব পাৰি যে হেমগোসাঁইৰ লাইব্ৰেৰীটো পাটনাৰ খোদাবক্স লাইব্ৰেৰীৰ ক্ষুদ্ৰ সংস্কৰণ আছিল।

আজিকালিৰ দৰে, লাগ বুলিলেই সেই দিনত কিতাপ-পুথি বা পুথি-পত্ৰ বিচাৰি পোৱা নগৈছিল। সেইদেখি তেখেতে নিজেই সেইবিলাক ধন ভাঙি, কিনি আনি বৰ সাৱধানে ৰাখি থৈছিল। তাম-শিলৰ ফলি-নকলবোৰো তেখেতে নিজেই কৰি নিজৰ হাতেৰেই লেখি থৈছিল।

লাইব্ৰেৰী সংৰক্ষণত তেখেতে যি পৰিশ্ৰম কৰিছিল, আজি সি সপোনৰো অতীত। যি যুগত সাধাৰণ চিঠি একোখন নকল কৰিবলৈকে ১০০ টকীয়া প্ৰতিলিপিকাৰক এজন আনিব লাগে, যি যুগত কিতাপ এখন এটা আল-মাৰীৰপৰা আন এটা আলমাৰীলৈ নিবলৈকে মাহে ২০০ টকা ব্যয় নকৰিলে নহয়, যি যুগত পুথি এখনি সংগ্ৰহ কৰি আনিবলৈকে লাগে অন্যূন ৩০০ টকা পাথেয়, যি যুগত ৫।৬ টা কেৰেণী, চকীদাৰ নহলে "পৰৰ ধনত তোটশিৰি হৈ" বহি থকা হেজাৰটকীয়া বিষয়া নহলে বুৰঞ্জী চৰ্চ্চা কৰা অসম্ভৱ, সেই

যুগৰ মানুহে সাহিত্য-বুৰঞ্জীৰ পুথিসমূহৰ বিষয়ে উনৈশৰ বা কাকতী মহৰি প্ৰভৃতি লোহোৱাইকেহে অকলে-অকলে তন্ন-তন্নকৈ সকলো কথা জনা আৰু সকলো খবৰ আঙুলীৰ আগত লেখিবপৰা মানুহজনৰ অবিৰাম পৰিশ্ৰমৰ কথা উপলব্ধি কৰা কেতিয়াও সম্ভৱ নহয়। 'দুষ্টজেহে জানে বঠা বিষানলৈ বহে।'

লাইব্ৰেৰী ধ্বংস

১৯১৮ চনত ৰামচৰিত সিং নামে দেছুৱালী মানুহ এটাই লোকৰ উচটনিত পৰি গোস্বামীৰ ঘৰত মাজনিশা বাতি জুই লগাই দিয়ে। বাহিৰৰ ঘৰ কেৰোটাও পুৰি ভস্ম কৰিলে। কিতাপৰ আলমাৰী থোৱা ভিতৰৰকালৰ ঘৰটোৰো একাল পুৰিলে। থিয় পুথি-ঠগাত (ছেল্‌ফত) থোৱা চিঠি-পত্ৰৰ ফাইল আৰু বহুত কাগজ-পত্ৰ ধোঁৱা লাগি নষ্ট হল, বহুত পুৰিলেও। গোসাঁইশোৱা আগকালৰ ঘৰটোৰখিনি ৰক্ষা পৰিল। ভাগ্যে, অতি দুষ্প্ৰাপ্য আৰু আৱশ্যকীয় কিছুমান, তেখেতৰ মৃত্যুৰ পাচত, তেখেতৰ মাজু পুতেক শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী বি, এ দেৱে ডঃ সূৰ্য্যকুমাৰ ভূঞাৰ অনুৰোধত অসম গৱৰ্ণমেণ্টৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগলৈ দান দিলে। সেই বিভাগত সংগৃহীত পুথিৰ কিবিলাক শ্ৰীশৰৎচন্দ্ৰ গোস্বামীৰপৰা পোৱা বুলি লেখা আছে, সেই এটাইবোৰ পুথিয়েই পৰমাচাৰ্য্য পণ্ডিত ৺হেমচন্দ্ৰ গোস্বামীয়ে সংগ্ৰহ কৰা। আৰু কিছুমান সৰ্ব্বেশ্বৰ কটকীয়ে নিলে। তেওঁ নিয়াখিনিৰ যেনিবা আমাক গোস্বামীয়ে লেখা-নেলেখা পুথি-প্ৰবন্ধসমূহৰ তালিকা এটি দি থৈ গ'ল আৰু ভূঞাই 'সাহিত্য চানেকি' আৰু ডিস্ক্ৰিপটিভ কেটেলগ অৱ আচামীজ লিটাৰেচৰত, গোস্বামীদেৱৰ কৰ্ম্মজীৱনৰ বিস্তৃত বিৱৰণী একোখনি লেখিলে।

ছাত্ৰই হওক বা পণ্ডিতেই হওক, কাক ও তেখেতে কদাপি কিতাপ-কাকত হাত এৰি নিদিছিল আৰু নিদিয়াৰ কাৰণটো কওঁতে কৈছিল, "তোমালোকে বিচাৰ্চ কৰিবলৈ লাগিছা, ভাল কথা। পুথি-পাজি বিধিনি লাগে আগেয়ে তালিকা এখন কৰি কিনি আনি ঘৰতে গোটাই লবা। কাৰো ওচৰত হাত পাতিবলৈ নেযাবা।"

গুপ্ত-চৰ্চাৰী এতলা, নঠী-পত্ৰ আৰু কোনো কোনো চাহাবে লেখা অসমৰ

দুৱাৰখিলাক বৰ আচুতীয়াকৈ থৈছিল। নৌকিন চাহাবৰ, জেকিন্ কট চাহাবৰ, জেনকিন্চ চাহাবৰ বিপৰ্টবোৰ যিটো আলমাৰীত থৈছিল, তাৰ ওচৰলৈ কাকো যাবলৈকে নিদিছিল। বৰ আগ্ৰহেৰে কৈছিল, "ক'ত কি আছে, মই কব নোৱাৰোঁ। তুমি বিচৰা বস্তু সেইটো আলমাৰীতে পাব পাৰা।

এখন কাকতৰ সম্পাদকক তেখেতে বৰ বিশ্বাস কৰিছিল। কলিকতাত থকা কালত কোনে কোনে কি কি কাম কৰিছিল, তাৰ কথা সুধিছিল। গোস্বামীয়ে সম্পাদকজনৰ আতাৰ্থে অ ভা উ সা সভাই প্ৰকাশ কৰা (ৰমাকান্ত বৰকাকতী আৰু কনকলাল বৰুৱাৰদ্বাৰা সংগৃহীত) অসমীয়া পুথিৰ তালিকাখন দিলে। সম্পাদক এজন সুসাহিত্যিক। আৱশ্যকীয় কথাখিনি টুকি লৈ তেওঁ তালিকাখন দুদিনমানৰ পাচত ঘুৰাই দিলেহি। তাৰো দুদিনমানৰ মূৰত গোসাঁয়ে পাত লুটিয়াই চায় দেখোন—গ্ৰন্থকাৰেসৈতে তিনিখন কিতাপৰ নাম কেঁচিৰে কাটি নিলে। সেইদিনাৰপৰা তেখেতে সেই সম্পাদক গৰাকীৰ নামতো খেৰ এডাল নিদিয়া হ'ল।

অসম সাহিত্য-সভাৰ পঙ্গা ভঙাত

১৯১৭ চনতে অসম সাহিত্য-সভা স্থাপিত হ'ল। হোৱাৰ বছৰদিয়েকৰ পাচতে পঙ্গা লাগিল। সভাটো কি হৈছে, কেনেকৈ চলাইছে ইত্যাদি কথাৰ কোনেও ভুকে নোলোৱা হল। সম্পাদক ৺শৰৎচন্দ্ৰ গোস্বামীয়েই হেনেক-তেনেকৈ চলাই সভাৰ নামটো কোনোমতে জীয়াই ৰাখিছে। ইপিনে সভাই অজস্ৰ কাম কৰিবলৈ হাতত লৈছে। চৰকাৰৰ যি অনুদান, সিও ফুটুকাৰ ফেন। বাহিৰৰ দান-বৰঙণিৰে সভাৰ অৱস্থা টনকিয়াল কৰিব নোৱাৰিলে উৰাওতে সভা মৰিয়েই থাকিব—এনে আশংকাই সম্পাদকক পেপুৱা কৰি থৈছে—এনেতে হেমচন্দ্ৰ গোস্বামী আহক বদলি হৈ গুৱাহাটীৰপৰা যোৰহাটলৈ। দৈৱযোগতহে যেন তেখেত অৱতীৰ্ণ হ'লহি সাহিত্য সভাখন ৰক্ষা কৰিবলৈ। যোৰহাটত তেতিয়া ধনী সম্প্ৰদায় বুলিবলৈ মাথোন দুটি—এটি চাহখেতিয়কসকল, আৰু ইটি চাৰিসত্ৰীয়া গোসাঁইসকল, আৰু ধনচেৰেক ধনাঢ্য সত্ৰ। সাহিত্য-সভাৰ নিচিনা জাতীয় অনুষ্ঠান এটিৰ আৱশ্যকতা, অকল বদান্য পুৰুষ ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ বাহিৰে, আন কোনো এজনেই উপলব্ধি কৰিব পৰা নাছিল আৰু কৰিবলৈ

নিয়াৰ, মুখখনো ৰাখিছে। পণ্ডিতে সেইসকলৰ, পৃষ্ঠপোষকতাৰ কাৰণে, টেকেলি কাটি। সদস্যসকলৰ গোসাঁইসকল নিজে ধৰ্মগ্ৰাহী আৰু সাহিত্যানুৰাগী। কিন্তু গোঁসাইসকলৰ বাহিৰে ইসকলৰ আৰ্থিক অৱস্থা ইমান সচ্ছল নাছিল যে সাহিত্য সভালৈ অকুণ্ঠিতভাৱে এটি শকত ধনৰ টোপোলা আগবঢ়াব পাৰে।

হেমচন্দ্ৰ নিজে শিশু সাহিত্যৰ পক্ষপাতী। পবিত্ৰ আদৰ্শেৰে শিশুৰ মন ঠন ধৰাই আনিব নোৱাৰিলে আগলৈ চৰিত্ৰবান সমাজ গঢ়া টান—এই কথা তেওঁতে "অৰুণ"ৰ সম্পাদক হৈ থাকোঁতেই প্ৰচাৰ কৰিছিল। কিন্তু 'অৰুণ' ঘৰাত, সেই প্ৰচাৰ কাৰ্যাৰো সমাপ্তি ঘটিল। এতিয়া সাহিত্য-সভাৰ যোগে-দিয়েই সেই কাম কৰিবলৈ ছেগ ওলাল। ওলাল হে ওলাল, সভাৰ অৱস্থা পৰপালীদিয়া দেখি অলপ সংকুচিত হল।

এনেতে মাহাৰা সত্ৰৰ অধিকাৰ শ্ৰীশ্ৰীৰাধানাথ দেৱ গোস্বামীৰ মাতৃ কমলা দেৱী পৰলোকপ্ৰাপ্তা হল। ইতিপূৰ্ব্বে অধিকাৰ গোস্বামীৰ দাদাক শ্ৰীশ্ৰীদেৱেশ্বৰ গোস্বামীক তেখেতৰ মাতৃদেৱীৰ স্মৃতি-ৰক্ষাৰ্থে কিবা এটি ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰি থৈছা আছিল। তেখেত বৈকুণ্ঠগামী হলত ভায়েক ৺ৰাধানাথ দেৱগোস্বামী অধিকাৰ হ'ল আৰু পূজনীয়া মাতৃয়েকো স্বৰ্গলৈ গতি কৰিলে। এইটো সোণাময় ছেগতে, ৺দেৱেশ্বৰ গোস্বামীদেৱৰ জোঁৱায়েক শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা উকীল আৰু সাহিত্য-সভাৰ সম্পাদক ৺শৰৎচন্দ্ৰ গোস্বামীয়েসৈতে লগ লাগি হাকিম হেমচন্দ্ৰ গোস্বামী যোৰহাটৰপৰা প্ৰায় ৩৪ মাইল দূৰৈত থকা মাহাৰা সত্ৰলৈ গৈ ৺ৰাধানাথ গোস্বামীৰ কাষ চাপিলে। হেমচন্দ্ৰই অধিকাৰ গোস্বামীক তেখেতৰ মাতৃ দেৱীৰ পুণ্য স্মৃতিৰ অৰ্থে অসম সাহিত্য-সভাক এককালীন ৫০০০৲ টকা দান দিবলৈ সংস্নেহে অনুৰোধ কৰিলে। মাহাৰা সত্ৰাধিকাৰক সেই প্ৰসঙ্গতে বুজাই দিয়া হল যে সেই দানৰ টকা নিৰাপদ ঠাইত জমা থৈ তাৰ সুতেৰে চেমনীয়া লৰা-ছোৱালীৰ নিমিত্তে সাহিত্য-সভাই এলানি শিশু-সাহিত্য প্ৰকাশ কৰিব আৰু দান দিয়া টকাৰে যিটো পুঁজি কৰা হব, তাৰ নাম হব "কমলাদেৱী ন্যাস পুঁজি"। এইৰূপে দানটিৰ সুব্যৱস্থা কৰিলে, মাতৃ-পুত্ৰ উভয়ৰে নাম যে যুগমীয়া হৈ থাকিবই নে, মাহাৰা সত্ৰৰ নামো চিৰ-স্মৰণীয় হৈ থাকিব।

অধিকাৰ গোস্বামীয়ে ভালেমান কথা অৱতাৰণা কৰি, সাৰশেহত হেম

গোস্বামীৰ হাতত ২০০০ দুহেজাৰ টকা অৰ্পণ কৰিলে। সেই টকাৰেই পাচত কমলাদেৱী ন্যাস পুঁজি (কমলাদেৱী ট্ৰাষ্ট ফণ্ড) খোলা হল। এই পুঁজিয়ে সাহিত্য-সভাক ভালেমান সবল কৰিলে আৰু সাহিত্যৰ প্ৰতি আস্থা থকা আন আন ধন-বিত্ত থকা মানুহৰো চকু গজালে।

চাৰিসত্ৰীয়া গোসাঁইসকলৰ ভিতৰত দক্ষিণপাট সত্ৰৰেই আঢ্যৱন্ত বুলি জগত-বিদিত। হেমচন্দ্ৰ-শৰৎচন্দ্ৰ দুয়ো গৈ জ্ঞানবৃদ্ধ সাত্বিক পুৰুষ ৺শ্ৰীশ্ৰীনৱদেৱ সত্ৰাধিকাৰ গোস্বামীক সত্ৰতে সাক্ষাৎ কৰিলেগৈ। আৰু সাহিত্য-সভাৰ আদ্যোপান্ত সকলো বিবৰি তাৰ পাচত, সভাৰ দুৰৱস্থাৰ কথা জনাই ভিক্ষাৰ জোলোঙা মেলিলে। সত্ৰাধিকাৰ গোস্বামীয়ে হাকিম গোস্বামীক প্ৰথমে বিমুখেই কৰিছিল। কিন্তু, হাকিমৰ যি হে ভাৱ-ভক্তি, মৃদু মৃদু কথা। শুনি অধিকাৰ প্ৰভুৰে বৃদ্ধ ঋণৰ পৰিশোধিত ৫০০০৲ পাঁচ হেজাৰ টকাকে অম্লানবদনে অসম-সাহিত্য সভালৈ নিৰ্ম্মালি স্বৰূপে দান কৰিলে। সেই টকা-ৰেই নৱদেৱ ট্ৰাষ্ট ফণ্ডৰ (নৱদেৱ ন্যাস সমিতি) বেদী প্ৰতিষ্ঠা কৰা হল। ইয়াৰ বাহিৰে, সংস্কৃতৰ অসমীয়া অনুবাদ পুথি, নাইবা অপ্ৰকাশিত সংস্কৃত পুথি, নতুবা জ্ঞানগৰ্ভ অসমীয়া সাহিত্যৰ পুথি প্ৰকাশ কৰা হব।

এই দুয়েট বৃহৎ দানেৰে উৎসাহিত হৈ আউনীআটীয় সত্ৰাধিকাৰ ৺শ্ৰীশ্ৰীকমল চন্দ্ৰ দেৱগোস্বামীক ভাৰপ্ৰাপ্ত জনোৱাত গোস্বামী প্ৰভুৱেও ৫০০০৲ পাঁচ হেজাৰ টকা দিবলৈ প্ৰতিশ্ৰুতি দিছিল। কিন্তু, সভাৰেই দুৰ্ভাগ্যক্ৰমে কি কব নোৱাৰি, ইতিমধ্যে প্ৰভু কমলদেৱ গোস্বামীৰ বৈকুণ্ঠ প্ৰয়াণ হল। গতিকেই, প্ৰতিশ্ৰুত দান সত্ৰতে থাকিল; সাহিত্য-সভাই আৰু কাৰ্য্যত প্ৰয়োগ কৰিব নোৱাৰিলে। ৰাধানাথ গোস্বামীৰ কমলা দেৱী ন্যাস পুঁজিৰ বাবে দিয়া টকাৰেই কাৰ্য্যালয়ৰ ভেটী স্থাপন হল। তাৰ পাচত হে দানবীৰ সন্দিকৈ ভাতৃদ্বয়ৰ পৃষ্ঠপোষকতাত চন্দ্ৰকান্ত সন্দিকৈ ভৱন প্ৰতিষ্ঠিত হয়।

হেমচন্দ্ৰ গোস্বামীয়ে আদি অৱস্থাতে পৰা নভঙা হলে, অসম সাহিত্য-সভা আজি ইমান জয়-জয়-মম-ময় হব নোৱাৰিলেহেতেন। "কমলাদেৱী" আৰু "নৱদেৱ" "ন্যাস" পুঁজিৰদ্বাৰা প্ৰকাশ নকৰা হলে, ধনঞ্জয়েক শিশু আৰু আপুৰুগীয়া প্ৰাচীন পুথি প্ৰকাশ হবলৈ নেপালেহেঁতেন।

সাহিত্য-সভাৰ সভাপতি

১৯১৮ চনৰ ডিচেম্বৰ মাহত ৺চন্দ্ৰধৰ বৰুৱা সাহিত্যৰথীৰ সভাপতিত্বত অসম সাহিত্য-সভাৰ যিখন বছৰেকীয়া অধিবেশন গুৱালপাৰাত বহিছিল, সেই বাৰলৈ পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱ সভাপতি নিৰ্ব্বাচিত হৈছিল। কিন্তু আচৰিতে এটি দুৰ্ঘটনা হোৱাত তেখেত সভাপতি হব নোৱাৰিলে।

তথাপি, ১৯২০ চনৰ ২৮।২৯ এপ্ৰিলত তেজপুৰত বহা ৪ৰ্থ অধিবেশনলৈ তেখেত পুনৰ সৰহ সংখ্যক ভোটৰ দ্বাৰাই সভাপতি নিৰ্ব্বাচিত হল। মূল সভাৰ হাই সম্পাদক পদ্মনাথ বৰুৱা ডাঙৰীয়াই সভাপতি হোৱা বাবে আনন্দ প্ৰকাশ কৰি যিখন চিঠি দিছিল, তাত কৰপৰা কোনে কিমান ভোট দিছিল তাকো লিখি পঠাইছিল:—

১। হেমচন্দ্ৰ গোস্বামী		২। লক্ষ্মীনাথ বেজবৰুৱা		৩। চন্দ্ৰকুমাৰ আগৰৱালা	
তেজপুৰ	২	নাজিৰা	১	জাঁজী	১
নলবাৰী	১	শিলং	১	যোৰহাট	২
গোলাঘাট	২	শদিয়া	১		৩
উঃ লক্ষীমপুৰ	২	নগাওঁ	১		
গুৱাহাটী	২	গৌৰীপুৰ	১		
গুৱালপাৰা	২	শিৱসাগৰ	২	৪। কালিৰাম মেধি	
	১১		৮	মজুমদাৰ—	১

শাখা সভাৰ মুঠ ভোট—২৩ *

অসম ছাত্ৰ-সন্মিলনৰ সভাপতি

১৯২২ চনৰ ৩১ ডিচেম্বৰ তাৰিখে গুৱাহাটীত বহা অসম ছাত্ৰ-সন্মিলনৰ ৭ম অধিবেশনৰ সভাপতিৰূপে গোস্বামীদেৱে ছাত্ৰৰ প্ৰতি এই উপদেশ দিছিল:—

* অভিভাষণ; পৰিশিষ্টত দ্ৰষ্টব্য।

"বোপাদেওসকল, মনত ৰাখিব যে বিদ্যা তাকে হে বোলে যি মুক্তি দিব পাৰে। "সা বিদ্যা যা বিমুক্তয়ে।" ধন আৰ্জ্জন কৰিবৰ কাৰণে পঢ়া বিদ্যা আৰ্জ্জনৰ উদ্দেশ্য নহয়। ভগবানে গীতাত কৈছে "ন জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে।" জ্ঞানৰ নিচিনা পবিত্ৰ বস্তু আৰু ইহ জগতত নাই। নিজৰ দেশৰ ওপৰত, পিতামহৰ ওপৰত ভক্তি কৰিবলৈ যি শিক্ষাই নিশিকায়, তেনে শিক্ষাৰ পৰা উপকাৰ নহৈ অশেষ অপকাৰ হে হয়। সেই গুণে, মই কওঁ যেন আপোনাসকলে নিজেই নিজক ধৰ্ম্ম শিক্ষা দিবলৈ পাচ নোহোহঁকে।"

ব্যৱস্থাপক সভালৈ প্ৰাৰ্থী হোৱাৰ কাৰণ

হেমচন্দ্ৰ গোস্বামী স্বভাৱতে সাত্ত্বিক, প্ৰত্নতাত্ত্বিক আৰু সাহিত্যানুৰাগী—এনে ওপশ্ব পুৰুষ এজন ব্যৱস্থাপক সভালৈ প্ৰাৰ্থী হৈছে বুলি শুনিলেই খাপ নোখোৱা কথা যেন লাগে। যি ৰাজনীতিৰ পাশা খেলিব পাৰে তেওঁৰ নিমিত্তেহে ব্যৱস্থাপক বা বিধান সভা। এহেলৈ, বাকীবিলাক সাক্ষী গোপাল হে। তথাপি মন গ'ল গোস্বামীৰ বিধান সভাৰ সভ্য হবলৈ।

কিন্তু, আগত আছিল অলংঘ্য পৰ্ব্বত—ভাৰতৰ জাতীয় মহাসভা কংগ্ৰেছৰ মনোনীত প্ৰতিনিধি কুলধৰ চলিহাৰ লগত প্ৰতিদ্বন্দ্বিতা। তথাপি গোলাঘাট সমষ্টিৰপৰা ১৯২৫ চনত, কামৰপৰা অৱসৰ লৈ উঠিল তেখেত ব্যৱস্থাপক সভাৰ প্ৰাৰ্থী হৈ সাহিত্যৰ হকে যুজিবলৈ। তেখেত যে হাৰিব স্থিৰনিশ্চিত, তথাপি উঠিল। ফল শূন্য—নিজিকিল।

"হেমচন্দ্ৰ গোস্বামীয়ে ১৯২৫ চনত কামৰপৰা অৱসৰ গ্ৰহণ কৰে আৰু তাৰপিচতে স্বতন্ত্ৰীয়া প্ৰাৰ্থী হিচাপে গোলাঘাট সমষ্টিৰপৰা অসম ব্যৱস্থাপক সভাৰ নিৰ্ব্বাচনত নামে। নিৰ্ব্বাচনৰ কেইমাহমানৰ আগতে গোলাঘাটত চাহ খেতিয়ক (৺ঘনশ্যাম বৰুৱা ডাঙৰীয়াৰ পুতেক) শ্ৰীমহেন্দ্ৰ নাথ বৰুৱাৰ তাত কথা পাতি আছোঁ, এনেতে গোস্বামী ক'ৰবাৰ পৰা মটৰেৰে আহি ওলালহি।............ নবলেও হব যে তেওঁ তেওঁৰ বন্ধুপুত্ৰ "ৰবমইনা"ৰ ওচৰলৈ আহিছিল।......মই পিচত, গোস্বামীক বেলেগে লগ ধৰি সুধিলোঁ, "আপুনি নো কাউন্সিললৈ যাবলৈ ওলাইছে কিয়? কাউন্সিললৈ গৈ অসমীয়া সাহিত্যলৈ পিঠি দিব খুজিছেনে কি? এনেকৈ সাহিত্যতে লাগি থাওকচোন।" তেতিয়া তেওঁ মোক কলে,—

"কাউন্সিললৈ গলে অসমীয়া সাহিত্যলৈ পিঠি দিম বুলিনো কিয় ভাবিছোঁ ? সাহিত্যৰ কামো চলি থাকিব, কাউন্সিলৰ কামো চলি থাকিব। অসমীয়া সাহিত্যৰ কথা মনত ৰাখিয়েই মই কাউন্সিললৈ ওলাইছোঁ। কাউন্সিলৰ যোগেদি মই অসমীয়া সাহিত্যৰ কামকে থাইকৈ কৰিম।" *

সাহিত্যসেৱী হলেও, শাসনৰ নীতি-ব্যৱস্থা প্ৰণয়ন কৰা ৰাজসভালৈ দুৰ্ব্বোৰ প্ৰতিদ্বন্দ্বিতা কৰি হলেও যোৱাটো যে নিতান্ত উচিত—এই কথাৰ আদৰ্শ এটা দেখুৱাই থৈ গল প্ৰত্নতাত্ত্বিক পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে।

জোকৰ মুখত চুণ দিওঁতা

স্ত্ৰীৰ সম্পত্তিত স্বামীৰ একো অধিকাৰ নাই

১৯২১ চন। স্বৰাজ আন্দোলনত গোটেই ভাৰতবৰ্ষ টলমল। দুখীয়া অসমো তথৈবচ। ভাৰতৰ জাতীয় কংগ্ৰেছ আৰু তিলক-স্বৰাজ্য উঁড়ালৈ সকলোৱেপৰা মুক্তহস্তে কৰা দান আহিছে। বেঙ্কৈ টুৱাৰ বাঁহপাতেই ভেটীস্বৰূপে দুখীয়া-নিচলায়ো লামলাকটু একোতোখৰকে আগ বঢ়াইছে। নেতাসকলেও উঠ-বহ নোহোৱাকৈ ঘৰে-ঘৰে গৈ দান-বৰঙনি তুলি ফুৰিছে। হেমচন্দ্ৰ গোস্বামী তেতিয়া বৃটিছ গৱৰ্ণমেণ্টৰ অধীনত থকা এজন উচ্চপদস্থ ৰাজকৰ্ম্মচাৰী—গুৱাহাটী সদৰ আদালতৰ হাকিম। তেখেতে বৃটিছ-শাসন-বিৰোধী স্বৰাজৰ আন্দোলনকাৰীক দান-বৰঙনি দিয়া দূৰৈৰ কথা, তেনে আন্দোলনৰ লগত জড়িত থকা স্বৰাজ-কৰ্মীক কেতিয়াবা পাকত পৰিলে, কাটেকো দিব লাগে হে। গতিকে, এনেজনৰ ঘৰত স্বৰাজৰ বা স্বৰাজৰ অৰ্থে কৰা দান-বৰঙনি উত্থাপনৰ প্ৰৱেশ নিষেধ। স্বৰূপ কথা কবলৈ গলে, হেমচন্দ্ৰ গোস্বামীয়ে স্বৰাজৰ নামত কুটা এডাল পেলালেও চৰকাৰৰ চকুত ৰাজদ্ৰোহী অপৰাধত পৰিব লাগিব।

ইতিমধ্যে, মহাত্মা গান্ধীও পালেহি গুৱাহাটী-স্বৰাজ্যৰ নিমিত্তে দান-বৰঙনি সংগ্ৰহ কৰিবলৈ আৰু লগতে স্বৰাজ আন্দোলনৰ প্ৰকৃত তাৎপৰ্য্য ব্যাখ্যা

---

* (১) শ্ৰীলক্ষ্মীনাথ ফুকন :—অসম বাতৰি, ১৯ মে, ১৮৬৮ চন।

(২) ডঃ সূৰ্য্যকুমাৰ ভূঞাক কৈছিল, "দুহেজাৰ টকা অযথাবত খৰচ হ'ল যদিও বেজাৰ পোৱা নাই।"

কৰিছিলে। গুৱাহাটীয়া কংগ্ৰেছ-নেতাসকলে মহাত্মাজীক বিৰাট আড়ম্বৰেৰে অভ্যৰ্থনা জনাই এটি ধনৰ টোপোলা আগ বঢ়াবলৈ স্থিৰ কৰিলে। টোপোলা-টো অসমীয়া হলেও, এনেভাবে গধুৰ হব লাগিব যাতে মহাত্মাই আৰু অসমৰ কথা পাহৰিব নোৱাৰে।

নবীন-প্ৰবীণ নেতাসকলে দুখীয়া আপ্ৰাণীৰপৰা আৰম্ভ কৰি ধনত বাগৰি থকা আঢ্যৱন্তলৈকে সকলোৰেপৰা যথাযোগ্যৰূপে ধন-সম্পদ গোটাই আনিলে। চৰ্কাৰী বিষয়া কৰ্ম্মচাৰীৰপৰাও অনা হ'ল। ধন-সংগ্ৰহ অভিযানৰ প্ৰধান নেতা আছিল তৰুণৰাম ফুকন, নবীনচন্দ্ৰ বৰদলৈ, ৰোহিণীকুমাৰ চৌধুৰী আৰু শ্ৰীযুত বিষ্ণুৰাম মেধি ডাঙৰীয়া। তেখেতসকল আহক ফৌজদাৰী হাকিম হেমচন্দ্ৰ গোস্বামীৰ ঘৰলৈ গান্ধী অভ্যৰ্থনা আৰু স্বৰাজৰ হকে দান-অবিহণা বিচাৰি। তেখেতসকলক দেখিয়েই হাকিম গোসাঁয়ে মনোবাঞ্ছা বুজিয়েই সম্যকৰূপে বুধি দিলে, "ভিতৰৰ ফালৰপৰা যদি কিবা সৰকাব পাৰা, সৰকোৱাঁইক। মোৰ ফালে তলী উদং।"

এই বুধিমতে ফুকন ভিতৰলৈ সোমাই গ'ল আৰু গোস্বামীদেৱৰ ভাৰ্য্যা—ৰামাসুন্দৰী দেৱীক সকলো কথা পৰিপাটিকৈ বুজাই দিলে। ৰামাসুন্দৰীয়ে হাতত পিন্ধি থকা সোণৰ বালাজুৰি সোলোকাই বং মনেৰে ফুকনৰ হাতত অৰ্পণ কৰিলে।

কথা গৈ চৰ্কাৰী গুপ্তচৰৰ কাণত পৰিলগৈ। তেওঁ শ্বিলঙলৈ ৰিপৰ্ট দিলে, "ই. এ. চি হেমচন্দ্ৰ গোস্বামীয়ে কংগ্ৰেছলৈ সোণ-ৰূপ দান কৰিছে।" অসম গৱৰ্ণমেণ্টৰ চীফ্ চেক্ৰেটৰী জেনেৰী চাহাবে কামৰূপৰ ডেপুটী কমিছনাৰ বেষ্টিংছলৈ ৰিপৰ্টটো ঘূৰাই পঠালে—অনতিপলমে তদন্ত কৰি গোসাঁইৰ কৈফিয়ৎটো চৰ্কাৰলৈ পঠাব লাগে বুলি। বেষ্টিংছে ভদ্ৰভাৱেই গোসাঁইক চিঠিৰে সুধিলে, সেই ৰিপৰ্টৰ কথা সঁচানে মিছা?

গোসাঁয়ে কৈফিয়ৎ দিলে এইবুলি :—

> "মহাত্মা গান্ধীক অভ্যৰ্থনা জনোৱাৰ নিমিত্তে দান-বৰঙণি বিচাৰি কংগ্ৰেছ-নেতা জনদিয়েক মোৰ ঘৰলৈ অহা সঁচা। মোৰ পত্নীয়ে কিবাকিবি দিয়াও সঁচা। স্ত্ৰীৰ সঞ্চিত ধনৰ ওপৰত মোৰ একো অধিকাৰ নাই। আইনে তেওঁৰ পক্ষহে সমৰ্থন কৰিব—(Law is on her side)—নহয়, জানো?"

[illegible]

তৰুণৰাম ফুকনৰ ঘৰত গান্ধীক দেখা কৰিবলৈ গোস্বামীৰ ঘৰত নগাওঁৰপৰা বৃন্দাবনচন্দ্ৰ গোস্বামী, বি, এল, কমলানন্দ ভট্টাচাৰ্য, তেজপুৰৰপৰা চন্দ্ৰনাথ শৰ্মা বি-এল, আদি আছিলহি। গুৱাহাটীৰ যোগেন্দ্ৰনাথ বৰুৱা আৰু দুৰ্গেশ্বৰ শৰ্মা ই, এ, চি কে মুখ্য কৰি কেইবাগৰাকীও চৰকাৰী বিষয়া—কৰ্মচাৰী তাতে গোট খালেহি। নগাওঁৰ পণ্ডিত কনকচন্দ্ৰ শৰ্মাও আহিছিল। ফুকন ডাঙৰীয়াৰপৰা সাক্ষাৎ কৰা সময়টো জানিবৰ নিমিত্তে সকলোটি গোসাঁইৰ ঘৰতে বৈ আছিল। সেইসকলৰ ভিতৰতে চৰকাৰীমান অলপ পৰ থাকিয়েই ঘৰলৈ গুচি গ'ল—গাৰ মঙহেই শত্ৰু বুলি। গোসাঁই কিন্তু মহাত্মা গান্ধীক দেখা কৰিবলৈ যাবলৈ ওলাল; ক'লে :—

"মোৰ এই চিনিয়ৰ মেজিষ্ট্ৰেটী পদত থাকি আছামী-ফৰিয়াদীৰ কোনে কাক কোনখন গালত কেইটা চৰ মাৰিলে, তাৰ লেখপোচ কৰাতকৈ আমাৰ ঢেঁকীয়ালৰ গোৰাং সত্ৰলৈ গৈ তাতে ইষ্টদেৱতা শ্যামৰায় মহাপ্ৰভুক সেৱা-পূজা কৰিয়েই থাকিমগৈ। মহাপ্ৰভুক সেৱা কৰি থকাও হ'ব; সাহিত্য সেৱা কৰি দেশসেৱা কৰাও হব।"

মহাত্মাক দেখা কৰাটো জগৰৰ কথা নহয়;

দুদিনমানৰ মূৰত ডেপুটী কমিছনাৰৰপৰা 'কৈফিয়ৎ তলব' আহিলেই

"২০.৮.১৯২১ : কালি বোলে আপুনি কেবাজনো হাকিম আৰু আমোলাৰেসৈতে মিঃ গান্ধীক দেখা কৰিবলৈ গৈছিল, হয় নে?"

গোসাঁয়ে জবাব দিলে :—

"মহাত্মা গান্ধী পৃথিবীপূজিত মহৎ লোক; তেওঁক দেখা কৰাটো একো জগৰৰ কথা নহয়। তেওঁৰ উদ্ভাৱিত আৰু জনসাধাৰণৰ মাজত প্ৰচাৰিত ৰাজনৈতিক মত গ্ৰহণ কৰি সেই মতে কাম কৰিলে হে, মোৰ বোধেৰে, কৈফিয়ৎটো যুক্তিযুক্ত হব।"

মহাত্মা গান্ধীৰ ভুল শুধৰণি

১৭ আগষ্টৰ দিনা গান্ধীক লগ পাবলৈ যাওঁতেই, গোস্বামীয়ে তৰুণ ফুকনক অনুৰোধ কৰি থৈছিল মহাত্মাৰে সৈতে তেওঁক দীঘলীয়াকৈ কথা পাতিবলৈ অলপ সময় বচাই দিয়ে যেন, আৰু তেওঁতে সেই কথা যেন মহাত্মাৰ কাণ ছোৱায়। মহাত্মাৰ আজৰিয়েই নাই; চৰ্কাৰী চাকৰিয়াল এজনৰ হৈ বিশেষ অনুগ্ৰহ বিচাৰিলে, জানোচা তেওঁ অপদস্থ হয়, এই ভয়তে ফুকনে প্ৰথমতে অলপ বেৰবেৰাইছিল। অগত্যা, মহাত্মাক জনালত যেনিবা ১০ মিনিট সময় বচাই পালে।

১৯০৮ চনত এম, কে গান্ধীয়ে তেখেতৰ "ইয়ং ইণ্ডিয়া" কাকততেই নে আন কোনোবা কিতাপত, অসমীয়া জাতিক কোল-ভীল-পিণ্ডাৰী আদি বনৰীয়া অসভ্য জাতি বুলি লেখিছিল। সেই কলঙ্ক কাৰো চকুত পৰা নাছিল— পৰিছিল কেৱল প্ৰত্নতত্ত্ববিদ্ হেমচন্দ্ৰ গোস্বামীৰ॥ তেতিয়াৰেপৰা গোসাঁয়ে সেই দুৰ্নামৰ প্ৰতিকাৰ বা প্ৰতিশোধ লবলৈ চল চাই আছিল। এতিয়া চলে ধৰতে দেখা দিলেহি। আমাক জঙ্গলী বোলা 'মানুহজন'ৰ ভ্ৰম সংশোধন কৰিবলৈকে তেখেতে ১৯ তাৰিখে মহাত্মাক দেখা কৰিবলৈ নিৰ্দ্ধাৰিত বচাসময় খুজিছিল। সেই ভুল শুধৰোৱাৰ নিমিত্তে তেখেতে লগত লৈ গৈছিল, অসমীয়া ফুলাম গামোচা আৰু "সচিত্ৰ হস্তীবিদ্যাৰ্ণৱ", "ভট্টদেৱৰ কথা গীতা", "ঘোড়ানিদান", "কিতাবৎ মঞ্জৰী", সূৰ্য্যখৰি দৈৱজ্ঞৰ "সচিত্ৰ দৰং ৰাজবংশাৱলী"কে আদি কৰি কেইখনমান আপুকগীয়া অসমীয়া সাঁচিপতীয়া পুথি।

যথানুযায়ী চা-চিনাকি হোৱাৰ পাচত তাহানি হংসবেগ কটকীয়ে শিলাদিত্য বা হৰ্ষবৰ্দ্ধন সম্ৰাটলৈ কুমাৰ ভাস্কৰ বৰ্ম্মাই পঠিওৱা উপহাৰ বস্তুবোৰ বৰ্ণোৱাৰ দৰে এইখনি সচিত্ৰ হাতী পুথি, এইখনি ঘোঁৰা-নিদান, এইখনি গণিত শাস্ত্ৰ, এইখনি গছত লিখা গীতাশাস্ত্ৰ, এইখনি চিত্ৰ-বিচিত্ৰ হেঙুল হাইতালেৰে বোলোৱা দৰং ৰাজবংশাৱলী পুথি—এনেবিলাক সাহিত্য, কলা, শিল্প-বুৰঞ্জী আৰু খনিকৰী বিদ্যা যি খন দেশে খৃঃ পঞ্চদশ শতিকাতে সৃষ্টি কৰিব পাৰে সেইখন দেশক আপুনি পিণ্ডাৰী-ভীল জাতিৰ দৰে "জঙ্গলী বৰ্ব্বৰ" বোলাটো কিমান অন্যায় আৰু অপমানজনক হৈছে তাক আপুনি এবাৰ ভাবি চোৱা উচিত।

মহাত্মাৰ ভুল স্বীকাৰ

হেংগুল-হাইতোলাৰ বোলোৱা বংচটীয়া সাঁচিপাতৰ পুথি-পাতবোৰ দেখি আৰু সেই পুথি কেইখনৰ সাৰ-কথাখিনি শুনি মহাত্মাই সেই ভ্ৰম সংশোধন কৰিবলৈ তৎক্ষণাৎ গোস্বামীদেৱক প্ৰতিশ্ৰুতি দিলে আৰু অসমবাসীৰ উক্তি লৈ তেওঁৰ "ইয়ং ইণ্ডিয়া" কাকতত "সাদৰী অসম" (Lovely Assam) শিৰোনামাৰে প্ৰবন্ধ এটি লেখি এইৰূপে দুখেৰেসৈতে নিজৰ ভুল স্বীকাৰ কৰিলে :— "অসমীয়া মানুহবিলাক পিওৱাৰী আৰু আন আন অসভ্য জাতিৰে একে বুলি যে মই লেখিছিলোঁ, সেই কথা যে ভুল তাকে জনদিয়েক চৰ্কাৰী বিষয়াই মোক আঙুলিয়াই দেখুৱাইছিলহি। মোৰ ভুল ত্ৰুটী স্বীকাৰ কৰিছোঁ। যি অসমীয়া জাতি ভাৰতবৰ্ষৰ কোনো শিক্ষিত জাতিতকৈ কোনো গুণে পাচ-পৰা নহয়, সেই মহৎ জাতিটোক অসভ্য বুলি কৈ মই ডাঙৰ ভুল কৰিছিলোঁ। তেওঁবিলাকৰ সাঁচিপাতত লেখা সচিত্ৰ সাহিত্য পুথি আছে; সেইবোৰ চিত্ৰ-বিচিত্ৰ ৰঙেৰে বোলোৱা। অসমীয়া তিৰোতা মাত্ৰেই কাপোৰ বব পাৰে বুলি শুনি তেওঁবিলাকলৈ মোৰ মৰম লাগিছিল। কাজী শিপিনী হোৱা বাবেই সিবিলাকে অলঙ্কাৰ আৰু প্ৰসাধনৰ উদ্দেশ্য সাধন কৰিব পাৰিছে।"

সেই ভুল ধাৰণাটো কেনেকৈ হৈছিল, তাকো সেই সূত্ৰতে উল্লেখ কৰি দিয়া হৈছিল :—

"মণিপুৰ যুদ্ধৰ সময়ত মণিপুৰৰ সেনাপতিক (টীকেন্দ্ৰজিৎ সিংহক)" ইংৰাজ বিষয়াসকলে যি ব্যৱহাৰ কৰিছিল, তাক সমৰ্থন কৰি ইং ১৮৯০ চনত চাৰি জন গৰ্ঘ্ৰে কিছুমান অভিমত প্ৰকাশ কৰিছিল। সেইবোৰ পঢ়িয়েই অসমীয়া মানুহৰ বিষয়ে তেনে অপুদবাট ধাৰণা হৈছিল। মই পিটিকি-পিটিকি বুৰঞ্জী পঢ়া ছাত্ৰ নহওঁ; গতিকে অসমীয়া মানুহ জংঘলী বুলি তেতিয়াই মোৰ মনত থাকি গ'ল। আৰু তাকে ১৯০৮ চনত মই লেখোঁ।"

যি সময়ত মহাত্মা গান্ধীৰ কথাই বেদৰ বাণী আছিল, যি সময়ত 'গুৰুৱে দিয়া মাটিকে শিষ্যসেৱকসকলে স্বৰাজ পোৱাৰ আশাত খাঁটি খাঁটি ধৰিছিল', সেই সময়ত অসমীয়া জাতিত-লগা এই কলঙ্কবোৰলৈ কোনেও ভ্ৰূক্ষেপকে কৰা নাছিল—লেখকৰ ভুল-সংশোধন কৰাই দিয়াটো দূৰৈৰ কথা। জাতীয় গৌৰৱ

সংৰক্ষক, দুৰ্বৃত্তপৰা হাই. যথা হৰ্মক হেমচন্দ্ৰ গোস্বামীৰ হে আমাক পিওাৰী পতা কলঙ্কপৰা মোচন কৰালে আৰু জেখেতেই হে শিলৰ খুটি যেন প্ৰমাণেৰে মহাত্মাক ভুল স্বীকাৰ কৰিবলৈ বাধ্য কৰালে।

"চেতনা"ৰ বিষয়ে নিৰপেক্ষ অভিমত

অসহযোগ আন্দোলনৰ দিনত অম্বিকাগিৰি ৰায় চৌধাৰী ডাঙৰীয়াৰ দ্বাৰা সম্পাদিত-প্ৰকাশিত "চেতনা" কাকতখনেই হে আছিল একমাত্ৰ তেজী ভাবাবে লিখা স্বাধীনতা-সংগ্ৰামী মাহেকীয়া আলোচনী কাকত। কাকতখনক মুদ্ৰা-আইনৰ ফান্দত পেলাই কেনেকৈ বন্ধ কৰিব পাৰি, তাৰ নিমিত্তে চৰকাৰে চা.ন্দ ফুৰিছিল। এনেয়ে কাকতৰ ভাষা উগ্ৰ, তাতে সম্পাদক হল আগৰেপৰা 'বিপ্লৱী' বুলি পুলিচ-বিভাগৰ "কলা-তালিকাত" (বিদ্ৰোহীৰ) সোমায়েই আছিল। 'চেতনা'ৰ পাতত 'বিপ্লৱী'-'বিদ্ৰোহী' বাণী ধাৰাবাহিক ভাৱে যেতিয়া প্ৰচাৰিত হবলৈ ধৰিলে আৰু যেতিয়া খনে-খনে 'চেতনাৰ' বিৰুদ্ধে পুলিচ বিপৰ্ট গল, তেতিয়া ডেপুটী কমিশ্বনৰ বেণ্টিংহে হেম গোসাঁইক স্পিশ এখন দি সুধিলে, লগতে "চেতনা" এখনো—

> "গোসাঁই, ছপাশালৰ আইনৰ গৰাহত পেলাব পৰা ৰাজবিদ্ৰোহী প্ৰবন্ধ ইয়াত (লগত পঠিয়া 'চেতনা'খনত) কি কি আছে, পঢ়ি চাই সোনকালে মোক জনাব।"

গোসাঁয়ে ধীৰে-শাঁতে আলমবিলমকৈ 'চেতনা'খন পঢ়ি বেণ্টিংক জনালে,

> " "চেতনা"খন আদিৰেপৰা অন্তলৈকে খপি-খপি পঢ়িলোঁ। ক'তা, ইয়াত দেখোন প্ৰেছ এক্টৰ মতে অভিযোগ আনিব পৰা একো প্ৰবন্ধকে নেপালোঁ।"

ৰুপাহীবজাৰ-মাৰোৱাৰীৰ মিছা অভিযোগ

এদিন ৰুপাহীবজাৰৰ মাৰোৱাৰীবিলাকে বৰচাহাবৰ (ডিঃ চিঃ) ওচৰত গোচৰ দিলেহি বোলে কংগ্ৰেছৰ ভলন্টিয়াৰবোৰে তেওঁবিলাকক বৰ 'জুলুম' কৰিছে আৰু মাৰপিট কৰিবলৈকো হুমিয়াই আছে।

গোসাঁইক পঢ়িবা হল আপত্তি-কৰ্ত্তাৰ কথা সঁচা-মিছা তদন্ত কৰিবলৈ। আপত্তিকাৰী মাৰোৱাৰীকিজনক খন্দিয়াই-খেদিয়াই গোৱাত, ইটো-সিটো কৰাৰ মিল নেপাই গোসাঁয়ে বিপৰ্ট দিলে, "তলতীয়াৰ থোৱাটো সঁচা, কিন্তু 'জুলুম' কৰাৰ একো প্ৰমাণ পোৱা নগল। মূল কৰ্ত্তাত আপত্তিকাৰীবিলাকে কৰা অভি-যোগৰ মৌখিক তদন্ত একেবাৰে অমিল পোৱা গল।"

"নিৰ্দ্দোষীক গ্ৰেপ্তাৰ কৰা ভুল"

বকো-ছইগাঁৱত "পাইকাৰী" জৰিমণা আদায় কৰা হৈছিল। আইন নজনা বুলি কিছুমান নিৰ্দ্দোষী মানুহক পুলিচে গ্ৰেপ্তাৰ কৰি চালান দিয়ে। হাকিম গোসাঁইক স্থানীয় তদন্ত কৰি বিচাৰ কৰিবলৈ পঠালত দুটা মানুহৰ বাহিৰে এটাইবোৰ নিৰ্দ্দোষী প্ৰমাণিত হল আৰু সিইতে খালাচ পালে। গোসাঁয়ে অন্তৰ ৰায় দিলে,

> "সঁচা অপৰাধীক বিচাৰাধীন কৰিলে আইনৰ সন্মান থাকে। নিৰ্দ্দোষী দৰ্শকক গ্ৰেপ্তাৰ কৰাটো ভুল।"

গৱৰ্ণমেণ্টৰ ইচ্ছানুসাৰে পুলিচৰদ্বাৰাই অভিযুক্ত ৰাজনৈতিক অপৰাধীক দণ্ড দিদিয়াত ডেপুটী কমিছনাৰ বেণ্টিঙ্ক আৰু কমিছনাৰ এলেন চাহাব গোসাঁইৰ প্ৰতি বিতুষ্ট হৈছিল যদিও, সেই বিতুষ্টতা দুৰ্দ্দনীয়া আছিল। (স্বাধীনতা আন্দোলনৰ সময়ত) চৰ্কাৰৰ বিৰুদ্ধ আছিল যদিও, গোস্বামীৰ নিৰ্ভীক আৰু স্পষ্ট মতামত পঢ়ি উচ্চপদস্থ প্ৰবীণ বৃটিছ বিষয়া এ. ডব্লিউ. বথাম; জে, চি, হাৰ্ণচ আৰু ডেনেহী চাহাবে তেখেতক প্ৰশংসা নকৰাকৈ নাছিল।

চৰ্কাৰী চাকৰিত সনবনহিতা

সেই দিনত মাটি-হাকিমেই হওক বা বিচাৰক হাকিমেই হওক, নাইবা চৰ্কাৰী বিষয় থোৱা যেই-সেই কৰ্মচাৰীয়েই হওক, সকলোৰে একোটা শাস-কীয় তেজ বা মই-ৰৰ ভাব থকা দেখিবলৈ পোৱা গৈছিল। হেম গোসাঁইৰ কিন্তু এনেবোৰ গপ-গাপ একেবাৰেই নাছিল। তেওঁ যতে কাম কৰিছিল বা যলৈকে গৈছিল তাতে তেওঁ ৰাইজৰদ্বাৰা সমাদৃত হৈছিল। দুবছৰ চৰ ডেপুটী

কলেক্টৰ হৈ থকাৰ পাছত ১৮৭৯ চনত তেওঁ যেতিয়া ডিব্ৰুগড়ৰপৰা গুৱাহাটীলৈ বদলি হয়, তেতিয়া বাবু কালাম মিত্ৰৰদ্বাৰাই সম্পাদিত "ইষ্টাৰ্ণ হেৰাল্ড" (ডিব্ৰুগড়ৰৰ পৰা প্ৰকাশ হৈছিল) কাকতে লেখিছিল—

"Srijut Hem Chandra Gossain who has been doing the duties of a Sub-Deputy Collector in this place for the last two years with so much credit to himself, has been transferred to Gauhati. He had made good many friends while in Dibrugarh and we have seen he had no enemies. The general public lose in him not only an able and conscientous officer, but also an amiable and useful citizen."

ৰসিকতা আৰু উপস্থিত বুদ্ধি

১। ১৯০৫.০৬ চনত তেজপুৰৰ কলীবাৰীত থাকোতে বহুত কবি-পোৱালি হেমচন্দ্ৰ গোস্বামীৰ ওচৰলৈ আহে। তাৰ ভিতৰবে কবিতা লেখা শ্ৰীযুত মাণিক চন্দ্ৰ হাজৰীকাও এজন। গোসাঁয়ে এদিন হাজৰীকাক সুধিলে, "হেৰা, মাণিক বোপা, তোমালোকে কবিতা লিখা হয়, শব্দ ক'ত পোৱাঁ ?"

হাজৰীকা :—ক'ত পাম আৰু। আৰ-তাৰ মুখত শুনা কথাকে লেখোঁ।

কলীবাৰী নামটো হল কলী নামৰ পোহাৰী এজনীৰ বাৰী থকা বাবে— কোনো শ্যামাজিনী ভবানী গোসানী থকাবাবে নহয়। কলীৰে জীয়েক এজনী আছিল, নাম সৰলা। হাজৰীকা গোসাঁইৰ তাত বহি থাকোতেই সিকালৰপৰা কলীয়ে চিঞৰ ধৰিছে, "হেৰেই, চেৰেলী, বলৈ গলি, বেগতাই আহ।"

গোসাঁই :—এইবোৰ কথা শুনিছা নহয়! লেখঁা এতিয়া।

২। এদিন গোসাঁয়ে পদ্মনাথ বৰুৱাক ক'লে,

"কলীবাৰী নামটো বৰ আপচু হে? ইয়াত জানো কালী গোসানীৰ পূজা হয় ?

বৰুৱা :—ক'ত হয় ? বুঢ়ী কলী পোহাৰীজনী বহুত দিনৰেপৰা আছে দেখি তাইৰ বাৰীখনকে কলীবাৰী বোলে। সেই নামেই এতিয়া গোটেইখনতে চলিছে।

' The Eastern Herald. Monday, May 1899.

গোসাঁই :—মাষটো শুনিলে, কিবা-কিবা যেন লাগে নেকোন ? কামৰকে ছুজোপামান কই কামনি কৰিব নোৱাৰা নে ?

ভাষাৰ পবিত্ৰতা ৰক্ষা কৰাত গোসাঁই ৰদি এগুণ, ৰকৰা দুগুণ। গোসাঁয়ে কোৱা কথাষাৰ বকৰাৰ গাজত লাগি গল। ভেখেতে (পদ্ম বকৰাই) তৎক্ষনাত ক'ৰবাৰ পৰা কদম গছৰ পুলি ছটামান অনোৱাই ভেখেতৰ ঘৰৰ আগেদি যোৱা আলিটোৰ ইমুৰৰপৰা সিমুৰলৈকে ৰোৱাই ঘোষণা কৰি দিলে—আজিৰপৰা ইয়াৰ নাম কমনি হ'ল।

৩। ১৯২২ চনত, "অসমীয়া সাহিত্যৰ চানেকি" ছপোৱাৰ ব্যৱস্থা কৰিবৰ নিমিত্তে গোস্বামীদেৱ হাওড়াৰ ২৭ নং ভৱচন্ ৰ'ডত থকা ভোলানাথ বকৰাৰ ঘৰত আছিলগৈ। তাতে বঙ্গ ভাষাত (ড:) দীনেশচন্দ্ৰ সেনে গোসাঁইৰ হাতত "হাতী-পুথি"খন দেখি সেইখন বঙলা বুলি কৈছিল আৰু কৈছিল বোলে "অসমীয়া এটা বেলেগ ভাষা নহয়।"

তাতে উভয়ৰে বৰ তৰ্ক হ'ল। গোসাঁয়ে এই বুলি কৈ তৰ্কৰ মুখত সোপা দি থলে, "আপুনি এবাৰ কামাখ্যালৈ ওলাওক। আমি তাত এপালী আসুৰিক ঔষধ খুৱাই আপোনাৰ মত পৰিবৰ্ত্তন কৰিম। আন ৰকম তৰ্কৰ ঔষধে আপোনাক নেপায় গৈ।"

সিমানতো, সেনে "অসমীয়া ভাষাটো বঙলাৰে একে বুলি" ক'লে "হাতীপুথিখন (হস্তীবিদ্যাৰ্ণৱ) ছপাই দিব পাৰে।" বুলি গোসাঁইৰ আগত বৰশী-টোপ এটি পেলাই চাইছিল। পিচে, গোসাঁয়ে সেই কথাত মান্তি হোৱা দূৰৰ কথা, বৰং টানি কলে যে, "পৰৰ ধনী বোপাইক বোপাই বুলিবলৈ ৰাজী নহওঁ।"

৪। নলবাৰীত সংস্কৃত টোল আৰু হাইস্কুল পাতিবলৈ হেমচন্দ্ৰ গোস্বামীয়ে ভালে মান দিনৰপৰা গৰ্জন চাহাবক কুটুৰি আছিল। শিক্ষা সম্পৰ্কে আলোচনা কৰিবলৈ ছিলঙত এখনি পৰামৰ্শ-সমিতি বহিছিল। তাতে সংস্কৃত বিৰোধী একনে খাত লগালে, "নলবাৰী বান্ধনিৰ ঠাই। বান্ধনিহঁতক টোল বা হাইস্কুল দিলে কি হব ? গোসাঁয়ে লাহে-লাহে কৈ তেওঁৰ মুখ মাৰিলে, "বামুণ শুচি, পবিত্ৰ আৰু হিতাহিত জ্ঞান থকা। সেই গুণে শৰীৰক শুদ্ধ খাদ্যাখাদ্যৰ বিচাৰ কৰিব পৰা বামুণকেই আমি বান্ধনি লওঁক। ভাল বান্ধনি আৰু ভাল শাসক, একেই কথা। এতেকে,

অসমত বিবেক-বিচাৰ সম্পন্ন বাহুনি বাদুৰ অঞ্চলত হে জৌল-বাহিতুল আদি শিক্ষানুষ্ঠানবিলাক দিব লাগে।

* * *

ইয়াৰ কিছুদিনৰ পিছত, সেই হে গৰ্ডন চাহাবে হেম গোসাঁইলৈ লিখিছিল,

"I fought tooth & nail with the C. C. (Chief Commissioner) for the establishment of a high School at Nalbari—the centre of Sanskrit learning."

৫। গড়মূৰীয়া সত্ৰাধিকাৰ ৺শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামীয়ে ধৰ্মৰ গাদী এৰি ৰাজনীতিত নমা বাবে ৰক্ষণশীল দলৰ বহুতৰে তেখেত বিৰাগভাজন হৈছিল। সেই দলৰে জনদিয়েকে চাৰ চৈয়দ চাদুল্লা চাহেবক খাটিছিল, সত্ৰৰ দেৱোত্তৰ মাটিখিনি বাজেয়াপ্ত কৰিবলৈ। সেই মাটি বাজেয়াপ্ত কৰিব পাৰি নে নোৱাৰি চাদুল্লাই হেমচন্দ্ৰ গোস্বামীৰ মতামত বিচাৰিলে। গোস্বামীদেৱে উত্তৰত জনালে যে ভূসম্পত্তিখিনি যদি পীতাম্বৰ গোস্বামীৰ নামত আছে, তেন্তে আইনৰদ্বাৰা বিচাৰ কৰি চাব পাৰি। যদি হে সত্ৰৰ ইষ্টদেৱতা গোপাল বিগ্ৰহৰ নামত স্বৰ্গদেৱসকলে বা আমাৰ গৱৰ্ণমেণ্টে দিয়া আছে, তেন্তে সেই মাটি বাজেয়াপ্ত কৰিলে, বিচাৰৰ তেকোভাঙনা হ'ব আৰু বৃটিছ আইনৰ প্ৰতি ৰাইজৰ একো আস্থা নেথাকিব। সেই উপদেশমতেই চাদুল্লা চাহাবে অতিকৈ ৰাজভক্তি দেখুৱা কেইজনৰ আক্ৰোশটো জঁইন যাবি পেলালে।

এলেনৰ "গেজেটীয়ে'ৰ সঙ্কলনত

১৯০৬ চনত প্ৰকাশিত বি, চি এলেনৰ দ্বাৰা সঙ্কলিত "আসাম গেজেটীয়ে"ৰৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ জানিবলগীয়া ভালেমান কথা যুগুতাই দিছিল হেমচন্দ্ৰ গোস্বামীয়ে। বিশেষকৈ, অসমৰ দ'ল-দেৱালয় আৰু থান সত্ৰসমূহৰ উৎপত্তি, ধৰ্মাচৰণৰ স্বকীয়া স্বকীয়া পদ্ধতি আৰু সেইবিলাক ৰক্ষণাবেক্ষণ সম্পৰ্কে চৰ্কাৰে গ্ৰহণ কৰা নীতি ইত্যাদি বিষয়ে পুঙ্খানুপুঙ্খকৈ সকল যোগাইছিল গোস্বামীয়েই।

গেজেটীয়েৰৰ সকল বিচাৰি আনি সম্পাদন কৰিবৰ সময়ত এলেনেৰৈতে গোস্বামীদেৱৰ মুখত অনেক খুটীয়া কথা শুনাইছিল। সেইবিলাক বিচাৰি আনি একুকত গোজা যাবি থব পাৰিলে আগলৈ অসমীয়া সাহিত্যৰ এটি শূন্য অঙ্গ পূৰ হ'ব।

সঙ্গীতানুৰাগিতা

বোৱা-পত্ৰ-খোৱা, গীত-মাতৰ ৰাগৰাগিনী-চিনা, গায়ন-বায়নত তাল মিলাই চাপৰ মৰা—এনেবিলাক কৃষ্টি ৰক্ষা কৰাত সৰুৰেপৰা গোস্বামীদেৱ অভ্যস্ত আছিলেই; নগাঁও পালত সেয়ে অলপ বহল হল আৰু কলিকতা পালত আদিব্ৰাহ্ম সমাজৰ সঙ্গীত শুনি আৰু ক্ষিতীন্দ্ৰনাথ ঠাকুৰ আদি ঠাকুৰ পৰিয়ালৰ সংস্পৰ্শলৈ আহি তেখেতৰ সংগীতানুৰাগ বাঢ়ি আহিল।

প্ৰাণত সঙ্গীতৰ অনুভূতি নেথাকিলে কবি কিমানেই কি খ্যাতিমন্ত নহওক, তেওঁৰ কবিতা লয়-ছন্দ-মাত্ৰাবিহীন হোৱা বাবে মাধুৰ্য্যশূন্য হয়। 'ফুলৰ চাকিত' সন্নিবিষ্ট কৰা দুই-এটি কবিতা গানৰূপেও গাব পাৰি। তেজপুৰত থাকোঁতে 'বাণষ্টেজত' কিবা থিয়েটৰ এটা হলেই বা কোনোবা ৰাজহুৱা সভা-সমিতি হলেই নাট বা সভা মুকলি কৰিবলৈ একোটি গান লগা হয়। সেই গান গোসাঁইদেৱে তৎক্ষণাত ৰচনা কৰি পঠাই দিছিল।

তেখেতৰ গান-বাজনাত ইমান প্ৰীতি আছিল যে গুৱাহাটীত হাকিম হৈ থকা দিনতো কালীচৰণ সেনেসৈতে তেখেতৰ দুৱাৰ-মুখৰপৰা ৰজাদুৱাৰ পাৰলৈকে সমানে-সমানে দুয়ো গধূলি-গধূলি এছৰাজ বজোৱা অভ্যাস আছিল।

লৰ্ড ব্ৰ'হেম (Lord Brougham) নামে এজন ইংৰাজ পণ্ডিতে কৈছিল,

"To know something of everything and everything of something is culture."

অৰ্থাৎ সকলোৰে অলপ আৰু অলপৰে সকলো জনাটোৱেই কৃষ্টি বা—প্ৰকাৰান্তৰে সেইদৰে যি জানে তেওঁৱেই জ্ঞানী। হকে চালে, হেমচন্দ্ৰ গোস্বামীও এই সূত্ৰৰ ভিতৰতে পৰে-বিশেষকৈ সত্ৰীয়া নৃত্য-গীত, ভাও-ভঙ্গী আৰু সুৰ-সঞ্চাৰ জনাত। তেখেতে যে তলে-তলে সঙ্গীতৰো চৰ্চা কৰিছিল, এই কথা জনা যায় বিখ্যাত সঙ্গীতজ্ঞ সুৰনায়ক, গুণাসক ৰজনীকান্ত দস্তীদাৰে [illegible]লৈ উপহাৰ পঠোৱা দস্তীদাৰৰ "সৰল সঙ্গীত আৰু হাৰ্ম্মনিয়ম শিক্ষা"

লগত দিয়া চিঠিখনৰ পৰা। বৰ্ত্তমানৰ আছিল শিৱসাগৰত প্ৰথম শ্ৰেণীৰ মেজিষ্ট্ৰেট। তেখেতে ৮ | ১১ | ১৯১০ তাৰিখে গোসাঁইলৈ লিখিছিল।

"আপুনি সঙ্গীতত ওস্তা নহলেও, দোষাদোষ ধৰাত ওস্তা। মোৰ ক্ষুদ্ৰ পুথিখন পঠালোঁ। গুণাগুণ বিচাৰ কৰিব। আপোনাৰ মতটো পালে বৰে উপকৃত হয়।" সঙ্গীতত ৰাপ আছিল দেখিয়েই পৰিণত বয়সতো গোসাঁয়ে এছৰাজৰ অভ্যাস কৰিছিল।

সনাতন হিন্দু ধৰ্ম্ম-সভা স্থাপনত

ৰায় বাহাদুৰ কালীচৰণ সেন, পণ্ডিত পদ্মনাথ দেৱশৰ্ম্মা বিদ্যাবিনোদ, মতি-চান্দ আগেৰৱাল আৰু ৰায় বাহাদুৰ ভুবন ৰাম দাসেসৈতে পৰামৰ্শ কৰি হেমচন্দ্ৰ গোস্বামীয়ে গুৱাহাটীৰ পাণবজাৰত "সনাতন ধৰ্ম্ম-সভা" বা হৰি-সভাৰ মন্দিৰ এটি স্থাপন কৰে আৰু ১৮৩৬ শকৰ (১৯১৪ চন) জন্মাষ্টমীৰ দিনা বিৰাট হিন্দু জনতাৰ হৰ্ষোল্লাসৰ ধ্বনিৰে মন্দিৰ (ঘৰ) টি উদ্বোধন কৰা হয়। সেইদিনা গোসাঁয়ে ৫০, টকা অৰিহণা দিলে। অসমীয়া বঙালী সকলোৰে দুৰ্গা পূজা—জগদ্ধাত্ৰী পূজাকে আদি কৰি শঙ্কৰ-দামোদৰ প্ৰভৃতিৰ তিথি-উৎসৱ সমন্বিতে হিন্দু-ধৰ্ম্মৰ অন্তৰ্গত যাৱতীয় ধৰ্ম পালন কৰিব বুলি ঘোষণা কৰা হয়। গুৱাহাটীত জাতি-সম্প্ৰদায় নিৰ্বিশেষে সকলো হিন্দু সমবেত হব পৰা এইটিয়েই একমাত্ৰ হিন্দু-মন্দিৰ বা নাম-পূজাৰ ঘৰ।

১৯১৪ চনৰ ২৫ আগষ্টৰ "বেঙ্গলী" কাকতত এই সম্পৰ্কত মুন্সিফ হেমচন্দ্ৰ গোস্বামীৰ বিষয়ে লেখে:—

"During this interval of a month Hem Chandra Goswami, officiating Munsifi earned the Golden opinion of all the Courtgoing people.' '—The Bengalee 25th August 1914.

সত্ৰ-সভাবিলাক সংস্কাৰ কৰাত

অসমীয়া জাতিৰ যেকোনও সত্ৰ-সভাবিলাক সংস্কাৰ কৰি উন্নত অৱস্থালৈ

আনিবৰ নিমিত্তে হেমচন্দ্ৰই সকলো সত্ৰলৈকে এইবিলাক প্ৰস্তাৱ-প্ৰশ্ন পঠাইছিল আৰু সেইবোৰ আলচ কৰিবলৈ এখনি সদৌ অসম-ধৰ্মটোল-সভা আহ্বান কৰিছিল:—

১। অসমৰ এঠাইত উপযুক্ত ধৰ্মটোল পাতি তাত গোসাঁই-মহন্তসকলৰ লৰা-বিলাকক, বিশেষকৈ গুৰু হব লগীয়া বিলাকক, ৰীতিমত সংস্কৃত ভাষা আৰু হিন্দু-ধৰ্ম্মৰ শাস্ত্ৰবিলাক শিক্ষা দিব লাগে। কি উপায়ে সেই কাৰ্য্য সম্পাদন কৰিব পাৰি, তাৰ প্ৰশ্ন :—

(ক) ওপৰোক্ত প্ৰস্তাৱ মতে কাম কৰা উচিত হব নে নহয়, নাইবা ধৰ্ম-টোলৰেই আৱশ্যকতা আছে নে নাই; যদি আছে, তেন্তে কি ভাৱে স্থাপন কৰা উচিত হব ?

(খ) সংস্কৃতৰ লগে লগে ইংৰাজী পঢ়াৰ ব্যৱস্থা লোৱা উচিত হব নে ?

(গ) টোলৰ স্থান ক'ত হোৱা উচিত ?

(ঘ) টোল চলাবৰ নিমিত্তে ধন-সংগ্ৰহ হব ক'ৰ পৰা ?

(ঙ) টোল চলাবৰ নিমিত্তে কাৰ্য্যনিৰ্ব্বাহক সভা গঠন কৰা উচিত হব নে ?

(চ) সভাৰ গঠন প্ৰণালী ৰচনা।

(ছ) সত্ত-মহন্তৰ বাহিৰে অন্য ছাত্ৰও তাত ভৰ্ত্তি হব পাৰিব নে নোৱাৰে ?

সভাপতি

বেজবৰুৱাৰেসৈতে পুনৰ মিলন

"বাঁহী"ৰ সম্পাদক লক্ষ্মীনাথ বেজবৰুৱাৰেসৈতে 'জোনাকী'ৰ দিনত হৰিহৰ-আত্মা আছিল যদিও, মাজতে কিছুমান কথাত মতান্তৰ ঘটাত উভয়ৰে সনসনীয়া সম্পৰ্কটো গোট মাৰিছিল। ৰজনীকান্ত বৰদলৈয়ে "প্ৰদীপিকা" উলিয়ালত গোস্বামীয়ে সেই কাকতৰ দামোদৰী-মত সম্পূৰ্ণ সমৰ্থন কৰিলে। ইয়াতে শঙ্কৰী-মতৰ সমৰ্থনকাৰী বেজবৰুৱা একালে আৰু সিকালে বৰদলৈ-গোসাঁইৰ সৈতে তুমুল তৰ্কযুদ্ধ লাগিল। "বাঁহী-"প্ৰদীপিকা"ৰ যুদ্ধও এখন ভাণ্ডৱ যুদ্ধ।

সেই “বাঁহী”-হেম গোসাঁই আৰু “বাঁহী-প্ৰদীপিকা”ৰ বুঢ়া-ককাই, অৰ্থাৎ এগোট বেজবৰুৱা আৰু দুজনেএগোট বৰদলৈ-গোসাঁই—এই দুই জোটৰ ভিতৰত ভালেমান দিন মাতবোল নোহোৱাকৈ আছিল।

১৯২৪ চনত, বেজবৰুৱা সাহিত্য-সভাৰ সভাপতি হৈ গুৱাহাটীলৈ আহিলত গোস্বামীয়ে তেখেতৰ ঘৰতে এদিন মধ্যাহ্ন ভোজন কৰিবৰ নিমিত্তে, ৰজনী বৰদলৈ, বেজবৰুৱা, চন্দ্ৰ আগৰৱালা, জে, বৰুৱা, কমলাকান্ত ভট্টাচাৰ্য্যক নিমন্ত্ৰণ কৰে আৰু তাতে ভোজনৰ পাতত বহি কেউজনে আগৰ কুযাৰি জাকক ভঙ্গ কৰে।

হেমচন্দ্ৰ গোস্বামীৰ মৃত্যুত শোকোচ্ছ্বাস

শ্ৰীযুত বিনন্দ চন্দ্ৰ বৰুৱা বি-এৰ দ্বাৰাই সম্পাদিত

("মিলন"ৰ হেম-সোঁৱৰণি সংখ্যাত প্ৰকাশিত)

১৭৯৩ শকত, গোলাঘাটৰ ঢেঁকীয়ালত জন্মগ্ৰহণ কৰা হেমচন্দ্ৰ গোস্বামীয়ে ৰজাঘৰীয়া বিষয়-জঞ্জালৰপৰা হাত আজৰি কৰি ভাটি বয়সতো সাহিত্য-বুৰঞ্জী সম্পৰ্কীয় ভালেমান কাম কৰিবলৈ জুৰি লৈছিল, এনেতে ইটোৰ-পাচত-সিটোকৈ শোক সন্তাপে দেহা জুৰুলা কৰাত ভালেমান কাম আধৰুৱা হৈয়ে থাকিল। ১৯১৮ চনত বাযসিঙে আক্ৰমণ কৰি হাতৰ আঙুলীত ঘুণ লগালে, ১৩।১২।১৯২৭ তাৰিখে বৰপুতেক কিৰণৰ অকাল মৃত্যু হল, সেই শোকৰ জুই নুমাবলৈ নৌ-পাওঁতেই সেই শকৰে ফাগুনত বৃদ্ধা মাতৃয়েকো পৰলোকপ্ৰাপ্তা হল। বহুমূত্ৰৰ দোষো বৃদ্ধি হৈ আছিল। পুত্ৰ-মাতৃ-শোকত জৰ্জ্জৰিত হৈ থকা দেহাতে আকৌ গালত এটি নাবেঙাই দেখা দিলে। সেই নাবেঙা হোৱাৰ ১৮ দিনৰ মূৰতে নিষ্ঠুৰ কালে আমাক নিঠৰুৱা কৰি আমাৰ মাজৰপৰা অসমীয়া সাহিত্যৰ পৰমাচাৰ্য্য পণ্ডিত তত্ত্বভূষণদেৱক নেদেখা লোকলৈ লৈ গুচি গ'ল। প্ৰাগজ্যোতিষপুৰৰ লৌহিত্যতট পৰতীৰ্থত হেমচন্দ্ৰৰ পাঞ্চভৌতিক দেহা লীন গল। 'বিষাদৰ ছাঁই গোটেই দেশ ছানি পেলালে।"

শ্ৰীবেণুধৰ শৰ্ম্মা

হেমচন্দ্ৰ গোস্বামীৰ মৃত্যুত শোকোচ্ছ্বাস

সোঁৱৰণি

৺হেমচন্দ্ৰ গোস্বামী

(১)

"অকস্মাত্।"—তোমাৰ বচন; ৰচিছিলা
শোকৰ কবিতা যেবে এটি প্ৰৱাণৰ,
সুমৰি সন্তপ্ত প্ৰাণে' তুমি সেই বেলা
স্বৰ্গ যাত্ৰা অকালত আনন্দবামৰ।
আজি তাকে দোহাৰিব লগা হলো হায়;
নীৰৱ সন্তপ্ত তব এই লগৰীয়া,
আকাশত অকস্মাত্ লগ হেৰুৱাই,
গ'লা এৰি কৰি যাক অকলশৰীয়া।
হেমচন্দ্ৰে 'হেমকোষ' সঙ্কলন কৰি
এৰি গ'ল অভিমত সমল-শৰাই;
হেমচন্দ্ৰে সম্পাদিলা অনুজ্ঞা সুমৰি,
যুগল সোণৰ জোন্ জ্বলি একে ঠাই।
লগৰী বিচাৰি গলা,—যোৱা স্বৰ্গ-ধাম;
আহোঁমানে আলচিম তব কীৰ্ত্তি-কাম।

শ্ৰীপদ্মনাথ গোহাঞি বৰুৱা

অসমীয়া সাহিত্যৰ পৰমাচাৰ্য্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী

(১)

অসমৰ আকাশত, তোটাতৰা দৰে ;
তোমাৰ অমৰ নাম উজলি থাকিব ।
সাহিত্যৰ তোমোখাই তোমাৰ বাবতে
জাতীয় ভাবৰ মউ চুহিব পাৰিব ।
সাৰথিয়ে দ'ল বান্ধি "হেমৰ কোষে"ৰে,
অসমক দিলে ভাষা খাউতিয়ুগীয়া ;
তুমি দেৱ "চানেকি"ৰে বন্তি গছি ধৰি
পোহৰালা মণিকূট কেনে বিনন্দীয়া ।
কৰমৰ মন্ত্ৰ তুমি সাৰোগত কৰি
সমাপিলা গৌৰৱেৰে কলি জীৱনৰ,
অসমৰ প্ৰজাসৱে সুঁৱৰি বুলিব
হেমচন্দ্ৰ হেমহাৰ জননী কণ্ঠৰ ।

শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা

স্মৃতি প্ৰবাহ

(২)

দে অ' তই মাতৃ সন্তোষ আশীষ
থাকক হেমচন্দ্ৰ আনন্দ ধামে,
হব যেন পুনু শত হেমচন্দ্ৰ
উজ্জ্বল কৰক আসাম কামে ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা

বাস্তৱ আছিল, বন্ধুবৰ হেমচন্দ্ৰ গোস্বামী আৰু এই সংসাৰত নাই। নিদাৰুণ বাস্তৱ। সমাজিকতো নাভাবিছিলোঁ যে তেওঁ ইমান সোনকালে আমাক এৰি যাব। সিদিনা মাথোন ফেব্ৰুৱাৰী মাহৰ ২৯ তাৰিখে পুৱা গুৱাহাটীত মই তেওঁৰপৰা বিদায় লবলৈ গৈছিলোঁ, সম্বলপুৰলৈ উভতি আহিবলৈ বুলি। কোনে জানিছিল সেই বিদায়েই মোৰ পক্ষে শেষ বিদায় হব। কানসমনীয়া ডেকা বৰপুতেকৰ শোকত, তাৰ অলপ দিনৰ পিছতে প্ৰায় আশী বছৰীয়া বুঢ়ী মাতৃৰ শোকত আৰু তাৰ উপৰি চকুৰ আগতে থকা জীয়াজুই বাঁৰী বোৱাৰীয়েকৰ জীয়াভুত বপুৰা কাতৰ হৈ পৰিছিল। এইবোৰ নিকাৰৰ ওপৰতো আকৌ নিজৰ শৰীৰত বহুমূত্ৰ ৰোগৰ অত্যাচাৰ। সেইদিনা তেওঁৰ মাতৃদেৱী ঢুকুৱা দিনৰ পৰা দহ দিন। মই গৈছোঁ বুলি শুনি তেওঁ লৰালৰিকৈ ভিতৰৰ পৰা ওলাই আহিল,—হাতত ধান-খেৰৰ পকোৱা আধাৰি এটা। মই মজিয়াত, তেওঁ মাটিতে সেই আধাৰিটোত। মই বিদায় লবলৈ আহিছোঁ শুনি তেওঁৰ একেই বেজাৰত কলা পৰি থকা মুখ আৰু কলা পৰিল। তেওঁ নাজানিছিল যে ইমান সোনকালেই মই গুৱাহাটী এৰিম। ইয়াৰ আগতে তেওঁ মোক বৰ ধৰিছিল যাতে মই তেওঁৰ ওচৰতে, যদি পাৰোঁ, মাটি এডোখৰ লৈ ঘৰ এটা কৰি থাকিবৰ দিহা কৰোঁ। "আপুনি আহক, দুয়ো ওচৰা উচৰিকৈ লগে-ভাগে থাকোঁহক। ইত্যাদি।"

আজি কাৰ ওচৰত কোনে ঘৰ সাজি থাকে? নিয়তিক সুধিছোঁ।

১৮৮৮ চনত হেম গোসাঁয়ে এণ্ট্ৰেন্স পৰীক্ষাত উঠি কলিকতাত পঢ়িবলৈ আহিবলৈ বুলি যিদিনা গুৱাহাটীত ডাক-জাহাজত উঠে, ময়ো সেইদিনা ডাক জাহাজতে। মই ১৮৮৮ চনত ফাৰ্ষ্ট আৰ্টচ পৰীক্ষাত উঠি আমাৰ শিৱসাগৰৰ ঘৰলৈ গৈছিলোঁ। ঘৰত কিছুদিন থাকি বি-এ পঢ়িবলৈ আকৌ কলিকতালৈ আহিছিলোঁ। গুৱাহাটীৰ জাহাজ-ঘাটত লাগি থকা, ভটীয়াই যাবলৈ অহা ডাক-জাহাজতে হেম গোসাঁইদেৱৰ সৈতে মোৰ প্ৰথম দেখাদেখি, প্ৰথম মিলন। ভৱিষ্যতত পুলি-পোখা মেলি ডাঙৰ হোৱা বন্ধুতাৰ সেই সূত্ৰপাত। কলিকতা পাই দুয়ো একেটা "মেচ" অৰ্থাৎ বহাতে থাকিলোঁ, আৰু তেওঁ যত বছৰ কলিকতাত আছিল আমাৰ

বহা বেলেগ নহৈছিল। প্ৰথম দৰ্শনতে দুয়োৰো অন্তঃকৰণ দুয়োৰে ফালে আকৃষ্ট আৰু সেই আকৰ্ষণৰ পৰিণতি প্ৰগাঢ় বন্ধুতাত। গুৱাহাটী-ঘাটৰ জাহাজত উঠাৰ দিনৰেপৰা আমি দুজন সচাঁসচিঁকৈ একেজন হলোঁ। আৰু কলিকতা পাই অলপ দিনৰ ভিতৰতে দুজনেৰেসৈতে আৰু এজন লগ লাগি তিনিজন একেজন হলোঁহঁক। সকলোেও হব যে সেই তৃতীয়জন প্ৰাণাস্পদ বন্ধু শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালা। এই তিনিৰ সজত অসমীয়া ভাষা আৰু অসমীয়া সাহিত্যৰ চৰ্চ্চা, সদ্‌ভাৱৰ বিকাশ আৰু সজ উদ্যমৰ অনেক প্ৰচেষ্টা চলিছিল। তাৰ প্ৰথম ফল 'জোনাকী'—যি সৰ্ব্বতো ভাৱে প্ৰিয় বন্ধু আগৰৱালাৰ মানস তনয়া।

দুয়ো বন্ধু হেম গোসাঁই আৰু আগৰৱালাই কলিকতা এৰি তৃতীয়জনৰ পৰা আঁতৰি, নিজ নিজ কাৰ্য্যক্ষেত্ৰত কীৰ্ত্তিত্বও লভি নিজৰ আৰু মাতৃ-ভূমিৰ মুখ উজ্জল কৰি আছিল আৰু আছে, কিন্তু এই অপদাৰ্থই আজি-লৈকে অসাৰ্থক জীৱনৰ বোজা বৈ মাতৃভূমিৰ পৰা দূৰৈত থাকি ভটাওটি ওকৰাদি উফৰি ফুৰিছে।

আজি হেমচন্দ্ৰ গোস্বামীক হেৰুৱাই অসম যি ক্ষতিগ্ৰস্থ হ'ল, সেই ক্ষতি সহজে পূৰণ নহয়। অসমীয়া ভাষা আৰু সাহিত্যই এজন একনিষ্ঠ সেৱক হেৰুৱালে। ——শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

"বন্ধুবৰ গোসাঁইৰ স্মৃতি"

"বন্ধুবৰ গোসাঁই বয়সে মোতকৈ কেবছৰ মানৰ ডাঙৰ হলেও আমি দুয়ো একে বছৰতে এণ্ট্ৰেচ পৰীক্ষা পাচ কৰ গৱৰ্ণমেণ্টৰপৰা বৃত্তি পাই কলিকতালৈ পঢ়িবলৈ গৈছিলোঁ। সেই বছৰ নগাৱঁৰপৰা গোসাঁইৰ লগত প্ৰসন্ন ফুকন, বিজয় বৰুৱা আৰু ৰবিনাৰায়ণ বড়াও গৈছিল। দুখৰ বিষয়, এটাই কেউজন অকালতে এই মৰ্ত্ত্যধামৰপৰা আঁতৰিল। মোৰ লগত গুৱাহাটীৰপৰা জয়কৃষ্ণ, লক্ষ্মীপতি আৰু কমলনাথ গৈছিল, তেওঁলোক ও আজি ইহজগতত নাই। ডাক্তৰি পঢ়িবলৈ জয়কৃষ্ণ (ডাক্তৰ হৰেকৃষ্ণ দাসৰ ককায়েক) বোম্বা-ইলৈ গ'ল আৰু ৰবিনাৰায়ণ মাদ্ৰাজলৈ গ'ল, আমি কলিকতাতে ৰলোঁ। কলিকতাত গোসাঁই, মই, দ্বাৰকেশ্বৰ আৰু প্ৰসন্ন ফুকন এই চাৰিজন

সহপাঠীয়ে এবাৰ এখনি গ্ৰূপ ফটো তোলাইছিলোঁ। এই গ্ৰূপৰ মই মাথোন জীৱিত। অসমীয়া মানুহ ইমানেই অল্পায়ু।

সৰুৰেপৰা গোসাঁই সাহিত্যসেৱী আছিল। ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱাৰ 'আসাম বন্ধু'ত প্ৰকাশিত হোৱা তেওঁৰ তৰলা অসমীয়া কৱিতা আমি স্কুলত থকাৰেপৰা পঢ়িছিলোঁ। কলিকতাত শ্ৰদ্ধাস্পদ লক্ষ্মীনাথ বেজবৰুৱা আৰু চন্দ্ৰকুমাৰ আগৰৱালাৰ লগত আমাৰ চিনাকি হ'ল। তেওঁলোকৰ অসমীয়া ভাষা আৰু সাহিত্যলৈ আগ্ৰহ দেখি আমাৰো বৰ উৎসাহ জন্মিল। আমাৰ এটাইবিলাকৰে উদ্যোগত, বিশেষকৈ আদিতে আগৰৱালাৰ অৰ্থৰ সহায়ত, "জোনাকী" প্ৰকাশ কৰা হ'ল। আমি গাইপতি নিজ নিজ স্পৃহা অনুসৰি "জোনাকী"ৰ বাবে লিখাৰ বাব লৈছিলোঁ। আগৰৱালাই ঘাইকৈ কবিতা লিখিছিল। গোসাঁয়ে কবিতা আৰু অসমীয়া সাহিত্য সম্বন্ধে মৌলিক ৰচনা লিখিছিল, বেজবৰুৱাৰ ধেমেলীয়া ৰচনা আৰু মোৰ ভাগত আছিল শিল্প-বাণিজ্য আদি বিষয়ৰ আলোচনা। "জোনাকী"ৰ দ্বিতীয় বছৰৰ শেষ ভাগত নাইবা তৃতীয় বছৰৰ আদিতে কৃষ্ণপ্ৰসাদ দুৱৰা আৰু পদ্মনাথ বৰুৱাই কিছু প্ৰতিদ্বন্দ্বিতাৰে "বিজুলী" উলিয়ায়। এওঁলোকৰ লগতে শ্ৰীযুত বেণুধৰ ৰাজখোৱাও আছিল আৰু এওঁলোকক ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱাই বিশেষকৈ অনুগ্ৰহ কৰা যেন দেখা গৈছিল। "জোনাকী" হেমচন্দ্ৰ বৰুৱাৰ আখৰ যোটনীৰ বিশেষ পক্ষপাতী আছিল। যাহওক এই প্ৰতিদ্বন্দ্বিতাৰপৰা শেহত ভালৰ বাহিৰে বেয়া ফল ধৰা নাছিল। "জোনাকী"ৰ সেই সময়ৰ আন ঘাই লিখক আছিল ৰত্নেশ্বৰ মহন্ত আৰু লম্বোদৰ বৰা।

কলিকতাত অসমীয়া ভাষা উন্নতি-সাধিনী সভা প্ৰথমে প্ৰতিষ্ঠিত কৰাৰ প্ৰধান উদ্যোগী গোসাঁই। এই সভাই তেতিয়াই অসমীয়া পুথিৰ এখনি তালিকা প্ৰকাশ কৰিবলৈ মন কৰি তাৰ উপাদান সংগ্ৰহ কৰিবলৈ আৰম্ভ কৰে। গোসাঁই কলিকতাৰপৰা অসমলৈ অহাৰ পাচত শ্ৰীযুত ৰমাকান্ত বৰকাকতী আৰু মই উভয়ে অ, ভা, উ, সা সভাৰ যুটীয়া সম্পাদকৰূপে এই অসম্পূৰ্ণ তালিকা প্ৰকাশ কৰোঁ। গোসাঁয়ে শেষত গবৰ্ণমেণ্টৰপৰা এই কাৰ্য্যতে নিয়োজিত হৈ এখনি সম্পূৰ্ণ তালিকা প্ৰস্তুত কৰে। ই বৰ পৰিতাপৰ বিষয় যে সেই তালিকা প্ৰকাশিত হোৱাৰ পূৰ্ব্বেই তেওঁ অকালতে দেহত্যাগ কৰিলে। অনুমান এই তালিকাৰ পাতনিখনিও তেওঁ সম্পূৰ্ণ কৰিব

নোৱাৰিলে। তেওঁ যিবিলাক মহৎ কাৰ্য্য হাতত লৈছিল সেইবিলাক এতিয়া সম্পূৰ্ণ কৰে কোনে?" ——শ্ৰীকনকলাল বৰুৱা

"৺হেমচন্দ্ৰ গোস্বামী"

কলেজত পঢ়া দিনৰেপৰা ৺হেমচন্দ্ৰ গোস্বামী মোৰ লগৰীয়া বন্ধু আছিল। তেওঁ এণ্ট্ৰেন্চ পৰীক্ষা পাছ কৰি মোৰ লগতে একেলগে ৰেল-গাড়ীতে ১৮৮৬ খৃষ্টাব্দত কলিকতালৈ গৈছিল। কলিকতাতো দুয়ো প্ৰায় একে মেছতে আছিলোঁ। ১৮৮৭ খৃষ্টাব্দত মই যেতিয়া বি-এৰ প্ৰথম বাৰ্ষিকত পঢ়োঁ তেতিয়া আমি ৭০ নং মিৰ্জ্জাপুৰ ষ্ট্ৰীটত থাকোঁ। এদিন ভাটিবেলা হঠাৎ ৺গোস্বামীদেৱে নিঃকিনক কৈছিল—"বৰদলৈ! শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাই সৈতে লগলাগি এখন ভাল মাহিলী কাকত উলিয়াব খোজো, তাত তুমি প্ৰবন্ধ দিবা নে?" মই কলো, "ভাই! যদি উলিয়াব পাৰা তেন্তে লিখিম।" ইয়াৰ এমাহৰ ভিতৰতে উভয়ে "জোনাকী" উলিয়ালে। ৺গোসাঁইৰ খেচ্‌খেচনিতে এই নিঃকিনেও "শৰীৰ তত্ত্ব" নাম দি বৈজ্ঞানিক প্ৰবন্ধ কেই সংখ্যামানত লেখিছিলোঁ। দৰাচলতে অসমীয়া ভাষাত পুথি লিখা ভাবটো গোসাঁইদেৱেই মোৰ মনত সুমুৱাই দিয়ে। দুয়ো এনেকুৱা অন্তৰঙ্গ বন্ধু আছিলোঁ যে গোসাঁইদেৱে মোক সদায় অজলা ভাবি ৰেলত একেলগে আহোঁতে কৰা ঘটনা এটি লৈ খঙ তোলাবলৈ যত্নত আছিল—আৰু মইও মোৰ বন্ধুক তেওঁৰ লিখা অতি ওজলা পদ্যটি "কাকো আৰু হিয়া নিবিলাওঁ" মুখস্থ কৰি তেওঁক ঠাট্টা-ইতিকিং কৰিবলৈ নেৰিছিলো। হাঁয়! কি সুখৰ দিন আছিল!

১৮৮৮ খৃষ্টাব্দৰ গৰমৰ বন্ধত মই ঘৰলৈ আহি গুৱাহাটীৰ কুকুৰমুতা গাৱঁত থাকি ৰহাগমহীয়া এদিন মোৰ পৰিৱাৰক বিয়া কৰাইছিলোঁ। ঠিক সেই একে দিনতেই গোস্বামী প্ৰভুদেৱেও বাপুৰাম দেউ উকীলৰ ঘৰৰপৰা দৰা সাজি গৈ ৺কেশৱকান্ত শৰ্ম্মা ৰসেন্দ্ৰ বৰুৱাৰ দ্বিতীয় কন্যাক বিয়া কৰাইছিল। মোৰ শহুৰ ৺জয়নাথ বৰদলৈ আৰু ৺গোস্বামীৰ শহুৰেক ৺কেশৱ বৰুৱাও উভয়ে ভাই-ককাইৰ দৰে আছিল। এই ঘটনা আমি এতিয়ালৈকে পাহৰিব পৰা নাই।

৺গোস্বামীদেৱ প্ৰকৃত পমম দেশপ্ৰেমিক, নিজৰ ভাষাপ্ৰেমিক, সাহিত্য-সেৱী আছিল। তেওঁৰ এটা অভ্যাস আছিল যেই সেই ভাষৰ মানুহৰ লগ লগা (মোৰ অভ্যাসৰ সম্পূৰ্ণ বিপৰীত)। তেও নিজকে চিনাকি দিয়াৰ লগে লগে বিদেশী মনিষীসকলৰ ওচৰত নিজৰ জাতিৰ আৰু ভাষাৰ গৌৰৱ বঢ়োৱাত আগৰণুৱা আছিল।

এই নিঃকিনে 'প্ৰদীপিকা' চলাওঁতেও উৎসাহ-উপদেশ দি অনুগ্ৰহ কৰিছিল। মুঠৰ ওপৰতে ৺গোস্বামীদেৱে মোৰ এজন নিজৰ সহোদৰৰ দৰে আছিল। সিদিনাখন ত্ৰটি কন্যাৰ মৃত্যু শোকত এই নিঃকিন যিমান সন্তপ্ত হৈছো ৺গোস্বামীদেৱৰ বিয়োগতো সিমান শোক পালো। ৺গোস্বামী প্ৰভুৰ অবিহনে আজি কোনে আকৌ অসমীয়া ভাষাৰ গৌৰৱ বঢ়াব? কোনে অসমীয়া ভাষাক এম-এ লৈকে ঠাই দিব। কোনে আজি এই নিঃকিনক খুহুতীয়া কথা কৈ কলিকতাৰ পুৰণি কথা উনুকিয়াই ঠাট্টা-ধেমালি কৰি জীৱনৰ দুখৰ ভাব লাঘৱ কৰিব? কোনে মৰাৰ মুখত হাঁহি উলিয়াব?

"যোৱাঁ বাক! মোৰ ভাই যোৱাঁ। ঈশ্বৰ কৃষ্ণৰ আগত থাকাঁগে। ঈশ্বৰ কৃষ্ণক কবা এই নিঃকিনক যেন নাপাহৰে। কাল পূৰ্ণ হলে ময়ো যাম।" তুমি ৰত্নেশ্বৰ মহন্তৰ বিয়োগত গাইছিলা—

"দুয়োৰো আছিল ইচ্ছা মাতৃভাষা সেবিবৰ
পাহৰি পলালা যোগ্য! অযোগ্য থাকিলোঁ।"

মই তোমাৰ এই পদকে তোমাৰ উদ্দেশ্য অলপ লবাই গাওঁ—

"দুয়ো সেবিছিলোঁ আমাৰ মৰমৰ মাতৃভাষা।
পাহৰি পলালা যোগ্য, অযোগ্য থাকিলোঁ।"

শ্ৰীৰজনীকান্ত বৰদলৈ।

আসাম আইৰ সুসন্তান ৺হেমচন্দ্ৰ

তেওঁ মোৰ মাজু ককাইদেউ স্বৰ্গীয় কমলাভিৰাম আৰু মোৰ ঘৰৰ শিক্ষক ১৮৯২।৯৩ খৃষ্টাব্দত দুমাহ কি তিনিমাহমান আছিল। তেওঁ শিক্ষা প্ৰণালী জানিছিল আৰু মোৰ যিমান দূৰ মনত আছে (ইমান দিনৰ কথা মনত তিমান নাই, মোৰ যিমান দূৰ মনত আছে) তেওঁ "কথাচ্ছলেন বালানাং নীতিস্তদিহ কথ্যতে" প্ৰণালী অনুসৰণ কৰিছিল। ই যে ভাল নীতি

সকলোৱে কৰ। 'মোৰ মনেৰে হেম গোসাঁই যদি আইন ব্যৱসায়ী হ'লহেঁতেন তেওঁ এজন বৰ ডাঙৰ উকীল কি ব্যাৰিষ্টাৰ হ'লহেঁতেন। তেওঁ কথা কব জানিছিল। তেওঁ প্ৰত্যুৎপন্নমতি আছিল, তেওঁৰ জ্ঞান আছিল, স্মৃতি শক্তি আছিল, সাহ আছিল। এজনে কিবা এটা গল্প কলে ঠিক তেনে আৰু এটা গল্প তেওঁ তেতিয়াই কব পাৰিছিল। আজি-কালি দেখা যায় আমাৰ ডেকাসকলৰ বহুতে আমাৰ চুবুৰীয়া বঙ্গলা ইচ্ছা কৰিয়েই নপঢ়ে, নিলিখে। আমাৰ স্বৰ্গীয় গোসাঁইদেৱ তেনে নাছিল। গ'ল অশোকাষ্টমীৰ দিনা কি সেইখিনি সময়তে কোনো এদিন তেওঁৰেসৈতে দেখা কৰিবলৈ যাওঁতে তেওঁ হেমচন্দ্ৰ বন্দ্যোপাধ্যায়, ইত্যাদি গ্ৰন্থৰপৰা কবিতা আবৃত্তি কৰিছিল। তেওঁ গল্প এনে সুন্দৰকৈ পাৰিছিল যে তেওঁৰ লগত ফুৰিলে দীঘলীয়া বাটো চুটি হৈ গৈছিল।

শ্ৰীজ্ঞানদাভিৰাম বৰুৱা
আৰ্ল ল কলেজ, গুৱাহাটী

অসমীয়া সাহিত্যৰ গুৰিয়াল

"আসাম বন্ধু" যেতিয়া ওলাইছিল সেই কালতেই হেমচন্দ্ৰ গোস্বামীয়ে এজন ভাল লিখক বুলি চিনাকি দিছিল। মুঠতেই কবলৈ গলে, তেওঁ অতীত আৰু বৰ্ত্তমান সাহিত্যৰ সাঁকো স্বৰূপ আছিল। তেৱেঁই কলিকতা বিশ্ববিদ্যালয়েৰে সৈতে আমাৰ সম্পৰ্ক ঘনিষ্ঠ কৰি থৈছিল। অসমীয়া সাহিত্যৰ স্বাৰ্থ অটুট ৰাখিবলৈ তেওঁ যিমান কৰিলে আনে সিমান কৰিব পৰা নাই, এই কথা ধ্ৰুৱপ। হেমচন্দ্ৰ বৰুৱা অসমীয়া ভাষাৰ গুৰিয়াল আছিল—হেমচন্দ্ৰ গোস্বামী অসমীয়া সাহিত্যৰ গুৰিয়াল। অসমীয়া সাহিত্যত হেমচন্দ্ৰ গোস্বামীৰ নাম সোণোৱালী আখৰেৰে চিৰদিন জ্বলি থাকিব। তেওঁৰ ঠাই পূৰাব পৰা সাহিত্যিক যে বেগতে ওলাব এনে বিশ্বাস আমি কৰিব পৰা নাই। তেওঁৰ বিহনত আমি আজি কেচুৱা লৰাই মাক হেৰুৱাই কন্দাৰ দৰে কান্দিছোঁহঁক। আমাক নিচুকাওঁতা কোনোবা ওলাব নে?

শ্ৰীৰেণুধৰ ৰাজখোৱা
যোৰহাট

দেশপ্ৰাণ হেমচন্দ্ৰ

৺হেমচন্দ্ৰ গোস্বামীয়ে আসাম সংক্ৰান্ত বিষয় বঙলা আৰু ইংৰাজী ভাষাতো প্ৰচাৰ কৰিছিল। বিদেশী পৰ্য্যটকে আহি ক'ত কেনেকৈ আসামৰ বিষয়ে কি কথা কৈছিল তাক তেওঁ জন সমাজত ব্যক্ত কৰিছিল। ১৯১৩ খৃঃ মহামতি আৰ্লচ্ চাহাবৰ আদেশ লৈ ভালেমান পুৰণি পুথি সংগ্ৰহ কৰিছিল। আসামত এটা চিত্ৰশালা স্থাপনৰ নিমিত্তে অহৰ্নিশে উপায় চিন্তি আছিল।

শ্ৰীসৰ্ব্বেশ্বৰ কটকী

অগ্ৰগণ্য সাহিত্যিক

৺হেমচন্দ্ৰ গোস্বামী সৰ্ব্বসমতিক্ৰমে আসামৰ এজন অগ্ৰগণ্য সাহিত্যিক আৰু প্ৰত্নতত্ত্ববিদ। তেখেতৰ প্ৰতিভাই তেখেতৰ লিখা "শৰাইঘাটৰ যুদ্ধ" বিষয়ক প্ৰবন্ধটিৰ যোগে মোক প্ৰথমে আকৰ্ষণ কৰে। আমি হাইস্কুলত পঢ়ি থকা সময়তে ৰায়চাহাব শ্ৰীযুত পদ্মনাথ বৰুৱা সম্পাদিত 'উষা' কাকতত সেই প্ৰবন্ধ ধাৰাবাহিকক্ৰমে ওলায়। নিভাঁজ সৰ্ব্বাঙ্গসুন্দৰ অসমীয়া গদ্যেৰে তেওঁ মোৰ হিয়াখন শ্ৰদ্ধাৰে ভৰপূৰ কৰি পেলাইছিল।

শ্ৰীতাৰাপ্ৰসাদ চলিহা

চিৰস্মৰণীয় হেমচন্দ্ৰ

যেতিয়ালৈকে থাকে-থাকে মানুহ সজাই নিজৰ স্পৃহা আৰু অভিজ্ঞতা অনুসৰি কাম কৰিবৰ সুবিধা সৃষ্টি কৰিব নোৱাৰোঁ তেতিয়ালৈকে অসমীয়াৰ উন্নতিৰ গতি লেহেম বুলি ধৰিব লাগিব। * * * *

আমি ওপৰত কৈছোঁ৷ গোস্বামীদেৱে চিকণোৱা বাট আগডকৈ মুকলি হব। তেওঁ আৰম্ভ কৰি যোৱা কাম সময়ৰ গতিত আৰু সুচাৰুৰূপে সম্পন্ন হব। "হেমকোষ"ৰ সলনি আমি বৃহত্তৰ অভিধান পাম, অসমীয়া ভাষা আৰু সাহিত্যৰ বিজ্ঞানসম্মত, বিস্তৃত বুৰঞ্জী সঙ্কলিত হব। অসমীয়া প্ৰাচীন গ্ৰন্থ তেওঁ সম্পাদন কৰাতকৈ আৰু সুন্দৰৰূপে সম্পাদিত হৈ পোহৰলৈ ওলাব, তেওঁৰ সঙ্কলিত "অসমীয়া সাহিত্যৰ চানেকিত"কৈ বৃহত্তৰ আৰু বেচি বৈজ্ঞানিক ভাৱে সজোৱা গ্ৰন্থ প্ৰকাশৰো সম্ভাৱনা আছে, অসমীয়া

শিলৰ ফলি আৰু বঙ্গালিজীয়া, বিধি সম্পূৰ্ণ সংগ্ৰহ আগতে ওলাব পাৰে। কিন্তু সেইবুলি গোস্বামীদেৱৰ কাৰ্য্যাৱলীৰ মূল্য কোনোৰূপে কম নহয়। বুৰঞ্জী সংকলন যেনে গুৰু কাম তাৰ সমলবিলাকৰ সংগ্ৰহো তেনে গুৰু কাম। সেই সমলবিলাক সংগ্ৰহ পৰিপাটিৰূপে সম্পন্ন নহলে বুৰঞ্জী সংকলনৰ চেষ্টা বৃথা। যিমান দিন অসমত শিক্ষা-দীক্ষাৰ আদৰ থাকে তিমানদিন স্বৰ্গগত হেমচন্দ্ৰ গোস্বামীৰ নাম অসমীয়াৰ মাজত স্মৰণীয় হৈ থাকিব।

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা

"অসমীয়াই গোস্বামীৰ ধাৰ শুজিব নোৱাৰে"

প্ৰত্নতত্ত্ব অনুসন্ধানকাৰীসকলৰ ভিতৰত তেখেত একমাত্ৰ অসমীয়া। অসমীয়া ভাষাৰ ৰবভেটি "হেমকোষ" ৺হেমচন্দ্ৰ বৰুৱাই লিখি থৈ গল যদিও, ছপাহৈ বাইজৰ আগলৈ ওলাল গোস্বামীদেৱৰ অশেষ যত্নত। অসমীয়াই গোস্বামীদেৱৰ ধাৰ সুজিব নোৱাৰে।

শ্ৰীহিতেশ্বৰ বৰবৰুৱা

"সদালাপত কাকো বেজাৰ নিদিওঁতা"

হেমচন্দ্ৰ গোস্বামী ডাঙৰীয়াৰ লগত মোৰ পঢ়া দিনৰে পৰা জনা-শুনা। কিন্তু সাহিত্য বিষয়ে ওচৰা-ওচৰি ভাৱে আলোচনা কৰিবলৈ প্ৰথম সুযোগ সম্ভৱ ১৯১২ চনত। তেতিয়া মই ধুবুৰীত, কেইবাদিনো তেখেতৰ লগত একেলগে থাকিবলৈ পাইছিলোঁ। দেখা কৰিবলৈ অহা ভদ্ৰলোকসকলৰ লগত কথাবতৰা পাতোঁতে সদালাপৰ ব্যাঘাত নোহোৱাকৈ প্ৰাচীন তত্ত্বৰ বিষয়ে অনেক কথাৰ আলোচনা কৰিছিলোঁ; ৺ৰায়বাহাদুৰ প্যাৰিমোহন দত্তৰ লগত ধুবুৰীৰ আৰু বঙ্গামাটিৰ বুৰঞ্জীৰ বহুত নতুন নতুন কথাৰ মীমাংসা হয়। গুৱাহাটীত থাকোতেও তেখেতৰ পৰা বহুত কথা শিকিবলৈ সুবিধা পাইছিলোঁ। নৱগ্ৰহ দেৱালয়ৰ সিকালে থকা পুৰণি মন্দিৰ এটাৰ এছটা ইটাৰ পৰা তেখেতে মন্দিৰৰ কাল নিৰ্ণয় কৰিছিল। সেই সময়তে তেখেতে যোগিনী তন্ত্ৰ সম্পাদন আৰম্ভ কৰে। বহুত শিলৰ ফলিৰ কাগজত তুলি অনা চিত্ৰাৱলীও তেখেতৰ লগৰীয়া আছিল।

শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা

৺হেমচন্দ্র গোস্বামী

বি-এ ডিগ্ৰীলৈকে যদিও তাৰ যেনেকিন্তু দূৰ্লাৰ চাহাবৰ অনুগ্ৰহত অসমীয়া ভাষাই কলিকতা ইউনিভাৰচিটিত ঠাই পাইছিল, হেম গোসাঁয়েহে বাস্তৱিকতে তাৰ সাৰ্থকতা ৰক্ষা কৰিছিল, আৰু চাৰ আশুতোষ মুখোপাধ্যায়ে, হেম গোসাঁইৰ বাহিৰে আনৰ দ্বাৰা ইউনিভাৰচিটিত অসমীয়া ভাষা ওপৰ মহলালৈ সন্মানিত কৰা নাছিল। হেম গোসাঁইৰ যত্ন নোহোৱা হেতেন "হেমকোষ"খনো যে কৰ্ণেল গৰ্ডন চাহাবে গৱৰ্ণমেণ্টৰ দ্বাৰাই ছপা কৰাই প্ৰকাশিত কৰালেহেঁতেন সিও বৰ সন্দেহৰ কথা।

শ্ৰীদেৱেশ্বৰ চলিহা।

তত্ত্বভূষণ পণ্ডিত হেমচন্দ্ৰ গোস্বামী

তেওঁ এজন আমাৰ দেশৰ বুৰঞ্জীৰ প্ৰধান অঙ্গপূৰণ কৰোতা আছিল। তেওঁ তত্ত্বভূষণ উপাধিৰে ভূষিত হৈছিল। এই উপাধি তেওঁৰ প্ৰকাশিত "কামৰত্ন তন্ত্ৰত" দেখিছোঁ। গোসাঁই ডাঙৰীয়া এজন উদাৰ ধৰ্ম্মনীতিজ্ঞ পুৰুষ আছিল। তেওঁ আমাক ভালেদিন বৰগীত পঢ়ি শুনাই, তাৰ গম্ভীৰ ভাৱ, তত্ত্ব, চন্দ, তাল, লয় আদি বুজাইছিল। তেওঁ মোক বৰ ভাল পাইছিল, আৰু মই বাৰণ কৰিলেও, তেওঁ মোক আপুনি নোবোলাকৈ কথা নকৈছিল। তেওঁৰ মুখত সদাই হাঁহি নৃত্যচিছিল। তেওঁৰ সেই শান্ত সুন্দৰ গম্ভীৰ মূৰ্ত্তি মনত পৰিলে অন্তৰত শোকে খুন্দা মাৰি ধৰে। এই দুখীয়া-নিচলাই তেখেতৰ সন্তপ্ত পৰিয়ালক কি বুলি প্ৰবোধ দিম? অন্তৰত সৰল সহানুভূতি আৰু সমবেদনা জনোৱাৰ বাহিৰে আন একোৰে পাত্ৰ নহওঁ। —শ্ৰীসোণাৰাম চৌধুৰী।

"অৰ্ঘ্যাঞ্জলী"ৰপৰা

পোন প্ৰথম সাহিত্যিক পেঞ্চনাৰ পদ্মনাথ গোহাঞি বৰুৱাই শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জনাই গোস্বামীৰ পুতেক শ্ৰীশৰৎ চন্দ্ৰ গোস্বামীলৈ লিখিছিল :—

মৰমৰ সোণাই বাপসেন,

লিখিবলৈ কাপ নুঠে। বুজাবলৈ কথা নাপাওঁ। সচা কথা কবলৈ হলে তোমালোকক বুজনি দিম কি, আজি মই নিজে অবুজন। সময়ে

শাও বকবেগে মানে সতকাৰ্ত আমাৰ প্ৰমপ্ৰাণ শাত নহৈছে একোন। তথাপি ইয়াকে মানি শান্তি বিচাৰিছোঁ যে ইচ্ছাময়ৰ ইচ্ছাত আমাৰ হাত নাই। ইয়াৰে যি কৰে মানুহৰ ভালৰ কৈ হে।

তোমালোকৰ লগত আমাৰ মৰ্মান্তিক সমবেদনাৰ চিন মোৰ অন্তৰতম্‌ বন্ধুৰ অকাল বিয়োগত ওলোৱা চকুলোৰ "চনেট" এখনি ইয়াৰ লগতে আঁৰি পঠালোঁ।

তেজপুৰ   তোমাৰ শুভাকাংক্ষী,
অং ২১।১।৫০ শক   শ্ৰীপদ্মনাথ গোহাঞি বৰুৱা

অসমীয়া উপন্যাসৰ সম্ৰাট, গোস্বামীৰ সুহৃদ বন্ধু ৺ৰজনী কান্ত বৰদলৈয়ে লেখিছিল :

হেবেদা বাগান
মাকুম জংচন ৭।৫।২৮

প্ৰিয় শ্ৰীমান শৰৎচন্দ্ৰ গোস্বামী,

সপোনতো ভবা নাছিলোঁ যে সক কালৰ পৰা, কলেজত পঢ়া দিনৰে পৰা, মোৰ পৰম বন্ধু গোসাঁইদেৱে এইদৰে মোক পিচপেলাই এৰি যাব। মই বয়সে তেখেতত্তকৈ ৪।৫ বছৰে ডাঙৰ হলেও তেখেতে ময়ে একপ্ৰকাৰ অভিন্ন হৃদয়ৰ আছিলোঁ। দাঁতত ভাত এটা লাগিলেও কোৱাকুই কৰিছিলোঁ—কলেজত একে মেছে থাকোঁতে কিমান যে ঠাট্টা কৰিছিলোঁ—চাকৰি জীৱনতো যেতিয়াই লগ লাগোঁ তেতিয়াই কত কথা, কত বতৰা দুয়ো আলচিছিলোঁ। দুয়ো একেলগে কলিকতাত থাকিবৰেপৰা সাহিত্য আলচিছিলোঁ—হেৰ, সিদিনাখন একেলগে দুয়ো চিলভাৰ লেভী (Sylvan Lavie) আহোঁতে মহাৰাজ মনীন্দ্ৰ চন্দ্ৰ নন্দীৰ ঘৰত আলহী, দুয়ো একে খাটতে ওচৰাউচৰিকৈ শুইছিলোঁ—এইবিলাক কথা মনত পৰি মোক আকুল কৰি তুলিছে। হেৰ? সিদিনাখন অলপতে মৰু মাজিউলী জীৱাৰী সদিয়াত চুকাল—সেই শোককে পাহৰিব পৰা নাই, এতিয়া আকৌ বন্ধু বিয়োগৰ বাতৰি। ধন্য মোৰ কঠিন হিয়া আৰু কপাল। সকলে পৰা ৪ ভাই হেৰুৱালো, যোগ্য ওপৰৰ লৰা হেৰুৱালোঁ। এতিয়া আকৌ এজন পৰম বন্ধু মোৰ সহোদৰ সদৃশৰ বিয়োগ বাতৰি। কি কৰিম সকলো গল—আমিও যাম। মোৰ বিশ্বাস, মই সিপুৰীলৈ যেতিয়া যাওঁ তেতিয়া মই

সকলোকে লগ পাম, কুশলে ওচৰত। মই খিৰচোকিছো। মই বিশ্বাস কৰোঁ প্ৰত্যেক সু জীৱই অন্ততঃ ৭০০ৰ পৰা ১৫০০ বছৰ স্বৰ্গপুৰীত থাকে, তাৰ পিচতহে জনম লয়। সেইদেখি মই ভ্ৰাতৃ, বন্ধু, পুত্ৰ, কন্যা সকলোকে লগ পামগৈ।"

তাৰপিছত ভায়েক জগত চন্দ্ৰ গোস্বামীলৈ লেখে :—

"গোটেই অসম গোসাঁইদেৱৰ বিয়োগত এন্ধাৰ হল। এতিয়ানো কোনে 'হেমকোষ' অভিধান ছপোৱাব—কোনে অসমীয়া ভাষাক এম্. এ পৰ্য্যন্ত পাঠ্যত পেলাব—কোনে প্ৰত্নতত্ত্ব উদ্ধাৰ কৰিব—

তোমাৰ মৰমৰ
শ্ৰীৰজনীকান্ত বৰদলৈ

(৩)

গোস্বামীৰে সৈতে কলিকতা কলেজত একেলগে পঢ়া লগৰীয়া গুৱাহাটীয়া বঙালী সমাজৰ এজন মুখ্যলোক, সু-সাহিত্যিক সুৰেশ চন্দ্ৰ বন্দ্যোপাধ্যায়ে গোস্বামীৰ বৰ জোঁৱায়েক ৺কামাখ্যাৰাম বৰুৱালৈ হেমচন্দ্ৰৰ মৃত্যুত এই বুলি লেখিছিল :—

"হেমচন্দ্ৰ কৃতী পুরুষ। তাঁর কৃতিত্ব তাঁকে চির স্মৃতি পটে রক্ষা করিবে। সাহিত্য, ইতিহাস, প্রত্নতত্ত্ব বিভাগে তার অনুরাগ ও কৃতিত্ব ছিল। তাহাই তাঁহাকে চিরস্মরণীয় ভাবে জীবিত রাখিবে। লোকপ্রিয়তা ও শিষ্টাচারী সদালাপী গুণ ছিল তার। সে গুণ সহরায় লোকে ভুলিতে পারিবেনা।

শ্ৰীসুরেশচন্দ্র বন্দ্যোপধ্যায়"

কর্ণেল গর্ডনৰ শোক-প্ৰকাশ

Spring Grove
Morden, Kent.
19 June 1928.

My dear Bhuyan,

Yes indeed I was sorry to see the death of our late friend Srijut Hem Chandra Goswami reported. We would ill afford to lose such a brilliant research scholar and literary man, especially at the present time when his great labours were about to bear fruit. I refer specially to the descriptive catalogue of Assamese literature and his translation of important Assamese puthis. I have written Hem Gossain was of great assistance in obtaining decipherment of Tezpur rock inscription and I will remember with what great interest the reading of this inscription was received by the Kamrup Anusandhan Samiti of which Hem Gossain was undoubtedly the most brilliant ornament. Alas that a cruel fate should have shorn Hem Babu of the present triumph which the publication of his great historical work would have given him, for he died before this took place. Alas, too, for the great sorrow which lent him in the loss of his eldest son an event which must have greatly saddened his last years. Assam has lost one of the most distinguished of her literary men and in Hem Gossain, a doughty champion of the Assamese language. Many friends and admirers will long mourn the loss of not only a brilliant research scholar and linguistic protagonist, that also of a most charming personality, of a disposition both willy and versatile and although an orthodox Brahman by no means bigoted in his religious beliefs. He was friend not only to his own people, the Assamese, but to Europeans to Bengalis, and others and was beloved equally by all. Truly a great and good man has passed away and one whose place it will be extremely difficult to fill.

19th June, 1928. P. R. T. Gurdon

জোৰণী

(১)

১। গোলাঘাটৰ আমোলাপটিত থকা গুকুৰা টেকেলাৰ বাৰীত জুপুৰি ঘৰ এটি সজাই ঘৰৰপৰা চাউলপাত নিয়াই তাতে থাকি হেমচন্দ্ৰই উইলিয়ামচন স্কুলত পঢ়িছিল।

২। নগাৰঁত যাৰ ঘৰত থাকি নগাওঁ হাইস্কুলত পঢ়িছিল, তেখেত আছিল বাপুৰাম শৰ্ম্মা ৰেভিনিউ চিৰস্তাদাৰ।

৩। গুৱাহাটীত এণ্ট্ৰেঞ্চ পৰীক্ষা দিবলৈ যাওঁতে গোস্বামী দেৱ তেওঁৰ আত্মীয় ব্ৰজনাথ ফুকনৰ ঘৰত আছিল।

৪। ঢেকীয়ালত চৰমনাথ দাৰোগাৰ পুতেক হৰনাথ বাজখোৱাৰ ওচৰত গোসাঁয়ে ইংৰাজী শিকিছিল। —হেমচন্দ্ৰৰ ভতিজাক শ্ৰীহৰিশ্চন্দ্ৰ গোস্বামীৰপৰা জনা গৈছে।

(২)

যোৰহাটত হাকিম হৈ থকা কালত গোস্বামীদেৱে "মন্ত্ৰপুথি" সম্পৰ্কে এটি প্ৰবন্ধ পাঠ কৰিছিল। সেই সম্পৰ্কে প্ৰাক্তন অধ্যক্ষ শ্ৰীযজ্ঞেশ্বৰ শৰ্ম্মাই কয়, "জবাফুকা মন্ত্ৰবিলাকতো যে অধ্যয়ন কৰিবলগীয়া আৰু জানিবলগীয়া কথা আছে তেতিয়ালৈকে জনাশুনা মানুহেও ভাবিব পৰা নাছিল।"

"পাৰ্ব্বতী পৰমেশ্বৰ" আৰু "অৰ্দ্ধনাৰীশ্বৰ"—একেজনাই।

গোসাঁয়ে যোৰহাটৰ সভা এখনত "ৰঘুবংশৰ টীকা এখনত "পাৰ্ব্বতী পৰমেশ্বৰৌ" কথাষাৰৰ ব্যাখ্যাত "অৰ্দ্ধনাৰীশ্বৰৌ" বুলি কৈ গৌৰৱ অনুভৱ কৰিছিল

—শ্ৰীযজ্ঞেশ্বৰ শৰ্ম্মা।

"হেমচন্দ্ৰ গোস্বামী অসম জননীৰ কেঁচাসোণ

—(বাগ্মীবৰ) শ্ৰীনীলমণি ফুকন।

হেমচন্দ্ৰ গোস্বামী-সম্পৰ্কে প্ৰকাশিত টোকা-পুথি-প্ৰবন্ধাদি

	লেখক	য'ত প্ৰকাশিত
১।	৺জগৎ চন্দ্ৰ গোস্বামী—	পদ্মনাথ গোহাঞি বৰুৱাৰদ্বাৰা সম্পাদিত "জীৱনী সংগ্ৰহ" ১৮৮৬ শক।
২।	শ্ৰীপ্ৰেমধৰ ৰাজখোৱা—	হেমচন্দ্ৰ গোস্বামী সৰু জীৱন-চৰিত পুথি।
৩।	৺সৰ্ব্বেশ্বৰ কটকী—	(১) "মিলন", ১৮৪৭ শক। (২) "বাঁহী", ১৮৫১ শক।
৪।	৺(ডঃ) সূৰ্য্যকুমাৰ ভূঞা—	(১) "মিলন", ১৮৪৭ শক। (২) 'অসমীয়া সাহিত্যৰ চানেকি'ৰ পাতনিত। ১৯২৯ চন
৫।	৺লক্ষ্মীনাথ বেজবৰুৱা—	"বাঁহী", ১৮শ বছৰ, ১৮৫০শক।
৬।	৺পদ্মনাথ গোহাঞি বৰুৱা—	"আসাম বন্তি" ১৯২৮।
৭।	শ্ৰীদিবাকৰ গোস্বামী আৰু ৺সৰ্ব্বেশ্বৰ কটকী	কামৰূপ অনুসন্ধান সমিতিৰ দ্বাৰা প্ৰকাশিত গোস্বামীদেৱৰ প্ৰকাশিত-অপ্ৰকাশিত প্ৰবন্ধ পুথিৰ চমু চিনাকি থকা স্মৃতি-গ্ৰন্থ।
৮।	মহামহোপাধ্যায় পদ্মনাথ দেৱশৰ্ম্মা বিদ্যাবিনোদ—	"কামৰূপ শাসনাৱলী" ১৯৩১ চন।
৯।	৺কনকলাল বৰুৱা—	An Early History of Kamrup.
১০।	Journal of the Assam Research Society— Commemoration Volume	কামৰূপ অনুসন্ধান সমিতিৰ দ্বাৰাই প্ৰকাশিত, ১৯৭০ চন।

১১।	ডঃ প্ৰফুল্ল দত্ত গোস্বামী—	Hem Chandra Goswami as poet. (Commemoration Volume) ১৯৭০।
১২।	Journal of the Asiatic Society of Bengal—	১৯০৫
১৩।	অসম সাহিত্য সভাৰ ভাষণাৱলী—	১৯৫৭। অসম সাহিত্য-সভা।
১৪।	অসম ছাত্ৰ সন্মিলনৰ ভাষণমালা—	প্ৰকাশক—প্ৰকাশন পৰিষদ, অসম, ১৯৬০
১৫।	পণ্ডিত হেমচন্দ্ৰ গোস্বামী হেমচন্দ্ৰ সোঁৱৰণি সংখ্যা	"মিলন", সম্পাদক—শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা বি-এ, ১৯২৮
১৬।	শ্ৰীলক্ষ্মীনাথ ফুকন	"অসম-বাতৰি" ১৯ মে, ১৯৬৮ চন।
১৭।	শ্ৰীবেণুধৰ শৰ্ম্মা	(১) "অৰ্ঘ্যাৱলী"—১৯৬৪ (২) "টোকোবা বাহৰ কূটা—'নতুন প্ৰতিনিধি'; সম্পাদক শ্ৰীপদ্ম বৰকটকী, ১৮৮২-৮৪ শক। (৩) "কামধেনু", সম্পাদক শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য, ১৮৮২ শক। (৪) ঢেকীয়াল উচ্চ ইংৰাজী বিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ স্মৃতি-গ্ৰন্থ। ১৯৭১
১৮। ১৯।	বঙ্গীয় সাহিত্য পৰিষৎ পত্ৰিকা তত্ত্ববোধিনী পত্ৰিকা	২য় খণ্ড চাওক।
২০।	দুৰ্গাধৰ বৰকটকী	নীতিপাঠ।

হেমচন্দ্ৰ গোস্বামীৰ বৰমাজু পুত্ৰ



শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী বি, এ যাৰ
যত্নত দেউতাকৰ "জীৱনী"
আৰু ৰচনাৱলী প্ৰকাশ
হব পাৰিছে।

শ্ৰীগৌৰাঙ্গদেৱৰ বংশাৱলী

গৌৰাঙ্গ দেৱ, কাশ্যপ গোত্ৰ। আদি-পুৰুষ উত্তৰ ভাৰতবৰ্ষৰ অহা।

- বিশ্বম্ভৰ
  - শাৰঙ্গধৰ
    - ৰামকানু বা ৰামকানাই
      - (১) পুৰুষোত্তম
        - (৫) হৰিদেৱ
        - (৬) আত্মাৰাম
      - (২) জয়হৰি দেৱ
        - (৭) ৰামদেউ
        - (৮) বিশ্বনাথ
      - (৩) ৰামচৰণ
        - (৯) সহদেৱ
      - (৪) ৰঙ্গাচৰণ
        - (১০) বিষ্ণুৰাম

আত্মাৰাম

- কুশানন্দ
- মুৰানন্দ
  - ডম্বৰুধৰ
    - প্ৰত্নতাত্ত্বিক পণ্ডিত হেমচন্দ্ৰ তত্ত্বভূষণ
      জন্ম—২৫ পুহ, ১৭৯৩ শক, সোমবাৰ
      ইং ৮ জানুৱাৰী, ১৮৭২ চন
      মৃত্যু—১৯ বহাগ, ১৮৫০ শক, ২ মে, ১৯২৮ চন।
      - আইকন ওঃ ৺মুক্তাবালা—(৺ কামাখ্যাৰাম বৰুৱালৈ পৰে)
      - ৺কিৰণ চন্দ্ৰ
      - শৰৎ চন্দ্ৰ,
      - প্ৰফুল্ল চন্দ্ৰ
      - শ্ৰীহীৰাপ্ৰভা (মইনী) (মাহৰা সত্ৰৰ শ্ৰীতাৰকচন্দ্ৰ গোস্বামী, বি-এ লৈ পৰে)
      - কমলা (নগাওঁ-জখলাবন্ধা সত্ৰৰ ৺সত্যহাস গোস্বামীলৈ পৰিছিল)
      - তৰুণ (বুল)
    - ৰায় চাহাব জগৎচন্দ্ৰ ওঃ উৰ্ব্বীধৰ
      - গোবিন্দ
      - হৰিশ্চন্দ্ৰ
      - ৰামচন্দ্ৰ
      - বিমলচন্দ্ৰ
    - খগেশ্বৰী দেবী—যোৰহাট সৰু চৰাইৰ দ্যুতিৰাম পণ্ডিতৰ পুত্ৰেক যজ্ঞেশ্বৰ নেওগলৈ পৰে। তেওঁৰ জীয়েক প্ৰেমলতাক তেজপুৰৰ প্ৰিয়লাল বৰুৱাই বিয়া কৰায়; প্ৰেমলতাৰ জীয়েক লীলাৱতীক ৰাধাগোবিন্দ বৰুৱাই আৰু বিমীক ৰজনী শৰ্ম্মাই বিয়া কৰায়।
- পূৰ্ণানন্দ
  - উমেশ্বৰ